কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

Krishna Kanta Handiqui State Open University

Bachelor Degree

SELF LEARNING MATERIAL

UG SO S6-02(DSC)

A

SEMESTER-VI

সামাজিক আন্দোলন

সমাজতত্ত্ব

Sociology

UG SO S6-02(DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এচ.; এন. ই. পি-২০২০ অনুসৰি)

ষষ্ঠ ষাণ্মাসিক

সামাজিক আন্দোলন

সমাজতত্ত্ব



সূৰ্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক সঞ্জয় বৰবৰা, টি আই এছ এছ, গুৱাহাটী আৱাস
অধ্যাপক সম্বিৎ মল্লিক, এইছ এছ এছ বিভাগ, আই আই টি গুৱাহাটী
ড° ইন্দ্রানী শর্মা, সমাজবিদ্যা বিভাগ, কটন বিশ্ববিদ্যালয়

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী

ড° ডোলা বৰকটকী, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	**লেখক**
১,২	ভূষিতা শর্মা, তেজপুৰ
৩,৪,৫,৬	শ্রুজনী স্মৃতিৰেখা, গৱেষণা শিক্ষার্থী, টি আই এচ এচ, গুৱাহাটী
৭	ড°পিয়াশী দত্ত, এমিটি বিশ্ববিদ্যালয়
৮,৯,১০,১১,১২,১৩,১৪	ড°পিয়াশী দত্ত, এমিটি বিশ্ববিদ্যালয়
১৫	সুকন্যা কাকতি টি আই এচ এচ, গুৱাহাটী

অসমীয়া অনুবাদ ঃ (১) সীমান্ত বর্মন (২) কংকন বৰা (৩) সীমান্ত বর্মন (৪) ভাস্বতী গোস্বামী, (৫) অজিতাভ হাজৰিকা, (৬) বিনয় শর্মা, (৮,১০) অর্ণৱ শর্মা, (৯) সীমান্ত বর্মন, (১১) ভাস্বতী গোস্বামী (১২) উৎপল ভট্টাচার্য্য, (১৩) অজিতাভ হাজৰিকা, (১৪) প্রিয়াংকু হাজৰিকা অজিতাভ হাজৰিকা

সম্পাদনা গোটঃ

বিষয়বস্তু (ইংৰাজী সংস্কাৰণ) ঃ পমিদি হাগ্‌জেৰ, সহঃ অধ্যাপিকা, সমাজতত্ত্ব বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়
ভাষা (ইংৰাজী সংস্কাৰণ) ঃ এলিজাবেথ এল. থিয়েক, সহঃ অধ্যাপিকা, ইংৰাজী বিভাগ, কামপুৰ মহাবিদ্যালয়
ভাষা (অসমীয়া সংস্কাৰণ) ঃ মিনি দেৰী, সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ, কামপুৰ মহাবিদ্যালয়
ড০ নিভাৰাণী ফুকন, সহঃ অধ্যাপিকা, অসমীয়া বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ মূর্চ্ছনা কৌশিক,শৈক্ষিক পৰামর্শদাতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রকাশ ঃ মার্চ, ২০২৬

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২; www.kkhsou.in

বিষয়সূচী

অধ্যায়		পৃষ্ঠা
অধ্যায় ১ ঃ	**সামাজিক আন্দোলন ঃ এটি পৰিচয়** সামাজিক আন্দোলনৰ অর্থ আৰু বিভিন্ন স্তৰসমূহ, সামাজিক আন্দোলনৰ বৈশিষ্ট্যসমূহ, সামাজিক আন্দোলনৰ প্রকাৰ বিভাজন, সামাজিক আন্দোলন আৰু সামাজিক পৰিৱর্তন	৭-১৫
অধ্যায় ২ ঃ	**সামাজিক আন্দোলনৰ তত্ত্বসমূহ** আপেক্ষিক বঞ্চিতকৰণ তত্ত্ব, গাঁথনিগত কার্যাৱলী তত্ত্ব, সমল সংগৃহীতকৰণ তত্ত্ব	১৬-২১
অধ্যায় ৩ ঃ	**সামাজিক আন্দোলনৰ বৈপ্লৱিক দৃষ্টিভংগী** আভাস, মুখ্য পৃষ্ঠপোষকসকল, দৃষ্টিভংগীসমূহ, বিচার্য বিষয়সমূহ	২২-২৯
অধ্যায় ৪ ঃ	**সামাজিক আন্দোলনৰ সাম্যবাদী দৃষ্টিভংগী** সামাজিক আন্দোলনৰ সাম্যবাদী দৃষ্টিভংগী ঃ ৰূপৰেখা, আলোচ্য বিষয়বস্তু আৰু দৃষ্টিকোণ	৩০-৩৯
অধ্যায় ৫ ঃ	**সামাজিক আন্দোলনসমূহৰ উদাৰনৈতিক দৃষ্টিভংগী** উদাৰনৈতিক দৃষ্টিভংগীৰ আভাস, উদাৰনৈতিক দৃষ্টিভংগীৰ মুখ্য পৃষ্ঠপোষকসকল, উদাৰনৈতিক দৃষ্টিভংগীৰ প্রেক্ষাপটসমূহ, মূল বিষয়সমূহ	৪০-৪৯
অধ্যায় ৬ ঃ	**নব্য সামাজিক আন্দোলনসমূহ** নব্য সামাজিক আন্দোলনৰ আলেখলেখ ঃ বৈশিষ্ট্য আৰু বিষয়সমূহ	৫০-৫৬
অধ্যায় ৭ ঃ	**ধর্মীয় আন্দোলন** ভাৰতত ধর্মীয় আন্দোলনৰ উদ্ভৱ, ভাৰতত ধর্মীয় আন্দোলন উদ্ভৱৰ কাৰণ, ভাৰতত সংঘটিত ধর্মীয় আন্দোলনৰ ওপৰত আলোকপাত ঃ বিভিন্ন দিশ আৰু ফলাফল	৫৭-৬৪
অধ্যায় ৮ ঃ	**সংস্কাৰ আন্দোলন** ভাৰতত সংস্কাৰ আন্দোলনৰ উদ্ভৱ, ব্রাহ্ম সমাজ, আর্য সমাজ, প্রার্থনা সমাজ আৰু অন্যান্য গুৰুত্বপূর্ণ সংস্কাৰ আন্দোলন ঃ নেতৃত্ব আৰু বিভিন্ন দিশ, ভাৰতত সংস্কাৰ আন্দোলনৰ প্রভাৱ	৬৫-৭২

অধ্যায় ৯ ঃ **জনজাতীয় আন্দোলন** ৭৩-৮১

ভাৰতত হোৱা জনজাতীয় আন্দোলনৰ বিৱৰণ, ভাৰতৰ বিখ্যাত জনজাতীয় আন্দোলনসমূহ ঃ উদ্ভৱ, বিষয়সমূহ নেতৃত্ব আৰু ফলাফলসমূহ

অধ্যায় ১০ ঃ **দলিত আন্দোলন** ৮২-৮৯

'দলিত' অভিধাটোৰ ব্যাখ্যা, দলিত আন্দোলন ঃ উদ্ভৱ, কাৰণ আৰু উদ্দেশ্য, দলিত আন্দোলনৰ লগত জড়িত বিভিন্ন দিশ, নেতৃত্ব আৰু ইয়াৰ ফলাফল

অধ্যায় ১১ ঃ [illegible] ৯০-৯৭

ভাৰতত নাৰী আন্দোলনৰ অভ্যুত্থান আৰু বিকাশ, ভাৰতত নাৰী আন্দোলনৰ অভ্যুত্থানৰ গুৰুত্বপূর্ণ বিষয়সমূহ আৰু ইয়ালৈ অৱদান আগবঢ়োৱা বিভিন্ন ব্যক্তি আৰু সংস্থানসমূহ, নাৰী আন্দোলন আৰু আইনৰ ভূমিকা, নাৰীৰ হকে গ্রহণ কৰা সাম্প্রতিক কালৰ কার্যব্যৱস্থাসমূহ

অধ্যায় ১২ ঃ **মানৱ অধিকাৰ** ৯৮-১০৩

মানৱ অধিকাৰ ঃ এই ধাৰণাৰ আনুষ্ঠানিক সূত্রপাত, স্বাধীন ভাৰতত মানৱ অধিকাৰ আন্দোলন, ভাৰতবর্ষত ভিন্ন সময়ত উদ্ভৱ হোৱা মানৱ অধিকাৰ জনিত বিষয়সমূহ

অধ্যায় ১৩ ঃ **পৰিৱেশ আন্দোলন** ১০৪-১১১

পৰিৱেশ আন্দোলনৰ উত্থান, ভাৰতবর্ষৰ পৰিৱেশ আন্দোলনসমূহৰ এটি আভাস, ভাৰতবর্ষৰ উল্লেখনীয় পৰিৱেশ আন্দোলনসমূহ

অধ্যায় ১৪ ঃ **ছাত্র আন্দোলন** ১১২-১২৯

ছাত্র আন্দোলন ঃ আৰম্ভণি, ভাৰতৰ স্বাধীনতা ঃ ছাত্র আন্দোলনৰ অনুপ্রেৰণা, প্রাক স্বাধীনতাৰ সময়ৰ পৰা বর্তমানলৈকে ভাৰতত সংঘটিত হোৱা ছাত্র আন্দোলনৰ ঘটনা পৰিঘটনা নেতৃত্ব আৰু ফলাফল সম্পর্কীয় এক খটিয়ান

অধ্যায় ১৫ ঃ **উত্তৰ-পূব ভাৰতত পৰিচয় ৰক্ষাৰ আন্দোলন** ১২০-১২৬

পৰিচয় ৰক্ষাৰ আন্দোলনৰ উত্থান, পৰিচয় ৰক্ষাৰ আন্দোলনৰ মূল বিষয়সমূহ, পৰিচয় ৰক্ষাৰ আন্দোলনৰ পৰিণামসমূহ

প্রসঙ্গ পুথি ঃ ১২৭-১৩০

পাঠ্যবিষয়ৰ পৰিচয় ঃ সামাজিক আন্দোলন

'সামাজিক আন্দোলন' নাম দিয়া এই পাঠ্যবিষয়টোৰ জৰিয়তে শিক্ষার্থীসকলক সমাজতাত্ত্বিক দিশেৰে সামাজিক আন্দোলনৰ পৰিঘটনাটো বুজাত সহায় কৰিব।

পাঠ্যবিষয়টোত মুঠ ১৫ টা অধ্যায় আছে। পাঠ্যবিষয়টোৱে সামাজিক আন্দোলনৰ ধাৰণাটো সর্বাংগীন ৰূপত বিশ্লেষণ কৰাৰ প্রয়াস কৰিছে। সামাজিক আন্দোলনৰমৌলিক তাত্ত্বিক দৃষ্টিভংগীৰ আলোচনাৰে পাঠ্যবিষয়টোৰ পাতনি মেলা হৈছে। ইয়াত সামাজিক আন্দোলনৰ উদাৰ, বৈপ্লৱিক আৰু সাম্যবাদী-দৃষ্টিভংগীবোৰ আলোচনা কৰা হৈছে। ইয়াত নব্য সামাজিক আন্দোলনৰ ধাৰণাতো আলোকপত কৰা হৈছে।

পাঠ্যবিষয়ৰ অন্য অধ্যায়বোৰত সামাজিক আন্দোলনৰ বিশেষ প্রকাৰবোৰৰ আলোচনা কৰা হৈছে। এই প্রকাৰবোৰ ভাৰতীয় পৃষ্ঠভূমিৰ বিশেষ উল্লেখেৰে বিশ্লেষণ কৰি চোৱা হৈছে। ধর্মীয় আন্দোলন, সংস্কাৰ আন্দোলন, ছাত্র আন্দোলন, পৰিচয় ৰক্ষাৰ আন্দোলন, নাৰী আন্দোলন, পৰিৱেশ আন্দোলন, জনজাতি আন্দোলন, দলিত আন্দোলন আদি ধাৰণাৰ আলোচনাকো অধ্যায়বোৰত সামৰি লোৱা হৈছে।

অধ্যায়বোৰত আলোচনা কৰা বিষয়বোৰ প্রাসংগিক উদাহৰণেৰে ব্যাখ্যা কৰাৰ প্রয়াস কৰা হৈছে।

'সামাজিক আন্দোলন ঃ এটি পৰিচয়' শীর্ষক প্রথম অধ্যায়ত সামাজিক আন্দোলনৰ অর্থ আৰু প্রকাৰৰ লগতে সামাজিক পৰিৱর্তনৰ সৈতে ইয়াৰ সম্পর্ক আলোচনা কৰা হৈছে।

'সামাজিক আন্দোলনৰ তত্ত্বসমূহ' শীর্ষক দ্বিতীয় অধ্যায়ত আপেক্ষিক নাটনি তত্ত্ব, সংৰচনাত্মক প্রকার্যমূলক তত্ত্ব আৰু সম্পদ সংগঠিতকৰণ তত্ত্বত আলোকপাত কৰা হৈছে।

তৃতীয় অধ্যায় 'সামাজিক আন্দোলনৰ বৈপ্লৱিক দৃষ্টিভংগী'ত সামাজিক আন্দোলনৰ বৈপ্লৱিক দৃষ্টিভংগীৰ প্রধান দিশবোৰ, এই দৃষ্টিভংগীয়ে পৃষ্ঠপোষকতা কৰা বিষয় আৰু এই দৃষ্টিভংগীৰ সৈতে জড়িত সমস্যাবোৰ আলোচনা কৰা হৈছে।

চতুর্থ অধ্যায়ৰ শিৰোনাম হ'ল 'সামাজিক আন্দোলনৰ সাম্যবাদী দৃষ্টিভংগী'। ইয়াত সামাজিক আন্দোলনৰ সাম্যবাদী দৃষ্টিভংগীৰ প্রধান দিশবোৰ, এই দৃষ্টিভংগীয়ে পৃষ্ঠপোষকতা কৰা বিষয় আৰু এই দৃষ্টিভংগীৰ সৈতে জড়িত সমস্যাবোৰ আলোচনা কৰা হৈছে।

'সামাজিক আন্দোলনৰ উদাৰবাদী দৃষ্টিভংগী' নাম দিয়া পঞ্চম অধ্যায়ত সামাজিক আন্দোলনৰ উদাৰবাদী দৃষ্টিভংগীৰ প্রধান দিশবোৰ, এই দৃষ্টিভংগীয়ে পৃষ্ঠপোষকতা কৰা বিষয় আৰু এই দৃষ্টিভংগীৰ সৈতে জড়িত সমস্যাবোৰ আলোচনা কৰা হৈছে।

ষষ্ঠ অধ্যায়ৰ শিৰোনাম হ'ল 'নব্য সামাজিক আন্দোলন'। ইয়াত নব্য সামাজিক আন্দোলনৰ ধাৰণা, ইয়াৰ সৈতে জড়িত সমস্যা, নেতৃত্ব আৰু সাফল্যৰ বিষয়ে আলোচনা কৰা হৈছে।

ধর্মীয় আন্দোলন' নাম দিয়া সপ্তম অধ্যায়ত ভাৰতত উত্থান ঘটা ধর্মীয় আন্দোলনবোৰ, উত্থানৰ কাৰণ আৰু পৰিণাম আলোচনা কৰা হৈছে। আলোচনকালত প্রাসংগিক উদাহৰণ দাঙি ধৰা হৈছে।

অষ্টম অধ্যায়নৰ শিৰোনাম হ'ল 'সংস্কাৰ আন্দোলন'। ইয়াত ভাৰতত চলা প্রধান সংস্কাৰ আন্দোলনবোৰৰ উত্থানৰ কাৰণ, নেতৃত্ব আৰু পৰিণাম সম্পর্কে আলোচনা কৰা হৈছে।

নৱম অধ্যায় 'জনজাতীয় আন্দোলন'ত ভাৰতত চলা জনজাতি আন্দোলনবোৰৰ সামাজিক আভাস দিয়া হৈছে। ইয়াত আন্দোলনবোৰৰ উত্থানৰ ইতিহাস, কাৰণ, সমস্যা, নেতৃত্ব আৰু পৰিণাম আলোচনা কৰা হৈছে।

দশম অধ্যায়ৰ শিৰোনাম হ'ল 'দলিত আন্দোলন'। ইয়াত ভাৰতৰ দলিত আন্দোলন সম্পৰ্কে আলোচনা কৰা হৈছে। আলোচনাত ইয়াৰউত্থান,কাৰণ, নেতৃত্ব আৰু পৰিণাম ব্যাখ্যা কৰা হৈছে।

একাদশ অধ্যায় 'নাৰী আন্দোলন'ত নাৰীআন্দোলনৰ উত্থান, সমস্যা, বিধি-বিধান ৰু সাম্প্ৰতিক ধাৰাবোৰৰ বিষয়ে আলোচনা কৰা হৈছে।

'মানৱ অধিকাৰ' শীৰ্ষক দ্বাদশ অধ্যায়ত সামাজিক আন্দোলনৰ দৃষ্টিভংগীৰে মানৱ অধিকাৰৰ ধাৰণাটো আলোচনা কৰা হৈছে। ইয়াত মানৱ অধিকাৰৰ ধাৰণাটোৰ উন্মেষ, ইয়াৰ সৈতে জড়িত সমস্যা, সাফল্য আৰু সাম্প্ৰতিক ধাৰাবোৰ আলোচনা কৰা হৈছে।

ত্ৰয়োদশ অধ্যায় 'পৰিৱেশ আন্দোলন'ত ভাৰতত চলা পৰিৱেশ আন্দোলনবোৰৰ বিশেষ উল্লেখেৰে পৰিৱেশ আন্দোলনৰ বিষয়ে আলোচনা কৰা হৈছে। আলোচনাত এনে আন্দোলন আৰম্ভ হোৱাৰ কাৰণ আৰু ইয়াৰ সৈতে জড়িত প্ৰধান সমস্যাবোৰক সামৰি লোৱা হৈছে।

'ছাত্ৰ আন্দোলন' শীৰ্ষক চতুৰ্দশ অধ্যায়ত ভাৰতৰ প্ৰধান ছাত্ৰ আন্দোলনবোৰ সূত্ৰপাত হোৱাৰ কাৰণ, সমস্যা, নেতৃত্ব আৰু সাম্প্ৰতিক ধাৰাবোৰ আলোচনা কৰা হৈছে।

পঞ্চদশ অধ্যায়ৰ শিৰোনাম হ'ল 'উত্তৰপূৰ্ব ভাৰতত পৰিচয় ৰক্ষাৰ আন্দোলন'। ইয়াত উত্তৰ-পূৰ্ব ভাৰতত পৰিচয় আন্দোলনৰ সূত্ৰপাত, সমস্যা আৰু পৰিণাম সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে।

পাঠবোৰ অধিক আকৰ্ষণীয় আৰু তথ্যজ্ঞাপক কৰি তুলিবলৈ অধ্যায়বোৰত 'অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ' নামৰ শিতান এটা ৰখা হৈছে। এই শিতানটোৰ জৰিয়তে অধ্যায়টিত সন্নিৱিষ্ট বিষয়বস্তুবোৰৰ কিছুমান অতিৰিক্ত তথ্য আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে। বিষয়বস্তু অধ্যয়নৰ অগ্ৰগতি অহৰহভাৱে পৰীক্ষা কৰি থকাত শিক্ষাৰ্থীসকলক সহায় কৰিবলৈ অধ্যায়বোৰৰ বিভিন্ন শিতানৰ অন্তত 'অগ্ৰগতি নিৰীক্ষণ' শিৰোনামৰ অধীনত কিছুমান প্ৰশ্ন সোধা হৈছে। 'অগ্ৰগতি নিৰীক্ষণ'ত থকা প্ৰশ্নবোৰৰ উত্তৰ প্ৰতিটো অধ্যায়ৰ সামৰণিত পঢ়িবলৈ পাব। প্ৰতিটো অধ্যায়ৰ সামৰণিত শিক্ষাৰ্থীয়ে পৰীক্ষাত আশা কৰা শৈলীত ৰচনাধৰ্মী আৰু চমু প্ৰশ্নৰ শিতানত কিছুমান আৰ্হি প্ৰশ্ন সংলগ্ন কৰা হৈছে।

অধ্যায় ১ ঃ সামাজিক আন্দোলন ঃ এটি পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ সামাজিক আন্দোলনৰ অর্থ আৰু বিভিন্ন স্তৰসমূহ
১.৪ সামাজিক আন্দোলনৰ বৈশিষ্ট্যসমূহ
১.৫ সামাজিক আন্দোলনৰ প্রকাৰ বিভাজন
১.৬ সামাজিক আন্দোলন আৰু সামাজিক পৰিৱর্তন
১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৮ অধিক জানিবলৈ
১.৯ অগ্রগতিৰ খতিয়ান
১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক আন্দোলনৰ অর্থ আৰু স্তৰসমূহৰ সম্পর্কে ধাৰণা কৰিব পাৰিব।
- সামাজিক আন্দোলনৰ বৈশিষ্ট্যসমূহ কি তাক জানিব পাৰিব
- সামাজিক আন্দোলনৰ প্রকাৰসমূহ কি তাৰ বিষয়ে জানিব
- সামাজিক আন্দোলন আৰু সামাজিক পৰিৱর্তনৰ মাজৰ সম্পর্ক বুজি পাব।

১.২ পৰিচয়

সামাজিক আন্দোলনসমূহ পৃথিৱীৰ একো একোটা প্রধান কার্যশক্তি স্বৰূপ। সমাজতাত্ত্বিকসকলে ব্যাখ্যা কৰা মতে, সামাজিক আন্দোলনসমূহে আমাক অতীত আৰু বর্তমানৰ সমাজ ব্যৱস্থাসমূহ বুজ লোৱাত সহায় কৰাৰ লগতে ভৱিষ্যতে ঘটিবলগীয়া পৰিৱর্তন তথা প্রৱণতাসমূহ অনুধাৱন কৰাত সহায় কৰে। সামাজিক আন্দোলনসমূহক সমাজত পৰিৱর্তন আনিবলৈ অথবা পৰিৱর্তন ৰোধ কৰিবলৈ সংগঠিত হোৱা একত্রিত প্রচেষ্টা হিচাপ গণ্য কৰিব পাৰি। এই অধ্যায়টোত আমি সামাজিক আন্দোলন, ইয়াৰ সংজ্ঞা, বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিম।

১.৩ সামাজিক আন্দোলনৰ অর্থ আৰু বিভিন্ন স্তৰসমূহ

সামাজিক আন্দোলনসমূহক সংঘবদ্ধ অথচ অনানুষ্ঠানিক কিছুমান সামাজিক সত্তা হিচাপ গণ্য কৰিব পাৰি যিয়ে এক নির্দিষ্ট লক্ষ্যৰ হকে এক বহিঃআনুষ্ঠানিক সংঘাতত লিপ্ত হয়। এই লক্ষ্যসমূহ হয়তো এক নির্দিষ্ট আৰু সংকুচিত আঁচনিকেন্দ্রিক হ'ব পাৰে অথবা বহুল পৰিসৰত সামাজিক পৰিৱর্তনৰ উদ্দেশ্যৰে সংগঠিত হ'ব পাৰে। সামাজিক আন্দোলনে যিকোনো ৰাজহুৱা সমস্যাৰ সমাধান কৰাৰ প্রয়াস কৰে। এণ্ঠনী গিদ্দেন্ছৰ

(Anthony Giddens) (2012) মতে, সামাজিক আন্দোলন হ'ল প্ৰতিষ্ঠিত অনুষ্ঠানৰ বাহিৰৰ পৰিসৰত ক্ৰিয়া কৰি এক সাধাৰণ লক্ষ্যত উপনীত হ'বলৈ হাতত লোৱা এক উমৈহতীয়া প্ৰচেষ্টা। আনহাতে, চালছ্ টিলীৰ (Charles Tilly) (1978) মতে, সামাজিক আন্দোলন হ'ল বিতৰ্কমূলক প্ৰদৰ্শন, বিজ্ঞাপন (display) তথা প্ৰচাৰ অভিযানৰ এক সমষ্টি যাৰ দ্বাৰা জনসাধাৰণে কিছুমান উমৈহতীয়া দাবী উত্থাপন কৰে। জন ডি মেক্কাৰ্থীৰ (John D Mccarthy) মতে, সামাজিক আন্দোলন হ'ল এক নিৰ্দিষ্ট জনসংখ্যাৰ মাজত থকা মতামত অথবা বিশ্বাসৰ এক সমষ্টি যিয়ে সামাজিক গাঁথনিৰ কিছুমান উপাদানৰ পৰিৱৰ্তন অনাৰ বাবে অথবা সমাজ এখনৰ বিভাজনৰ সমূচিত প্ৰতিফল দিয়াৰ বাবে কিছুমান অগ্ৰাধিকাৰ পোষণ কৰে। অৰ্থাৎ সামাজিক আন্দোলনসমূহ হ'ল সামাজিক পৰিৱৰ্তনৰ হেতু প্ৰতিষ্ঠিত কিছুমান পক্ষপাতিত্বমূলক গাঁথনি। ৰিলছ্নৰ মতে, সামাজিক আন্দোলন হ'ল অনানুষ্ঠানিক পন্থাৰে সমাজ শংখলাৰ ব্যাপক পৰিৱৰ্তন অনা অথবা ৰোধ কৰাৰ উদ্দেশেৰে সন্মিলিত এক সজাগ, উমৈহতীয়া তথা সংগঠিত প্ৰয়াস। সহজ অৰ্থত, সামাজিক আন্দোলন হ'ল কিছুমান প্ৰচলিত ৰীতি, আদৰ্শ আৰু সামাজিক সম্পৰ্কৰ পৰিৱৰ্তন অনাৰ উদ্দেশ্যেৰে জনসাধাৰণৰ দ্বাৰা সংগঠিত এক উমৈহতীয়া প্ৰচেষ্টা। সামাজিক আন্দোলনসমূহ উদ্দেশ্যমুখী, যাৰ আঁৰ লৈ সংঘবদ্ধ দলসমূহে এক সাধাৰণ লক্ষ্যতৰ হকে কাম কৰে।

টৌৰেইনৰ মতে, সামাজিক আন্দোলনৰ কিছুমান গুৰুত্বপূৰ্ণ কাৰ্য থাকে। সেয়া হ'ল—

- *মধ্যস্থতা কৰণ ঃ* সামাজিক আন্দোলনে জনসাধাৰণৰ সামাজিক পৰিৱৰ্তনৰ প্ৰক্ৰিয়াটোত প্ৰত্যক্ষ অংশগ্ৰহণ তথা তেওঁলোকৰ নিজস্ব ভাৱধাৰা প্ৰকাশৰ দ্বাৰা এক সক্ৰিয় ভূমিকা পালন কৰাৰ সুযোগ দিয়ে।
- *চাপ/হেঁচা (Pressure) ঃ* সামাজিক আন্দোলনে উমৈহতীয়া আঁচনি আৰু পৰিকল্পনাৰ ৰূপায়ণৰ বাবে দলসমূহ সংঘৱদ্ধ হোৱাত উদগনি যোগায়।
- সামাজিক আন্দোলনৰ বিষয়ে অধ্যয়ন কৰা সৰ্বপ্ৰথম গৱেষকসকলৰ ভিতৰত অন্যতম হ'ল হাৰ্বাৰ্ট ব্লুমাৰ। তেওঁ সামাজিক আন্দোলনৰ জীৱনচক্ৰটোৰ মুঠ চাৰিটা স্তৰ চিনাক্ত কৰিছিল। সেই চাৰিটা হ'ল—

- উত্থান
- সন্মিলন
- আমোলতান্ত্ৰিক কৰণ
- পতন

প্ৰথম স্তৰ ঃ উত্থান ঃ সামাজিক আন্দোলনৰ জীৱন চক্ৰটোৰ প্ৰথম স্তৰটো হ'ল উত্থান স্তৰ, যাক ব্লুমাৰে 'সামাজিক আলোড়ন' স্তৰ বুলিও উল্লেখ কৰিছিল। এই স্তৰটোত সামাজিক আন্দোলনসমূহ একেবাৰে প্ৰাথমিক অৱস্থাত থাকে আৰু এই সময়ছোৱাত সাংগঠনিকতা একেবাৰে কম অথবা নাই বুলিবই পাৰি। এইটো স্তৰত সম্ভাব্য অংশগ্ৰহণকাৰীসকল প্ৰচলিত কিছুমান নীতি অথবা সামাজিক পৰিস্থিতি লৈ অসন্তুষ্ট হ'ব পাৰে, কিন্তু তেওঁলোকে তেওঁলোকৰ অভিযোগৰ প্ৰতিবিধানৰ বাবে কোনো কাৰ্যপন্থা হাতত লোৱা নাই, অথবা যদি লৈছেও সেয়া ব্যক্তিগত পন্থাহে উমৈহতীয়া পন্থা নহয়।

দ্বিতীয় স্তৰ ঃ সন্মিলন ঃ জীৱন চক্ৰৰ এই পৰৱৰ্তী পৰ্যায়টোত সামাজিক আন্দোলনসমূহে কিছুমান বাধা অতিক্ৰম কৰি আহে, যিবোৰ বেছিভাগেই নেওচা দিব নোৱাৰে। সামাজিক অস্থিৰতা অথবা অসন্তুষ্টিসমূহ প্ৰায়ে সংহত নোহোৱাকৈ অথবা বহুল প্ৰসাৰিত প্ৰস্তুতি অবিহনে ৰৈ যায়। উদাহৰণস্বৰূপে, কোনো এক সম্প্ৰদায়ৰ লোকসকলে এক সাধাৰণ অন্যায়ৰ বিৰুদ্ধে ক্ষুণ্ণ হ'ব পাৰে, কিন্তু তেওঁলোকে সেই আপত্তিসমূহৰ বিৰুদ্ধে মাত মাতিবলৈ ওলাই নাহে আৰু সেয়েহে সামাজিক আন্দোলনটোৱে পৰৱৰ্তী স্তৰটো গৈ নাপায়। সন্মিলন স্তৰ অথবা "জনপ্ৰিয় স্তৰ" নামে খ্যাত এই দ্বিতীয় স্তৰটোৰ বৈশিষ্ট্য এয়াই যে এই স্তৰটোত অসন্তুষ্টিবোৰৰ

সুস্পষ্ট বহিঃপ্রকাশ হয়।

তৃতীয় স্তৰ ঃ আমোলাতান্ত্রিক কৰণ ঃ সামাজিক আন্দোলনৰ প্রক্রিয়াটোৰ তৃতীয় স্তৰটো হ'ল আমোলাতান্ত্রিক কৰণ স্তৰ। ব্লুমাৰে "আনুষ্ঠানিক কৰণ" স্তৰ হিচাপ আখ্যা দিয়া এই স্তৰটোৰ বৈশিষ্ট্য এয়াই যে এই স্তৰটোত উচ্চ পর্যায়ৰ সংহতকৰণ আৰু সন্মিলন-ভিত্তিক কার্য পৰিকল্পনাবোৰে প্রাধান্য পায়। এই স্তৰটোত, সামাজিক আন্দোলনসমূহে কিছু পৰিমাণে সফলতা লাভ কৰে আৰু এনে এক মাত্রাত সজাগতা আন্দোলন সংগঠনকে এক সন্মিলিত কার্য পৰিকল্পনাৰ প্রয়োজন হৈ পৰে। ঠিক তেনেদৰে এই সামাজিক আন্দোলন সংগঠনসমূহে বিশেষ অর্হতা থকা কিছু কার্যকর্তাৰ ওপৰত নির্ভৰশীল হৈ পৰে, যিসকলে সংগঠনটোৰ দৈনন্দিন কার্যকলাপ পৰিচালনা কৰাৰ লগতে আন্দোলনৰ লক্ষ্যসমূহ সঠিকভাৱে আগুৱাই নিব পাৰে। সামাজিক আন্দোলনসমূহে এই স্তৰটোত নিজৰ লক্ষ্যসমূহ আগবঢ়াই নিবলৈ আৰু সমষ্টি গঠন কৰিবলৈ কেৱল গণ সমাৱেশ অথবা অনুপ্রেৰণাদায়ক নেতাৰ ওপৰতে ভৰসা কৰিব নোৱাৰে, ইয়াৰ পৰিৱর্তে আন্দোলনসমূহে সংগঠনৰ কার্য-কলাপৰ সুচাৰু ৰূপায়ণৰ বাবে কিছুমান প্রশিক্ষিত কর্মকতাৰ সহায় লোৱাতো আৱশ্যক হৈ পৰে। এই স্তৰটোত, সামাজিক আন্দোলনসমূহে আগৰ স্তৰবোৰতকৈ অধিক ৰাজনৈতিক ক্ষমতা লাভ কৰে, য'ত সংগঠনসমূহে উচ্চস্তৰীয় ৰাজনৈতিক শক্তিসমূহৰ সৈতে নিয়মীয়া সংযোগৰ সুবিধা পায়। উদাহৰণস্বৰূপে সমলিঙ্গীয় অধিকাৰ আন্দোলনটো এনে এক আন্দোলন যি এই তৃতীয় স্তৰটো অতিক্রম কৰিছে। এই সমলিঙ্গীয় অধিকাৰ আন্দোলনটোৱে আন্দোলন, সমদল আদিৰ পৰা আগবাঢ়ি বহুতো আনুষ্ঠানিক সংগঠন প্রতিষ্ঠা কৰিছে যি বর্তমান আন্দোলনটোৰ লক্ষ্যৰ হকে কাম কৰে।

চতুর্থ স্তৰ ঃ পতন ঃ অৱশেষত, সামাজিক আন্দোলনৰ জীৱন চক্রৰ শেষৰটো স্তৰ হ'ল পতন অথবা "আনুষ্ঠানিক কৰণ"। সামাজিক আন্দোলনৰ ক্ষেত্রত 'পতন' শব্দটোৰ কিন্তু অৱশ্যে বিফলতা নুবুজায়। ইয়াৰ পৰিৱর্তে, মিলাৰে (১৯৯৯) দর্শোৱা মতে সামাজিক আন্দোলনসমূহৰ 'পতন' হোৱাৰ চাৰিটা ধৰণ আছে। সেই ধৰণ চাৰিটা হ'ল—

ক) দশম
খ) সহবৰণ কৰণ
গ) সফলতা আৰু
ঘ) বিফলতা

ক) দমন ঃ সামাজিক আন্দোলনসমূহৰ পতন হোৱাৰ প্রথম ধৰণটো হ'ল দমন। দমনৰ প্রসংগটো তেতিয়া উত্থাপিত হৈ যেতিয়া কর্তৃপক্ষ অথবা কর্তৃপক্ষৰ হকে কাম কৰা কোনো বিষয়াই সামাজিক আন্দোলনটো নিয়ন্ত্রণ অথবা নিঃশেষ কৰিবলৈ কিছুমান বিৰূপ কার্যপন্থা লয়।

খ) সহবৰণ কৰণ ঃ আন্দোলনসমূহৰ সংগঠনসমূহ যদি কেন্দ্রীভূত কর্তৃপক্ষ অথবা আকর্ষণীয় ব্যক্তিত্বৰ অধিকাৰী নেতাৰ ওপৰত অধিক নির্ভৰশীল হয়, তেতিয়াও সহবৰণ কৰণৰ দ্বাৰা আন্দোলনসমূহৰ পতন হোৱাৰ সম্ভৱনা বৃদ্ধি পায়। সহবৰণ কৰণ তেতিয়া সম্ভৱ হয় যেতিয়া আন্দোলন নেতৃত্বত থকা লোকসকলে আন্দোলনটোৰ মুখ্য উপাদানসমূহতকৈ কর্তৃপক্ষ অথবা গতিশীল লক্ষ্যৰ সৈতে বেছিকৈ মিলিত হয়।

গ) সফলতা ঃ সকলোবোৰ সামাজিক আন্দোলনে দমন অথবা সহবৰণ কৰণৰ দ্বাৰা বিপর্যয়ৰ সন্মুখীন নহয়, কিছুমান আন্দোলন সফলতা লাভৰ বাবেও পতন হয়। নির্দিষ্ট কিছুমান লক্ষ্য লৈ সংগঠিত ক্ষুদ্র-স্থানীয় আন্দোলনসমূহে এনে ধৰণৰ সফলতা পোৱাৰ সম্ভৱনা অধিক।

ঘ) বিফলতা ঃ সামাজিক আন্দোলনসমূহে মাজে-সময়ে কিছুমান অবাঞ্ছিত কাৰণৱশতঃ বিফলতাৰ সন্মুখীন হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সামাজিক আন্দোলন মানে কি বুজায়?

.....

প্রশ্ন নং ২ ঃ কোনো সামাজিক আন্দোলনৰ চাৰিটা স্তৰৰ কথা উল্লেখ কৰিছিল? স্তৰসমূহ উল্লেখ কৰক।

.....

প্রশ্ন নং ৩ ঃ সামাজিক আন্দোলনৰ বিষয়ে অধ্যয়ন কৰাটো কিয় গুৰুত্বপূর্ণ?

.....

১.৪ সামাজিক আন্দোলনৰ বৈশিষ্ট্যসমূহ

সামাজিক আন্দোলনসমূহে কেৱল আমাৰ সমাজ ব্যৱস্থাৰে যে পৰিৱর্তন আনে তেনেকুৱা নহয়, ই অন্যান্য সামাজিক আন্দোলনসমূহকো নিজস্ব অধিকাৰৰ হকে যুঁজ দিয়াত উৎসাহিত কৰে। সামাজিক আন্দোলনৰ তেনে কিছুমান বৈশিষ্ট্য হ'ল—

i) **প্রবর্তিত উমৈহতীয়া কার্য ঃ** সময়ৰ লগে লগে সামাজিক আন্দোলন এটাক প্রবর্তিত উমৈহতীয়া কার্য-কলাপৰ প্রয়োজন হৈ পৰে। এনে কার্য-কলাপ প্রায়ে প্রশাসনৰ বিৰোধী হয় আৰু প্রশাসনিক নীতি অথবা বিধিৰ পৰিৱর্তন দাবী কৰে। অন্যথা, স্বতঃস্ফূর্ত আৰু বিশৃংখল প্রতিবাদক সামাজিক আন্দোলন আখ্যা দিব নোৱাৰি।

ii) **স্পষ্ট লক্ষ্য আৰু আদর্শ ঃ** সামাজিক আন্দোলনৰ অংশগ্রহণকাৰীসকলৰ কিছুমান সন্মিলিত লক্ষ্য তথা আদর্শ থাকে। কোনো এক সামাজিক আন্দোলনৰ এক গুৰুত্বপূর্ণ উপাদান হ'ল আদর্শ।

iii) **সংগঠন ঃ** উমৈহতীয়া কার্য-কলাপসমূহ এক সঠিক মাত্রাৰ সাংগঠনিকতাৰে একত্রিত কৰাটো আৱশ্যকীয়। এই সংগঠনটোৰে সঠিক নেতৃত্ব আৰু এটা আৰ্হি সন্নিৱিষ্ট কৰাটো বাঞ্ছনীয় যিয়ে সদস্যসকলৰ পাৰস্পৰিক সম্পর্ক, সিদ্ধান্ত লোৱাৰ ধৰণ আৰু কার্যকৰীকৰণৰ দিশসমূহ সাঙুৰি লয়।

iv) **প্রতিবাদৰ সুকীয়া পন্থা ঃ** সকলো সামাজিক আন্দোলনৰে এক সুকীয়া প্রতিবাদী পন্থা থাকে। উদাহৰণস্বৰূপে, সতীদাহ প্রথাৰ বিৰুদ্ধে হোৱা আন্দোলনৰ প্রতিবাদী পন্থা আৰু সমলিংগীয় এল জি বি টি সম্প্রদায়ৰ অধিকাৰ হকে হোৱা আন্দোলনৰ প্রতিবাদী পন্থাৰ মাজত পার্থক্য আছে।

v) **সংজ্ঞাবদ্ধ আৰ্হি ঃ** সামাজিক আন্দোলনে আনুষ্ঠানিক অথবা অনানুষ্ঠানিক সংগঠনৰ জৰিয়তে প্রবর্তিত উমৈহতীয়া সংহতকৰণ সাধন কৰে।

vi) **পৰিৱর্তনমুখী লক্ষ্য ঃ** সামাজিক আন্দোলনসমূহ আধুনিক পৃথিৱীখনৰ সামাজিক পৰিৱর্তন আনিব পৰা মুখ্য শক্তি। সাধাৰণতে, সামাজিক আন্দোলনসমূহে প্রচলিত ৰীতি, আদর্শ তথা সম্পর্কৰ পৰিৱর্তন অনাৰ লক্ষ্যত নিৱিষ্ট।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ সংগঠন এটা গঢ়ি তুলিবলৈ প্রয়োজন হোৱা গুৰুত্বপূর্ণ উপাদান দুটা কি?

.....

প্ৰশ্ন নং ৫ ঃ এল জি বি টি ৰ সম্পূৰ্ণ ৰূপ কি?

.....

১.৫ সামাজিক আন্দোলনৰ প্ৰকাৰ বিভাজন

সামাজিক আন্দোলনক শ্ৰেণীভুক্ত কৰিব পৰা তেনে কোনো সুনিৰ্দিষ্ট প্ৰকাৰ বিভাজন নাই। যিহেতু ভিন্ন গৱেষকে সামাজিক আন্দোলনৰ ভিন্ন বৈশিষ্ট্যৰ ওপৰত মনোনিৱেশ কৰে, সেয়েহে ইয়াৰ শ্ৰেণী বিভাজনৰ ক্ষেত্ৰতো ভিন্নতা দেখা যায়। এইদৰে, সামাজিক আন্দোলনসমূহক বিভিন্ন দিশৰ ওপৰত ভিত্তি কৰি শ্ৰেণীভুক্ত কৰিব পাৰি। এনে ধৰণৰ এক শ্ৰেণী বিভাজন তলত উল্লেখ কৰা হ'ল—

- *পৰিত্ৰাণমূলক অথবা পৰিবৰ্তনশীল*
- *সংস্কাৰমূলক*
- *বৈপ্লৱিক*
- *প্ৰতিৰোধমূলক*
- *অৱাস্তৱ পৰিল্পনাকেন্দ্ৰিক*
- *প্ৰব্ৰজনশীল*
- *নৱ সামাজিক আন্দোলন*

- পৰিত্ৰাণমূলক সামাজিক আন্দোলনে ইয়াৰ সদস্যসকলৰ ব্যক্তিগত সজাগতা আৰু কাৰ্যৰ পৰিবৰ্তন অনাৰ লক্ষ্য ৰাখে। উদাহৰণস্বৰূপে কেৰালাৰ নাৰায়ণ গুৰুৰে এঝাৰা সম্প্ৰদায়ৰ লোকসকলক তেওঁলোকৰ নিজস্ব সামাজিক প্ৰথা কিছুমান সলনি কৰিবৰ বাবে সন্মিলিত কৰিছিল।
- সংস্কাৰমূলক সামাজিক আন্দোলনসমূহে সূক্ষ্ম ক্ৰমবৰ্ধিত উপায় অৱলম্বন কৰি প্ৰচলতি সামাজিক তথা ৰাজনৈতিক ব্যৱস্থাপনাৰ পৰিবৰ্তন সাধিবলৈ প্ৰয়াস কৰে। বিংশ শতিকাৰ দশকত ভাষাৰ ভিত্তিত ভাৰতৰ ৰাজ্য বিভাজনৰ আন্দোলন আৰু শেহতীয়া তথ্য জনাৰ অধিকাৰ প্ৰচাৰ অভিযান আদিবোৰ সংস্কাৰমূলক সামাজিক আন্দোলনৰ উদাহৰণ।
- বৈপ্লৱিক সামাজিক আন্দোলনে প্ৰায় প্ৰশাসনিক ক্ষমতা অধিগ্ৰহণ কৰাৰ দৰে পন্থা হাতত লৈ সামাজিক সম্পৰ্কৰ সৰ্বাত্মক পৰিবৰ্তন অনাৰ প্ৰয়াস কৰে। ভাৰতৰ নক্সালবাদী আন্দোলন এনে এক বৈপ্লৱিক আন্দোলন য'ত আন্দোলনকাৰীসকলে অত্যাচাৰী জমিদাৰ তথা প্ৰশাসনিক বিষয়াসকলক পদচ্যুত কৰিবলৈ প্ৰয়াস কৰে। সামাজিক আন্দোলনসমূহ সময়ৰ লগে লগে সলনিও হ'ব পাৰে, যেনে আৰম্ভণিতে বৈপ্লৱিক ভাৱধাৰাৰে আগবঢ়া আন্দোলন এটা সময় সাপেক্ষে সংস্কাৰমূলক আন্দোলনলৈও ৰূপান্তৰিত হ'ব পাৰে। ঠিক তেনেদৰে কোনো এক আন্দোলনে বিশাল গণ সমাৱেশ আৰু উমৈহতীয়া প্ৰতিবাদৰ পৰ্যায়ৰ পৰা এক আনুষ্ঠানিকৃত পৰ্যায়ৰলৈ গতি কৰিব পাৰে। সামাজিক আন্দোলনৰ জীৱন চক্ৰ অধ্যয়ন কৰা সামাজিক বৈজ্ঞানিকসকলে এই প্ৰক্ৰিয়াটোক 'সামাজিক আন্দোলন সংগঠন'ৰ দিশে গতি কৰা এক পদক্ষেপ বুলি অভিহিত কৰে।
- প্ৰতিৰোধমূলক আন্দোলনে সমাজত ইতিমধ্যে সংঘটিত হোৱা পৰিবৰ্তন ৰোধ কৰিবৰ প্ৰয়াস কৰে। পশ্চাদাভিমুখ আন্দোলন এনে এক আন্দোলনৰ উদাহৰণ। এই আন্দোলনটোৰ সূচনা হোৱাত উচ্চ জাতিৰ বুলি পৰিচয় দিয়া লোকসকলে ইয়াৰ বিৰোধিতা কৰিছিল।
- অবাস্তৱ পৰিকল্পনা কেন্দ্ৰিক আন্দোলনে এনে এক সমাজ ব্যৱস্থা গঢ়ি তোলাৰ প্ৰয়াস কৰে যি কেৱল কল্পনাতহে সম্ভৱ বাস্তৱত নহয়। উদাহৰণস্বৰূপে, সমাজবাদী ৰাষ্ট্ৰৰ ধাৰণাটো এনে আন্দোলনৰ অন্তৰ্গত।

- প্ৰকাশমুখী আন্দোলনে বৰ্তমানৰ শোচনীয় পৰিস্থিতিক আওকাণ কৰি এক উজ্জ্বল ভৱিষ্যতলৈ বাট চায়। মহিলাৰ অধিকাৰৰ আন্দোলনটোক কিছু পৰিমাণে এই শ্ৰেণীত ধৰিব পাৰি।
- প্ৰব্ৰজনকাৰী আন্দোলন তেতিয়া সংঘটিত হয় যেতিয়া এখন দেশৰ বৃহৎ সংখ্যক লোকে আন দেশত গৈ বসতি স্থাপন কৰে।
- সাধাৰণতে, পশ্চিমীয়া দেশসমূহত উদ্যোগিকৰণৰ পৰৱৰ্তী সময়ছোৱাত উদ্ভৱ হোৱা আন্দোলনসমূহক নৱ সামাজিক আন্দোলন বুলি কোৱা হয়। এনে আন্দোলনসমূহে প্ৰধানতঃ মানৱ অধিকাৰ, সমলিঙ্গীয় অধিকাৰ আদি প্ৰসংগত মাত মাতে।

১.৬ সামাজিক আন্দোলনৰ আৰু সামাজিক পৰিৱৰ্তন

সামাজিক আন্দোলনসমূহ সামাজিক পৰিবৰ্তনৰ সৈতে জড়িত কিন্তু ই এইটো নুবুজায় যে সামাজিক আন্দোলন সামাজিক পৰিবৰ্তনৰ এক অপৰিহাৰ্য কাৰক। সামাজিক পৰিবৰ্তন বহুতো আন্তঃব্যক্তিগত কাৰক আৰু শক্তিৰ দ্বাৰা পৰিচালিত হয়। কোনো এক আন্দোলনৰ দ্বাৰা প্ৰভাৱান্বিত সামাজিক পৰিবৰ্তনৰ ক্ষেত্ৰত পোন প্ৰথমে স্থিতিৰ পৰিবৰ্তন দেখা যায় আৰু তাৰ পাছত সমাজৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰিলক্ষিত হয়। সামাজিক আন্দোলনসমূহ সমাজ গাঁথনিৰে ফল। যেতিয়া সমাজ ব্যৱস্থাৰ সামগ্ৰিক পৰিবৰ্তন ঘটে, তেতিয়া সমাজত এজন গাঁথনিৰ পৰিবৰ্তনো আহে। উদাহৰণস্বৰূপে, পুঁজিবাদী ৰাষ্ট্ৰ এখন সমাজবাদী ৰাষ্ট্ৰলৈ ৰূপান্তৰিত হোৱাটো এনে এক পৰিঘটনা। সমাজ গাঁথনিৰ পৰিবৰ্তন সংস্কাৰ, ৰূপান্তৰণ আৰু বিপ্লৱ এই তিনিটা পৰ্যায়ত হ'ব পাৰে। সংস্কাৰ আন্দোলনসমূহে আদৰ্শ ব্যৱস্থাৰ আংশিক পৰিবৰ্তন আনে। উদাহৰণস্বৰূপে, শিক্ষাৰ ব্যৱস্থাৰ সংস্কাৰ সাধন। বিগত সময়ছোৱাত মহিলাৰ শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন সংস্কাৰ সাধন কৰা হৈছে। উদাহৰণস্বৰূপে, Wood's Dispatch, ১৮৫৪। ৰূপান্তৰ আন্দোলনে পৰম্পৰাগত ক্ষমতা বিভাজনৰ পৰিবৰ্তনৰ দ্বাৰা অথবা সমাজত উচ্চ জাতিৰ বুলি দম্ভালি মৰা শ্ৰেণীটোৰ একাধিকাৰ খৰ্ব কৰি মধ্য-স্তৰীয় গাঁথনিক পৰিবৰ্তন অনাৰ প্ৰয়াস কৰে। অস্পৃশ্যতা বিৰোধী আন্দোলনটো এনে আন্দোলনৰ উদাহৰণ। বৈপ্লৱিক আন্দোলনসমূহ সৰ্বাত্মক সামাজিক আৰু সাংস্কৃতিক পৰিবৰ্তন অনাৰ উদ্দেশ্যেৰে সংগঠিত হয় আৰু প্ৰায়ে হিংসা-বিদ্ৰোহ আদিৰ সৈতে জড়িত থাকে। বৈপ্লৱিক আন্দোলনৰ এটা বৈশিষ্ট্য হ'ল শ্ৰেণী সংঘাত আৰু ই ৰাজনৈতিক দলসমূহৰ সৈতে জড়িত। সামাজিক পৰিবৰ্তনে সামাজিক পৰিবৰ্তন আৰু উমৈহতীয়া কাৰ্য-কলাপৰ বৈশিষ্টসমূহৰ ওপৰত বিভিন্ন ধৰণে প্ৰভাৱ পেলাব পাৰে। ইয়াৰ উপৰি, সামাজিক পৰিবৰ্তনে এক নিৰ্দিষ্ট গাঁথনিৰ অৱস্থিতি আৰু নিৰ্দিষ্ট স্বাৰ্থৰ ভিত্তিত বিভিন্ন সামাজিক গোটৰ উত্থাপনত অৰিহণা যোগাব পাৰে। এইদৰে সামাজিক আন্দোলনক একন সমাজ অথবা এটা বৰ্তি থকা গোটৰ পৰিবৰ্তন আনিবলৈ অথবা পৰিবৰ্তন ৰোধ কৰিবলৈ সংগঠিত উমৈহতীয়া কাৰ্য-কলাপৰ এক সমষ্টি বুলিব পাৰি। এনে কাৰ্য-কলাপসমূহৰ সাল-সলনি হ'লেই সমাজত ইয়াৰ প্ৰভাৱে ভিন্ন হয়। আনহাতে, সামাজিক পৰিবৰ্তন হ'ল এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া, যি সমাজৰ অৰ্থনৈতিক, সামজিক, ৰাজনৈতিক, সাংস্কৃতিক আদি সকলো দিশতে প্ৰভাৱ পেলায়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ গাঁথনিক পৰিবৰ্তনৰ তিনিটা স্তৰ কি কি?

.....

প্ৰশ্ন নং ৭ ঃ সামাজিক পৰিবৰ্তন আৰু সামাজিক আন্দোলনৰ মাজত দুটা পাৰ্থক্য লিখক।

.....

১.৭অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক আন্দোলন হ'ল সমাজৰ যিকোনো দিশত আৰু যিকোনো উপায়েৰে পৰিবৰ্তন আনিবৰ বাবে সংগঠিত এক সন্মিলিত প্ৰচেষ্টা। আন্দোলন এটা ফলপ্ৰসু হ'বলৈ সূক্ষ্ম মাত্ৰাত হ'লেও সাংগঠনিকতাৰ প্ৰয়োজন। আন্দোলন এটা অংশিকভাৱে অথবা সম্পূৰ্ণভাৱে আনুষ্ঠানিকৃত হ'ব পাৰে আৰু আমোলা তান্ত্ৰিকো হ'ব পাৰে।
- টৌৰেইনৰ মতে, সামাজিক আন্দোলনৰ গুৰুত্বপূৰ্ণ কাৰ্য কিছুমান হ'ল—
  - *মধ্যস্থতা কৰণ ঃ* সামাজিক আন্দোলনে জনসাধাৰণক সামাজিক পৰিবৰ্তনৰ প্ৰক্ৰিয়াটোত প্ৰত্যক্ষ অংশগ্ৰহণ তথা তেওঁলোকৰ নিজস্ব ভাৱধাৰা প্ৰকাশৰ দ্বাৰা এক সক্ৰিয় ভূমিকা পালন কৰাৰ সুযোগ দিয়ে।
  - *চাপ/হেঁচা ঃ* সামাজিক আন্দোলনে উমৈহতীয়া আঁচনি আৰু পৰিকল্পনাৰ ৰূপায়ণৰ বাবে দলসমূহ সংঘবদ্ধ হোৱাত উদ্‌গনি যোগায়।
- সামাজিক আন্দোলনৰ বিষয়ে পোনপ্ৰথমে গৱেষণা কৰা গৱেষকসকলৰ ভিতৰত অন্যতম হ'ল হাৰবাৰ্ট ব্লুমাৰ, যিয়ে সামাজিক আন্দোলনৰ জীৱন-চক্ৰটোক চাৰিটা প্ৰধান স্তৰত বিভক্ত কৰিছিল। সেই স্তৰ চাৰিটা হ'ল—
  - উত্থান
  - সহবৰণ কৰণ
  - আমোলাতান্ত্ৰিক কৰণ আৰু
  - পতন
- সামাজিক আন্দোলনসমূহে কেৱল সমাজ ব্যৱস্থাৰ পৰিবৰ্তন অনাই নহয়, বৰঞ্চ অন্যান্য সামাজিক আন্দোলনসমূহকো নিজস্ব অধিকাৰৰ হকে যুঁজিবলৈ অনুপ্ৰাণিত কৰে।
- সামাজিক আন্দোলনৰ কিছুমান বৈশিষ্ট্য হ'ল—
  প্ৰবৰ্তিত উমৈহতীয়া কাৰ্য, স্পষ্ট লক্ষ্য আৰু আদৰ্শ, সংগঠন, প্ৰতিবাদৰ সুকীয়া পন্থা, সংজ্ঞাবদ্ধ আৰ্হি, পৰিবৰ্তনমুখী লক্ষ্য
- সামাজিক আন্দোলনসমূহক তলত দিয়া ধৰণে শ্ৰেণীভুক্ত কৰিব পাৰি ঃ
  পৰিত্ৰাণমূলক অথবা পৰিবৰ্তনশীল, সংস্কাৰমূলক, বৈপ্লৱিক, প্ৰতিৰোধমূলক, অবাস্তৱ পৰিকল্পনাকেন্দ্ৰিক, প্ৰব্ৰজনমূলক

১.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) Rao, M.S.A 2002. *Social Movements in India: Studies in Peasant, Tribal and Women's Movement*. Manohar Publications and Distributors.

২) Shah, Ghanshyam. 2004. *Social Movement in India: A Review of Literature*. Sage Publication

১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক আন্দোলন হ'ল প্রতিষ্ঠিত অনুষ্ঠানৰ বাহিৰৰ পৰিসৰত ক্রিয়া কৰি এক সাধাৰণ লক্ষ্যত উপনীত হ'বলৈ হাতত লোৱা এক উমৈহতীয়া প্রচেষ্টা। ই যিকোনো ৰাজহুৱা সমস্যা সমাধানৰ চেষ্টা কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ হাৰবার্ট ব্লুমাৰে সামাজিক আন্দোলনৰ জীৱন-চক্রৰ চাৰিটা স্তৰ চিনাক্ত কৰিছে। সেই স্তৰ চাৰিটা হ'ল—

- উত্থান
- সহৰণ কৰণ
- আমোলতান্ত্রিক কৰণ আৰু
- পতন

৩ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক আন্দোলনসমূহ অধ্যয়ন কৰাটো এইকাৰণে প্রয়োজনীয় কাৰণ ই জনসাধাৰণক অংশগ্রহণৰ আৰু নিজস্ব ভাৱধাৰা প্রকাশ কৰি সামাজিক পৰিবর্তনৰ প্রক্রিয়াটোত সক্রিয় ভূমিকা পালন কৰাৰ সুযোগ দিয়ে। সামাজিক আন্দোলনে নির্দিষ্ট পৰিকল্পনা তথা আঁচনি হাতত লৈ সংঘবদ্ধ হোৱা গোটৰ উত্থানতো উদ্‌গনি যোগায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ এটা সংগঠন গঠনৰ বাবে প্রয়োজনীয় গুৰুত্বপূর্ণ উপাদান দুটা হ'ল ঃ গাঁথনি আৰু নেতৃত্ব।

৫ নং প্রশ্নৰ উত্তৰ ঃ এল জি বি টিৰ সম্পূর্ণ ৰূপটো হ'ল— লেছবিয়ান (সমকামী নাৰী), গে (সমকামী পুৰুষ), বাইছেক্সুৱেল (উভয়লিংগীয়) আৰু ট্রেন্‌ছজেণ্ডাৰ (সমকামী)।

৬ নং প্রশ্নৰ উত্তৰ ঃ গাঁথনিক পৰিবর্তনৰ তিনিটা স্তৰ হ'ল— সংস্কাৰ, ৰূপান্তৰণ আৰু বিপ্লৱ।

৭ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক আন্দোলন আৰু সামাজিক পৰিবর্তনৰ মাজত থকা পার্থক্যসমূহ হ'ল—

সামাজিক আন্দোলন ঃ

১। সামাজিক আন্দোলন হ'ল এখন সমাজ অথবা বর্তি থকা গোট এটাৰ পৰিবর্তন সাধিবলৈ অথবা ৰোধ কৰিবলৈ হাতত লোৱা উমৈহতীয়া কার্য-কলাপৰ সমষ্টি।

২। সামাজিক আন্দোলনৰ কার্য-কলাপসমূহ সলনি হৈ থাকে আৰু সমাজৰ নির্দিষ্ট কিছুমান দিশত ইয়াৰ প্রভাৱ পৰিলক্ষিত হয়।

সামাজিক পৰিবর্তন ঃ

১। সামাজিক পৰিবর্তনে সমাজৰ শৃংখলতাৰ পৰিবর্তন অনাটো বুজায়। ই সামাজিক অনুষ্ঠান অথবা সামাজিক সম্পর্কৰ পৰিবর্তনো সাঙুৰি লয়।

২। সামাজিক পৰিবর্তন এক নিৰৱচ্ছিন্ন প্রক্রিয়া আৰু সমাজৰ অর্থনৈতিক, সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক সকলো দিশতে ইয়াৰ প্রভাৱ পৰে।

১.১০ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ কেৰালাৰ এঝাৱা সম্প্রদায়ৰ সামাজিক প্রথাৰ সংস্কাৰৰ হকে কোনে কাম কৰিছিল?

প্ৰশ্ন ২ ঃ নাৰী আন্দোলন বুলিলে কি বুজে? উদাহৰণ দিয়ক।

প্ৰশ্ন ৩ ঃ সামাজিক আন্দোলনৰ পতনৰ বিভিন্ন ধৰণসমূহ কোনে উল্লেখ কৰিছিল?

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সামাজিক আন্দোলৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সামাজিক আন্দোলনৰ বিভিন্ন প্ৰকাৰসমূহ কি কি? উদাহৰণৰ সৈতে ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ সামাজিক আন্দোলন স্তিমিত হোৱা (declination) কাৰণসমূহ দৰ্শাওক।

*** ***** ***

অধ্যায় ২ ঃ সামাজিক আন্দোলনৰ সূত্রসমূহ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ আপেক্ষিক বঞ্চিতকৰণ সূত্র
২.৪ গাঁথনিগত কার্যাৱলী সূত্র
২.৫ সমল সংগৃহীতকৰণ সূত্র
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্রগতিৰ খতিয়ান
২.৯ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক আন্দোলনৰ বিভিন্ন সূত্রৰ বিষয়ে জানিব পাৰিব, যেনে সূত্র আপেক্ষিক বঞ্চিতকৰণ, গাঁথনিগত কার্যাৱলী আৰু সমল সংগৃহীতকৰণ
- সামাজিক আন্দোলন অধ্যয়নৰ বিভিন্ন দৃষ্টিভংগী সম্পর্কে জানিব পাৰিব
- সামাজিক আন্দোলন আৰু ৰূপান্তৰৰ অধ্যয়নৰ বাবে প্রয়োজন হোৱা বিভিন্ন সমাজতাত্ত্বিক দৃষ্টিভংগী জানিব পাৰিব।

২.২ পৰিচয়

সামাজিক আন্দোলন হৈছে মানুহৰ দ্বাৰা পৰিচালিত এনে এক উমৈহতীয়া কার্য যিয়ে সামাজিক সম্পর্ক, পৰম্পৰা, মূল্যবোধ আদিৰ পৰিৱর্তন সংঘটিত কৰে। সামাজিক আন্দোলন সমূহৰ স্পষ্ট উদ্দেশ্য দেখা যায় য'ত সংগবদ্ধ দল বা সংগঠনে উমৈহতীয়া লক্ষ্য প্রাপ্তিৰ বাবে কাম কৰে। যোৱা দশকসমূহৰ ভিতৰত সামাজিক আন্দোলন আৰু উমৈহতীয়া কার্যাৱলীত অধ্যয়নৰ বাবে বিভিন্ন তাত্ত্বিক আৰু প্রায়োগিক প্রচেষ্টা চলোৱা হৈছে। এই লেখনিসমূহে নব্য-বিতর্কৰ সূত্রপাত ঘটোৱাৰ লগতে অধ্যয়নৰ নতুন শাখাৰ বিকাশ সাধন কৰিছে। তদুপৰি, সামাজিক আন্দোলন সম্পর্কীয় বিভিন্ন গৱেষণাসমূহ বিভিন্ন অধ্যয়নৰ শাখাসমূহত যেনে সমাজতত্ত্ব, ৰাজনীতি বিজ্ঞান, ইতিহাস, অর্থনীতি, যোগাযোগ আদিত বিকাশপ্রাপ্ত হৈছে। সূত্রসমূহে আন্দোলনৰ বাবে সহায়ক গাঁথনিগত পৰিৱেশ আৰু প্রেৰণাদায়ী শক্তিসমূহ বুজি উঠাত সহায় কৰে। এই অধ্যায়ৰ মুখ্য উদ্দেশ্য হৈছে গাঁথনিগত কার্যাৱলী, সমল সংগৃহীতকৰণ আদি সূত্রসমূহৰ অভ্যন্তৰীণ তাৎপর্য উপলব্ধি সহায় কৰাৰ লগতে আপেক্ষিক বঞ্চিতকৰণৰ ধাৰণাটো বুজি উঠাত সহায় কৰিব। এই অধ্যায়ে কিছুমান প্রখ্যাত সূত্রাৱলী যেনে সামাজিক আন্দোলন সমূহৰ কিয় সৃষ্টি হয় তাৰ ব্যাখ্যা আগবঢ়োৱা সূত্রসমূহৰ লগত আমাৰ পৰিচয় কৰাব। সেই সূত্রসমূহৰ মাধ্যমেৰে কেনেকৈ সাম্প্রতিক সময়ৰ প্রাসংগিক আন্দোলনসমূহক অধ্যয়ন কৰিব পাৰি তাৰো ব্যাখ্যা

আগবঢ়াব। উদাহৰণ স্বৰূপে, আমেৰিকাত আৰম্ভ হোৱা নাগৰিক অধিকাৰ আৰু নাৰীবাদী আন্দোলনসমূহক বুজিবৰ বাবে আপেক্ষিক বঞ্চিতকৰণ সূত্ৰৰ আলম ল'ব পৰা যায়। সমল সংগৃহীতকৰণ সূত্ৰক সাম্প্ৰতিক আধুনিক-বৈদ্যুতিক কাৰিকৰী সৰঞ্জামৰ ব্যৱহাৰৰ জৰিয়তে কেনেকৈ WTO ৰ বিৰুদ্ধে গঢ়ি উঠা মানৱ সম্পদৰ মুক্ত অভ্যুত্থান আৰু বিভিন্ন চহৰসমূহত ইয়াৰ প্ৰসাৰ, এই সকলোৰ দিশ সম্পৰ্কে জানিবলৈ ব্যৱহাৰ কৰা হয়। বিশেষকৈ আমি আপেক্ষিক বঞ্চিতকৰণ সূত্ৰ, সমল সংগৃহীতকৰণ সূত্ৰ, গাঁথনিগত কাৰ্যাৱলী সূত্ৰ আদি সূত্ৰসমূহৰ আলোচনা কৰিম। এই আলোচনাই সামাজিক আন্দোলনৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে আমাক বুজি উঠাত সহায় কৰিব।

২.৩ আপেক্ষিক বঞ্চিতকৰণ সূত্ৰ

আপেক্ষিক বঞ্চিতকৰণ হৈছে এনে এক ধাৰণা য'ত উপলব্ধ সুবিধাসমূহৰ ভিতৰত এজনে আনজনতকৈ কম সুবিধা লাভ কৰাৰ অভিযোগ উত্থাপন কৰে। সেয়েহে যেতিয়া এজন ব্যক্তি বা দলে আনৰ তুলনাত কম সুবিধা লাভ কৰা বুলি উপলব্ধি কৰে তেতিয়াই সামাজিক সংঘৰ্ষৰ সূত্ৰপাত হয়। এই সূত্ৰটো সামাজিক সংঘাত আৰু সামাজিক সংগ্ৰহণ এই দুই ধৰণে বিকাশপ্ৰাপ্ত হৈছে। আৰ মাৰ্টনে (R. Merton) হে তেওঁৰ প্ৰসংগ দল সম্পৰ্কীয় সূত্ৰত ইয়াক ব্যৱহাৰ কৰে। মাৰ্টনে সামাজিক সংগ্ৰহণ সম্পৰ্কে বুজিবৰ বাবে ইয়াক ব্যৱহাৰ কৰিছিল। তেওঁ এনে এক পৰিস্থিতিৰ কথা কৈছিল য'ত মানুহে নিজৰ যোগ্যতাতকৈ কমকৈ সা-সুবিধা লাভ কৰে অথবা অন্যান্য প্ৰাসংগিক দলসমূহৰ তুলনাত তেওঁলোকক সা-সুবিধাৰ পৰা বঞ্চিত কৰা হয়। গতিকে সামাজিক বঞ্চিতকৰণক ধণাত্মক প্ৰাসংগিক দলীয় ব্যৱহাৰ অনুগতকৰণৰ জৰিয়তে সৃষ্টি হোৱা সামাজিক সংগ্ৰহণৰ মূল চালিকা শক্তি ৰূপে গণ্য কৰা হয়। মার্ক্সে সংঘাতৰ আলম লৈ আপেক্ষিক বঞ্চিতকৰণৰ ধাৰণাটো বিকাশ কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ উপলব্ধি কৰিছিল যে স্থিতাৱস্থাৰ বিৰুদ্ধে সৃষ্টি হোৱা অসন্তুষ্টি সম্পূৰ্ণ চৰ্তাৱলীৰ পৰিৱৰ্তে আপেক্ষিক চৰ্তাৱলীৰ দ্বাৰাহে নিৰ্ণিত হয়। টেড গাড় (Ted Gurr) মতে আপেক্ষিক বঞ্চিতকৰণ জল প্ৰত্যাশা আৰু যোগ্যতাৰ মাজত সৃষ্টি হোৱা এক ব্যৱধান য'ত অৰ্থনৈতিক চৰ্তাৱলী, পৰিৱেশ, ৰাজনৈতিক ক্ষমতা আৰু সামাজিক প্ৰস্থিতি— এই তিনি ধৰণৰ প্ৰমূল্য জড়িত হৈ থাকে। "Why Men Rebel" গ্ৰন্থখনত টেড গাড়ে স্পষ্ট কৰিছে যে, কিয়নো মানুহ বাৰে বাৰে ৰাজনৈতিক হিংসাত লিপ্ত হয় আৰু কেনেকৈ ইয়াৰ প্ৰত্যুত্তৰ দিয়ে। তেওঁৰ মতে, হতাশাই কেৱল হিংসাৰে সৃষ্টি নকৰে বৰঞ্চ যেতিয়া মানুহে আপেক্ষিকভাৱে নিজকে বঞ্চিত বুলি অনুভৱ কৰে তেতিয়া আক্ৰমণাত্মক ব্যৱহাৰৰ সূত্ৰপাত ঘটে।

এই সূত্ৰই মনঃস্তাত্ত্বিক কাৰকসমূহৰ ভূমিকা সম্পৰ্কে আলোচনা কৰে। এই ক্ষেত্ৰত অসন্তুষ্টি এক উল্লেখযোগ্য কাৰক, ইয়াৰ লগতে ই সামাজিক অসন্তুষ্টি আৰু ইয়াৰ লগত সম্পৰ্কিত সামাজিক আন্দোলন সম্পৰ্কে আলোচনা কৰে। ই এক, এজন মানুহৰ আনৰ তুলনাত কোনো সম্পদ নথকা অথবা এজন মানুহে আনৰ দৰে সম্পদশালী হ'ব বিচৰা লেখিয়া একো-একোটা সৰল অভিজ্ঞতা নহয়। কিন্তু ই প্ৰত্যাশাৰ লগত জড়িত, মুখ্যতঃ বৈধ প্ৰত্যাশা য'ত সম্পদ লাভৰ অধিকাৰ অথবা ন্যায্য প্ৰাপ্তিৰ দাবী জড়িত হৈ থাকে। ইয়াৰ পৰা এইটো বুজা যায় যে, যেতিয়া এজন মানুহে প্ৰচলিত নিয়মৰ অধীনত ইপ্সিত লক্ষ্য বা বস্তু প্ৰাপ্তত ব্যৰ্থ হয়, আপেক্ষিক বঞ্চিতকৰণৰ ধাৰণাটো ইয়াৰ পৰাই উদ্ভৱ হয়। যেতিয়া প্ৰত্যাশাৰ পৰিপূৰণ নহয় তেওঁলোকে অসন্তুষ্টি আৰু হতাশাৰ সন্মুখীন হয়। ইয়াত তিনি ধৰণৰ বঞ্চিতকৰণ দেখা যায়। সেইসমূহ হ'ল—

(ক) ক্ষয়িষ্ণু বঞ্চিতকৰণ ঃ এই ধৰণৰ বঞ্চিতকৰণ তেতিয়া উদ্ভৱ হয় যেতিয়া এক নিৰ্ধাৰিত জনসংখ্যাৰ প্ৰমূল্য সক্ষমতা ৰাষ্ট্ৰীয় দুৰ্যোগৰ বাবে নিম্নগামী হয়।

(খ) প্ৰত্যাশিত বঞ্চিতকৰণ বা অনুপ্ৰেৰণামূলক বঞ্চিতকৰণ ঃ ই সংঘটিত হয় যেতিয়া এটা দলৰ প্ৰমূল্য সক্ষমতা একে থাকে কিন্তু প্ৰমূল্য প্ৰত্যাশা বৃদ্ধি পায়।

(গ) বৰ্ধিত বঞ্চিতকৰণ ঃ ই সংঘটিত হয় যেতিয়া প্ৰমূল্য সক্ষমতা আৰু প্ৰমূল্য প্ৰত্যাশা একেলগে বিকাশপ্ৰাপ্ত হোৱাৰ পাছত পুনৰ স্থিৰ হয়।

বঞ্চিতকৰণ সূত্ৰৰ প্ৰবক্তাসকলৰ মতে কিছুমান সামাজিক আন্দোলনসমূহৰ সূত্ৰপাত হয় সম্পদ সেৱা আৰু সামগ্ৰীসমূহৰ ক্ষেত্ৰত মানুহৰ মনত সৃষ্টি হোৱা বঞ্চনাৰ ধাৰণাৰ পৰা।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আপেক্ষিক বঞ্চিতকৰণৰ সংজ্ঞা দিয়ক।

.....

প্ৰশ্ন নং ২ ঃ আপেক্ষিক বঞ্চিতকৰণ সূত্ৰৰ দুটা প্ৰয়োজনীয় উপাদান কি?

.....

প্ৰশ্ন নং ৩ ঃ আপেক্ষিক বঞ্চিতকৰণৰ ধাৰণাটো কোনে প্ৰথমে ব্যৱহাৰ কৰিছিল?

.....

প্ৰশ্ন নং ৪ ঃ আপেক্ষিক বঞ্চিতকৰণৰ ধাৰণা ক্ষেত্ৰত কোনে সামাজিক সংঘাতৰ ওপৰত গুৰুত্ব দিছিল?

.....

প্ৰশ্ন নং ৫ ঃ বৈধ প্ৰত্যাশা বুলিলে কি বুজে?

.....

২.৪ গাঁথনিগত কাৰ্যাৱলী সূত্ৰ

সামাজিক আন্দোলনৰ গাঁথনিগত দৃষ্টিভংগীয়ে আনুষ্ঠানিক অন্যায় আৰু অসমতা সম্পৰ্কে আলোচনা কৰে যাৰ ওপৰত সাম্প্ৰতিক ৰাজনীতি পৰিচালিত হয়। এই দৃষ্টিভংগী অনুসৰি, সামাজিক আন্দোলন হৈছে এনে এক যৌথ কাৰ্য যাৰ জৰিয়তে স্থিতাৱস্থাক প্ৰত্যাহ্বান জনোৱাৰ সমান্তৰালভাৱে ক্ষমতাৰ প্ৰচলিত গাঁথনি আৰু ইয়াৰ সম্পৰ্কৰ প্ৰতি প্ৰত্যাহ্বান জনোৱা হয়। এই দৃষ্টিভংগীয়ে সামাজিক আন্দোলনক মানুহৰ প্ৰত্যাশাৰ লগত সংযুক্ত কৰে। মানুহৰ প্ৰত্যাশা আৰু ব্যৱস্থাৱলীসমূহৰ কাৰ্যাৱলীৰ মাজত থকা পাৰ্থক্যই মানুহৰ মনত অসন্তুষ্টিৰ সৃষ্টি কৰে যিয়ে পৰৱৰ্তী পৰ্যায়ত ৰাজনৈতিক অস্থিৰতা আৰু ৰাজনৈতিক নৈৰাজ্যৰ সূত্ৰপাত ঘটায়।

স্মেলজাৰ (Smelser)ৰ সামাজিক আন্দোলনৰ উৎপত্তি সম্পৰ্কীয় সূত্ৰটো গাঁথনিগত কাৰ্যপ্ৰণালীৰ সিদ্ধান্তৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ মতে, অস্থিৰতা তেতিয়া সৃষ্টি হয় যেতিয়া কোনোবা এটা ব্যৱস্থাৰ মাজত থকা উপাদানসমূহৰ মাজত প্ৰকৃত সমন্বয় সাধন কৰিব পৰা নাযায় আৰু যিয়ে গোটেই ব্যৱস্থাটোৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰে। তেওঁ সামাজিক আন্দোলনৰ উৎপত্তিৰ ছটা কাৰক চিহ্নিত কৰিছে। ইয়াৰে প্ৰথম কাৰকটো হ'ল এনে এক পৰিস্থিতি যেতিয়া মানুহে সমাজত ক্ৰমাগতভাৱে এটা নিম্ন পৰ্যায়ৰ প্ৰস্থিতিত বসবাস কৰে অথবা ৰাজনৈতিক অৱদমনৰ মুখাখুখি হ'ব লগা হয়। দ্বিতীয়তে, সামাজিক গাঁথনি অথবা গাঁথনিগত অসুবিধা কিছুমানেও পৰৱৰ্তী পৰ্যায়ত সামাজিক অস্থিৰতাৰ সূত্ৰপাত ঘটায়। উদাহৰণ স্বৰূপে, জনগোষ্ঠীসমূহৰ প্ৰতি গ্ৰহণ কৰা বৈষম্যমূলক নীতি, নৃ-গোষ্ঠীয় বৈষম্য সামাজিক আন্দোলন উৎপত্তিৰ এক অন্যতম কাৰক ৰূপে চিহ্নিত কৰিব পৰা যায়। তৃতীয়তে, বঞ্চিতকৰণ সামাজিক আন্দোলন ব্যাখ্যাৰ বাবে একমাত্ৰ আৰু পৰ্যাপ্ত কাৰক নহয় বঞ্চিতকৰণৰ কাৰণসমূহক বিশ্লেষণ কৰাটো গুৰুত্বপূৰ্ণ। চতুৰ্থতে, সমাজত সৃষ্টি হোৱা ক্ৰমাগত আৰু দীৰ্ঘকালীন অসন্তুষ্টিসমূহেও পৰৱৰ্তী পৰ্যায়ত সামাজিক আন্দোলনৰ সৃষ্টি কৰে। পঞ্চমতে, কাৰ্য্যৰ বাবে সংগৃহীতকৰণে

পৰৱৰ্তী পর্যায়ত সামাজিক আন্দোলনৰ সূত্রপাত ঘটায়। শেষত, এইটো ক'ব পাৰি যে, সামাজিক আন্দোলনৰ দৰাচলতে সামাজিক নিয়ন্ত্রণৰ অভাৱৰ ফলত সৃষ্টি হোৱা এক পৰিঘটনা। ই চৰকাৰৰ প্রত্যুত্তৰ যেনে বিষয়াসকল, পুলিচ, মিলিটাৰি আদিৰ কার্যৰ ওপৰত সম্পূর্ণৰূপে নির্ভৰ কৰে।

ভাৰতবর্ষত সৃষ্টি হোৱা নাৰীবাদী আন্দোলনসমূহক গাঁথনিগত অস্থিৰতা দৃষ্টিভংগীৰ পৰা বিশ্লেষণ কৰিব পাৰি। নাৰী সম্পর্কীয় পৰম্পৰাগত দৃষ্টিভংগীয়ে নাৰীক শৈশৱতে পিতৃৰ দ্বাৰা, বিবাহৰ পিছত স্বামীৰ দ্বাৰা আৰু পৰৱৰ্তী পর্যায়ত বা বৈধব্যৰ সময়ত সন্তানৰ দ্বাৰা শাসিত হোৱা দেখুওৱা গৈছে আৰু ই অস্থিৰতাৰ সৃষ্টি কৰিছে। চাকৰিৰ বজাৰখনতো মহিলা সম্পূর্ণৰূপে বঞ্চিত হ'ব লগা হৈছে যিহেতু তেওঁলোকক পাৰিশ্রমিকৰ ক্ষেত্রত আৰু চাকৰিৰ সুযোগৰ ক্ষেত্রত সমান সুবিধা প্রদান কৰা হোৱা নাই। গতিকে নাৰীবাদী আন্দোলনৰ বিকাশক সামাজিক অস্থিৰতা আৰু বৈষম্যৰ ফালৰ পৰা বিশ্লেষণ কৰিব পৰা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ অস্থিৰতা সূত্রৰ স্রষ্টা কোন?

.....

প্রশ্ন নং ৭ ঃ সামাজিক আন্দোলনৰ সূত্রপাত ঘটোৱা গাঁথনিগত অস্থিৰতাসমূহ কি কি?

.....

২.৫ সমল সংগৃহীতকৰণ সূত্র

এই দৃষ্টিভংগী যৌক্তিক নির্ধাৰণ সূত্র (Rational Choice Theory)ৰ ওপৰত প্রতিষ্ঠিত। এই সূত্র অনুসৰি মানুহৰ অনুপ্রেৰণাসমূহ কিছুমান নির্দিষ্ট সূত্রৰ দ্বাৰা প্রভাৱান্বিত হয়। যেতিয়া সেই লক্ষ্যসমূহ পৰিপূৰণ কৰিবৰ বাবে প্রয়োজনীয় সুবিধাৰ অভাৱ আৰু বিভিন্ন ধৰণৰ প্রতিবন্ধকতাই দেখা দিয়ে তেতিয়া মানুহে যৌক্তিক সিদ্ধান্তৰ আশ্রয় লৈ কি বিষয় তেওঁলোকৰ বাবে বেছি উপযুক্ত হ'ব সেই সম্পর্কে স্পষ্ট সিদ্ধান্ত গ্রহণ কৰে। ইয়াক এই ধৰণেও ক'ব পৰা যায় যে, যুক্তিবাদী মানুহে অপৰিসীম সুখ লাভ কৰিবৰ বাবে বিকল্পসমূহৰ সন্ধান কৰে; তেওঁলোকে তেওঁলোকৰ সংবেদন চেতনাক সামাজিক আন্দোলনৰ বাবে ব্যৱহাৰ কৰে। এই সূত্রই সামাজিক আন্দোলনক এক অস্থায়ী পৰিঘটনা ৰূপে বর্ণনা কৰিছে। এই সূত্রক 'সমল সংগৃহীতকৰণ' বুলি এইবাবেই কোৱা হয় কিয়নো মানুহে সামাজিক আন্দোলনৰ বাবে সম্পদ অথবা সুবিধাসমূহৰ ওপৰত নির্ভৰশীল হৈ পৰে আৰু সামাজিক আন্দোলনৰ সফলতা সম্পদৰ শক্তিৰ ওপৰতহে নির্ভৰ কৰে।

সমল সংগৃহীতকৰণ সূত্র অনুসৰি সামাজিক আন্দোলনৰ সফলতা কেৱল সম্পদৰ উভৈনদী অথবা সম্পদৰ উপস্থিতিৰ ওপৰতহে নির্ভৰ কৰে। চিন্তাবিদ সকলৰ দ্বাৰা সমাদৃত গাঁথনিগত অসুবিধা, অস্থিৰতা, সংঘাত আদি কাৰণসমূহ এই সূত্রমতে সামাজিক আন্দোলনৰ সৃষ্টিৰ বাবে একমাত্র কাৰক ৰূপে বিবেচিত কৰিব পৰা নাযায়। বৰঞ্চ এই সূত্র অনুসৰি সামাজিক আন্দোলনৰ সৃষ্টি হয় সম্পদৰ উপযুক্ত আৰু নিপুন ব্যৱহাৰৰ জৰিয়তেহে, যেনে- মানৱীয়, সামাজিক, শাৰীৰিক, অর্থনৈতিক সম্পদসমূহ সামাজিক আন্দোলনৰ বাবে অনিবার্য। সম্পদৰ অভ্যন্তৰীণ আৰু বাহ্যিক সংৰক্ষণৰ জৰিয়তে সামাজিক আন্দোলনৰ সৃষ্টি হয়। সাম্প্রতিক সময়ত ইণ্টাৰনেটত উপলব্ধ সামাজিক মাধ্যম, ফেচবুক, টুইটাৰ, ৰাজনৈতিক সভাসমূহৰ জৰিয়তে মানুহক ৰাজনৈতিকভাৱে সচেতন কৰি তোলা হয় যিয়ে সামাজিক আন্দোলনৰ সূত্রপাত ঘটোৱাত প্রভুত ৰৰঙণি যোগাব পাৰে।

সমল সংগৃহীতকৰণ সূত্রই সামাজিক আন্দোলনৰ ক্ষেত্রত 'সম্পদৰ' পর্যাপ্ত আৰু উপযুক্ত ব্যৱহাৰৰ প্রয়োজনীয়তা সম্পর্কে আমাক সজাগ কৰে। এই সূত্র অনুসৰি, সমাজত যেতিয়া এজন ব্যক্তিৰ মনত কিছু

অসন্তুষ্টিৰ সৃষ্টি হয় সেই অসন্তুষ্টিসমূহক নাইকিয়া কৰিবৰ কাৰণে তেওঁ সম্পদৰ উপযুক্ত ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়ে যিয়ে পৰৱৰ্তী পর্যায়ত সামাজিক আন্দোলনৰ সূত্রপাত ঘটায়। 'সম্পদ' বুলি ক'লে সাধাৰণতে টকা-পইচা, শ্ৰম, সামাজিক প্ৰস্থিতি, জ্ঞান, ৰাজনৈতিকভাৱে অভিজাত শ্ৰেণী আৰু সংবাদ মাধ্যমত সমর্থনকে সূচায়। এই সূত্রটোৰ আটাইতকৈ গুৰুত্বপূর্ণ সুবিধাটো হ'ল যে ই কিছুমান পৰিস্থিতিত কেনেকৈ কোনো ধৰণৰ অসন্তুষ্টি পৰৱৰ্তী পর্যায়ত ৰাজনৈতিক আন্দোলনলৈ পর্যবসিত হয় আৰু কিছুমান পৰিস্থিতিত কোনো ধৰণৰ অসন্তুষ্টি কিয় ৰাজনৈতিক আন্দোলনলৈ পর্যবসিত নহয় সেই সম্পর্কে এটা স্পষ্ট ধাৰণাৰ বিকাশ সাধন কৰে। এই সূত্র সম্পর্কত উত্থাপিত আটাইতকৈ গুৰুত্বপূর্ণ অভিযোগটো হৈছে যে, এই সূত্রই অত্যাধিক বস্তুবাদৰ ওপৰত গুৰুত্ব প্ৰদান কৰে যিয়ে মুখ্যতঃ টকা-পইচা বা অর্থনৈতিক কাৰণক ৰাজনৈতিক আন্দোলনৰ মুখ্য বিষয় হিচাপে চিহ্নিত কৰিব বিচাৰে। এনে ধৰণৰ বিভিন্ন সামাজিক আন্দোলন পৰিলক্ষিত হয় যি সমূহ এনেকুৱা এটা সময়ত সূত্রপাত ঘটে যেতিয়া সম্পদৰ ক্ষেত্রত নাটনি দেখা যায়।

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সূত্রসমূহে সাধাৰণতে গাঁথনিগত পৰিৱেশৰ ব্যাখ্যা কৰাৰ লগতে ইয়াৰ লগত অন্তর্নির্মিত প্ৰেৰণা যোগোৱা শক্তিসমূহৰ ব্যাখ্যা কৰিব বিচাৰে যিয়ে সামাজিক আন্দোলনৰ সূত্রপাত ঘটায়। এই অধ্যায়টিৰ উদ্দেশ্য হৈছে গাঁথনিগত, ক্ৰিয়ামূলক, সম্পদ সংগ্রহণ আৰু লগতে আপেক্ষিক বঞ্চিতকৰণ ধাৰণাটোৰ তাৎপর্য তথা অর্থ সম্পর্কে অৱগত কৰোৱা। আপেক্ষিক বঞ্চিতকৰণ হৈছে এনে এক ধাৰণা য'ত এজনে আনতকৈ বৈষম্যৰ সন্মুখীন হোৱাৰ অনুভৱ ব্যক্ত কৰে। গতিকে এজন ব্যক্তিয়ে বা এটা সমূহে যেতিয়া আনতকৈ সা-সুবিধাৰ বৈষম্যৰে সংপৃক্ত হয় তেতিয়াই দৰাচলতে সামাজিক আন্দোলনৰ সৃষ্টি হয়।
- আপেক্ষিক বঞ্চিতকৰণ সূত্রটো দুটা ভিন্ন পর্যায়ত বিকাশপ্রাপ্ত হৈছিল, যেনে সামাজিক সংঘাত আৰু সামাজিক সংগ্রহণ। এই সূত্রটো প্রথমতে 'আমেৰিকান জোৱান' (American Soldier) শীর্ষক গ্রন্থৰ লেখক চেম্যুৱেল ষ্টোফাৰে (Samuel Stoufer) বিকাশ কৰিছিল যদিও ইয়াক আৰ মার্টনে (R. Marton) প্রাসংগিক দলীয় সূত্রৰ ধাৰণাৰ সৈতে ব্যৱহাৰ কৰিছিল।
- সামাজিক আন্দোলনৰ গাঁথনিগত সূত্রই আনুষ্ঠানিক অন্যায় আৰু বিষমতাৰ ধাৰণাসমূহ স্পষ্ট কৰি তোলে যাৰ ওপৰত সাম্প্রতিক ৰাজনৈতিক প্রক্রিয়াসমূহ পৰিচালিত হৈ থকা দেখা যায়। এই দৃষ্টিভংগী অনুসৰি উমৈহতীয়া কার্য হৈছে এক পদ্ধতিগত আৰু সংঘবদ্ধ কার্যাৱলী যাৰ জৰিয়তে সমাজত চলি থকা প্রতিষ্ঠানসমূহৰ বিপক্ষে অথবা যাৰ জৰিয়তে সমাজত চলি থকা ৰক্ষণশীল ক্ষমতাৰ গাঁথনিসমূহক বা সম্পর্কসমূহক প্রত্যাহ্বান জনাব পৰা যায়। এই দৃষ্টিভংগীয়ে সামাজিক আন্দোলনক বর্ধিত সামাজিক প্রত্যাশাৰ লগত সংযুক্ত কৰে।
- সম্পদ সংগৃহীতকৰণ সূত্রই স্পষ্ট কৰিব বিচাৰে যে, সামাজিক আন্দোলন কোনো কাৰণতে পর্যাপ্ত সম্পদৰ ব্যৱহাৰৰ অবিহনে সম্ভৱপৰ হৈ উঠিব নোৱাৰে। বঞ্চিতকৰণ সূত্রৰ বিপৰীতে সম্পদ সংগৃহীতকৰণ সূত্রই এইটো স্পষ্ট কৰিব বিচাৰে যে, যদি বঞ্চিতকৰণ হোৱাটো এক সম্ভাব্য আৰু অৱশ্যম্ভাৱী ঘটনা তথাপি সম্পদৰ ব্যৱহাৰৰ জৰিয়তেহে সামাজিক আন্দোলনত সূত্রপাত ঘটিব পাৰে।
- অভ্যন্তৰীণ আৰু বাহ্যিক দুয়ো ধৰণৰ সম্পদৰ সংগ্রহণেই দৰাচলতে সামাজিক আন্দোলনত অৰিহণা যোগায়। যদিহে সামাজিক আন্দোলনত নেতৃত্ব প্রদান কৰা নেতাসকলৰ যোগ্যতাৰ অভাৱ দেখা যায় অথবা তেওঁলোকৰ প্রয়োজনীয় সমলৰ অভাৱ দেখা যায় তেনেহ'লে বাহিৰৰ পৰা এই ক্ষেত্রত সুবিধা লোৱা হয়। উদাহৰণ স্বৰূপে, কৃষ্ণ বর্ণৰ লোকৰ বিদ্রোহৰ ক্ষেত্রত একাংশ শ্বেতাংগ লোকে সহায় কৰাৰ

সমান্তৰালভাৱে নিম্নজাতিৰ অধিকাৰৰ দাবীত উত্থাপিত সংগ্ৰামৰ ক্ষেত্ৰত বিভিন্ন উচ্চ জাতিৰ লোকে সহায় কৰা দেখা পোৱা গৈছিল, একে ধৰণে নাৰীবাদী আন্দোলনৰ ক্ষেত্ৰতো বিভিন্ন সময়ত পুৰুষৰ সহায় লোৱা দেখা পোৱা গৈছিল।

- সাম্প্ৰতিক সময়ত ইণ্টাৰনে'ট অথবা সামাজিক মাধ্যম, ফেচবুক, টুইটাৰ আৰু ইউ টিউবৰ জৰিয়তে ৰাজনৈতিক প্ৰচাৰ আদি সমূহৰ মতামত সংগ্ৰহণৰ ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ সমল হিচাপে ব্যৱহৃত হৈ আহিছে।

২.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Buechler, S. 2011. Understanding Social Movement : Theories from the classical Era to the present; Paradigm Publishers

২.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ আপেক্ষিক বঞ্চিতকৰণ হৈছে মানুহৰ প্ৰত্যাশা আৰু উপলব্ধতাৰ মাজত সৃষ্টি হোৱা এক ব্যৱধান যি প্ৰধানতঃ তিনি ধৰণৰ প্ৰমূল্য যেনে অৰ্থনৈতিক অৱস্থা, ৰাজনৈতিক ক্ষমতা আৰু সামাজিক প্ৰস্থিতিৰ লগত জড়িত হৈ থাকে। ই প্ৰধানতঃ মনঃস্তাত্বিক কাৰকসমূহ যেনে অসন্তুষ্টি আৰু সামাজিক সংঘাতৰ ক্ষেত্ৰত ইয়াৰ সংগৃহীতকৰণ সূত্ৰৰ মূল উপাদান।

২নং প্ৰশ্নৰ উত্তৰ ঃ আপেক্ষিকগ্ৰস্থিতকৰণ তত্ত্বৰ দুটা প্ৰধান উপাদান হ'ল - সামাজিক সংঘাত আৰু ম'বিলিটি।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ৰবাৰ্ট মাৰ্টন।

৪নং প্ৰশ্নৰ উত্তৰ ঃ কাৰ্ল মাৰ্চ।

৫নং প্ৰশ্নৰ উত্তৰ ঃ বৈধ প্ৰত্যাশা য'ত সম্পদ লাভৰ অধিকাৰ অথবা ন্যায্য প্ৰাপ্তিৰ দাবী জড়িত হৈ থাকে। ইয়াৰ পৰা এইটো বুজা যায় যে, যেতিয়া এজন মানুহে প্ৰচলিত নিয়মৰ অধীনত ইপ্সিত লক্ষ্য বা বস্তু প্ৰাপ্তত ব্যৰ্থ হয়, আপেক্ষিক বঞ্চিতকৰণৰ ধাৰণাটো ইয়াৰ পৰাই উদ্ভৱ হয়।

৬নং প্ৰশ্নৰ উত্তৰ ঃ এণ্ড. স্মেলচাৰ।

৭নং প্ৰশ্নৰ উত্তৰ ঃ গাঁঠনিত অসুবিধা, বঞ্চিতকৰণ সামাজিক আন্দোলন, সমাজত সৃষ্টি হোৱা ক্ৰমাগত আৰু দীৰ্ঘকালীন অসন্তুষ্টিসমূহ, সামাজিক আন্দোলনৰ সূত্ৰপাত ঘটায়।

২.৯ আৰ্হি প্ৰশ্ন

(ক) ছুটি প্ৰশ্ন ঃ (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ আপেক্ষিক বঞ্চিতকৰণ তত্ত্বৰ মূল উপাদানটো কি?

প্ৰশ্ন ২ ঃ কেনে ধৰণৰ সমলে সামাজিক আন্দোলন গঢ়াত সহায় কৰে?

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সামাজিক আন্দোলনৰ গাঁথনিগত কাৰ্যাৱলী দৃষ্টিভংগী সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ স্মেলজাৰে চিনাক্ত কৰা সামাজিক আন্দোলনৰ প্ৰধান সহায়কাৰী কাৰকসমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ সামাজিক আন্দোলনৰ বৈপ্লৱিক দৃষ্টিভংগী

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ আভাস
৩.৪ মুখ্য পৃষ্ঠপোষকসকল
৩.৫ দৃষ্টিভংগীসমূহ
৩.৬ বিচাৰ্য বিষয়সমূহ
    ৩.৬.১ ৰাছিয়াৰ বিপ্লৱ
    ৩.৬.২ ফৰাছী বিপ্লৱ
৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৮ অধিক জানিবলৈ
৩.৯ অগ্রগতিৰ খতিয়ান
৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক আন্দোলনৰ বৈপ্লৱিক দৃষ্টিকোণ সম্পর্কে অৱগত হ'ব।
- সামাজিক আন্দোলনৰ বৈপ্লৱিক দৃষ্টিভংগীটোৰ সৈতে জড়িত বিচাৰ্য বিষয়সমূহৰ বুজ ল'ব।
- বৈপ্লৱিক দৃষ্টিভংগীৰ মূল সমর্থকসকলৰ সৈতে পৰিচিত হ'ব।

৩.২ পৰিচয়

ইতিমধ্যে পূর্বৱর্তী অধ্যায়কেইটা অধ্যয়ন কৰি আমি সামাজিক আন্দোলন সম্পর্কে এক সাম্যক ধাৰণা লাভ কৰিছো। আমি জানো যে, সামাজিক আন্দোলনসমূহ কিছুমান নির্দিষ্ট অভিপ্রায় লৈ সংগঠিত হয় আৰু ইয়াৰ ফলাফলো ভিন্ন হয়। ইয়াৰ উপৰি, প্রকৃতি আৰু উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি সামাজিক আন্দোলনসমূহক বিভিন্ন শ্রেণীত বিভক্ত কৰিব পাৰি। এই অধ্যায়টিত, সামাজিক আন্দোলনৰ বৈপ্লৱিক দৃষ্টিভংগীটোৰ ওপৰত বিশেষভাৱে আলোকপাত কৰা হৈছে।

৩.৩ আভাস

অতীজৰে পৰা বর্তমানলৈ ইতিহাসৰ পাতত বহুতো সামাজিক আন্দোলনৰ নিদর্শন পাই অহা হৈছে যিবোৰে সংঘটিত হোৱা ঠাইখনৰ সামাজিক শৃংখলা উল্লেখনীয়ভাৱে সলনি কৰি আহিছে। কিন্তু তাৰ মাজতো এনে কিছুমান সামাজিক আন্দোলন আছে যি বিফল হৈছে। এই আন্দোলনসমূহৰ উদ্দেশ্য আৰু ভাবৱধাৰাবোৰ সময়ৰ লগে লগে সলনিও হৈ আহিছে; কিছুমানে হয়তো বৈপ্লৱিক উদ্দেশ্যৰে আগবাঢ়িছে নতুবা আন কিছুমানে

প্ৰচলিত ব্যৱস্থাৰ সংস্কাৰ সাধনাৰ্থে যুঁজ দিছে। আনহাতে, এনে কিছুমান আন্দোলনো আছে যিয়ে সকলোবোৰ দেখি-শুনিও অনুগ্ৰ (moderate) পন্থাৰে নিজৰ লক্ষ্যৰ দিশে আগবাঢ়িছে আৰু ৰাইজৰ সন্মুখত সামাজিক পৰিৱৰ্তনৰ বিৰোধিতা কৰি আহিছে। সামাজিক আন্দোলনসমূহৰ মাত্ৰাৰ ক্ষেত্ৰতো ভিন্নতা দেখা যায়। উদাহৰণ স্বৰূপে, কিছুমান আন্দোলন স্থানীয় প্ৰেক্ষাপটতে সীমাৱদ্ধ থকা দেখা যায়, আনহাতে আন কিছুমান আন্দোলনে বিশ্বজুৰি প্ৰাধান্য পায়। সামাজিক আন্দোলনৰ এই সকলোবোৰ ভিন্নতাৰ সত্ত্বেও, সমাজতাত্ত্বিকসকলে সামাজিক আন্দোলনসমূহৰ মাজত কিছুমান উল্লেখনীয় বৈজ্ঞানিক সাদৃশ্য চিনাক্ত কৰিছে। তেওঁলোকে দৰ্শোৱা মতে এই সাদৃশ্যতা বিশেষকৈ সামাজিক আন্দোলন এটাৰ জীৱন চক্ৰৰ ক্ষেত্ৰত দেখা যায়।

যিহেতু সামাজিক আন্দোলনসমূহে বিশ্বজুৰি সামাজিক শৃংখলাৰ ব্যাপক পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে, গৱেষকসকলে সামাজিক আন্দোলনসমূহ ক'ৰ ক'ৰ পৰা উদ্ভৱ হয়, কোনে এইবোৰৰ নেতৃত্ব দিয়ে, আন্দোলনসমূহ কিদৰে সফল হয় আৰু কিদৰে বিফল হয় আদি বিভিন্ন প্ৰশ্নৰ উত্তৰ বিচাৰি বহু গৱেষণা কৰিছে। বৰ্তমানলৈকে তেওঁলোকে যিমান তথ্য বিচাৰি পাইছে তাৰ পৰা এইটো কথা স্পষ্ট যে সামাজিক আন্দোলনসমূহ আচম্বিতে হোৱা পৰিঘটনা নহয়; বৰঞ্চ বিভিন্ন সমলৰ ভিত্তিত আৰু বহুতো পৰ্যায় অতিক্ৰম কৰিহে এটা সামাজিক আন্দোলন গঢ়ি উঠে। দিনটোৰ শেষত, ব্যক্তিসমূহে আচম্বিতেই কোনো এক বিষয় অথবা সামাজিক ব্যৱস্থাৰ প্ৰতি অতিষ্ঠ হৈ মুহূৰ্ততে সম্পূৰ্ণ প্ৰস্তুতিৰে সমদল উলিয়াই সামাজিক আন্দোলন এটা গঢ়ি তুলিব নোৱাৰে।

বৈপ্লিৱিক আন্দোলন অথবা বৈপ্লৱিক সামাজিক আন্দোলন হ'ল সামাজিক আন্দোলনৰ এক বিশেষ প্ৰকাৰ যি সমাজত এক বিপ্লৱ অনাৰ উদ্দেশ্যেৰে সংগঠিত হয়। সামাজিক আন্দোলন এটাই সমাজৰ বিভিন্ন পৰিৱৰ্তন আনিব পাৰে অথবা প্ৰশাসনৰ ওপৰত চকু ৰাখিব পাৰে; কিন্তু যেতিয়ালৈকে আন্দোলনটোৱে এক নিৰ্বাচনাত্মক (sclective) নিয়ন্ত্ৰণৰ ওপৰত মনোনিৱেশ নকৰে, তেতিয়ালৈকে আন্দোলনটোৰ অংশীদাৰসকলে বৈপ্লৱিক আখ্যা নাপায়। সামাজিক আন্দোলনসমূহ সময়ৰ লগে লগে বৰ্দ্ধিতভাৱে ত্ৰান্তিকাৰী আৰু বৈপ্লৱিক হৈ উঠিব পাৰে, অথবা ইয়াৰ বিপৰীত ফলাফলটোও সম্ভৱ; অৰ্থাৎ আদিতে বৈপ্লৱিক কাৰ্যনীতিৰে আৰম্ভ হোৱা আন্দোলনসমূহো সময়ৰ লগে লগে শান্ত হৈ অথবা পৰিসৰত লাঘৱ হৈ আনৰ ওপৰত ভাৰ অৰ্পণ কৰি এক সাধাৰণ ৰাজনৈতিক দললৈ ৰূপান্তৰিত হ'ব পাৰে।

গডৱিনে (Godwin) সংস্কাৰমূলক আৰু ক্ৰান্তিকাৰী বৈপ্লৱিক আন্দোলনসমূহক সেইসমূহে আনিব বিচৰা পৰিৱৰ্তনৰ সাপেক্ষ (contingent) বুলি গণ কৰে। এক মধ্যমীয়া অথবা সংস্কাৰমূলক বৈপ্লৱিক আন্দোলনে এক উগ্ৰ সংস্কাৰমূলক আন্দোলনতকৈ কম পৰিমাণে অৰ্থনৈতিক তথা সামাজিক আৰ্হিৰ উপাদানসমূহৰ পৰিৱৰ্তন আনিবলৈ কম কৰিব লাগিব। এইদৰে, এক উগ্ৰ সংস্কাৰমূলক বৈপ্লৱিক আন্দোলনে প্ৰশাসনৰ ওপৰত নিৰ্বাচনাত্মক নিয়ন্ত্ৰণ আহৰণ কৰাৰ লগতে সাধাৰণ জনতা, অৰ্থনীতি অথবা সংস্কৃতিৰ এক বা ততোধিক উপাদানৰ পৰিৱৰ্তন অনাটো বাঞ্ছনীয়। গডৱিনে (Godwin) এইটোও উল্লেখ কৰিছে যে সকলোবোৰ ক্ৰান্তিকাৰী আন্দোলনেই বৈপ্লৱিক নহ'বও পাৰে।

৩.৪ মুখ্য পৃষ্ঠপোষকসকল

এই অংশটোত আমি বিভিন্ন বৈপ্লৱিক আন্দোলনৰ সৈতে জড়িত থকা মুখ্য পৃষ্ঠপোষকসকলৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিম। আধুনিক বিশ্বৰ উন্নয়নৰ বাবে আন্দোলনে মৌলিক ভূমিকা পালন কৰি আহিছে। 'আন্দোলন' শব্দটোৱেই ক্ৰান্তিকাৰী ৰূপান্তৰণশীল পৰিৱৰ্তনৰ কথা সূচায় আৰু ইয়াক 'ঔদ্যোগিক বিপ্লৱ'ৰ পৰা আৰম্ভ কৰি 'যৌন বিপ্লৱ'লৈকে বিভিন্ন প্ৰসংগকে দৰ্শাৱলৈ ব্যৱহাৰ কৰা হয়। এক দীৰ্ঘস্থায়ী কাৰ্য পদ্ধতি হিচাপে, 'বিপ্লৱ' আৱিধাটোৱে এনে এক আন্দোলনক সূচায় যি সচৰাচৰ মাৰাত্মক হয় আৰু পুৰণি সমাজ ব্যৱস্থাৰ পতন

ঘটাবলৈ তথা সমাজ এখনৰ সংকীর্ণ অৱস্থিতিৰ সম্পূর্ণ পৰিৱর্তন আনিবলৈ কার্যত ব্রতী হয়। বহুজনৰ মতে, এনে ধৰণৰ মাৰাত্মক আৰু সামগ্রিক পৰিৱর্তনৰ দ্বাৰাহে উদ্ধাৰন সম্ভৱ।

১৯১৭ চনত ভ্লাদিমিৰ লেনিনে (Vladimir Lenin) আৰম্ভ কৰা আৰু মার্ক্সৰ সাম্যবাদৰ দ্বাৰা সজ্জিৱিত হোৱা ৰুছদেশীয় বিপ্লৱে বিংশ শতিকাৰ বহুতো বিদ্রোহৰ উত্থানত অনুপ্রেৰণা যোগাইছিল। মার্ক্সে এইটো কথাত সমর্থন দিছিল যে এটা স্তৰৰ পৰা আন এটা স্তৰলৈ সামাজিক শৃংখলাৰ পৰিৱর্তনৰ বাবে বিপ্লৱ অপৰিহার্য। তেওঁৰ এই ধাৰণাই বিপ্লৱক বিশ্ব ইতিহাসৰ এক সাধাৰণ আৰু অৱস্যম্ভাৱী প্রক্রিয়া বুলি প্রতিষ্ঠিত কৰে। প্রায় পঞ্চাশ বছৰ ধৰি, ৰুছদেশীয় বিপ্লৱে বিশ্বজুৰি সম্ভাব্য বিপ্লৱীসকলক ৰাজনৈতিক বিপ্লৱ আৰু অর্থনৈতিক পৰিৱর্তনৰ আর্হি প্রদান কৰি আহিছে। চীনদেশৰ ছুন য়াট-ছেনৰ (Sun Yet-Sen) পৰা ভিয়েটনামৰ হ' চি মিনলৈ (Ho Chi Minh) কেইজনমান বিপ্লৱীয়ে ইউ এছ এছ আৰৰ (USSR) আর্হিটোত নিজস্ব ৰাষ্ট্রৰ দাবীসমূহৰ সফলতাৰ প্রতিফলন দেখিছিল।

বিংশ শতিকাৰ শেষার্ধত হোৱা ইৰাণীয় বিপ্লৱে বিপ্লৱৰ অন্য এক আর্হি প্রতিষ্ঠিত কৰে। ১৯৭৯ চনৰ ইছলাম ধর্মীয় বিপ্লৱে এনে এখন সমাজৰ দৃঢ় পৰিৱর্তন অনাৰ চেষ্টা কৰিছিল যিখন সমাজ একাংশ ব্যক্তিসমূহৰ ধাৰণাৰ অত্যাধিক মূল সুঁতিৰৰ (mainstream) আছিল অথবা পাশ্চাত্য সংস্কৃতি তথা আদর্শৰ দ্বাৰা কলুষিত আছিল। ইৰাণীয় বিপ্লৱে চৰকাৰ আৰু সমাজ সংস্থাপনৰ ক্ষেত্রত দেশপ্রেম আৰু ইছলাম ধর্মীয় আদর্শক প্রাধান্য দিছিল আৰু এয়াই পাছলৈ বৈপ্লৱিক পৰিৱর্তনৰ এটা উদাহৰণ হৈ পৰে। এই বিপ্লৱটো আয়াটোল্লাহ খোমেইনিৰ (Ayatollah Khomeini) নেতৃত্বত গঢ় লৈ উঠিছিল।

বিংশ শতিকাত এছিয়া মহাদেশৰো বিভিন্ন প্রান্তত বিপ্লৱৰ সূচনা হয়। এছিয়া মহাদেশৰ বহুতো দেশত দেখা দিয়া ক্রান্তিকাৰী উত্থানৰ মূলতে আছিল ঊনবিংশ শতিকাৰ পৰা আৰম্ভ হোৱা ব্রিটিছ-আমেৰিকীয় ঔপনিৱেশিকতাবাদ। ইংলেণ্ড সেই সময়ত ফ্রান্স, জার্মানী আৰু আমেৰিকা যুক্তৰাষ্ট্রইও ঊনবিংশ শতিকাৰ সময়ছোৱাত বিশেষকৈ তৈল সম্পদৰ আমদানিৰ বাবে আৰু অন্যান্য চাহিদা পূৰণৰ বাবে উপনিৱেশ সমূহত উদ্যোগীকৰণ আৰম্ভ কৰিছিল। জাহাজ নির্মাণ, অস্ত্র-শস্ত্র আদিত দেখা দিয়া কাৰিকৰী বিকাশ, অর্থনৈতিক উন্নয়ন আৰু সাংস্কৃতিক ভিন্নতা দূৰ কৰি সন্মিলিত কৰাৰ প্রচেষ্টাৰ ফলশ্রুতিত পশ্চিমীয়া আদর্শৰ প্রভূত্বৰ প্রতি এক বিশ্বাস গঢ় লৈ উঠে যি পিছলৈ এছিয়া মহাদেশীয় সামাজিক আর্হি তথা আদর্শৰ বাবে বহু ক্ষেত্রত হানিকাৰক হৈ পৰে।

ওঠৰ শতিকাৰ আৰম্ভণিতে ব্রিটেইনে আধিপত্য স্থাপন কৰা ভাৰতবর্ষত সাধাৰণ লোকসকলে এক সুদক্ষ বগা কলাৰ পৰিহিত শ্রেণী আৰু ভাৰতীয় জাতীয় কংগ্রেছ নামৰ এক ৰাজনৈতিক সংগঠনৰ উত্থান দেখিছিল। বিংশ শতিকাত এই সংগঠনটোৱেই দেশপ্রেমৰ বাণীৰে দেশৰ সামগ্রিক উন্নয়নৰ সূচনা কৰিছিল। ঊনবিংশ শতিকাৰ মাজভাগত হোৱা অ'পিয়াম যুদ্ধসমূহত বিধ্বস্ত চীনদেশ যদিও ঔপনিৱেশিকতাৰ কৱলৰ পৰা বাছি আছিল, তথাপি ইউৰোপ, আমেৰিকা যুক্তৰাষ্ট্র আৰু জাপানে প্রভাৱ বিস্তাৰ কৰাৰ উদ্দেশ্যেৰে নির্মাণ কৰা বাণিজ্যিক বন্দৰসমূহে চীনদেশক ৰাজনৈতিক আৰু অর্থনৈতিকভাৱে জুৰুলা কৰিছিল। পৰৱর্তী সময়ত এই বন্দৰসমূহ বিংশ শতিকাত এছিয়া মহাদেশত হোৱা প্রথম বিদ্রোহ বুলি খ্যাত ১৯১১ চনৰ লোকতান্ত্রিক বিপ্লৱৰ (Republican Revolution) অন্যতম কাৰক আছিল বুলিও অভিহিত হয়। বহুতো অস্থিৰ বন্দৱস্তই নিশকতীয়া কৰা জাপানে ১৮৫০ৰ দশকত পশ্চিমীয়া শক্তিৰ স্বত্বাধীন হ'বলগীয়া হৈছিল যদিও, বিংশ শতিকাৰ আৰম্ভণিলৈ ই নিজকে এক কাৰিকৰীগত শক্তিৰ উৎস হিচাপে প্রতিষ্ঠিত কৰিবলৈ সক্ষম হয়। জাপানৰ এই উল্লেখনীয় পৰিৱর্তন প্রক্রিয়াটোক ইতিহাসবিদসকলে যদিও 'বিপ্লৱ'ৰ আখ্যা দিব নোখোজে, তথাপি ই লক্ষণীয়ভাৱে 'বৈপ্লৱিক' আছিল। ফিলিপিন্‌ছৰ পৰা ভিয়েটনামলৈ দক্ষিণ-পশ্চিম এছিয়াৰ অন্যান্য দেশসমূহো কালক্রমত পশ্চিমীয়া শক্তিৰ অধীনলৈ গৈছিল। দাসত্বৰ এই সমূহীয়া অভিজ্ঞতাই বিংশ শতিকাত সমগ্র এছিয়া মহাদেশতে অসংখ্য বিদ্রোহৰ সূচনা হোৱাত অৰিহণা যোগাইছিল। ই এক দীর্ঘস্থায়ী পৰিস্থিতিৰ সৃষ্টি কৰিছিল যিয়ে হো চি

মিন (Ho Chi Minh), মাও ছে-টুং (Mao-Tse-tung) আদিৰ পৰা আৰম্ভ কৰি মোহনদাস গান্ধীলৈকে ক্ৰান্তিৰ বার্তা কঢ়িয়াইছিল।

বহুতো এছিয়া মহাদেশীয় বিপ্লৱীয়ে কেৱল স্বায়ত্ত শাসন লাভৰ উদ্দেশ্যেৰেই আগবঢ়া নাছিল; বৰঞ্চ তেওঁলোকে নিজস্ব দেশৰ সামাজিক শৃংখলাৰ আভ্যন্তৰীণ পৰিৱর্তন অনাৰ বাবেও যুঁজ দিছিল। বহুতে এইটো কথা উপলব্ধি কৰিছিল যে সাম্প্ৰতিক হ'বলৈ হ'লে পুৰণি কিছুমান ৰীতি-নীতি বাদ দি, নতুন উন্নয়নশীল চিন্তাধাৰাৰে সামাজি সম্পর্ক স্থাপন কৰা উচিত। চীনদেশত, এই ধাৰণাটোৱে কনফুচিয়াছে দি যোৱা পুৰণি পৰম্পৰাসমূহৰ যথার্থতা বিবেচনা কৰি নিয়ন্ত্ৰণ কৰা আৰু অর্থনৈতিক তথা ৰাজনৈতিক পৰিৱর্তনত কেন্দ্ৰীয় ভূমিকা লোৱা আদিৰ দৰে পদক্ষেপৰ পাতনি মেলে। আনহাতে, মোহনদাস গান্ধীয়ে অন্য এক বিকল্প কার্য-পৰিকল্পনা হাতত লৈছিল, যাৰ দ্বাৰা তেওঁ পাশ্চাত্যৰ দ্বাৰা প্ৰভাৱিত 'সভ্যতা'ৰ গতি স্তব্ধ কৰি 'পৰম্পৰাগত' ভাৰতীয় ধৰণ-কৰণক অগ্ৰাধিকাৰ দিয়াৰ প্ৰয়াস কৰিছিল। দুয়োটা আৰ্হিতে, ৰাষ্ট্ৰীয় স্বায়ত্ত শাসনৰ স্বার্থত, আভ্যন্তৰীণ পৰিৱর্তনক এক অপৰিহার্য অংশ বুলি গণ্য কৰা হয়।

'বিপ্লৱ' সম্পর্কে পৰিলক্ষিত হোৱা এনে ধৰণৰ ভিন্নতা থকা দৃষ্টান্ত তথা ধাৰণাসমূহে সাম্প্ৰতিক এছিয়াৰ ইতিহাসত সামাজিক আৰু ৰাজনৈতিক বিপ্লৱৰ গুৰুত্বৰ ওপৰত প্ৰশ্ন উত্থাপন কৰে। শেহতীয়াভাৱে ছোভিয়েট যুক্তৰাষ্ট্ৰ পতন আৰু চীনদেশৰ বজাৰ অর্থনীতিৰ দিশে হোৱা অগ্ৰসৰতা আদিৰ দৰে দৃষ্টান্তই ইতিহাসবিদসকলক বিপ্লৱ আৰু ইয়াৰ পৰিণাম বিষয়ে তেওঁলোকৰ ধাৰণা সলনি কৰিব ধৰিছে। যি নহওক, এনে পুৰনীৰিক্ষণ প্ৰক্ৰিয়াৰ সত্ত্বেও, এইটো কথা স্পষ্ট যে এছিয়াকে ধৰি সমগ্ৰ বিশ্বৰ বর্তমানৰ অৱস্থিতৰ ক্ষেত্ৰত বিপ্লৱে এক উদ্দেশ্যগত আৰু দীর্ঘস্থায়ী প্ৰক্ৰিয়া হিচাপে নিজস্ব ভূমিকা পালন কৰি আহিছে।

৩.৫ দৃষ্টিভংগীসমূহ

এই অংশটোত আমি বৈপ্লৱিক আন্দোলনৰ বিভিন্ন উদাহৰণৰ সহায়ত ইয়াৰ দৃষ্টিকোণসমূহৰ ওপৰত আলোচনা কৰিম। বেছিভাগ বৈপ্লৱিক আন্দোলনৰে সূত্ৰপাত বর্বৰতাৰ প্ৰতিক্ৰিয়া স্বৰূপ হয়। এনে ধৰণৰ প্ৰক্ৰিয়া সাধাৰণতে, চৰকাৰী পক্ষই কৰা দমন তথা অযুক্তিকৰ দাবীৰ প্ৰতিবাদত গঢ় লৈ উঠে। আমেৰিকাৰ বিপ্লৱ এনে প্ৰতিক্ৰিয়াৰ এক জলন্ত উদাহৰণ। বৈপ্লৱিক যুদ্ধৰ শাম কটাৰ পাছত কংগ্ৰেছে প্ৰশাসন ব্যৱস্থাৰ ভাৰ লৈ আৰু তেতিয়াই যুদ্ধৰ ভ্ৰষ্টটা পোহৰলৈ আহে। আমেৰিকাৰ বিপ্লৱ গণতান্ত্ৰিক বিপ্লৱৰ সম্পূর্ণ প্ৰতিকূল আছিল। আমেৰিকাৰ লোকসকলে ব্ৰিটিছৰ পৰা কিছু স্বীকৃতি বিচাৰিছিল; কিন্তু ব্ৰিটিছসকলে সেয়া প্ৰত্যাখ্যান কৰিছিল। ফলস্বৰূপে, আমেৰিকাৰ নাগৰিকসকলে ঔপনিৱেশিকসকলৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। যুদ্ধত আমেৰিকাই জয়লাভ কৰে আৰু তেওঁলোকে নিজৰ বাবে এক সুকীয়া গণতন্ত্ৰ গঠন কৰে।

পৰিণতিমর্মে, ব্ৰিটিছ আমেৰিকীয়সকলৰ মাজত স্থানীয় স্বায়ত্ত শাসন তথা ইংৰাজসকলৰ দৰে ব্যক্তিগত মানৱ অধিকাৰ লাভ কৰাৰ উদ্দেশ্যেৰে আৰম্ভ হোৱা যুদ্ধই ১৭৭৫-৭৬ চনৰ সময়ছোৱালৈ ৰাজনৈতিক স্বায়ত্ত শাসনৰ হকে কৰা এক বিপ্লৱৰ ৰূপ পায়।

আমেৰিকাৰ এই বিপ্লৱৰ এক গুৰুত্বপূর্ণ কাৰক আছিল বিধানসভাৰ আইন প্ৰণয়নৰ ক্ষমতাৰ ওপৰত ঔপনিৱেশিক শক্তিয়ে কৰা হস্তক্ষেপ। ইয়ে বিপ্লৱটোৰ সূত্ৰপাত কৰিছিল। যিহেতু ব্ৰিটিছে দেশপ্ৰেমী (patriots) সকলৰ দাবীসমূহ মানি নল'লে, আমেৰিকাই নিজকে ইংলেণ্ডৰ পৰা মুক্ত ঘোষণা কৰিলে আৰু সেইদৰেই আমেৰিকা যুক্তৰাষ্ট্ৰ জন্ম হয়।

ঠিক তেনেদৰে, ফৰাছী বিপ্লৱেও ফ্ৰান্সৰ সামাজিক আৰু ৰাজনৈতিক আৰ্হিৰ তুমূল পৰিৱর্তন আনে। এই বিপ্লৱে ফৰাছী ৰাজশাসনৰ অন্ত পেলায় আৰু কেথলিক গীর্জাৰ পৰা ৰাজনৈতিক ক্ষমতা কাঢ়ি লয়। ফৰাছী বিপ্লৱে

এইদৰে ইউৰোপৰ বিভিন্ন প্ৰান্তত বাস কৰা সাধাৰণ নাগৰিকসকলৰ বাবে স্বাধীনতাৰ বার্তা কঢ়িয়াই আনে আৰু মহিলাসকলৰ দাসত্ব তথা শোষণৰ অন্ত পেলোৱাৰ ক্ষেত্ৰতো আশাৰ সঞ্চাৰ কৰে। ইয়াৰ পৰিণতি স্বৰূপে, সমগ্ৰ ইউৰোপ জুৰি কিছুমান নৱ চিন্তাৰ অৱতাৰণা হয় আৰু ই ইউৰোপৰ প্ৰশাসনিক ব্যৱস্থাৰ বিকাশত অৰিহণা যোগায়।

৩.৬ বিচার্য বিষয়সমূহ

এই অংশটোত আমি বিভিন্ন বৈপ্লৱিক আন্দোলন সম্পৰ্কে আলোচনা কৰিম। এই আলোচনাত বিশ্বৰ বিভিন্ন প্ৰান্তত হোৱা বৈপ্লৱিক আন্দোলনৰ সৈতে জড়িত বিষয় তথা প্ৰসংগসমূহৰ ওপৰত আলোকপাত কৰা হ'ব।

৩.৬.১ ৰাছিয়াৰ বিপ্লৱ

বৈপ্লৱিক আন্দোলনসমূহে আৰম্ভণিৰে পৰা ৰাজনৈতিক আৰু সামাজিক লক্ষ্যস্থান সমূহক একত্ৰিত কৰি আহিছে। এই আন্দোলনসমূহে সাধাৰণতে শোষণৰ বলি হোৱা, নিম্ন শ্ৰেণীৰ হকে মাত মাতিছিল। সমাজতান্ত্ৰিক বিপ্লৱীসকলে 'পীড়িত'সকল, বিশেষকৈ শ্ৰমিকসকলৰ স্বাৰ্থত কাম কৰিছিল, আনহাতে, সামাকি গণতন্ত্ৰবাদীসকলে চহৰীয়া 'সৰ্বহাৰা' (proletariat) সকলৰ হকে মাত মাতিছিল। উদাৰবাদীসকলে, আনহাতে, নিজকে 'শ্ৰেণী নিৰপেক্ষ' বুলি পৰিচয় দিছিল। যিয়ে নওহক, আভিজাত শ্ৰেণী আৰু বুদ্ধিজীৱীসকলৰ পৰা বাণিজ্যিক তথা কাৰিকৰী মধ্যবিত্তসকললৈকে সাঙুৰি উদাৰবাদীসকলৰ এক নিজস্ব সামাজিক স্তৰ আছিল। মূল বিপ্লৱটোত এই ভিন্ন প্ৰৱণতাসমূহে সুবিধাজনক আন্তঃক্ৰিয়াৰ অভিজ্ঞতা পাইছিল। ১৯০৫ চনত জিলাৰ ৰাজধানী সমূহত অনুষ্ঠিত হোৱা সাধাৰণ ধৰ্ণা আৰু কৃষকৰ ভাৰাৰ্পণ কাৰ্যসূচীৰ প্ৰায় অপৃথকীকৃত পৰিকল্পনাই প্ৰশাসনক এনেদৰে জোকাৰি গৈছিল যে ইয়াৰ পৰৱৰ্তী সময়ত প্ৰশাসনে উদাৰবাদীসকলৰ জনপ্ৰিয়তা ভিত্তিক অনুৰোধ সমূহ কৰ্তন কৰিবলৈ ল'লে।

১৯১৭ চনৰ ফেব্ৰুৱাৰীত এক সমকক্ষীয় বিপ্লৱৰ সূচনা হয়, য'ত এটাই মাত্ৰ বৈশাদৃশ্য আছিল। সেয়া হ'ল— এই বিদ্ৰোহটোত, শ্ৰমিকৰ একক আক্ৰমণৰ পৰিৱৰ্তে শ্ৰমিক আৰু দুৰ্গস্থ সৈন্যদলৰ (garrisoned troopers) সন্মিলিত আক্ৰমণ পৰিলক্ষিত হয়। এইবাৰ কৃষকসকল নিৰ্লিপ্ত আছিল। ১৯১৭ চনৰ গ্ৰীষ্মত বহিৰাগত শক্তিৰ প্ৰভাৱত জাৰিষ্ট (tsarist) ৰাষ্ট্ৰ আৰু ইয়াৰ মানদণ্ডৰ পতন হোৱাৰ পিছত কৃষি (agrarian) বিপ্লৱৰ সূচনা হয়, যাক সেই সময়ৰ আটাইতকৈ নৃশংস বিপ্লৱ বুলিও অভিহিত কৰা হৈছিল। পৰৱৰ্তী সময়ত, প্ৰাদেশিক জনসমষ্টিয়ে চহৰীয়া বৈপ্লৱিক আন্দোলনটোৰ পৰা ফালৰি কাটে আৰু ১৯১৮ চনলৈ পৃথকভাৱে সংগ্ৰাম কৰে। এই পৰিৱৰ্তনৰ প্ৰধান গুৰুত্ব কেৱল এটা ফলাফলতেই অন্তৰ্নিহিত আছিল, সেয়া হ'ল— ভূমিপতি সম্ভ্ৰান্ত শ্ৰেণীৰ সম্পত্তিৰ অবাধ বিতৰণ, যাক 'ৱাইল্ডকেট' (Wildcat) আৰিধাৰে বুজোৱা হৈছিল। কৰ্মচাৰী শ্ৰেণী বিপ্লৱীসকলে সেই সকলোবোৰ বস্তুকে নিজৰ অধীন কৰিবলৈ লৈছিল যিবোৰ তেওঁলোকে সদায়ে নিজৰ ন্যায়সন্মত সম্পত্তি বুলি গণ্য কৰিছিল। কৰ্মচাৰীসকলৰ বাবে বিপ্লৱৰ কাৰ্যকলাপসমূহৰ দমনীয় ধৰণটো তেনেই সাধাৰণ আছিল, কিয়নো তেওঁলোকে ইতিমধ্যে তেনে বৰ্বৰতাৰ সন্মুখীন হৈ আহিছিল। বহুতো নগৰ অঞ্চলত প্ৰশাসনিক সদস্যসকলক এক নিৰ্দিষ্ট সময়ৰ বাবে ভূমি আবণ্টন দিয়াৰ প্ৰথাও আৰম্ভ হৈছিল। মাটিৰ মালিকীস্বত্ব গ্ৰাম্য সম্প্ৰদায়ৰ হাতত ন্যস্ত আছিল আৰু ব্যক্তিগত মালিকীস্বত্ব কেৱল সেইবোৰ ভূখণ্ডৰ বাবেহে মুকলি আছিল যিবোৰ তেতিয়ালৈকে পুনঃবিতৰণ কৰা হোৱা নাছিল। এই

সকলোবোৰৰ পৰিপ্রেক্ষিততহে, এই বিপ্লৱৰ কর্মচাৰীসকল সন্তুষ্ট হৈছিল। তথাপি, তাৰ মাজতো কিছুমান পৰিস্থিতি তথা সমস্যাই নগৰখনক ম্লান কৰিছিল। পৰৱর্তী সময়ত যেতিয়া নতুন অর্থনৈতিক নীতিয়ে পৰিৱর্তন সমূহৰ ন্যায্যতা প্রদান কৰিলে, বিপ্লৱৰ অংশগ্রহণকাৰীসকলে গৃহযুদ্ধৰ অপ্রীতিকৰ ঘটনাসমূহৰ সত্ত্বেও নিজকে বিপ্লৱটোৰ বিজয়ীৰ শাৰীত গণ্য কৰিবলৈ লয়। যি নহওক, বিপ্লৱৰ আঁৰত হোৱা এই পুনঃবিতৰণ প্রক্রিয়াটোৱে অর্থনীতিটো জুৱুলা কৰি পেলায়। ইয়াৰ উপৰি ই ইতিমধ্যে বৃহৎ হাৰত ঘৱুৱা উৎপাদন দি থকা উন্নত সম্পত্তিসমূহৰ গুৰুত্ব নাশ কৰে আৰু অর্থনীতিৰ সাধাৰণ খণ্ডসমূহক এনে এক স্তৰলৈ লৈ যায় য'ৰ পৰা যথোচিত তথা স্থবিৰ বিকাশ সাধন কৰাটো প্রায় অসম্ভৱ হৈ পৰে। ইয়াৰ ফলস্বৰূপে এনে এক জৰুৰীকালীন অৱস্থাৰ সৃষ্টি হয় যি অর্ধবিকশিত অর্থনীতিটোৰ বাবে এক প্রত্যাহ্বান হৈ পৰে।

১৯১৭ চনৰ ফেব্রুৱাৰীত পেট্রোগ্রেডৰ শ্রমিকসকলে সংঘটিত কৰা সাধাৰণ ধর্ণাৰ ফলাফল ক্রমান্বয়ে জটিল হৈ গৈছিল। বিপ্লৱৰ নায়কসকলৰ দৃষ্টিভংগীৰ পৰা মধ্যমীয়া ম্যাদৰ (medium-term) পৰিণামসমূহ নেতিবাচক আছিল। বিপ্লৱীসকলে কেৱল কেনেদৰে কম সময়ত নিজৰ দাবীসমূহ পূৰণ কৰিব পাৰে তাৰ ওপৰতহে গুৰুত্ব দিছিল। অন্য ফালে, মজুৰীৰ হাৰ উদাৰভাৱে বৃদ্ধি কৰা হৈছিল, কামৰ সময়সীমা হ্রাস পাইছিল, যদিওবা দৈনিক ৮ ঘণ্টীয়া কর্মনীতিখন ইতিমধ্যে বলৱৎ হোৱা নাছিল। ব্যক্তিগত আৰু সামাজিক নিৰাপত্তা আংশিকভাৱে উন্নত হৈছিল। যি নহওক, অর্থনৈতিক দুর্বলতাৰ ফলস্বৰূপে নিবনুৱা সমস্যা বৃদ্ধি পাইছিল আৰু বিপ্লৱৰ সাম্যক সুবিধাসমূহৰ ভাৰসাম্য বিনষ্ট হৈছিল। এই দুর্ভাগ্যজনক অৱস্থাটোৱে পৌৰ প্রশাসনীয় মন্ত্রণা পৰিষদটোক মার্চত তেওঁলোকে দখল কৰা পেট্র'গ্রেডৰ সমস্ত প্রশাসনিক ক্ষমতা নিজৰ অধীনলৈ অনাৰ সক্ষমতা দিছিল। ইতিমধ্যে জটিল হৈ থকা পৰিস্থিতি এটাক আৰু অধিক জটিল কৰিবলৈ বিপ্লৱীসকলে অক্টোবৰৰ বিদ্রোহৰ পাছত নিজৰ আকাংক্ষাসমূহ কার্যকৰী কৰিছিল। সেই সময়তে, বলছেভিকসকলে নিজৰ নির্বাচনীয় ভোটৰ স্থিতি নিয়ন্ত্রণ কৰিবলৈ ঔদ্যোগিক পৰিষদৰ কর্মচাৰীসকলৰ সৈতে ঐক্যৱদ্ধ হৈছিল। পৰৱর্তী সময়ত, ক্র'ন্ষ্টাড (Kronsadt) নাৱিকসকলৰ যোগদান বিপ্লৱটোক আৰু অধিক শক্তিশালী কৰি তুলিছিল। নাৱিকসকল আৰু পেট্রোগ্রেডৰ অন্যান্য কর্মচাৰীসকল সম্মিলিত হৈ 'সকলো ক্ষমতা ছভিয়েটৰ হাতত' ধ্বনিৰে বৃহৎ সমদল উলিয়াইছিল। এনেদৰে ক্রমান্বয়ে বিভিন্ন কার্যসূচী, সফলতা-বিফলতাৰ অন্তত লেনিনৰ নেতৃত্বত বলছেভিকসকলে প্রশাসনিক ক্ষমতা লাভ কৰিছিল।

৩.৬.২ ফৰাছী বিপ্লৱ

ফৰাছী বিপ্লৱ এক সমগ্র বিশ্ব জোঁকাৰি যোৱা ঘটনা আছিল যি আজিও বহুতো বৈপ্লৱিক আন্দোলন আৰু চৰকাৰৰ বাবে এক ভয়ংকৰ উদাহৰণ হিচাপে মানসপটত বৈ আছে। এই বিপ্লৱৰ সাম্প্রতিক সঁহাৰি হিচাপে সংৰক্ষণবাদৰ (conservatism) পৰা সাম্যবাদলৈ বহুতো দর্শনৰ বিকাশ ঘটে। শৈক্ষিক খণ্ডত, ফৰাছী বিপ্লৱৰ বিশালতা আৰু বিতং ব্যাখ্যাক লৈ অনেক বিবাদ আছে। কার্ল মার্ক্স আৰু ফ্রেডৰিখ এনজেলছে (Friedrich Engels) বিপ্লৱটোক পুঁজিবাদৰ পথ প্রশস্ত কৰা এক 'মধ্যবিত্ত বিপ্লৱ' বুলি কৰা মন্তব্যই এই বিবাদসমূহত অধিক অৰিহণা যোগায়। ফৰাছী বিপ্লৱৰ কথা ক'লে মার্ক্সবাদৰ কথা আহেই যদিও, শেহতীয়া গৱেষণা কিছুমানত কিছুমান নতুন দিশত আলোচনা আগবাঢ়িছে। এই দিশবোৰৰ ভিতৰত যৌনতা সম্বন্ধীয় সম্পর্ক; নাগৰিকত্বৰ ধাৰণা আৰু ধর্ম, জাতি আৰু স্থানীয়তাৰ

সৈতে ইয়াৰ সম্পৰ্ক, বিপ্লৱটোৰ বুদ্ধিগত ইতিহাস আৰু বিশ্ব ইতিহাসৰ এক গুৰুত্বপূৰ্ণ ঘটনা হিচাপে ইয়াৰ তাৎপৰ্য আদি বিষয় সাঙোৰ খাই পৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ফৰাছী বিপ্লৱ ব্যাখ্যা কৰক।

.....

প্রশ্ন নং ২ ঃ ইৰাণীয় বিপ্লৱৰ ওপৰত চমু টোকা লিখক।

.....

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৈপ্লৱিক আন্দোলন অথবা বৈপ্লৱিক সামাজিক আন্দোলন হ'ল বিপ্লৱ অনাৰ উদ্দেশ্যেৰে গঢ় লোৱা এক ধৰণৰ সামাজিক আন্দোলন।
- সামাজিক আন্দোলন এটাই সমাজৰ বিভিন্ন পৰিৱৰ্তন আনিব পাৰে অথবা প্রশাসনৰ ওপৰত চকু ৰাখিব পাৰে; কিন্তু যেতিয়ালৈকে আন্দোলনটোৱে এক নিৰ্বাচনাত্মক (selective) নিয়ন্ত্রণৰ ওপৰত মনোনিৱেশ নকৰে, তেতিয়ালৈকে আন্দোলনকাৰীসকলে বৈপ্লৱিক আখ্যা নাপায়।
- সামাজিক আন্দোলনসমূহ বৰ্দ্ধিতভাৱে উগ্রবাদী অথবা বৈপ্লৱিক হ'ব পাৰে অথবা ইয়াৰ সম্পূৰ্ণ বিপৰীত দিশে ঢাল খাব পাৰে। অৰ্থাৎ বৈপ্লৱিক আন্দোলনসমূহে নিজৰ দাবীসমূহ উঠাই লৈ এক সাধাৰণ ৰাজনৈতিক দললৈ ৰূপান্তৰিত হ'ব পাৰে।
- ওঠৰশ শতিকাৰ শিহৰণকাৰী ফৰাছী বিপ্লৱৰ পাছৰে পৰা, বিপ্লৱসমূহক সাধাৰণতে অতীতক ক্রান্তিকাৰীভাৱে পৰাস্ত কৰাৰ ধাৰণাটোৰ সৈতে জড়িত কৰা হয়; যিহেতু ফৰাছী বিপ্লৱে চৰকাৰ ধ্বংসকাৰী আৰু সামাজিক ৰূপান্তৰণৰ বহুতো কার্যসূচী ফলৱতী কৰিছিল। বহুজনৰ মতে, এনে ধৰণৰ মাৰাত্মক আৰু সামগ্রিক পৰিৱৰ্তনৰ দ্বাৰাহে উদ্ভাৱন সম্ভৱ হয়।
- মার্ক্সে এইটো কথাত সমর্থন দিছিল যে এটা স্তৰৰ পৰা আন এটা স্তৰলৈ সামাজিক শৃংখলাৰ পৰিৱৰ্তনৰ বাবে বিপ্লৱ অপৰিহার্য। তেওঁৰ এই ধাৰণাই বিপ্লৱক বিশ্ব ইতিহাসৰ এক সাধাৰণ আৰু অৱশ্যম্ভাৱী প্রক্রিয়া বুলি প্রতিষ্ঠিত কৰে।
- ১৯৭৯ চনৰ ইৰাণীয় বিপ্লৱে এনে এখন সমাজৰ দৃঢ় পৰিৱৰ্তন অনাৰ চেষ্টা কৰিছিল যিখন সমাজ একাংশ লোকৰ মতে অত্যাধিক মূল সুঁতিৰ (mainstream) আছিল অথবা পাশ্চাত্য সংস্কৃতি তথা আদর্শৰ দ্বাৰা কলুষিত আছিল। ইৰাণীয় বিপ্লৱে চৰকাৰ আৰু সমাজ সংস্থাপনৰ ক্ষেত্রত দেশপ্রেম আৰু ইছলাম ধর্মীয় আদর্শক প্রাধান্য দিছিল আৰু ইয়াই পাছলৈ বৈপ্লৱিক পৰিৱৰ্তনৰ কাৰক হৈ পৰে। এই বিপ্লৱটো আয়াটোল্লাহ খোমেইনিৰ নেতৃত্বত গঢ় লৈ উঠিছিল।
- ফৰাছী বিপ্লৱেও ফ্রান্সৰ সামাজিক আৰু ৰাজনৈতিক আৰ্হিৰ তুমূল পৰিৱৰ্তন আনে। এই বিপ্লৱে ফৰাছী ৰাজশাসনৰ অন্ত পেলায় আৰু কেথলিক গীর্জাৰ পৰা ৰাজনৈতিক ক্ষমতা কাঢ়ি লয়। ফৰাছী বিপ্লৱে, এইদৰে ইউৰোপৰ বিভিন্ন প্রান্তত বাস কৰা সাধাৰণ নাগৰিকসকলৰ বাবে স্বাধীনতাৰ বার্তা কঢ়িয়াই আনে আৰু মহিলাসকলৰ দাসত্ব তথা শোষণৰ অন্ত পেলোৱাৰ ক্ষেত্রতো আশাৰ সঞ্চাৰ কৰে। ইয়াৰ পৰিণতিস্বৰূপে, সমগ্র ইউৰোপ জুৰি কিছুমান নৱ চিন্তাৰ অৱতাৰণা হয় আৰু এই ইউৰোপৰ প্রশাসনিক

ব্যৱস্থাৰ বিকাশত অৱিহণা যোগায়।

৩.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Bakhurst, S., & Shanker, S. (2001). Jerome Bruner : Language, Culture, Self; Saye Publication
2. Godwin, J. (2001). No other way out : States and Revolutionary movement; Cambridge University Press

৩.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ফৰাছী বিপ্লৱ এক সমগ্ৰ বিশ্ব জোঁকাৰি যোৱা ঘটনা আছিল যি আজিও বহুতো বৈপ্লৱিক আন্দোলন আৰু চৰকাৰৰ বাবে এক ভয়ংকৰ উদাহৰণ হিচাপে মানসপটত ৰৈ আছে। এই বিপ্লৱৰ সাম্প্ৰতিক সঁহাৰি হিচাপে সংৰক্ষণবাদৰ (conservatism) পৰা সাম্যবাদলৈ বহুতো দৰ্শনৰ বিকাশ ঘটে। শৈক্ষিক খণ্ডত, ফৰাছী বিপ্লৱৰ বিশালতা আৰু বিতং ব্যাখ্যাক লৈ অনেক বিবাদ আছে। কার্ল মার্ক্স আৰু ফ্ৰেডৰিখ এনজেল্‌ছে (Friedrich Engels) বিপ্লৱটোক পুঁজিবাদৰ পথ প্ৰশস্ত কৰা এক 'মধ্যবিত্ত বিপ্লৱ' বুলি কৰা মন্তব্যই এই বিবাদসমূহত অধিক অৱিহণা যোগায়। ফৰাছী বিপ্লৱৰ কথা ক'লে মার্ক্সবাদৰ কথা আহেই যদিও, শেহতীয়া গৱেষণা কিছুমানত কিছুমান নতুন দিশত আলোচনা আগবাঢ়িছে। এই দিশবোৰৰ ভিতৰত যৌনত্যা সম্বন্ধীয় সম্পৰ্ক; নাগৰিকত্বৰ ধাৰণা আৰু ধর্ম, জাতি আৰু স্থানীয়তাৰ সৈতে ইয়াৰ সম্পৰ্ক; বিপ্লৱটোৰ বুদ্ধিগত ইতিহাস আৰু বিশ্ব ইতিহাসৰ এক গুৰুত্বপূৰ্ণ ঘটনা হিচাপে ইয়াৰ তাৎপর্য আদি বিষয় সাঙোৰ খাই পৰে।

২নং প্ৰশ্নৰ উত্তৰ ঃ বিংশ শতিকাৰ শেষাৰ্ধত হোৱা ইৰাণীয় বিপ্লৱে বিপ্লৱৰ অন্য এক আৰ্হি প্ৰতিষ্ঠিত কৰে। ১৯৭৯ চনত ইছলাম ধর্মীয় বিপ্লৱ এনে এখন সমাজৰ দৃঢ় পৰিৱর্তন অনাৰ চেষ্টা কৰিছিল। যিখন সমাজ একাংশ ব্যক্তিসমূহৰ ধাৰণাৰ অত্যাধিক মূল সুঁতিৰ (mainstream) আছিল অথবা পাশ্চাত্য সংস্কৃতি তথা আদর্শৰ দ্বাৰা কলুষিত আছিল। ইৰাণীয় বিপ্লৱে চৰকাৰ আৰু সমাজ সংস্থাপনৰ ক্ষেত্ৰত দেশপ্ৰেম আৰু ইছলাম ধর্মীয় আদর্শক প্ৰাধান্য দিছিল আৰু এয়াই পাছলৈ বৈপ্লৱিক পৰিৱর্তনৰ কাৰক হৈ পৰে। এই বিপ্লৱটো আয়াটোল্লাহ খোমেইনিৰ (Ayatollah Khomeini) নেতৃত্বত গঢ় লৈ উঠিছিল।

৩.১০ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সামাজিক আন্দোলনৰ বৈপ্লৱিক দৃষ্টিভংগী সম্পর্কে এটি চমু বিৱৰণ দিয়ক।

(খ) দীঘল প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সামাজিক আন্দোলনৰ বৈপ্লৱিক দৃষ্টিভংগীৰ মুখ্য সমর্থকসকলৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ৰাছিয়াৰ বিপ্লৱৰ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ সামাজিক আন্দোলনৰ সাম্যবাদী দৃষ্টিভংগী

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ সামাজিক আন্দোলনৰ সাম্যবাদী দৃষ্টিভংগী ঃ ৰূপৰেখা
৪.৩.১ সামাজিক আন্দোলনকাৰী সংগঠন
৪.৩.২ অধিষ্ঠিত তাত্ত্বিক আৰ্হি
৪.৪ আলোচ্য বিষয়বস্তু আৰু দৃষ্টিকোণ
৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্রগতিৰ খতিয়ান
৪.৮ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সামাজিক আন্দোলনসমূহৰ সাম্যবাদী ধাৰাসমূহৰ এক সম্যক জ্ঞান লাভ কৰিব পাৰিব
- এই ধাৰাসমূহৰ মুখ্য অধিবক্তা আৰু আলোচ্য বিষয়বস্তুসমূহৰ কথাও জানিব পাৰিব।

৪.২ পৰিচয়

এক নিদিষ্ট উদ্দেশ্য সিদ্ধিৰ বাবেই সামাজিক আন্দোলনসমূহৰ উদ্ভৱ হয়। সম্বোধন কৰিবলগীয়া বিষয়বস্তু আৰু পৰিস্থিতিসমূহৰ ওপৰত ভিত্তি কৰি ই বিভিন্ন ধাৰা আৰু কার্যপদ্ধতি অৱলম্বন কৰে যাতে ই নিজৰ লক্ষ্যত উপনীত হ'ব পাৰে। ইয়াৰ আগৰ অধ্যায়টিত আমি সামাজিক আন্দোলনৰ ধাৰাসমূহৰ বিষয়ে জানিলো। এই অধ্যায়টিত এতিয়া আমি সামাজিক আন্দোলনৰ সাম্যবাদী ধাৰাসমূহৰ বিষয়ে শিকিম।

৪.৩ সামাজিক আন্দোলনৰ সাম্যবাদী দৃষ্টিভংগী ঃ ৰূপৰেখা

সামাজিক আন্দোলনসমূহ হ'ল এক বিশাল পৰিসৰৰ মানুহৰ গোট বা সংগঠন, যিয়ে বিশদভাৱে ৰাজনৈতিক বা সামজিক সমস্যসমূহৰ ওপৰত মনোনিৱেশ কৰি সামাজিক পৰিৱর্তন সাধিবলৈ একগোট হয়। অসংখ্য সহযোগী সংগঠনে স্বতন্ত্রভাৱে প্রাথমিক সমস্যাসমূহৰ বাবে কাম কৰি যাব পাৰে আৰু তেতিয়াও ইয়াক সামাজিক আন্দোলন হিচাপে ধৰি ল'ব পাৰি।

সামাজিক আন্দোলন হ'ল সম চিন্তাধাৰা আৰু অনুশীলনৰ সংমিশ্রণ যিয়ে সামাজিক জীৱন পৰিৱর্তন কৰাত মনোনিৱেশ কৰে। যৌথ অনুশীলন বা দলবদ্ধ কার্যকলাপক "কোনো লক্ষ্যত উপনীত হ'বলৈ কমেও দুজন ব্যক্তিয়ে সুসংবদ্ধভাৱে কর্মৰত হোৱা"টোকে বুজায়। চৰমপন্থী ধাৰাটোৱে সন্মিলন বা পৰিৱর্তে সমাজৰ সমগ্র গাঁঠনিটোক সূচায়। গতিকে, ইয়াৰ পৰা এইটো প্রতিপন্ন হৈছে যে সকলো সামাজিক আন্দোলনকে

চৰমপন্থী আন্দোলন বুলি গণ্য কৰিব নোৱাৰি।

ফৰাছী বিপ্লৱ আৰু ১৯৭১ চনৰ ৩ মার্চত হোৱা পোলেণ্ড সংবিধানকে আদি কৰি ওঠৰ শতিকাৰ শেষৰ ফালে উদ্ভৱ হোৱা আন্দোলনসমূহেই মুখ্য সংৰক্ষিত সামাজিক আন্দোলনসমূহৰ অন্তর্গত। ঊনৈছ শতিকাৰ শেষৰ ফালে হোৱা শ্ৰমিক আন্দোলন আৰু সমাজবাদী আন্দোলনসমূহ সামাজিক আন্দোলনৰ আদিৰূপ বুলি গ্ৰহণ কৰিব পাৰি, যিবোৰে সাম্যবাদী আৰু সমাজবাদী গণতান্ত্ৰিক সংগঠন আৰু সমিতিসমূহৰ ব্যৱস্থাপনাসমূহ প্ৰণোদিত কৰিছিল। ১৮১৫ চনত ব্ৰিটেইনে নেপলিয়ঁনিক যুদ্ধত জয়লাভ কৰাৰ পাছৰ সময়ছোৱাত সৈনিকৰ পুনৰাগমন আৰু নিবনুৱা সমস্যাই শ্ৰেণী সংগ্ৰামৰ উত্থান ঘটাইছিল যিয়ে এক সামাজিক পৰিৱৰ্তন আনিছিল। এই সামাজিক আন্দোলনসমূহেই কার্ল মার্ক্সৰ বাবে সামাজিক তত্ত্বসমূহ প্ৰয়োগ কৰাৰ ভিত্তিস্বৰূপ আছিল। ১৮৬১ চনৰ পৰা ৰাছিয়াত সংস্কাৰমূলক আন্দোলনসমূহ আৰম্ভ হৈছিল যিয়ে সামন্তবাদী প্ৰথা উৎখাত কৰিছিল।

১৯৪৫ চনত দ্বিতীয় বিশ্বযুদ্ধত জয়লাভ কৰাৰ পাছত ব্ৰিটেইনে এক আমোল সংস্কাৰৰ দিশে গতি কৰিছিল আৰু ১৯৭৯ চনত মার্গাৰেট থেট্চাৰৰ নিযুক্তিৰ আগলৈকে শ্ৰমিকসমকলৰ অধিকাৰৰ বাবে হোৱা সামাজিক আন্দোলনসমূহেই আইন প্ৰণয়ন সংক্ৰান্তীয় বিষয়বস্তুসমূহৰ সিংহভাগ অধিকাৰ কৰি আছিল। ১৯৭০ৰ দশকটোত নাৰী অধিকাৰ, শান্তি-সম্প্ৰীতি, নাগৰিক অধিকাৰ, তথা বাস্তব্যবিদ্যা সংক্ৰান্তীয় বিভিন্ন আন্দোলনৰ অভ্যুত্থান ঘটিছিল যিবোৰক একেলগে নৱ সামাজিক আন্দোলন (New Social Movement) বুলি কোৱা হৈছিল। এইবোৰে সেউজ বিপ্লৱৰ বিকাশৰ বাট মুকলি কৰিছিল। ১৯৯০ ৰ দশকৰ শেষৰফালে অনুষ্ঠিত হোৱা আন এটা সর্বব্যাপী সামাজিক আন্দোলন হ'ল বিশ্বায়নৰ বিৰোধ কৰি অনুষ্ঠিত হোৱা আন্দোলন।

সামাজিক আন্দোলনৰ ঐতিহাসিক পটভূমিৰ কেইটামান মুখ্য কার্যপ্ৰণালী আছে। বৃহৎ বৃহৎ চহৰৰ সৃষ্টি কৰা নগৰীকৰণ পদ্ধতিয়ে বিভিন্ন ব্যক্তিৰ মাজত সামাজিক সম্পর্ক স্থাপন কৰিবলৈ প্ৰোৎসাহিত কৰিছিল। কেৱল নগৰীয়া অঞ্চলতহে সম উদ্দেশ্যৰ বিভিন্ন মানুহে এজনে আনজনক আৱিস্কাৰৰ জৰিয়তে সংগঠিত হৈছিল যাৰ ফলস্বৰূপে সেই পূর্বকালীন সামাজিক আন্দোলনসমূহৰ আৰম্ভণি হৈছিল।

ইয়াৰ লগতে উদ্যোগীকৰণ পদ্ধতিয়ে এক বৃহৎ সংখ্যাৰ শ্ৰমিকক একে অঞ্চললৈকে আগমন ঘটাইছিল যাৰ নেতৃত্বৰ ফলত সেই সময়ৰ যথেষ্ট সংখ্যক সামাজিক আন্দোলনে সেই সামাজিক শ্ৰেণীটোৰ হকে যুঁজিছিল।

আন বহুতো সামাজিক আন্দোলন বিশ্ববিদ্যালয়সমূহটো হৈছিল, য'ত জনশিক্ষা পদ্ধতিয়ে বহুটো লোকক সংগঠিত কৰিছিল।

যোগাযোগ প্ৰযুক্তিৰ উন্নতিৰ লগে লগে সামাজিক আন্দোলনৰ সৃষ্টি আৰু কার্যপদ্ধতিসমূহ আৰু অধিক সহজ হৈ পৰিল; ওঠৰ শতিকাৰ কেফেসমূহত ছপা পুস্তিকাৰ বিতৰণৰ পৰা ইণ্টাৰনেটলৈকে - এই সকলোবোৰ যন্ত্ৰৰে সামাজিক আন্দোলনৰ বিকাশত এক গুৰুত্বপূর্ণ ভূমিকা আছে।

সর্বশেষত গণতন্ত্ৰৰ প্ৰসাৰ আৰু বিভিন্ন ৰাজনৈতিক অধিকাৰ যেনে বাক স্বাধীনতা আদিয়ে সামাজিক আন্দোলনৰ সৃষ্টি আৰু কার্যপদ্ধতিত সহায়ক হৈ পৰিছিল।

৪.৩.১ সামাজিক আন্দোলনকাৰী সংগঠন

সামূহিকভাৱে গোট খোৱা জীৱনীশক্তি আৰু বিভিন্ন অগ্ৰদূত আৰু তেওঁলোকৰ অনুগামীসকলৰ কাম-কাজৰ দ্বাৰা সেইবোৰে কার্যক্ষমতা আহৰণ কৰিলেও সমাজৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত আৰু সংগঠিত নোহোৱালৈকে সেইবোৰ শক্তিৰন্ত হৈ নুঠে। সংগঠিত হোৱাৰ পদ্ধতিটোৰ বিভিন্ন গাঁঠনি থাকিব পাৰে। এইয়া নতুন আইনৰ আদেশ বা আন্দোলনত সহায়ক হোৱা নির্দেশিকা বা অনুশীলনৰ স্বীকৃতিপ্ৰাপ্ত পৰিকল্পনা বা কাঠামোৰ দ্বাৰাও হ'ব পাৰে। সমাজৰ সকলোধৰণৰ বিকাশে নতুন নতুন

বহুতো বৃহৎ সংগঠনৰ জন্ম দিয়ে যিয়ে ইয়াত সহায় কৰিব বিচাৰে আৰু এই নতুন সংগঠনসমূহৰ দাবী পূৰণ কৰিবলৈ ইতিমধ্যে অধিষ্ঠিত সংগঠনসমূক চাপ দিয়ে।

এই সংগঠনসমূহেই হ'ল সেইসমূহ উপাদান যিয়ে সমাজৰ জীৱনীশক্তিসমূহৰ নিয়োজিতকৰণ, সক্রিয়কৰণ, সমন্বয়সাধন আৰু পৰিচালনা কৰে যাতে ইয়াৰ দ্বাৰা আৰু অধিক উল্লেখনীয় ফলাফল লাভ কৰিব পৰা যায়। এই সংগঠনসমূহে সমাজৰ লগত সংগবদ্ধ হৈ এই জীৱনীশক্তি আহৰণ কৰে য'ত এইয়া সক্রিয় হৈ থাকে। সমাজৰ জীৱনীশক্তিৰ উৎস হ'ল ইয়াৰ প্রয়োজনীয়তা আৰু আশা-আকাংক্ষাসমূহ। এই জীৱনীশক্তিসমূহে এই বিষয়সমূহৰ ওপৰত মাত মাতিবলৈ একত্রিত হোৱা সামাজিক সংগঠনসমূহত প্রৱেশ কৰে। এই সংগঠনসমূহে সমাজৰ মৌলিক লক্ষ্যসমূহ পূৰণ কৰিবলৈ যিমানেই উত্তমভাৱে ধাৰণক্ষম হয়, ইয়াৰ মাজেৰে প্রতিবাহিত হৈ থকা জীৱনীশক্তি সিমানেই লক্ষণীয় হয়।

পুৰণি মানসিকতা আৰু উদ্দেশ্যসমূহক নতুন উদ্দেশ্যসমূহে স্থানচ্যুত কৰাৰ লগে লগে সমাজৰ আশা-আকাংক্ষাসমহো সলনি হয়। এই অগ্রগতিসমূহৰ লগত নিজকে খাপ খুৱাই লোৱা সংগঠনসমূহ প্রস্ফুটিত হৈ গৈ থাকে। অতীতৰ অবক্ষয়সমূহৰ লগতে নিবদ্ধ হৈ থকা সংগঠনসমূহ নিষ্ফল হৈ পৰে আৰু অৱশেষত ধ্বংসকৃত বা নিষ্প্রভ হৈ পৰে।

৪.৩.২ অধিষ্ঠিততাত্ত্বিক আৰ্হি

সাম্যবাদী সামাজিক আন্দোলনকাৰী সংগঠনসমূহৰ লগতে একেলগে ইতিমধ্যে অধিষ্ঠিত তাত্ত্বিক আৰ্হিসমূহৰ মৰ্মগ্রহণ কৰাৰ এক গুৰুতৰ সমস্যা হ'ল যে প্রায়সংখ্যক নৰমপন্থী সামাজিক আন্দোলনকাৰী সংগঠনে এক পৰিৱৰ্তনকামী প্রৱণতাৰে কাম কৰে যিয়ে প্রচলিত ৰাজনৈতিক বা অর্থনৈতিক কাঠামোত অংশগ্রহণ কৰাটোকেই এক আদর্শগত লক্ষ্য হিচাপে গ্রহণ কৰে। তাৰ লগতে বহুতে আমোলাতন্ত্রকৰণ আৰু আনুষ্ঠানিকীকৰণক গুৰুত্বপূর্ণ আৰু অপৰিহার্য বুলি গণ্য কৰে। সর্বশেষত, নতুন সামাজিক আন্দোলনসমূহত বৈশিষ্ট্য বাপ্রকৃতিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰাৰ পৰিণতিত সাম্যবাদী সামাজিক আন্দোলনকাৰী সংগঠনসমূহৰ জটিলতাৰ বিষয়টো পর্যাপ্ত পৰিমাণে সম্বোধন কৰাত অৱহেলা কৰা হয়। সম্পদ সংহতিকৰণ তত্ত্বই হ'ল আমাৰ সমালোচকসকলৰ বাবে সবাতোকৈ সুস্পষ্ট উদ্দেশ্য যাৰ ১৯৭০-৮০ চনলৈ থকা কর্তৃত্বশালী অৱস্থানে সেইসময়ত সামাজিক আন্দোলনসমূহৰ তাত্ত্বিক আলোচনাত আটাইতকৈ গুৰুত্বপূর্ণ প্রভাৱ পেলাইছিল।

ৰাল্‌ফ্ এইচ্ টার্ণাৰ (Ralph H. Turner) আৰু লেৱিচ কিলিয়ানে (Lewis Killian) (১৯৭২) পোনপ্রথমে সামাজিক আন্দোলনত আমোলাতন্ত্রকৰণ আৰু সংগঠনৰ সম্ভাব্য আৱশ্যকতাৰ বিষয়টো উত্থাপন কৰিছিল। সমষ্টিগত আচৰণ তত্ত্বৰ প্রতিক্রিয়া হিচাপে বিকাশ হোৱা সম্পদ সংহতিকৰণ তত্ত্ব (মেক্‌কার্থী আৰু যাল্ড, ১৯৭৭)-ই সামজিক আন্দোলনৰ আনুষ্ঠানিকীকৰণ আৰু আমোলাতন্ত্রকৰণক গুৰুত্বপূর্ণ তথা অপৰিহার্য বুলি গণ্য কৰিছিল। পূর্বৰ বঞ্চনা তথা বিক্ষোভমূলক দৃষ্টিভঙ্গীৰ পৰা নিজকে পৃথক কৰি ৰখাৰ প্রচেষ্টাত সম্পদ সংহতিকৰণৰ তাত্ত্বিকসকলে অতি সাৱধানতাৰে সামাজিক আন্দোলনসমূহৰ উপযোগিতামূলক অর্থ নিৰোপণ কৰিছিল — কেনেকৈ সম্পদসমূহ আহৰণ কৰা হয় আৰু সেইবোৰ থান-থিত লগোৱা হয় আৰু এই সংহতিকৰণৰ ফলাফল কি হয়। তাৰোপৰি, সম্পদ সংহতিকৰণে সামাজিক আন্দোলন তত্ত্বৰ কেন্দ্রবিন্দুটো সামাজিক আন্দোলনৰ পৰা সামাজিক আন্দোলনকাৰী সংগঠনলৈ স্থানান্তৰ কৰিছিল।

তেতিয়াৰে পৰাই সম্পদ সংহতিকৰণক ইয়াৰ যুক্তিগত অভিমতৰ সংকীর্ণ দৃষ্টিভংগীৰ বাবে, সমাজৰ মানসিক উপাদানসমূহ উপেক্ষা কৰাৰ বাবে, তথা ইয়াৰ জোখতকৈ বেছি থকা পৰিমাণগত চিন্তাধাৰাৰ বাবে তীব্র সমালোচনা কৰা হৈছিল (উদাহৰণ ঃ ম্যুলাৰ, ১৯৯২)। আন সমালোচকসকলে সম্পদ সংহতিকৰণৰ বিৰোধিতা কৰাৰ কাৰণসমূহ হ'ল - ইয়াৰ এক শ্রেণী অনুৰক্তিৰ প্রদর্শন, সাধাৰণতে ভিন্নমত পোষণকাৰীসকলৰ প্রমাণীকৰণ, আনুষ্ঠানিক আমোলাতান্ত্রিক সংগঠনৰ দাবী, এই জনসমাৱেশে ইতিমধ্যে অধিষ্ঠিত ৰাজনৈতিক কাঠামোৰ ওপৰত আক্রমণ কৰাৰ ওপৰত অধিক গুৰুত্ব আৰোপ (মেয়াৰ ১৯৯৫; পিভেন আৰু ক্লাৰ্ৱার্ড ১৯৯৫)।

আমাৰ বাবে এনেধৰণৰ সমালোচনাবোৰ সাৰগর্ভ হ'লেও অসম্পূর্ণ হয়। উদাহৰণস্বৰূপে, টার্ণাৰ আৰু কিলিয়ানে (১৯৭২) যুক্তি আগবঢ়াইছিল যে এটা আন্দোলনৰ আনুষ্ঠানিকীকৰণৰ এটা অনুপাত আছিল যদিহে "এখন বৃহৎ সমাজত এটা অৱস্থাৰ ওপৰত সকলোৱে সমর্থন কৰে"। এটা সাম্যবাদী সংগঠনে ইতিমধ্যে অধিষ্ঠিত কাঠামোক অকপট আবেদনেৰে সংস্কাৰ কৰা বা তাত অংশগ্রহণ কৰাৰ পৰিৱর্তে সাধাৰণতে বৈপ্লৱিক দাবীহে জনাব। এনেধৰণৰ দাবী জনোৱা সংগঠন এটাই সম্ভৱতঃ "এখন বৃহৎ সমাজৰ সকলোৱে সমর্থন কৰা এটা অৱস্থা" সাধন কৰিবলৈ সক্ষম নহ'ব বা সেয়া নিবিচাৰিব। গতিকে সাম্যবাদী সামাজিক আন্দোলনকাৰী সংগঠনসমূহক অধ্যয়নৰ বাবে সম্পদ সংহতিকৰণ তত্ত্ব ব্যৱহাৰ কৰাটোক আমি সমালোচনা কৰো কিয়নো ই আমোলাতন্ত্রকৰণৰ অপৰিহার্যতাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে যিটো সাম্যবাদী সামাজিক আন্দোলনকাৰী সংগঠনসমূহৰ আদর্শ আৰু আন্তঃগাঠনিৰ সম্পূর্ণ বিৰোধী। ইয়াৰ উপৰিও, সম্পদ সংহতিকৰণ তাত্ত্বিকসকলে সম্পদৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে কৃতিত্বৰ মানদণ্ড সম্পদৰ উৎপাদনৰ জৰিয়তে নিৰোপণ কৰে। একেদৰেই, এইটোও চৰমপন্থী সামাজিক আন্দোলনকাৰী সংগঠনসমূহৰ আদর্শৰ পৰিপন্থী। যেতিয়া সম্পদ সংহতিকৰণ তত্ত্বই সাম্যবাদী সামাজিক আন্দোলনকাৰী সংগঠনসমূহক অধ্যয়ন কৰে, তেতিয়া তাৰ পৰৱর্তী পৰীক্ষা-নিৰীক্ষাসমূহে তেওঁলোকৰ সম্পদৰ অভাৱক "হতাশাজনক" বুলি প্রতিপন্ন কৰিবলৈ চেষ্টা কৰে। হার্বার্ট এইচ্চ হাইন্ছে (১৯৯৮) Student Non-Violent Co-ordinating Commit (SNCC) নামৰ এটা চৰমপন্থী সামাজিক আন্দোলনকাৰী সংগঠনৰ ওপৰত গৃহীত দায়িত্বসমূহ অধ্যয়ন কৰিবলৈ সম্পদ সংহতিকৰণ তত্ত্বৰ ব্যৱহাৰ কৰিছিল। তেওঁ SNCC আৰু অন্য নৰমপন্থী নাগৰিক অধিকাৰবাদী সংগঠনসমূহে ব্যৱহাৰ কৰা বিভিন্ন সম্পদৰ উল্লেখনীয় পৰিমাণগত তথ্য প্রদান কৰিছিল; ইয়াৰ উপৰিও তেওঁৰ কর্মৰাজিয়ে এটা চৰমপন্থী দলৰ উপকাৰী কর্মফলে নৰমপন্থী দলৰ দাবীসমূহ অগ্রগামীভাৱে যুক্তিশীল হিচাপে প্রতিষ্ঠা কৰাৰ কথাও সামাৰি লৈছিল। সম্পদ সংহতিকৰণ তত্ত্বৰ সংস্কাৰমূলক অভিপ্রায়ৰ বাবে SNCC-ৰ ওপৰত গৃহীত দায়িত্বসমূহ হাইন্ছৰ দ্বাৰা স্বীকৃতপ্রাপ্ত হোৱাৰ বিপৰীতে সংগঠনটোক সাধাৰণ দৃষ্টিত নৰমপন্থী সামাজিক আন্দোলনকাৰী সংগঠনবোৰক সিহঁতৰ লক্ষ্য প্রাপ্তিত ই কেনেদৰে সহায় কৰে সেই হিচাপেহে চোৱা হৈছিল। য'ত সম্পদ সংহতিকৰণ তত্ত্বই নিজৰ পৰিসৰ বৃদ্ধিৰ জৰিয়তে কিছুমান সাংস্কৃতিক তথা সমাজ-মনঃস্তাত্বিক উপাদান সামাজিক আন্দোলন তত্ত্বৰ নতুন বিষয় হিচাপে অন্তর্ভুক্ত কৰিছিল।

আমি আর্হি হিচাপে আগবঢ়াব খোজা সাম্যবাদী সামাজিক আন্দোলনকাৰী সংগঠনসমূহৰ "জনসংগ্রামমূলক বৈশিষ্ট্য" যেনে নিযুক্তিতকৈ জনসাধাৰণৰ কার্যকলাপৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা আদি থাকিলেও তেওঁলোকৰ পুঁজিবাদ-বিৰোধী বিশ্বাসে সাম্যবাদী সামাজিক আন্দোলনকাৰী সংগঠনৰ সম্পদহীনতাক প্রায়েই স্বেচ্ছাকৃত বুলিয়েই প্রতিপন্ন কৰে। সাম্যবাদী সামাজিক আন্দোলনকাৰী সংগঠনসমূহৰ সদস্যসকলৰ মতে সাফল্য কেৱল সম্পদহীনতা সত্ত্বেও

আহৰণ কৰা নহয়, বৰঞ্চ সম্পদহীনতাৰ ফলতে আহৰণ কৰা হয়। নৰমপন্থী সামাজিক আন্দোলনকাৰী সংগঠনে ৰাজনৈতিক পৰিসৰ সীমিত নহ'বলৈ সম্পদৰ ব্যৱহাৰ কমোৱাটো স্বীকাৰ ক ি ৰ ে ল ও সাম্যবাদী সামাজিক আন্দোলনকাৰী সংগঠনসমূহে ইচ্ছাকৃতভাৱে এক নির্দিষ্ট কার্যপন্থাৰে এই বন্ধত্বৰ পৰা নিজকে আঁতৰাই ৰাখে।

৪.৪ আলোচ্য বিষয়বস্তু আৰু দৃষ্টিকোণ

এই খণ্ডটিত চৰমপন্থাক কেনেদৰে কিছুমান সামাজিক আন্দোলনৰ সৈতে সন্নিৱিষ্ট কৰা হৈছিল, সেয়া উদাহৰণৰ সৈতে দেখুওৱাৰ চেষ্টা কৰা হ'ব।

মার্কিন নাগৰিক অধিকাৰ আন্দোলন

মার্কিন নাগৰিক অধিকাৰ আন্দোলনটো কৃষ্ণবর্ণৰ মার্কিনসকলে নাগৰিকত্বৰ সম্পূর্ণ অধিকাৰ আৰু বর্ণগত সমতা লাভ কৰিবৰ বাবে অনুষ্ঠিত কৰিছিল। জনসাধাৰণ আৰু সংগঠনসমূহে এই বর্ণবৈষম্যতাৰ বিৰুদ্ধে বিভিন্ন কার্যকলাপ যেনে প্রতিবাদী কুজ-কাৱাজ, বয়কট, পৃথকীকৰণ আইন অমান্য কৰা ইত্যাদি আদিত জড়িত আছিল। বহুতে স্বীকাৰ কৰে যে এই আন্দোলনটো ১৯৫৫ চনত আলাবামাৰ পৰিবহন বয়কটৰ পৰা আৰম্ভ হৈ ১৯৬৫ চনৰ ভোটাধিকাৰ আইন কার্যকৰী হওঁতে শেষ হৈছিল, কিন্তু তথাপিও আন বহুতৰ মতে এই আন্দোলনটো তাতেই শেষ হৈ যোৱা নাছিল।

এই আন্দোলনটোৰ দুটা স্বচ্ছ সুতি আছিল —

- সংস্কাৰমূলক

Southern Christian Leadership Conference-ৰ মার্টিন লুথাৰ কিঙৰ শান্তিমূলক কার্যপন্থা

- বৈপ্লৱিক

ব্লেক পেন্থাৰছ্, মেলকম্ এক্স্

মেলকম্ এক্সে শান্তিপূর্ণতাক নীতিগতভাৱেই অস্বীকাৰ কৰিছিল, কিন্তু তেওঁ মার্টিন লুথাৰ কিঙ আৰু অন্য শান্তিপূর্ণ প্রতিবাদত বিশ্বাসী নাগৰিক অধিকাৰ আন্দোলনৰ সক্রিয় কর্মীৰ লগত একেলগে কাম কৰাত আগ্রহী আছিল। সমগ্র পৃথিৱীৰ এক বৃহৎসংখ্যক কৃষ্ণবর্ণৰ লোকৰ বাবে তেওঁ এক বিপ্লৱৰ প্রতিনিধি আছিল। তেওঁৰ ওচৰত পৰম্পৰাত অভ্যস্ত লোকসকলক প্রতিনিধিত্ব কৰি তেওঁলোকে অনুভৱ কৰা ক্ষোভ আৰু হতাশাক এক কণ্ঠ প্রদান কৰাৰ ক্ষমতা আছিল। সবাতোকৈ গুৰুত্বপূর্ণ এয়ে যে পক্ষপাতিত্ব, পৃথকীকৰণ, আৰু শোষণ থকা সত্ত্বেও তেওঁ অপ্রতিহত বিপ্লৱ আৰু বিৰোধিতাক প্রতিনিধিত্ব কৰিছিল।

মার্টিন লুথাৰ কিঙৰ শান্তিকামী কার্যপন্থায়েই আছিল ১৯৫৭ চনৰ পৰা ১৯৬৮ চনলৈ এই নাগৰিক অধিকাৰ আন্দোলনৰ আটাইতকৈ গুৰুত্বপূর্ণ সাফল্যৰ সময়ছোৱাৰ মুখ্য চালিকাশক্তি। তেওঁৰ বক্তব্য তথা মন্তব্যসমূহে সকলোৰে সমস্যসমূহ সামৰি লৈছিল আৰু এটা নতুন যুগৰ সৃষ্টি কৰিছিল। তেওঁ আৰম্ভ কৰা আন্দোলন আৰু মার্চসমূহে আমেৰিকাৰ জাতীয় জীৱনত গুৰুত্বপূর্ণ প্রভাৱ পেলাইছিল।

১৯৫৭ চনত কিঙে বিভিন্ন কৃষ্ণবর্ণৰ নেতাক একত্রিত কৰি এটা সংগঠনৰ প্রস্তুতি আৰম্ভ কৰিছিল যিটোক এতিয়া Southern Christian Leadership Conference বুলি জনা যায়। কিঙক ইয়াৰ নেতা হিচাপে নির্বাচন কৰা হৈছিল, আৰু তাৰ বহু আগেয়েই তেওঁ বিভিন্ন দল-সংগঠনক পৃথকীকৰণৰ বিৰুদ্ধে প্রতিবাদী কার্যসূচী সম্পন্ন কৰোৱাত সহায় কৰি দিছিল।

ডক্টৰ কিঙৰ 'স্বকীয়তা'ৰ ধাৰণাই কৃষ্ণবর্ণ আৰু সর্বহাৰা লোকৰ মাজত তথা গর্বৰ ভাবৰ সৃষ্টি কৰিছিল। তেওঁৰ শান্তিকামী কিন্তু প্রত্যক্ষ কার্যপন্থা আৰু সামাজিক পৰিৱর্তনৰ বাবে তেওঁৰ সুবিচাৰপূর্ণ আৰু অধ্বংসকামী

কার্যপদ্ধতিয়ে সমগ্র দেশখনৰে ভাব জগাই তুলিছিল আৰু ইয়াৰ প্রয়োজনীয়তাসমূহ পুনৰ ক্রমবদ্ধ কৰা হৈছিল। উদাহৰণস্বৰূপে, ১৯৬৫ চনৰ ভোটাধিকাৰ আইনখন কংগ্রেছলৈ যোৱাৰ কাৰণ আছিল ছেলমাৰ পৰা মণ্ট্গমেৰীলৈ হোৱা মার্চ। তেওঁৰ জ্ঞানৰাজি, শব্দৰাজি, কার্য-কলাপ, কার্যাৱলী, আৰু এক নতুন জীৱনৰ বাবে তেওঁৰ সপোনেই আন্দোলনটোৰ অৱসান ঘটাইছিল। ১৯৬৩ চনত তেওঁৰ 'মোৰ এক সপোন আছে' শীর্ষক ঐক্য আৰু বর্ণ সমতা বজাই ৰখা বক্তব্যটোৱে আমেৰিকাৰ ইতিহাসৰ এক অন্যতম ভাষণ হিচাপে পৰিগণিত হৈছে।

কিঙৰ শান্তিপূর্ণ প্রতিবাদৰ কেইটামান মুখ্য বৈশিষ্ট্য হ'ল —

- সাহসী ব্যক্তিসকলৰ বাবে অহিংসা এক জীৱন শৈলী।
- অহিংসা সদায় সম্পর্ক আৰু বুজা-পৰা বঢ়োৱাত ব্রতী।
- অহিংসাই দোষী ব্যক্তিৰ পৰিৱর্তে বিশ্বাসঘাটকতাক নাইকীয়া কৰাৰ চেষ্টা কৰে।
- অহিংসাৰে যুক্তি ধৰি ৰাখিব পাৰিলে শিক্ষা প্রদান তথা সংস্কাৰ কৰিব পৰা যায়।
- অহিংসাই ঘৃণাৰ পৰিৱর্তে প্রেমহে বিচাৰে।
- অহিংসাত থকা মানুহে বিশ্বাস কৰে যে এই বিশ্বব্রহ্মাণ্ডখন ন্যায়ৰ পক্ষত আছে আৰু সত্য সদায় বতী থাকিব।

ইয়াতে ব্যৱহাৰ কৰা কৌশলসমূহ আছিল —

- অৱস্থান
- স্বাধীনতাকামী আৰোদী
- বিক্ষোভ প্রদর্শন আৰু মার্চ

নাৰীবাদী আন্দোলন

নাৰীবাদী আন্দোলনৰ দুটা মূল সুতি আছে —

➢ প্রথম সুতি -

ভোটাধিকাৰ, সম্পত্তিৰ অধিকাৰ, বিচ্ছেদৰ অধিকাৰ

➢ দ্বিতীয় সুতি -

নাগৰিক অধিকাৰৰ সম্প্রসাৰণ - ক্রেডিট কার্ডৰ মালিকীস্বত্ব, সমঅধিকাৰ, সমান বেতনৰ অধিকাৰ, শিক্ষা, প্রজনন আৰু স্বাস্থ্য সংক্রান্তীয় অধিকাৰ, ৰাজনীতিত মহিলাৰ প্রৱেশ।

ছাফ্ৰেজেটছ্

ইংলেণ্ডত ১৯৮৭ চনত মিলিচেণ্ট ফউচেটে The National Union for Women's Suffrage স্থাপন কৰিছিল। তেওঁলোকৰ মুখ্য উদ্দেশ্য আছিল মহিলাৰ ভোটাধিকাৰ লাভ কৰা; মিছ ফউছেটে শান্তিপূর্ণ প্রতিবাদত বিশ্বাস কৰিছিল।

বিকাশ মধ্যমীয়া ধৰণৰ আছিল, ১৯০৩ চনত এমেলিন পেংকহার্ষ্ট আৰু তেওঁৰ দুই জীয়ৰী খ্রিষ্টাবেল আৰু ছিলভিয়াই Women's Social and Political Union স্থাপন কৰিছিল। তেওঁলোকে মহিলাৰ বাবে ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ বিচাৰিছিল। এই সংগঠনটোৱেই পাছলৈ ছাফ্ৰেজেটছ্ (Suffragettes) হিচাপে জনাজাত হ'ল। ছাফ্ৰেজেটছৰ সদস্যসকলে হিংসাৰ জৰিয়তে তেওঁলোকৰ অধিকাৰ সাব্যস্ত কৰিবলৈ খুজিছিল।

ছাফ্ৰেজেটছসকলে প্রথমতে শান্তিপূর্ণভাৱেই আৰম্ভণি কৰিছিল। ঠিক ১৯০৫ চনত এই সংগঠনটোৱে এক উত্তেজনাৰ সৃষ্টি কৰিছিল যেতিয়া খ্রিষ্টাবেল পেংকহার্ষ্ট আৰু এনি কেনীয়ে মানছেষ্টাৰত এখন ৰাজনৈতিক সভাত অনাধিকাৰ প্রৱেশ কৰি দুজন উদাৰবাদী ৰাজনীতিক (ৰিন্ষ্টন্ চাচ্চিল আৰু ছাৰ এডৱার্ড গ্রে)-ক প্রশ্ন কৰিছিল যে তেওঁলোকে মহিলাৰ ভোটাধিকাৰ থকাটো গ্রহণ কৰে নে নকৰে। তেওঁলোকৰ এজনেও সেই প্রশ্নৰ উত্তৰ দিয়া নাছিল। তাৰপাছত, দুয়োগৰাকী মহিলাই দুখন পতাকা উৰুৱালে য'ত "মহিলাৰ বাবে ভোট" বলি

লিখা আছিল আৰু দুয়োগৰাকী ৰাজনীতিককে তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ দিবলৈ চিঞৰি কৈছিল। তেনেকুৱা ধৰণৰ ঘটনা আগতে কেতিয়াও ঘটা নাছিল আৰু সাধাৰণতে ৰাজহুৱা বক্তাৰ ভাষণ শান্তিপূৰ্ণভাৱে তথা সন্মানেৰে শুনা হৈছিল যদিও তেওঁলোকৰ কথা-বতৰাৰ লগত মানুহৰ সন্মতি নাছিল। পেংকহাৰ্ষ্ট আৰু পেনীক সভাখনৰ পৰা বাহিৰ কৰি দিয়া হৈছিল আৰু সভাখনত বাধাৰ সৃষ্টি কৰাৰ লগতে এজন আৰক্ষী বিষয়াক আক্ৰমণ কৰাৰ বাবে আটক কৰি ৰখা হৈছিল।

ছাফ্ৰেজেটছসকলে পৱিত্ৰ স্থানসমূহলৈ জোৰ সমদল লৈ গৈছিল কিয়নো চ্চাৰ্চ্চ অফ ইংলেণ্ডে তেওঁলোকৰ ইচ্ছাৰ বিৰোধিতা কৰিছিল; তেওঁলোক অক্সফ'র্দ ষ্ট্ৰীট লণ্ড-ভণ্ড কৰিছিল, সেই জনাজাত পথটোৰ এখন খিৰিকী ভাঙিছিল; তেওঁলোক বাকিংহাম পেলেচৰ আগতো সমৱেত হৈছিল কিয়নো ৰাজকীয় পৰিয়ালটোৱে মহিলাৰ ভোটাধিকাৰ সমৰ্থন কৰা দেখা নগৈছিল; তেওঁলোক কিছুমান নাওঁ সংগ্ৰহ কৰি সেয়া থেমছেৰে চলাই নি সংসদৰ বহাৰ সময়ত জোৰেৰে চিঞৰ-বাখৰ কৰিছিল; আন কিছুমানে কৰ দিবলৈ অস্বীকাৰ কৰিছিল। কামলৈ যাওঁতে ৰাজনীতিকসকলক অত্যাচাৰ কৰা হৈছিল। তেওঁলোকৰ ঘৰবোৰ জ্বলাই দিয়া হৈছিল। গল্ফ কোৰ্ছসমূহ লণ্ড-ভণ্ড কৰা হৈছিল।

ছাফ্ৰেজেটছ্সকলে আনন্দমনেৰেই কাৰাগাৰলৈ গৈছিল। তাতে তেওঁলোকে খাদ্য গ্ৰহণ নকৰি অনশনত বহিছিল। চৰকাৰ চিন্তাত পৰিছিল যে তেওঁলোকে কাৰাগাৰতে মৃত্যুবৰণ কৰি আন্দোলনটোত শ্বহীদৰ অৱদান আগবঢ়াব। কাৰাগাৰৰ গৱৰ্ণৰসকলক ছাফ্ৰেগেটছসকলক জোৰ-জৱৰদস্তি খাদ্য খুৱাবলৈ আদেশ দিয়া হৈছিল যিটোৱে ৰাইজৰ মাজত এক অসন্তোষৰ সৃষ্টি কৰিছিল যিহেতু বলপূৰ্ৱকভাৱে খাদ্য খুওৱা কামটো মানসিকভাৱে বাধাগ্ৰস্তসকলক উৎসাহিত কৰিবলৈহে কৰা হৈছিল আৰু তাৰ বিপৰীতে এইসকল কিছুমান শিক্ষিত মহিলাহে আছিল।

এছ্কিথৰ চৰকাৰে ''Cat and Mouse Act'' প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। ইয়ে ছাফ্ৰেজেটছসকলক অনশন কৰিবলৈ অনুমতি দিছিল আৰু ইয়ে তেওঁলোকক আৰু অধিক দুৰ্বল কৰি তুলিছিল। বলপূৰ্ৱকভাৱে খাদ্য খুওৱা হোৱা নাছিল। যেতিয়া ছাফ্ৰেজেটছসকল খুবেই দুৰ্বল হৈ পৰিছিল তেতিয়া তেওঁলোকক কাৰাগাৰৰ পৰা মুক্তি দিয়া হৈছিল। যেতিয়া তেওঁলোকৰ কাৰাগাৰত কোনো অস্তিত্বই নাছিল, সেয়া চৰকাৰৰ বাবে কোনো অস্বস্তিৰ কাৰণ নাছিল। কাৰাগাৰৰ পৰা মুক্তি দিয়া সদস্যসকল ইমানেই দুৰ্বল আছিল যে তেওঁলোকে ছাফ্ৰেজেটছৰ কঠোৰ আন্দোলনত ভাগেই ল'ব পৰা নাছিল। যেতিয়া এই দুৰ্বল সদস্যসকলে শক্তি ঘূৰাই পাইছিল, তেতিয়া তেওঁলোকক বিনা অভিযোগত পুনৰ গ্ৰেপ্তাৰ কৰা হৈছিল আৰু এই প্ৰণালীটো পুনৰ আৰম্ভ কৰা হৈছিল। চৰকাৰৰ মতে এইটো ছাফ্ৰেজেটছসকলৰ বিৰুদ্ধে এক অনিবাৰ্য কিন্তু পোনপটীয়া কৰ্মপ্ৰক্ৰিয়া আছিল।

পৰৱৰ্তীকালত ছাফ্ৰেজেটছসকল বৰ্দ্ধিতভাৱে অসাধাৰণ হৈ পৰিছিল। ছাফ্ৰেজেটছসকলৰ লগত জড়িত আটাইতকৈ জনাজাত ঘটনাটো সংঘটিত হৈছিল ১৯১৩ চনৰ জুন মাহত যেতিয়া এমিলি ৱাইল্ডিং ডেভিদছনে ৰজাৰ ঘোঁৰাৰ আগত পৰি দিছিল। তেওঁক মৃত্যুদণ্ড দিয়া হৈছিল আৰু ছাফ্ৰেজেটছসকলৰ প্ৰথম শ্বহীদৰ সৃষ্টি হৈছিল। তৎসত্তেও তেওঁৰ কাৰ্যকলাপ যুক্তিপূৰ্ণ হোৱাতকৈ ক্ষতিকাৰক হিচাপেহে পৰিগণিত হৈছিল। বহুতো পুৰুষে পোনপটীয়াকৈ প্ৰশ্ন তুলিছিল — যদি এগৰাকী শিক্ষিত মহিলায়েই এনেধৰণৰ কাম কৰে, তেনেহ'লে এগৰাকী অশিক্ষিত মহিলাই কি কৰিব? তেওঁলোকক কি হাৰত ভোটাধিকাৰ প্ৰদান কৰিব পৰা যায়?

এই কথা অনুধাৱন কৰিব পাৰি যে ছাফ্ৰেজেটছসকল লাহে লাহে আৰু কঠোৰ হৈ গৈ থাকিল হয়। ১৯১৩ চনৰ ফেব্ৰুৱাৰী মাহত তেওঁলোকে ডেভিদ লয়দ জৰ্জৰ বাসগৃহৰ এটা অংশ বিস্ফোৰণেৰে ধ্বংস কৰিছিল যিজন ইংলেণ্ডৰ এজন অন্যতম জনপ্ৰিয় ৰাজনীতিক আছিল আৰু তেওঁক মহিলাৰ ভোটাধিকাৰৰ সমৰ্থনকাৰী হিচাপেহে গণ্য কৰা হৈছিল।

১৯১৪ চনৰ আগষ্ট মাহত ব্রিটেইন আৰু ইউৰোপে প্রথম বিশ্বযুদ্ধত অংশ লৈছিল। দেশপ্রেম প্রদর্শন কৰিবলৈ এমেলিন পেংকহার্ষ্টে ছাফ্ৰেজেটছসকলক হিংসাত্মক নহ'বলৈ প্রশিক্ষণ দিছিল আৰু চৰকাৰক যুদ্ধৰ কাম-কাজত সহায় কৰিছিল। ব্রিটেইনৰ যুদ্ধত মহিলাৰ অৱদান অত্যাৱশ্যকীয় আছিল। ১৯১৮ চনত সংসদত জনতাৰ প্রতিনিধিত্বৰ আইনখন অধিগ্রহণ হৈছিল। আমেৰিকা আৰু ব্রিটেইনৰ নিচিনাকৈ অষ্ট্রেলিয়া আৰু নিউজিলেণ্ডতো এনেধৰণৰ আন্দোলন হৈছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সামাজিক আন্দোলনৰ সংজ্ঞা দিয়ক।

.....

প্রশ্ন নং ২ ঃ সামাজিক আন্দোলনৰ ইতিহাস সম্পর্কে লিখক।

.....

প্রশ্ন নং ৩ ঃ সামাজিক আন্দোলনৰ মুখ্য পদ্ধতিসমূহ লিখক।

.....

৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক আন্দোলনসমূহ হ'ল এক বিশাল পৰিসৰৰ মানুহৰ গোট বা সংগঠন, যিয়ে বিশদভাৱে ৰাজনৈতিক বা সামজিক সমস্যসমূহৰ ওপৰত মনোনিৱেশ কৰি সামাজিক পৰিৱর্তন সাধিবলৈ একগোট হয়। অসংখ্য সহযোগী সংগঠনে স্বতন্ত্রভাৱে প্রাথমিক সমস্যাসমূহৰ বাবে কাম কৰি যাব পাৰে আৰু তেতিয়াও ইয়াক সামাজিক আন্দোলন হিচাপে ধৰি ল'ব পাৰি।
- সামাজিক আন্দোলন হ'ল সম চিন্তাধাৰা আৰু অনুশীলনৰ সংমিশ্রণ যিয়ে সামাজিক জীৱন পৰিৱর্তন কৰাত মনোনিৱেশ কৰে। যৌথ অনুশীলন বা দলবদ্ধ কার্যকলাপক "কোনো লক্ষ্যত উপনীত হ'বলৈ কমেও দুজন ব্যক্তিয়ে সুসংবদ্ধভাৱে কর্মৰত হোৱা"টোকে বুজায়। চৰমপন্থী ধাৰাটোৱে সন্মিলন বা পৰিৱর্তে সমাজৰ সমগ্র গাঁঠনিটোক সূচায়। গতিকে, ইয়াৰ পৰা এইটো প্রতিপন্ন হৈছে যে সকলো সামাজিক আন্দোলনকে চৰমপন্থী আন্দোলন বুলি গণ্য কৰিব নোৱাৰি।
- ফৰাছী বিপ্লৱ আৰু ১৯৭১ চনৰ ৩ মার্চ মাহত হোৱা পোলেণ্ড সংবিধানকে আদি কৰি ওঠৰ শতিকাৰ শেষৰ ফালে উদ্ভৱ হোৱা আন্দোলনসমূহেই মুখ্য সংৰক্ষিত সামাজিক আন্দোলনসমূহৰ অন্তর্গত। ঊনৈছ শতিকাৰ শেষৰ ফালে হোৱা শ্রমিক আন্দোলন আৰু সমাজবাদী আন্দোলনসমূহ সামাজিক আন্দোলনৰ আদিৰূপ বুলি গ্রহণ কৰিব পাৰি, যিবোৰে সাম্যবাদী আৰু সমাজবাদী গণতান্ত্রিক সংগঠন আৰু সমিতিসমূহৰ ব্যৱস্থাপনাসমূহ প্রণোদিত কৰিছিল।
- বৃহৎ বৃহৎ চহৰৰ সৃষ্টি কৰা নগৰীকৰণ পদ্ধতিয়ে বিভিন্ন ব্যক্তিৰ মাজত সামাজিক সম্পর্ক স্থাপন কৰিবলৈ প্রোৎসাহিত কৰিছিল। কেৱল নগৰীয়া অঞ্চলতহে সম উদ্দেশ্যৰ বিভিন্ন মানুহে এজনে আনজনক আৱিস্কাৰৰ জৰিয়তে সংগঠিত হৈছিল যাৰ ফলস্বৰূপে সেই পূর্বকালীন সামাজিক আন্দোলনসমূহৰ আৰম্ভণি হৈছিল।
- মার্কিন নাগৰিক অধিকাৰ আন্দোলনটো কৃষ্ণৱর্ণৰ মার্কিনসকলে নাগৰিকত্বৰ সম্পূর্ণ অধিকাৰ আৰু বর্ণগত সমতা লাভ কৰিবৰ বাবে অনুষ্ঠিত কৰিছিল। জনসাধাৰণ আৰু সংগঠনসমূহে এই বর্ণবৈষম্যতাৰ

বিৰুদ্ধে বিভিন্ন কার্যকলাপ যেনে প্রতিবাদী কুজ-কাৱাজ, বয়কট, পৃথকীকৰণ আইন অমান্য কৰা ইত্যাদি আদিত জড়িত আছিল। বহুতে স্বীকাৰ কৰে যে এই আন্দোলনটো ১৯৫৫ চনত আলাবামাৰ পৰিবহন বয়কটৰ পৰা আৰম্ভ হৈ ১৯৬৫ চনৰ ভোটাধিকাৰ আইন কার্যকৰী হওঁতে শেষ হৈছিল, কিন্তু তথাপিও আন বহুতৰ মতে এই আন্দোলনটো তাতেই শেষ হৈ যোৱা নাছিল।

- নাৰীবাদী আন্দোলনৰ দুটা মূল সুতি আছে — প্রথম সুতি (ভোটাধিকাৰ, সম্পত্তিৰ অধিকাৰ, বিচ্ছেদৰ অধিকাৰ) আৰু দ্বিতীয় সুতি (নাগৰিক অধিকাৰৰ সম্প্রসাৰণ - ক্রেডিট কার্ডৰ মালিকীস্বত্ব, সমঅধিকাৰ, সমান বেতনৰ অধিকাৰ, শিক্ষা, প্রজনন আৰু স্বাস্থ্য সংক্রান্তীয় অধিকাৰ, ৰাজনীতিত মহিলাৰ প্রৱেশ)।

৪.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Acker, J. (1995). "Feminist Goals and Organizing Processes." Pp. 137-144 in Feminist Organization, edited by Ferree and Martin. Philadelphia: Temple University
2. Bouchier, D. (1987). Radical Citizenship: The New American Activism. New York: Schocken
3. Fitzgerald, K. J., & Rodgers, D. M. (2000). Radical Social Movement Organizations: A Theoretical Model *Taylor & Francis, Ltd. Vol. 41,* (No. 4), pp. 573-592

৪.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ সামাজিক আন্দোলনসমূহ হ'ল এক বিশাল পৰিসৰৰ মানুহৰ গোট বা সংগঠন, যিয়ে বিশদভাৱে ৰাজনৈতিক বা সামজিক সমস্যসমূহৰ ওপৰত মনোনিৱেশ কৰি সামাজিক পৰিৱর্তন সাধিবলৈ একগোট হয়। অসংখ্য সহযোগী সংগঠনে স্বতন্ত্রভাৱে প্রাথমিক সমস্যাসমূহৰ বাবে কাম কৰি যাব পাৰে আৰু তেতিয়াও ইয়াক সামাজিক আন্দোলন হিচাপে ধৰি ল'ব পাৰি।

২নং প্রশ্নৰ উত্তৰ ঃ ফৰাছী বিপ্লৱ আৰু ১৯৭১ চনৰ মার্চ মাহৰ তিনি তাৰিখে হোৱা পোলেণ্ড সংবিধানকে আদি কৰি ওঠৰ শতিকাৰ শেষৰ ফালে উদ্ভৱ হোৱা ৰাজনৈতিক আন্দোলনসমূহেই মুখ্য সংৰক্ষিত সামাজিক আন্দোলনসমূহৰ অন্তর্গত। ঊনৈছ শতিকাৰ শেষৰ ফালে হোৱা শ্রমিক আন্দোলন আৰু সমাজবাদী আন্দোলনসমূহ সামাজিক আন্দোলনৰ আদিৰূপ বুলি গ্রহণ কৰিব পাৰি, যিবোৰে সাম্যবাদী আৰু সমাজবাদী গণতান্ত্রিক সংগঠন আৰু সমিতিসমূহৰ ব্যৱস্থাপনাসমূহ প্রণোদিত কৰিছিল।

১নং প্রশ্নৰ উত্তৰ ঃ বৃহৎ বৃহৎ চহৰৰ সৃষ্টি কৰা নগৰীকৰণ পদ্ধতিয়ে বিভিন্ন ব্যক্তিৰ মাজত সামাজিক সম্পর্ক স্থাপন কৰিবলৈ প্রোৎসাহিত কৰিছিল। কেৱল নগৰীয়া অঞ্চলতহে সম উদ্দেশ্যৰ বিভিন্ন মানুহে এজনে আনজনক আৱিস্কাৰৰ জৰিয়তে সংগঠিত হৈছিল যাৰ ফলস্বৰূপে সেই পূর্বকালীন সামাজিক আন্দোলনসমূহৰ আৰম্ভণি হৈছিল।

৪.৮ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সামাজিক আন্দোলনৰ সাম্যবাদী দৃষ্টিভংগীৰ সংগঠনসমূহ কি?

প্ৰশ্ন ২ ঃ সামাজিক আন্দোলনৰ সাম্যবাদী দৃষ্টিভংগীৰ অধিষ্ঠিত তাত্ত্বিক আৰ্হিবোৰৰ বিষয়ে আলোচনা আগবঢ়াওক।

খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ মাৰ্কিন নাগৰিক অধিকাৰ আন্দোলন কি?

প্ৰশ্ন ২ ঃ নাৰীবাদী আন্দোলন কি?

*** ***** ***

অধ্যায় ৫ ঃ সামাজিক আন্দোলনসমূহৰ উদাৰনৈতিক দৃষ্টিভংগী

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ উদাৰনৈতিক দৃষ্টিভংগীৰ আভাস
৫.৪ উদাৰনৈতিক দৃষ্টিভংগীৰ মুখ্য পৃষ্ঠপোষকসকল
৫.৫ উদাৰনৈতিক দৃষ্টিভংগীৰ প্ৰেক্ষাপটসমূহ
৫.৬ মূল বিষয়সমূহ
৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৮ অধিক জানিবলৈ
৫.৯ অগ্ৰগতিৰ খতিয়ান
৫.১০ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উদাৰনৈতিক দৃষ্টিভংগীৰ প্ৰেক্ষাপটসমূহৰ বিষয়ে জানিব পাৰিব
- সামাজিক আন্দোলনসমূহক লৈ উদাৰনৈতিক দৃষ্টিভংগীৰ মূল বিষয়বস্তুসমূহ জানিব পাৰিব
- এই দৃষ্টিভংগীৰ মুখ্য পৃষ্ঠপোষকসকলৰ বিষয়ে জানিব পাৰিব।

৫.২ পৰিচয়

পূৰ্বৰ অধ্যায়সমূহত আমি সামাজিক জাগৰণৰ সাম্যবাদী (radical) আৰু বৈপ্লৱীক প্ৰেক্ষাপট সম্পৰ্কে আলোচনা কৰিলোঁ। এক ভাবাদৰ্শ হিচাপে উদাৰবাদে মুক্ত আৰু সাম্যমূলক দৃষ্টিভংগীৰ পোষকতা কৰে। উদাৰবাদত প্ৰতিষ্ঠিত সামাজিক জাগৰণসমূহ উল্লিখিত ভাবাদৰ্শগত ভেটিতেই চালিত হয়। এই অধ্যায়ত আমি সামাজিক জাগৰণৰ উদাৰনৈতিক প্ৰেক্ষাপট সম্পৰ্কে আলোচনা কৰিম।

৫.৩ উদাৰনৈতিক দৃষ্টিভংগীৰ আভাস

উদাৰনীতিয়ে সাংবিধানিকভাৱে সংযত ক্ষমতাৰ চৰকাৰ এখনৰ দ্বাৰা সম অধিকাৰ আৰু সম্ভ্ৰমৰ নিশ্চিতি প্ৰদানত বিশ্বাস পোষণ কৰে। ইতিহাসৰ বিভিন্ন পৰিপ্ৰেক্ষিতত উদাৰবাদীসকলে তেওঁলোকৰ মুক্ত, পৰিপূৰ্ণ আৰু এখন সমৃদ্ধিশালী সমাজ নিৰ্মাণৰ পৰিকাঠামো সম্পৰ্কে থকা ধাৰণাৰ পৰিৱৰ্তন ঘটাইছে। ঊনবিংশ শতিকাৰ মধ্যভাগৰ পৰা উদাৰবাদী চিন্তাধাৰা আৰু নীতিৰ সাজোনটোক বহল অৰ্থত প্ৰগতিশীলভাৱে সুযোগৰ সমতা ৰক্ষাৰ বিষয়টোৱে প্ৰভাৱিত কৰি আহিছে। সেই অনুসন্ধানৰে অংগ হিচাপে উদাৰবাদীসকলে অৰ্থনীতিৰ অধিক লক্ষ্যণীয় আৰু গুৰুত্বপূৰ্ণ নিৰ্দেশীকাসমূহক সমৰ্থন কৰি আহিছে আৰু লগতে সমৰ্থন আগবঢ়াইছে ব্যক্তিগত নৈতিক জীৱনৰ ওপৰত নিয়ন্ত্ৰণ হ্ৰাস কৰা (deregulation) আৰু গণ স্বাধীনতাৰ নিশ্চিতি আদি

বিষয়সমূহত।

যুক্তৰাষ্ট্ৰৰ ইতিহাসত উদাৰনীতিৰ এক অসাধাৰণ আৰু গভীৰ প্ৰভাৱ পৰিলক্ষিত হয়। জীৱন, স্বাধীনতা আৰু সুখ-সমৃদ্ধি অন্বেষণৰ প্ৰতি সকলো নাগৰিকৰে থকা সহজাত প্ৰবৃত্তিত প্ৰাধান্য আৰোপ কৰা আমেৰিকান নাগৰিক সংহতি উদাৰবাদী ধাৰণাৰে এক নিঃসৰণ য'ত সৰহ সংখ্যক মধ্যপন্থীয়েই কাৰ্যতঃ উদাৰবাদী স্বৰূপ। আধুনিক, কেন্দ্ৰ-বামপন্থী উদাৰবাদে ইয়াৰ জনপ্ৰিয় সংস্কাৰবাদী চৰিত্ৰটো বজাই ৰাখে আৰু অধিকাৰ, বিবদমান স্বাধীনতাৰ বিষয়ত সমতা স্থাপন, শ্ৰীবৃদ্ধি আৰু সুৰক্ষাৰ নিমিত্তে চৰকাৰী নিয়োগ আদি বিষয়সমূহত ৰক্ষণশীল মতাদৰ্শৰ প্ৰতি বিৰোধিতা প্ৰদৰ্শন কৰে।

অৱশ্যে, Louis Hartz (১৯৫৫) আৰু আনসকলে ভবাৰ দৰে আমেৰিকাৰ সমাজ আৰু ৰাজনীতি সম্পূৰ্ণ ৰূপে উদাৰনীতি অনুকৃত বুলি ভবাটোও হ'ব ভ্ৰান্ত ধাৰণা। গভীৰভাৱে উদাৰবাদী অনুষ্ঠান, প্ৰথাসমূহ আৰু চিন্তা-চেতনা দৰাচলতে ৰাষ্ট্ৰখনৰ অতীত, বিশেষকৈ দাস প্ৰথাৰ দ্বাৰা প্ৰভাৱিত। প্ৰতিটো ৰাজনৈতিক চিন্তা প্ৰক্ৰিয়াই ইয়াৰ নিজা মাপকাঠি আৰু প্ৰতিৰোধী কাৰকসমূহৰ পৰা এক বিশিষ্ট চৰিত্ৰ আহৰণ কৰে, আমেৰিকাৰ উদাৰনীতিৰ এই চৰিত্ৰ মূলতঃ বৰ্ণবাদ প্ৰতিহত কৰিবৰ বাবে গঢ়ি উঠা সংগ্ৰামৰ পৰাই আহ্বত।

আমেৰিকাৰ সৈতে উদাৰনীতিৰ সম্পৰ্ক বিভিন্ন সামাজিক জাগৰণসমূহৰ উত্থান-পতন আৰু বিভিন্ন আইন-কানুন, ৰাজনৈতিক দল, ন্যায়ালয় আদিৰ পৰিৱৰ্তনৰ সমান্তৰালভাৱে সলনি হৈ আহিছে। বিংশ শতিকাৰ তৃতীয় আৰু ষষ্ঠ দশকত উদাৰনীতিয়ে এক উচ্চ পৰ্যায় লাভ কৰে আৰু শাসন তথা সংশোধনৰ দৰ্শনক প্ৰভাৱিত কৰিবলৈ লয়। বিভিন্ন পৰ্যায়ত ই এক প্ৰভাৱশালী চিন্তা-চৰ্চা তথা প্ৰতিৰোধৰ উৎসেচক ৰূপে ধৰা দিয়ে। আমেৰিকাৰ উদাৰবাদে কেৱল আফ্ৰিকান-আমেৰিকানসকলৰ সম অধিকাৰ লাভৰ বাবে চলা সংগ্ৰামৰ পৰাই প্ৰেৰণ লাভ কৰা নাছিল, বৰঞ্চ অন্যান্য জাতিগত সংখ্যালঘু, মজদুৰ তথা নাৰীসকলৰ অনেক সংগ্ৰামৰ দ্বাৰা প্ৰভাৱিত হৈছিল। চলিত দশকসমূহত দেখা যায় শ্ৰমিক সংঘসমূহ হ্ৰাস পাবলৈ ধৰাত ৰাজনৈতিকভাৱে উদাৰনীতি কিছু প্ৰশমিত হ'বলৈ ধৰিছে, অথচ পাৰিবেশিক তথা সমকামী অধিকাৰসূচক জাগৰণসমূহে ইয়াক উজ্জীৱিতও কৰি ৰাখিছে।

ভাষাক যদিও সামাজিক পৰিৱৰ্তনৰ এক সূচক ৰূপে গণ্য কৰা হয়, উদাৰনীতিৰ ৰাজনৈতিক জটিলতাক 'উদাৰ' শব্দটোৰ পৰিৱৰ্তনশীল তাৎপৰ্যৰ সৈতে ৰিজোৱাটো উচিত নহয়। কুৰি শতিকাৰ মাজভাগত প্ৰগতিবাদীসকলে মধ্য-বাওঁপন্থীৰ স্থান অধিকাৰ কৰিবলৈ লয়। অৱশ্যে প্ৰগতিশীল দল যেতিয়া ১৯১৬ চনত পতনৰ মুখলৈ গতি কৰে প্ৰগতিবাদীসকলৰ বহুজনে তেতিয়া প্ৰথম বিশ্বযুদ্ধ পূৰ্বৰ ব্ৰিটেইনৰ উদাৰবাদী দলৰ প্ৰতিপত্তিৰ দ্বাৰা প্ৰভাৱিত হৈ নিজকে উদাৰবাদী ৰূপে পৰিচয় দিবলৈ লয়। তেতিয়ালৈ David Lloyd George নেতৃত্বাধীন ব্ৰিটেইনৰ উদাৰবাদীসকলে 'Laissez-faire' আদৰ্শ ত্যাগ কৰি অনুগামী ৰাষ্ট্ৰখনক এক সংস্কাৰবাদী আদৰ্শেৰে আকোঁৱালি লয় যাক সেই সময়ত কোৱা হৈছিল নব্য-উদাৰবাদ (Hobhouse, ১৯১৯)। এই সংস্কাৰবাদী প্ৰসংগতে Franklin Roosevelt আৰু New Dealer সকলে 'উদাৰ' অৱধাৰণটো প্ৰয়োগ কৰিছিল, অৱশ্যে বিংশ শতিকাৰ পঞ্চম দশকত কিছু মধ্যস্থানবাদী (Moderates)য়ে এই দাবী তুলিলে যে প্ৰকৃতপক্ষে উদাৰ তেওঁলোকহে আছিল।

ইতিমধ্যে প্ৰগতিবাদীসকলে সুবিধাবাদী চলেৰে স্বতন্ত্ৰ মৌলবাদীৰ পৰা সমাজবাদী আৰু সাম্যবাদীৰ ৰূপ ধাৰণ কৰি উদাৰবাদৰ কায চাপিবলৈ ল'লে আৰু শীতল যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে উদাৰবাদীসকলে ইতিহাসবিদ Arthur Schlesinger Jr. (১৯৪৯)-এ চিহ্নিত কৰা 'vital centre' অধিকাৰী ৰূপে নিজকে দাবী কৰিবলৈ ল'লে। বিংশ শতিকাৰ ষষ্ঠ দশকৰ সামাজিক-সাংস্কৃতিক পৰিৱৰ্তনৰ সময়ৰে পৰা উদাৰবাদীসকলে আৰু অধিক নেতিবাচক অভিধা লাভ কৰিবলৈ লয় আৰু ইয়াৰ পাছৰ দশক কেইটাত বামপন্থাই ৰাজনৈতিকভাৱে

ক্রমাৎ ইয়াৰ ভিত্তি হেৰুৱাবলৈ ধৰাৰ লগে লগে প্রগতিবাদীসকলেও বামপন্থীসকলৰ সৈতে থকা সম্পর্ক কমাবলৈ ধৰে। বহু উদাৰবাদী ৰাজনৈতিক কর্মী আৰু সংঘই তেতিয়া প্রগতিবাদী অভিধাটোক আকোঁৱালি ল'বলৈ ধৰিলে। যদিও দুয়োটা শব্দই সততে সমার্থক ৰূপে ব্যৱহৃত হৈছিল, উদাৰবাদীসকলৰ কর্মপন্থা আছিল প্রগতিবাদী ধাৰণাৰ বিপৰীতমুখী যিয়ে বামপন্থাক এক সমৃদ্ধ আৰু দীঘলীয়া দার্শনিক পৰম্পৰাৰ সৈতে সংযোজিত কৰিছিল।

৫.৪ উদাৰনৈতিক দৃষ্টিভংগীৰ মুখ্য পৃষ্ঠপোষকসকল

সামাজিক উদাৰবাদে — যাক জার্মানিত বাম উদাৰনীতি, যুক্তৰাষ্ট্রত আধুনিক উদাৰবাদ আৰু ব্রিটেইনত নব্য উদাৰবাদ ৰূপে জনা যায় — এক ৰাজনৈতিক দর্শনৰ পোষকতা কৰে যি উদাৰনীতিৰ দর্শনেৰে পৰিচালিত বজাৰ অর্থনীতি আৰু গণতান্ত্রিক তথা ৰাজনৈতিক অধিকাৰ সম্প্রসাৰিত হোৱাত গুৰুত্ব আৰোপ কৰে।

সামাজিক উদাৰবাদৰ অধীনত সকলোৰে লাভাংশ ব্যক্তি অধিকাৰৰ মাপকাঠিৰে জুখি চোৱা হয়। পুঁজিবাদী ব্যৱস্থাত সামাজিক উদাৰবাদী নীতিসমূহক বিশেষভাৱে আকোঁৱালি লোৱা হয়।

সামাজিক উদাৰবাদী ধাৰণা আৰু দলসমূহক সাধাৰণতে চৰমপন্থা-বিৰোধী আৰু কেন্দ্রৰ বামপন্থীৰূপে গণ্য কৰা হয়। যুক্তৰাষ্ট্রত সামাজিক উদাৰবাদ অভিধাটোৱে সম্প্রতিক সামাজিক আৰু সাংস্কৃতিক ৰক্ষণশীলতাৰ বিপৰীতে প্রগতিশীল তত্ত্ব আৰু সাংস্কৃতিক উদাৰবাদক চিহ্নিত কৰে। এতেকে এজন সামাজিক উদাৰবাদীয়ে আর্থিক নীতিসমূহৰ ক্ষেত্রত হস্তক্ষেপধর্মী অর্থাৎ উদাৰ দৃষ্টিভংগী পোষণ কৰে।

সামাজিক উদাৰবাদী চৰকাৰ এখনে সেয়েহে অর্থনৈতিক আৰু সামাজিক বিষয় যেনে- দৰিদ্রতা, চিকিৎসা সেৱা, শিক্ষা আৰু জলবায়ু আদি চৰকাৰী মধ্যস্থতাৰ মাধ্যমেৰে মীমাংসা কৰাৰ উপৰি ব্যক্তি স্বাধীনতা আৰু স্ব-শাসনত গুৰুত্ব আৰোপ কৰে।

তলত উদাৰনৈতিক দৃষ্টিভংগীৰ আন্দোলনসমূহৰ বিভিন্ন ঠাইত হোৱা বিকাশৰ বিষয়ে আলোচনা কৰা গৈছে।

যুক্তৰাজ্য (ব্রিটেইন)

ঊনবিংশ শতিকাৰ যৱনিকা পৰাৰ আগে আগে অর্থনৈতিক মন্দাৱস্থা, দৰিদ্রতা আৰু নিয়োগাভাৱ সম্পর্কে নগৰীয়া সম্প্রদায়সমূহত সৃষ্ট সচেতনতা আৰু সংহত শ্রমত উদ্ভৱ হোৱা বিশৃংখলতা আদিৰ পৰিপ্রেক্ষিতত ক্লাছিকেল উদাৰনীতিৰ পৰীক্ষা লোৱা হয়। শিল্পায়ন আৰু 'laisser-faire' পুঁজিবাদৰ পৰা উদ্ভুত এক উল্লেখনীয় ৰাজনৈতিক প্রতিক্রিয়া প্রকাশ পাই মধ্যস্থতাকাৰীসকলৰ দ্বাৰা, যিয়ে Education Act 1870 আৰু সমতা সম্পর্কে উদ্বেগ প্রকাশ কৰিছিল, যদিও সমাজবাদে পাছলৈ পৰিৱর্তন আৰু সংশোধনৰ এক গুৰুত্বপূর্ণ অনুঘটক ৰূপে ধৰা দিয়ে। Charles Dickens, Thomas Carlyle আৰু Matthew Arnold প্রভৃতি ভিক্টোৰীয় লেখকসকলে সামাজিক অবিচাৰৰ একো-একোজন চোকা সমালোচকৰ ৰূপত আত্মপ্রকাশ কৰে।

John Stuart Mill-এ উদাৰবাদী ধাৰণাৰ উত্থানত প্রভুত অৰিহণা আগবঢ়ালে ক্লাছিকেল উদাৰনীতিৰ উপাদানসমূহক দৃঢ়তা প্রদান কৰি যি পাছলৈ নব্য উদাৰবাদ ৰূপে চলি থাকিল। নব্য উদাৰবাদীসকলে উদাৰনীতিৰ পুৰণি পৰিভাষাসমূহক সংকটপূর্ণ অৱস্থাৰ সৈতে মোকাবিলা কৰিবৰ বাবে ৰাষ্ট্রৰ অধিক ব্যাপক তথা হস্তক্ষেপবাদী প্রক্রিয়াসমূহত সমন্বিত কৰাৰ চেষ্টা চলালে। স্বাধীনতাৰ নিশ্চিতি কেৱল ব্যক্তিৰ পৰস্পৰ শাৰীৰিক হস্তক্ষেপৰ অনুপস্থিতি নাইবা বিশদ আইন বলবৎ কৰাৰ পৰাই নাহে, বৰঞ্চ প্রগতিশীলভাৱে গঠনমূলক আহিলাসমূহে হে ব্যক্তিৰ সফলতাৰ সম-সম্ভাৱনা প্রকট কৰি তুলিব পাৰে।

জার্মানী

ঊনবিংশ শতিকাৰ ষষ্ঠ দশকত Max Hirsch, Franz Buncherআৰু Hermann Schulze-

Delitzsch প্ৰভৃতি বাম উদাৰবাদী ৰাজনীতিকসকলে ট্ৰেড্ ইউনিয়নসমূহ গঢ়ি তুলিলে যাৰ উদ্দেশ্য আছিল ইয়াৰ ব্ৰিটিছ অংশীদাৰসকলৰ দৰে শ্ৰমিকসকলক লাভাংশৰ ক্ষেত্ৰত বুজা-বুজি আৰু শ্ৰেণী সংঘৰ্ষৰ পৰিৱৰ্তে নিয়োগকৰ্তাসকলৰ সৈতে সহযোগীতাৰ মাজেদি আৰ্থিক আৰু কৰ্ম পৰিস্থিতিৰ উন্নয়ন সাধন কৰা। Schulze-Delitzsch-ক জাৰ্মান সমবায় জাগৰণৰ পিতৃ পুৰুষ আখ্যা দিয়া হয় আৰু বিশ্বৰ প্ৰথমটো ক্ৰেডিট ইউনিয়নৰ সমন্বয়ক ৰূপে জনা যায়। জনদিয়েক উদাৰবাদী অৰ্থনীতিবিদ যেনে- Lujo Brentano নাইবা Gerhard von Schulze-Gaevernitz আদিয়ে ১৮৭৩ চনত সামাজিক সংশোধনৰ নিমিত্তে ঐতিহাসিক অৰ্থনীতিৰ প্ৰপঞ্চ নিৰ্ভৰ জাৰ্মা অৰ্থনৈতিক সংঘ (German Economic Association) গঠন কৰে আৰু ক্লাছিকেল অৰ্থনীতিৰ ধাৰণাসমূহ খাৰিজ কৰে আৰু লগতে মানচেষ্টাৰ উদাৰনীতিবাদ আৰু সমাজবাদী বিপ্লৱৰ মাজৰ এক তৃতীয় বিকল্প হিচাপে ১৮৭১-ত স্থাপিত জাৰ্মান সাম্ৰাজ্যৰ পোষকতা কৰে।

ঊনবিংশ শতিকাতে জাৰ্মান বাম-উদাৰবাদী জাগৰণ বিভিন্ন পক্ষ আৰু দলত ভাগ হৈ পৰিল। এই বাম উদাৰবাদী দল, যেনে- German Progress Party আৰু ইয়াৰ উত্তৰসুৰীসকলৰ মূল উদ্দেশ্য আছিল মুক্ত বাকধাৰা, একতা, প্ৰতিনিধিত্বমূলক চৰকাৰ, গোপনীয় অথচ অংগীকাৰবদ্ধ ভোট (মতদান) ব্যৱস্থা সম্ভৱ কৰি তোলা আৰু ব্যক্তিগত সম্পদৰ সুৰক্ষা নিশ্চিত কৰা যেতিয়া যিবোৰৰ ব্যৱহাৰ ৰাষ্ট্ৰৰ কল্যাণ সাধনতে সীমাবদ্ধ হয়, অৰ্থাৎ যি হ'ব সমাজবাদৰ নামান্তৰ। এই বাম-উদাৰবাদী দলসমূহৰ মুখ্য বৈপৰীত্যসমূহ আছিল স্বদেশ প্ৰেম, স্বতন্ত্ৰ উপ-ৰাজ্যিক ব্যক্তি স্বাৰ্থৰ প্ৰসংগ, দেশীয় অৰ্থনৈতিক কাঠামোৰ বিপৰীতে মুক্ত ব্যৱসায় ইত্যাদি।

১৮৯৩ চনত ইতিহাসবিদ তথা সমাজ সংস্কাৰক, জাৰ্মান অৰ্থনৈতিক সংঘ (German Economic Association)ত নকৈ অন্তৰ্ভুক্ত হোৱা Ignaz Jastrow-এ সামাজিক উদাৰবাদৰ ধাৰণাটো প্ৰথমে ব্যৱহাৰ কৰিছিল। জাৰ্মানীৰ Social Democratic Party-ক উদ্দেশ্য কৰি সাধাৰণ জনসাধাৰণৰ উন্নয়ন সাধনৰ নিমিত্তে 'action group' গঠনৰ দিহা কৰি তেওঁ 'Social-Liberal : Tasks for Liberation in Prussia' শীৰ্ষক এখন সমাজবাদী-গণতান্ত্ৰিক ইস্তাহাৰ প্ৰস্তুত কৰিছিল, অৱশ্যে কাৰ্যতঃ সেইখন পাছলৈ নাকচ কৰা হয়।

প্ৰটেষ্টাণ্ট ধৰ্মযাজক Friedrich Naumann সংগঠিত ৰাষ্ট্ৰীয় সামাজিক সংঘ (National Social Association)-এ বাম-উদাৰবাদীসকলৰ সৈতে অনুৰূপ সম্পৰ্ক ৰক্ষা কৰি চলি থাকিল। তেওঁ অ-বৈপ্লৱিক পন্থাৰে শ্ৰমিকসকলক মাৰ্ক্সবাদৰ পৰা আঁতৰাই আনি এক ধৰণৰ প্ৰটেষ্টাণ্ট-খ্ৰীষ্টান আৰু স্বদেশীয়তাৰ ধাৰণাৰে পুষ্ট সামাজিক উদাৰবাদৰ আদৰ্শেৰে শ্ৰেণী শোষণ প্ৰতিহত কৰাৰ পোষকতা কৰিছিল। Naumann-এ ইয়াক অভিহিত কৰিছিল 'Proletariat bourgeois integral liberalism' ৰূপে। দলটোৰ পতন হোৱাৰ পাছতো তেওঁৰ তাত্ত্বিক অৱধাৰণাসমূহে জাৰ্মান বাম-উদাৰবাদী দৰ্শনক প্ৰভাৱিত কৰিছিল।

ৱেইমাৰ (Weimer) গণৰাজ্যত জাৰ্মান গণতান্ত্ৰিক দল (German Democratic Party) স্থাপন হোৱাৰ পাছত বাম-উদাৰবাদী অতীতৰ ভেটিত এক বাম সামাজিক দল স্থাপন হ'ল আৰু সোঁপন্থী অৰ্থনৈতিক পক্ষই ৰাজতান্ত্ৰিক ব্যৱস্থাৰ বিপৰীতে গণতান্ত্ৰিক সংবিধান এখনত দৃঢ় সমৰ্থন জনালে। Treaty of Versailles-ৰ আৰ্থিক ৰায়সমূহৰ ফলত সংগ্ৰাম কৰিব লগাত পৰা শ্ৰমিকৰ অধিকাৰ, কৰ্তব্য আৰু সংহতি স্থাপনেৰে এক সামাজিক অৰ্থনীতিৰ ধাৰণা ই পোষণ কৰিছিল আৰু স্থানীয় সমবায় প্ৰতিষ্ঠানসমূহক প্ৰভাৱিত কৰিছিল।

১৯৪৫ চনৰ পাছত গৰিষ্ঠ সংখ্যক সামাজিক উদাৰবাদী Free Democrat ৰূপে পৰিগণিত হ'ল আৰু আনসকলে Christian Democratic Union of Germany-ত যোগাযোগ কৰে। বিংশ শতিকাৰ ষষ্ঠ দশকলৈ যুদ্ধোত্তৰ orddiberalism আছিল জৰ্মেনিৰ আদৰ্শ স্বৰূপ। সংহতি আৰু অধিকাৰৰ ধাৰণা নিৰ্ভৰ সামাজিক উদাৰবাদে এই আদৰ্শক তাত্ত্বিকভাৱে প্ৰভাৱিক কৰিছিল।

ফ্ৰান্স

তৃতীয় গণৰাজ্যৰ সংহতি চিন্তাবিদ যেনে Alfred Fonville আৰু Emile Durkheim আদিৰ প্ৰভাৱত ফ্ৰান্সত সামাজিক উদাৰবাদ তত্ত্বৰ উত্থান ঘটিছিল। এই চিন্তাবিদসকল সমাজতত্ত্বৰ ধাৰণাৰে প্ৰভাৱিত হৈছিল আৰু Leon Bourgeois-ৰ দৰে প্ৰভাৱশালী ৰাজনীতিবিদকো প্ৰভাৱিত কৰিছিল। তেওঁলোকে এই কথা স্পষ্ট কৰিলে যে এক অধিক সুচল শ্ৰম বিভাজনে স্বাধীনতাৰ সুযোগ সুদৃঢ় কৰিব পাৰে, কিন্তু এই ধাৰণাই উপৰুৱাকৈ অধিক ভীতিপূৰ্ণ সংযুক্তিৰ হে সুচনা কৰিলে। তেওঁলোকে ব্যক্তিৰ সামাজিক সংহতিৰ প্ৰসংগ অৱতাৰণা কৰি উন্নয়ন নীতি তথা জনশ্ৰমৰ সুচলতাৰ নিমিত্তে প্ৰগতিশীল কৰ ব্যৱস্থাপনাৰ পোষকতা কৰিলে। যি কোনো চৰ্ততে ৰাষ্ট্ৰযন্ত্ৰই কেৱল তদাৰকী কৰাৰ বিপৰীতে সুচলতা নিশ্চিত কৰাটোত তেওঁলোকে গুৰুত্ব আৰোপ কৰিলে আৰু জনসাধাৰণৰ মাজত সমবায় বীমা অধিক সবল কৰি তুলিলে। তেওঁলোকৰ প্ৰাথমিক উদ্দেশ্য কল্যাণকামী ৰাষ্ট্ৰ নিৰ্মাণৰ বিপৰীতে আছিল সামাজিক গতিশীলতাৰ অৱৰোধকসমূহ দূৰ কৰা।

যুক্তৰাষ্ট্ৰ

আমেৰিকা যুক্তৰাষ্ট্ৰত সামাজিক উদাৰবাদৰ ধাৰণাটো ক্লাছিকেল উদাৰনীতি নাইবা 'laissez faire' অৱধাৰণাৰ পৰা পৃথকতা সূচাবৰ বাবে ব্যৱহৃত হৈছিল যি দেশখনৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক চিন্তাক বহু পৰিমাণে প্ৰভাৱিত কৰিছিল, অন্ততঃ Great Depression আৰু New Deal-ৰ সময়ছোৱালৈ। ঊনবিংশ শতিকাৰ ৭০ আৰু ৮০-ৰ দশকত Richard Ely, John Bates Clark আৰু Henry Carter Adams প্ৰভৃতি অৰ্থনীতিবিদসকলে সমাজবাদ আৰু Evangelical Protestant জাগৰণৰ দ্বাৰা প্ৰভাৱিত হৈ যান্ত্ৰিক শৈল্পিক সুবিধাসমূহৰ প্ৰতি বিযোদগাৰ প্ৰকাশ কৰে আৰু লগতে শ্ৰমিক সংঘসমূহক লৈ সহানুভূতি দাঙি ধৰে। কাৰ্যতঃ কোনো সুশৃংখলিত ৰাজনৈতিক দৰ্শন গঢ় লৈ নুঠিল আৰু পাছলৈ তেওঁলোকে সমাজবাদী চিন্তাৰ সৈতেও যোগসূত্ৰ ত্যাগ কৰিলে। ১৮৮৩ চনত লেষ্টাৰ ফ্ৰেংক ৰার্দ (Lester Frank Ward)-এ দুটা খণ্ডত Dynamic Sociology প্ৰকাশ কৰি সামাজিক উদাৰবাদৰ মৌলিক ধাৰণাসমূহ এক ধৰণৰ আনুষ্ঠানিকতা দান কৰাৰ লগতে হাৰ্বাট স্পেন্সাৰ (Herbert Spencer) আৰু উইলিয়াম গ্ৰাহাম চাম্মাৰ (Willian Graham Summer) প্ৰভৃতিয়ে আগবঢ়োৱা 'Laisser-faire'-ৰ ধাৰণাক সমালোচনা কৰে। ইতিহাসবিদ Henry Steele Commager-এ Ward-ক William James, John Dewey আৰু Oliver Wendel Holmes Jr.-ৰ সমকক্ষত স্থান দি আধুনিক কল্যাণকামী ৰাষ্ট্ৰৰ পিতৃ আখ্যায়িত কৰে। ১৮৮৪-ৰ পৰা ১৯৩০-ৰ সময়ছোৱাত লেখা-মেলা কৰা John Dewey আছিল হৱহাউছ, গ্ৰীন (Hobhouse, Green) আৰু ৰার্দ (Ward)-ৰ দ্বাৰা অনুপ্ৰাণিত এগৰাকী শিক্ষাবিদ যিয়ে উদাৰবাদী লক্ষ্যত উপনীত হোৱাত সমাজবাদী প্ৰণালীসমূহৰ গুৰুত্ব স্বীকাৰ কৰিছিল।

৫.৫ উদাৰনৈতিক দৃষ্টিভংগীৰ প্ৰেক্ষাপটসমূহ

তলত কিছুমান সম্প্ৰতি প্ৰতিষ্ঠিত তাত্ত্বিক আদৰ্শ ৰূপ আলোচনা কৰা হৈছে।

উদাৰবাদী অৰ্থনৈতিক তত্ত্ব

Adam Smith-এ ১৭৭৬ চনত প্ৰকাশ কৰা "The Wealth of Nations" গ্ৰন্থখনে John Stuart Mill-ৰ ১৮৪৮-ত "Principles" প্ৰকাশ হ'বৰ পৰলৈকে যিকোনো বিষয়ত অৰ্থনৈতিক চিন্তাগুচ্ছক পৰিচালিত কৰিছিল। Smith-ৰ প্ৰৱণতাসমূহ আছিল অৰ্থনৈতিক কাৰ্যকলাপৰ বাবে প্ৰেৰণা যোগোৱা, ব্যয়ৰ কাৰণ আৰু সম্পদৰ অভিযোজনত গুৰুত্ব আৰু সম্পসাৰণৰ বাবে ৰাষ্ট্ৰই ল'ব লগা কৰ্মপন্থা বিচাৰ কৰা।

Adam Smith (এদম স্মিথ) আৰু Richard Cobden (ৰিকার্দ কব্‌দেন)-ৰ দৰে কিছু সংখ্যক উদাৰবাদীয়ে এই মত পোষণ কৰিব খোজে যে ৰাষ্ট্ৰসমূহৰ মাজত দ্ৰব্যৰ মুক্ত ব্যৱসায়ে বিশ্ব শান্তিত অৰিহণা

যোগাব পাৰে। Smith (স্মিথ)-এ এই কথাও ক'লে যে সামাজিক সূত্রসমূহৰ অগ্রগতিৰ লগে লগে যুদ্ধৰ আশংকাও বৃদ্ধি পায় আৰু এই বর্ধিত আশংকাই শিল্পায়িত ৰাষ্ট্রসমূহৰ বাবে এক সংকটপূর্ণ আৰু অতিশয়তাৰ অৱস্থাৰ সূচনা কৰে। Cobden (কব্‌দেন)-এ সামৰিক শক্তিৰ যোগেদি দেশৰ উন্নয়ন আৰু কিছু লাভ হোৱাটো স্বীকাৰ কৰে যদিও ই সংখ্যালঘু অভিজাত শ্রেণীকেন্দ্রীক আছিল আৰু লগতে ব্রিটিছ ঔপনিৱেশিকতাবাদী অর্থনীতিৰ বাণিজ্যিক ধাৰাটোৰে ফল ৰূপে উপস্থাপিত কৰে। Cobden (কব্‌দেন) আৰু আন পৰম্পৰাগত উদাৰবাদীসকলৰ মতে যি সংগতিৰ ধাৰণাত বিশ্বাস কৰে, সি মুক্ত বজাৰকো মানি ল'ব লাগিব।

ব্রিটিছ চৰকাৰে উপযোগিতাবাদ (utilitarianism)ৰ আধাৰত অর্থনৈতিক উদাৰবাদৰ পোষকতা কৰিছিল যি ১৮৩০-ৰ পৰা অর্থনৈতিক নীতিসমূহ নিয়ন্ত্রণ কৰিবলৈ লয়। উপযোগিতাবাদে কর্তৃত্বশালী আৰু ব্যৱস্থাপনাবাদী পৰিৱর্তন প্রকট কৰি তুলিলে আৰু John Stuart Mill-ৰ পাছৰ কর্মসমূহে উন্নয়নশীল ৰাষ্ট্রৰ ধাৰণাটো ঢাকি ধৰিলে, যদিও বহুলাংশে 'laisse-faire-ৰ প্রতিকল্পন ৰূপে ইয়াৰ প্রয়োগ হ'ব ধৰিল। উপযোগিতাবাদৰ মূল ধাৰণাটো আছিল Jeremy Bentham-এ কথিত জননীতি 'The best satisfaction of the best number' প্রণোদিত হোৱাটো। ইয়াক দৰিদ্রতা হ্রাসকৰণৰ এক ৰাজ্যিক নীতি ৰূপেও চাব পৰা যায়, অথচ ক্লাছিকেল উদাৰবাদীসকলে ইয়াক নিষ্ক্রিয়তাক বৈধতা প্রদানেৰে জনসাধাৰণৰ মূল লাভাংশ বৃদ্ধি পোৱাৰ প্রসংগত উত্থাপিত কৰিছিল। তেওঁৰ চিন্তা-প্রক্রিয়াসমূহে চৰকাৰী নীতিক প্রভাৱিত কৰিছিল আৰু Robert Peele-ৰ Metropolitan Police কাৰাগাৰ সংস্কাৰ, কর্মগৃহ আৰু মানসিকভাৱে অসুস্থসকলৰ বাবে আশ্রয় স্থল আদি কৰি দীর্ঘকালীন Benthamite চৰকাৰী নিয়ন্ত্রণৰ কর্মপ্রণালীত উৎসাহ যোগাইছিল।

সামাজিক উদাৰবাদ তত্ত্ব

ঊনবিংশ শতিকা সমাপ্তিৰ আগে আগে ক্লাছিকেল উদাৰবাদৰ সূত্রসমূহক অর্থনৈতিক বিকাশৰ মন্দাৱস্থা, বর্ধিত বিদ্বেষ আৰু দাৰিদ্র্য, নগৰীয়া যান্ত্রিক ব্যৱস্থাত নিয়োগাভাৱ আৰু পদচ্যুতিৰ লগতে সংহত শ্রমব্যৱস্থাত প্রকট হোৱা বিশৃংখলতা আদি পৰিস্থিতিত পৰীক্ষা লোৱা হয়। সামর্থ্য আৰু পৰিশ্রমৰ জৰিয়তে নিজৰ স্থান নিশ্চিত কৰিব পৰা ব্যক্তিৰ ধাৰণাটো প্রকৃতপক্ষে প্রগতিশীল অর্থত সুদূৰপৰাহত। ঔদ্যোগীকৰণ আৰু 'laisse-faire' পুঁজিবাদে পোষণ কৰা প্রগতিৰ ধাৰণাটোৰ প্রতি এক উল্লেখযোগ্য ৰাজনৈতিক প্রতিক্রিয়া আহিছিল পৰম্পৰাবাদীসকলৰ পৰা যিয়ে সমাজবাদী ধাৰা পাছলৈ পৰিৱর্তন আৰু সংশোধনৰ এক গুৰুত্বপূর্ণ শক্তিত পৰিণত হোৱাৰ সত্ত্বেও সামাজিক সমতাৰ বিষয়টোক লৈ আশংকা প্রকাশ কৰিছিল। Charles Dickens, Thomas Carlyle আৰু Matthew Arnold প্রভৃতি ভিক্টোৰীয় লেখকসকল সামাজিক অবিচাৰক লৈ সৰৱ হৈ পৰিছিল।

নব্য উদাৰবাদীসকলে এনে অসুচল পৰিস্থিতিৰে মোকাবিলা কৰিবৰ বাবে ৰাষ্ট্রীয় শক্তিৰ বিশদ আৰু অধিক হস্তক্ষেপবাদী ধাৰাৰ পোষকতা কৰি উদাৰনীতিৰ পূর্ব পৰিভাষাক সেই অনুযায়ী সমন্বিত কৰি ল'বলৈ ল'লে। স্বাধীনতাৰ সমার্থক হিচাপে কেৱল ব্যক্তিয়ে এজনে আনজনক শাৰীৰিকভাৱে আঘাত নকৰা বা আইনৰ বিশদ আৰু ব্যৱহাৰিক প্রয়োগক বুজালেই নহয়। প্রগতিশীলভাৱে ধনাত্মক ব্যৱস্থাপনাইহে ব্যক্তিৰ সফলতাৰ সম সম্ভাৱনা নিশ্চিত কৰি পাৰে।

John Stuart Mill-এ ক্লাছিকেল উদাৰবাদ আৰু নব্য উদাৰবাদৰ সংযোগ স্থাপনেৰে সামগ্রিক উদাৰবাদী চিন্তাধাৰালৈ প্রভূত বৰঙণি যোগালে। ১৮৫৯ চনত প্রকাশ পোৱা On Liberty-ত সমাজে ব্যক্তিৰ ওপৰত প্রয়োগ কৰিব পৰা ক্ষমতাৰ চৰিত্র আৰু সহনসীমা সম্পর্কে বিশদ আলোচনা দেখা যায়। তেওঁ মুক্ত বাকধাৰা সম্পর্কে শক্তিশালী অভিমত পোষণ কৰে আৰু কয় যে মুক্ত বাক বৌদ্ধিক আৰু সামাজিক অগ্রগতি সূচক। Mill-ৰ মতে 'Social liberty' হৈছে 'The tyranny of political rulers'-ৰ পৰা এক নিশ্চিতি। তেওঁ গাঠনিগত

শোষণ সম্পর্কে আলোচনা আগবঢ়াই আৰু সামাজিক নিষ্পেষণ আৰু বৃহৎ অংশৰ সামাজিক শোষণ সম্পর্কে পৃথক ধাৰণা দিয়ে। সামাজিক স্বাধীনতাই 'Constitutional Checks' -ৰ ভেটিত ৰাজনৈতিক স্বাধীনতা আৰু অধিকাৰ স্বীকৃতিৰ মাজেদি শাসকৰ ক্ষমতাত বাধ্যবাধকতা অহাটোকে বুজায়।

তেওঁৰ স্বাধীনতাৰ ধাৰণাটো Joseph Priestley আৰু Josiah, Warren-ৰ দ্বাৰা প্রভাৱিত হৈছিল যাৰ অভিমত আছিল যে ব্যক্তিৰ প্রৱণতা অনুযায়ী সকলোখিনি কৰিবলৈ দিয়া উচিত যেতিয়ালৈকে ই আন কোনো ব্যক্তিক আঘাত নাহানে। Mill-ৰ অর্থনৈতিক দর্শনে যদিও মুক্ত বজাৰৰ পোষকতা কৰি প্রগতিশীল কৰ ব্যৱস্থাই অধিক কর্মঠ ব্যক্তিক শাস্তি প্রদান কৰে বুলি ক'ব খোজে, পাছলৈ তেওঁ প্রগতিশীল ধাৰা এটিতেই মনোনিৱেশ কৰিবলৈ লয় আৰু Principles of Political Economy-ত এই সমাজবাদী দৃষ্টিকোণেৰেই কেতবোৰ সমাজবাদী স্বার্থক সুৰক্ষা দিবলৈ লয়। ইয়াৰ এক চূড়ান্ত মত আছিল সমস্ত মজুৰি ব্যৱস্থাটোকে উচ্ছেদ কৰি এক সমবায় মজুৰি স্থাপনৰ বাবে তেওঁৰ পৰামর্শ।

আন এক উল্লেখনীয় উদাৰবাদী তাত্ত্বিক আছিল Thomas Hill Green। মাদক দ্রব্যৰ প্রভাৱসমূহ লক্ষ্য কৰি তেওঁ এই মত পোষণ কৰিছিল যে ৰাষ্ট্রই সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক কর্ষণ তথা নিয়ন্ত্রণ পৰিচালনা কৰা উচিত য'ত ব্যক্তিয়ে নিজৰ স্ব-ইচ্ছাৰে কর্ম কৰি যাব পাৰে। ৰাষ্ট্রৰ মধ্যস্থতা সেই সময়তহে হোৱা উচিত যেতিয়া সেয়া যুক্তি সংগত হয় আৰু ব্যক্তিক বশ কৰাৰ এক দৃঢ় প্রৱণতা আহি পৰে। Green-ৰ মতে ৰাষ্ট্রৰ ধাৰণাটো তেতিয়াৰে যুক্তিগত যেতিয়া ই ব্যক্তিৰ স্ব-স্বীকৃতি প্রৰোচিত কৰিব আৰু এক ধৰণৰ আইন আৰু অংগীকাৰৰ সাজোন বর্তাই ৰাখিব।

নব্য উদাৰবাদ আৰু সামাজিক উদাৰবাদী জাগৰণ ১৯০০ চনৰ আশে-পাশে ব্রিটেইনত গঢ় লৈ উঠে। নব্য উদাৰবাদীসকলৰ মাজত আছিল L. T. Hobhouse আৰু John A Hobson-ৰ দৰে তত্ত্বজ্ঞ বিদ্বান যাৰ ধাৰণা আছিল যে আদর্শ সামাজিক আৰু আর্থিক পৰিস্থিতিত ব্যক্তিক প্রভাৱিত কৰিব পৰা যায়। তেওঁলোকৰ মতে দৰিদ্রতা, নির্মলকৰ (Sanitization) আৰু ব্যক্তিৰ বিস্মৃতি প্রৱণতাৰ বাবেই অনন্যতা আৰু সুযোগৰ সুবিধাসমূহ দূৰুহ যেন লাগে। এই পৰিস্থিতি নব্য উদাৰবাদীসকলৰ মতে মূর্ত, কল্যাণকামী আৰু হস্তক্ষেপবাদী পৰিপ্রেক্ষিতত সামূহিক ক্রিয়াকলাপৰ মাজেদি সংশোধিত কৰিব পৰা যায়, ই ব্যক্তিগত আৰু ৰাজহুৱা সম্পদৰ সৈতে মূলধন পণ্যৰ এক মিশ্র অর্থনীতিৰ পোষকতা কৰে।

সামাজিক উদাৰবাদী নীতিসমূহ গঢ় দিয়া দার্শনিকসকল আছিল ঃ John Stuart Mill, Edward Bernstein, John Dewey, Carlo Rosselli, Novberto Bobbio আৰু Chantal Mouffe. আন আন সমাজবাদী তাত্ত্বিকসকল আছিল Guido Calogero, Piero Gobetti, Leonard Tvelawny Hobhouse আৰু R. H. Tawney ইত্যাদি। উদাৰবাদী সমাজবাদী ব্রিটিছ আৰু ইটালিয়ান নীতি নির্মাণত বিশেষভাৱে প্রভাৱশালী পৰিলক্ষিত হৈছিল।

৫.৬ মূল বিষয়সমূহ

পাৰিৱেশিক আন্দোলন

ঊনবিংশ শকিতাৰ শেষ ভাগৰ পৰা বিংশ শতিকাৰ ষষ্ঠ দশকলৈ পৰিবেশবাদৰ (environmentalism)-ৰ ধাৰণাটোৱে বহুকেইটা জাগৰণৰ ইংগিত বহন কৰিছিল যাৰ পৃষ্ঠপোষক আছিল সমাজৰ তথাকথিত সুখী চামটো যি বন্য প্রজাতি সংৰক্ষণ আদি বিষয়ত চিন্তা প্রকাশ কৰিছিল আৰু যাৰ বাবে সমাজৰ মূল্যায়নো এই বিষয়সমূহৰ উপৰি আন একো নাছিল।

যদিও ১৮৯০ৰ দশকতেই ইয়াৰ ভিত্তিসমূহৰ সূচনা হৈছিল, আধুনিক পাৰিৱেশিক জাগৰণ অৱশ্যে

১৯৫০ৰ দশকলৈ পূর্ণ ৰূপত গঢ়ি উঠা নাছিল— যি সময় আছিল প্রকৃতার্থতে সমাজ পৰিৱর্তনৰ সময়।

Rachel Carson-ৰ ১৯৬৩ চনত ৰচিত গ্রন্থ Silent Spring আছিল এক ধৰণৰ সৰৱ জাগৰণৰ ইংগিত সূচক। ই DDT (মাটিৰ কীটসমূহ ৰোধৰ বাবে ব্যৱহৃত যি কেন্সাৰ ৰোগ আৰু বংশগত ক্ষতিৰ কাৰক প্রমাণিত হয়)ৰ প্রভাৱক চিহ্নিত কৰি বজাৰত ইয়াৰ প্রচলন বন্ধ কৰিছিল।

পৰিৱর্তনৰ আন আন জৰুৰীকালীন পৰিস্থিতিসমূহৰ ভিতৰত আছিল বিষাক্ত স্মগ যি ১৯৪৮ চনত পেন্‌চিলভেনিয়া আৰু নিউয়র্ক আৰু লণ্ডনত বিংশ শতিকাৰ পঞ্চম আৰু ষষ্ঠ দশকত অনুভূত হৈছিল।

৬০ আৰু ৭০ৰ দশকত এক পাৰিৱেশিক জাগৰণ গঢ় লৈ উঠিল যিয়ে পৰিৱেশৰ অৱক্ষয়ক এক বন্য বিষয় হিচাপে ন'লৈ দৈনন্দিন জীৱনৰে এক এৰাব নোৱাৰা বিষয়বস্তু হিচাপে গণ্য কৰিবলৈ লয়। ইয়াৰ লগে লগে পুনৰ ব্যৱহাৰৰ ধাৰণাটোৱে গুৰুত্ব লাভ কৰিবলৈ ল'লে আৰু আন আন ব্যাপক বিষয় যেনে সংশ্লেষিত (synthetic) পদার্থৰ ব্যৱহাৰ, বায়ু আৰু পানী প্রদূষণ আৰু ব্যক্তিৰ ওপৰত ইয়াৰ প্রভাৱ আদিয়ে পৰিৱেশৰ নিৰাপত্তাক এক গুৰুত্বপূর্ণ বিষয় কৰি তুলিলে। এই জাগৰণত জড়িত হৈ পৰিল যুদ্ধবিৰোধী (anti-war) জাগৰণ আৰু প্রতিসংস্কৃতি (counterculture)ৰ দ্বাৰা প্রভাৱিত এক বৃহৎ অংশৰ যুৱ প্রজন্ম।

প্রায় একে সময়তে কিছু প্রগতিশীল কর্মীয়ে কর্মস্থলীত সংশ্লেষিত দ্রব্যৰ ব্যৱহাৰে কৰিব পৰা পৰিৱেশ অৱক্ষয়ৰ প্রসংগলৈ দৃষ্টি আকর্ষণ কৰি বৃত্তিমূলক সুৰক্ষাৰ বিষয়টো উত্থাপন কৰিলে। শ্রম পৰিৱেশবাদ আৰু চড়ম (radical) পৰিৱেশবাদে বন সংৰক্ষণৰ ধাৰণাত গুৰুত্ব আৰোপ কৰিলে যদিও পৰিৱেশৰ অৱক্ষয় আৰু ব্যক্তিৰ ওপৰত ইয়াৰ প্রভাৱ আদি বিষয়সমূহো লগতে সামৰি ল'লে।

৭০ৰ দশকৰ শেষৰ ফালে আৰু ৮০ৰ মাজৰছোৱাত আন এক তৃণমূল পর্যায়ৰ পাৰিবেশিক জাগৰণ গঢ় লৈ উঠিল যি জনসাংখ্যিক স্তৰত নিম্ন মধ্যবৃত্ত আৰু শ্বেতবর্ণ তথা কৃষ্ণবর্ণ শ্রমিক আৰু গ্রাম্য সম্প্রদায়ৰ ভোটাধিকাৰৰ সমতাক লৈ সৰৱতা প্রদর্শন কৰিবলৈ ল'লে।

৬০ৰ দশকৰ পৰা বর্তমানৰ সময়লৈ পাৰিৱেশিক সংস্থাসমূহত সদস্য সংখ্যা বৃহৎ আকাৰত বাঢ়ি আহিব ধৰিল। পাৰিৱেশিক সংঘসমূহো সেই অনুপাতে কম সময়তে গঢ় লৈ উঠিল। এই সংস্থা সমূহে বিভিন্ন কার্য-প্রণালী হাতত ল'বলৈ ল'লে, যেনে—

- মূলসুঁতি/সংৰক্ষণবাদী পৰিৱেশতান্ত্রিক ঃ The Sierra Club
- জনপ্রিয় পৰিৱেশতান্ত্রিক ঃ Earth Day
- উগ্র পৰিৱেশতান্ত্রিক ঃ Greenpeace, GAIA (eco-feminism) এই সংস্থাসমূহে বাচি লোৱা পাৰিৱেশিক বিষয়সমূহৰ পৰিসৰ ব্যাপক (যেনে- পানী, বায়ু, বনাঞ্চল, আর্দ্রভূমি, পশু আৰু প্রকৃতি, যুদ্ধ-বিৰোধী আৰু পৰমাণু বিৰোধী আৰু অপচয় দ্রব্য আদিক সামৰি)।

আন সমাজ পৰিৱর্তনৰ জাগৰণৰ তুলনাত পৰিৱেশবাদৰ বহু প্রাধান্য দেখা যায়। ই বৃহৎ পৰিমাণৰ Co_2 নির্গমন ভূমি আৰু বর্ষাৰণ্যৰ সংৰক্ষণ, Coral reef-ৰ সংৰক্ষণৰ লগতে বিলুপ্তপ্রায় প্রজাতিৰ প্রতিৰক্ষা আদি সামৰি ল'বলৈ লয়। অৱশ্যে ই পৃথিৱীৰ কোনো ধৰণৰ ক্ষতি কৰিব নোৱাৰা এটা সভ্যতা গঢ়ি তোলাৰ চূড়ান্ত লক্ষ্যত এতিয়াও উপনিত হ'ব পৰা নাই। পর্যালোচনাই দেখুৱাই যে নিৰাপত্তা, সমৃদ্ধি, সুস্থতা, শৈলী/অপচয়, আর্জন আৰু উন্নতি আদি গুৰুত্বপূর্ণ লক্ষ্যসমূহক আৰু অধিক ফলপ্রসূ কৰি তুলিব পাৰিলেহে ইয়াৰ কার্যক্ষমতা সুদৃঢ় হৈ উঠিব।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সামাজিক উদাৰবাদ ধাৰণাটো প্রথমে কোনে ব্যৱহাৰ কৰিছিল?

.....

প্ৰশ্ন নং ২ ঃ "Wealth of Nations" গ্ৰন্থখনৰ ৰচক কোন?

.....

প্ৰশ্ন নং ৩ ঃ দুজন নব্য উদাৰবাদীৰ নাম উল্লেখ কৰক।

.....

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উদাৰনীতিয়ে সাংবিধানিকভাৱে সংযত ক্ষমতাৰ চৰকাৰ এখনৰ দ্বাৰা সম অধিকাৰ আৰু সম্ভ্ৰমৰ নিশ্চিতি প্ৰদানত বিশ্বাস পোষণ কৰে। ইতিহাসৰ বিভিন্ন পৰিপ্ৰেক্ষিতত উদাৰবাদীসকলে তেওঁলোকৰ মুক্ত, পৰিপূৰ্ণ আৰু এখন সমৃদ্ধিশালী সমাজ নিৰ্মাণৰ পৰিকাঠামো সম্পৰ্কে থকা ধাৰণাৰ পৰিৱৰ্তন ঘটাইছে। ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা উদাৰবাদী চিন্তাধাৰা আৰু নীতিৰ সাজোনটোক বহল অৰ্থত প্ৰগতিশীলভাৱে সুযোগৰ সমতা ৰক্ষাৰ বিষয়টোৱে প্ৰভাৱিত কৰি আহিছে। সেই সন্ধানৰে অংগ হিচাপে উদাৰবাদীসকলে অৰ্থনীতিৰ অধিক লক্ষণীয় তথা গুৰুত্বপূৰ্ণ নিৰ্দেশিকাসমূহৰ সমৰ্থন কৰি আহিছে আৰু লগতে সমৰ্থন আগবঢ়াইছে ব্যক্তিগত নৈতিক জীৱনৰ ওপৰত নিয়ন্ত্ৰণ হ্ৰাস কৰা (deregulation) আৰু গণ স্বাধীনতাৰ নিশ্চিতি আদি বিষয়সমূহত।
- যুক্তৰাষ্ট্ৰৰ ইতিহাসত উদাৰনীতিৰ এক অসাধাৰণ আৰু গভীৰ প্ৰভাৱ পৰিলক্ষিত হয়। জীৱন, স্বাধীনতা আৰু সুখ-সমৃদ্ধি অন্বেষণৰ প্ৰতি থকা সকলো নাগৰিকৰে সহজাত প্ৰবৃত্তিক স্বীকৃতি প্ৰদানেৰে আমেৰিকাৰ নাগৰিক সংহতি উদাৰবাদী ধাৰণাৰে এক নিঃসৰণ য'ত সৰহ সংখ্যক মধ্যপন্থীয়েই কাৰ্যতঃ উদাৰবাদী স্বৰূপ।
- সামাজিক উদাৰবাদে— যাক জাৰ্মানিত বাম উদাৰনীতি, যুক্তৰাষ্ট্ৰত আধুনিক উদাৰবাদ আৰু ব্ৰিটেইনত নব্য উদাৰবাদ ৰূপে জনা যায়— এক ৰাজনৈতিক দৰ্শনৰ পোষকতা কৰে যি উদাৰনীতিৰ আদৰ্শেৰে পৰিচালিত বজাৰ অৰ্থনীতি আৰু গণতান্ত্ৰিক তথা ৰাজনৈতিক অধিকাৰ সম্প্ৰসাৰিত হোৱাত গুৰুত্ব আৰোপ কৰে।
- সামাজিক উদাৰবাদৰ অধীনত সকলোৰে লাভাংশ ব্যক্তি অধিকাৰৰ মাপকাঠিৰে জুখি চোৱা যায়। পুঁজিবাদী ব্যৱস্থাত সামাজিক উদাৰবাদী নীতিসমূহক বিশেষভাৱে আঁকোৱালি লোৱা হয়।
- সামাজিক উদাৰবাদী ধাৰণা আৰু দলসমূহক সাধাৰণতে চৰমপন্থা-বিৰোধী আৰু কেন্দ্ৰৰ বাওঁপন্থী ৰূপে গণ্য কৰা হয়। যুক্তৰাষ্ট্ৰত সামাজিক উদাৰবাদ অভিধাটোৱে সম্প্ৰতি সামাজিক আৰু সাংস্কৃতিক ৰক্ষণশীলতাৰ বিপৰীতে প্ৰগতিশীল তত্ত্ব আৰু সাংস্কৃতিক উদাৰবাদক চিহ্নিত কৰে। এতেকে এজন সামাজিক উদাৰবাদীয়ে আৰ্থিক নীতিসমূহৰ ক্ষেত্ৰত হস্তক্ষেপধৰ্মী অথবা উদাৰবাদী দৃষ্টিভংগী পোষণ কৰে।
- সামাজিক উদাৰবাদী চৰকাৰ এখনে সেয়েহে অৰ্থনৈতিক আৰু সামাজিক বিষয় যেনে দৰিদ্ৰতা, চিকিৎসা অৰ্থনৈতিক আৰু সামাজিক বিষয় যেনে দৰিদ্ৰতা, চিকিৎসা সেৱা, শিক্ষা আৰু জলবায়ু আদি চৰকাৰী মধ্যস্থতাৰ জৰিয়তে মীমাংসা কৰাৰ উপৰি ব্যক্তি স্বাধীনতা আৰু জলবায়ু আদি চৰকাৰী মধ্যস্থতাৰ জৰিয়তে মীমাংসা কৰাৰ উপৰি ব্যক্তি স্বাধীনতা আৰু স্বশাসনত গুৰুত্ব আৰোপ কৰে।
- ঊনৈশ শতিকাৰ শেষৰছোৱাৰ পৰা ১৯৬০ৰ দশকলৈ পৰিৱেশবাদৰ ধাৰণাটোৱে বহুকেইটা জাগৰণৰ ইংগিত বহন কৰিছিল যাৰ পৃষ্ঠপোষক আছিল সমাজৰ তথাকথিত সুখী চামটো যি বন্য প্ৰজাতি সংৰক্ষণ আদি বিষয়ত উদ্বেগ প্ৰকাশ কৰিছিল আৰু যাৰ বাবে সমাজৰ মূল্যায়নো এই বিষয়সমূহৰ উপৰি আন একো নাছিল।

৫.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Moore, E.C. (1913) : the Liberal Movement and Missions; the American Journal of Theology Vol. 17, (No.1), PP. 22-46.

৫.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ Ignaz Jastrow
২নং প্ৰশ্নৰ উত্তৰ ঃ Adam Smith
৩নং প্ৰশ্নৰ উত্তৰ ঃ L. T. Hobhouse, John A. Hobson

৫.১০ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন ঃ (উত্তৰ ১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ অৰ্থনৈতিক উদাৰবাদ তত্ত্ব কি?

প্ৰশ্ন ২ ঃ সামাজিক আন্দোলনৰ উদাৰবাদী প্ৰেক্ষাপত সম্পৰ্কে এটি আভাস দিয়ক।

(খ) বিশদ উত্তৰৰ প্ৰশ্ন ঃ (উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ সামাজিক উদাৰবাদ তত্ত্ব কি?

প্ৰশ্ন ২ ঃ পাৰিৱেশিক আন্দোলন বুলিলে কি বুজা যায়?

*** ***** ***

অধ্যায় ৬ ঃ নব্য সামাজিক আন্দোলনসমূহ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ নব্য সামাজিক আন্দোলনৰ আলেখলেখ ঃ বৈশিষ্ট্য আৰু বিষয়সমূহ
  ৬.৩.১ নব্য সামাজিক আন্দোলন তত্ব
  ৬.৩.২ নব্য সামাজিক আন্দোলনসমূহঃ বৈশিষ্ট আৰু বিষয়সমূহ
  ৬.৩.৩ সামাজিক আন্দোলনৰ নেতৃত্ব আৰু কৃতিত্ব
৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৫ অধিক জানিবলৈ
৬.৬ অগ্রগতিৰ খতিয়ান
৬.৭ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- নব্য সামাজিক আন্দোলন কি, ইয়াৰ চৰিত্র বা বৈশিষ্ট্য আৰু ইয়াৰ সৈতে সংগতি থকা বিষয়সমূহ জানিব পাৰিব।
- নব্য সামাজিক আন্দোলনৰ সৈতে জড়িত তাত্বিক উদ্দেশ্যেৰ বিষয়ে জানিব পাৰিব।
- সামাজিক আন্দোলনৰ নেতৃত্বৰ ধাৰণাটোৰ বিষয়ে বুজি পাব।

৬.২ পৰিচয়

ইয়াৰ পূর্বৰ খণ্ডত আমি সামাজিক আন্দোলন, ইয়াৰ সংজ্ঞা, বিভিন্ন ভাগ আৰু বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰিছিলো লগতে সামাজিক আন্দোলনৰ বিভিন্ন ভাগৰ বিষয়েও জ্ঞাত য'ত বিশেষ বিষয় আৰু উদাহৰণ দাঙি ধৰাৰ হৈছিল। নতুন সামাজিক আন্দোলনসমূহো সামাজিক আন্দোলনৰে নতুন আৰু প্রগতিশীল দৃষ্টিকোণ। পুৰণি সামাজিক আন্দোলনৰ সৈতে বিভিন্ন বিষয় , ধাৰণা আৰু তাত্বিক দিশৰ সৈতে পৃথক কৰিব পাৰি। এই খণ্ডত আমি নব্য সামাজিক আন্দোলন বা নতুন সামাজিক আন্দোলন সামগ্রিক দৃষ্টিকোণৰ বিষয়ে জানিব পাৰিম।

৬.৩ নব্য সামাজিক আন্দোলনৰ অৱলোকন ঃ বৈশিষ্ট্য আৰু বিষয়সমূহ

প্রায় ১০০ বছৰৰ পূর্বে ৰাজহুৱাভাৱে সামাজিক আন্দোলন যথেষ্ট কম আছিল, আঞ্চলিকভাৱে আছিল আৰু বিশেষভাৱে ইয়াক হিংসাত্মক বুলিও কোৱা হৈছিল। একেদৰে এখন ৰাজ্যৰ বিকাৰে সামাজিক আন্দোলনৰ ওপৰত প্রবাৱ পেলায়, য'ত পৰিসৰ বৃদ্ধি (আংশিকবাৱে বৃদ্ধি পোৱা সাক্ষৰতা, যোগাযোগৰ মাধ্যম আৰু বৃদ্ধি পোৱা জনবসতিৰ সামাজিক অৱস্থিতি) আৰু অবয়ব আৰু সংগঠন বৃদ্ধিৰ ফলত হিংসাত্মক ঘটনা হ্রাস পাবলৈ

ধৰে। অসাধাৰণ উপায়ৰ অবিহনে বা নিজৰ পথ বিচাৰি পাবৰ বাবে পর্যাপ্ত ৰূপত শক্তিশালী বতাহক সামাজিক আন্দোলনৰ সন্দর্ভত কিছু নতুন বুলি গণ্য কৰা যায়, যেনে— ইয়াৰ উদ্দেশ্যৰ পৰিসৰ, সেই ব্যক্তিসকলৰ প্রকাৰ, যিয়ে তেওঁলোকক প্রোথিত কৰি ৰাখে, আন্তর্জাতিক কৰিবৰ বাবে সম্ভাৱনাপূর্ণ কিছু নতুন আন্দোলনে সকলোৰে প্রতি সদভাব আৰু সুৰক্ষাৰ বাবে মানৱতাক অধিক অগ্রাধিকাৰ দি আহিছে। আন নতুন আন্দোলন ঐতিহাসিক ৰূপত পূর্ণ সামাজিক অংশীদাৰ ৰূপে প্রতিবন্ধী বা সমস্যাৰে পৰিপূর্ণ বিশেষ শিশুৰ অধিকাৰ হকে কাম কৰে। উদাহৰণস্বৰূপে ঃ সমলিংগীয় অধিকাৰ আন্দোলন। ইয়াত পুৰণি সামাজিক আন্দোলনৰ তুলনাৰ আন্তর্জাতিক বা বৈশ্বিকৰণৰ ক্ষমতা অধিক। নব্য সামাজিক আন্দোলনৰ সার্বজনীন উদ্দেশ্যসমূহ (উদাহাৰণসম্বৰূপে, পৰমাণু বিৰোধী আন্দোলন) প্রচাৰৰ বাবে প্রায়ে স্থানীয় তথা জাতীয় সীমা অতিক্রম কৰে।

৬.৩.১ নব্য সামাজিক আন্দোলন তত্ত্ব

নব্য সামাজিক আন্দোলন তত্ত্ব ইউৰোপত প্রথমে সম্প্রসাৰণ ঘটিছিল কিয়নো বৃহৎ সংখ্যক লোকেম ১৯৬০ আৰু ১৯৭০ দশকত মার্ক্সবাদী শ্রেণীৰ সংঘর্ষৰ আর্হিক স্বীকাৰ কৰা নাছিল। এই আর্হি সংস্থাপনৰ বাবে নব্য সামাজিক আন্দোলনৰ সূচনা হৈছিল, এইসকলে ইউৰোপীয়ান সামাজিক আন্দোলন দমনমূলক আর্হিৰ অংশ আছিল।

কোৱা যায় যে, নব্য সামাজিক আন্দোলনসমূহ বা সমগ্র ব্যক্তিত্ব, গুণাগুণ আৰু জীৱনৰ মানদণ্ডৰ অধিক গুৰুত্ব দিবৰ বাবে আৰু গঢ়ি তোলা বিশ্বাস বা বিচাৰধাৰাৰ সম্প্রসাৰণত গুৰুত্ব প্রদান কৰা হয় আৰু বনুৱা শ্রেণীৰ বিশেষ অঞ্চলৰ তুলনাৰ বাবে মধ্য বা মাজৰ পৰা অধিক কিশিত কৰাৰ বাবে সমাধান সূত্র অন্তর্ভূক্ত হয়। জার্মানীৰ গ্রীণ পার্টীৰ পৰিপার্শ্বিক সমন্বয়ৰ বিষয়স নাৰীবাদ আৰু জীৱনৰ বিকল্প অবৈধ উপভোক্তাবাদী পদ্ধতিৰ অধিক উচ্চাৰণৰ সৈতে নিয়মীয়াভাৱে চিত্রায়ন কৰা হয়, যি এক ব্যাপক, সাধাৰণ সামাজিক মুক্তি বা অৱকাশৰ বাবে প্রয়াস চলোৱা নব্য সামাজিক আন্দোলনৰ মহামিলন ঘটোৱা বিভিন্ন পন্থাসমূহ প্রদর্শিত বা চিত্রিত হয়।

একাংশ নব্য সামাজিক আন্দোলনৰ সূত্রধাৰে এক ঔদ্যোগিক, প্রথমে ঐদ্যোগিক (হেনৰী ফর্ডৰ ক্রমিক নির্মাণ প্রণালীৰ পিছত)ৰ এক 'পোষ্ট ইণ্ড্রাষ্ট্রীয়েল, 'পোষ্ট মর্ডাণ বা পোষ্ট ফর্ডিষ্টৰ ওপৰত আধাৰিত বিশ্বৰ প্রথম আর্থিক লক্ষ্যৰ এক সমাজোজন বা সংযোজন নির্ধাৰিত কৰা হয়।

'অর্থব্যৱস্থাত সেৱা ক্ষেত্রত বাবে আৰু অধিক গুৰুত্ব প্রদান উদাহৰণস্বৰূপে ফাষ্টফুড ৰেষ্টোৰা) আৰু কম্পিউটাৰ নির্ভৰশীল ডাটা উদ্যোগে মূল শক্তিৰূপে নতুন আন্দোলনক ইন্ধন যোগাইছে। পুৰণি সামাজিক আন্দোলনৰ বিপৰীতে নব্য সামাজিক আন্দোলনত সমাজৰ নতুন বিভিন্নতা বা বিবিধতা, ব্যক্তি আৰু ৰাজ্যৰ মাজত ভাবধাৰা দ্বাৰা গঢ় লৈ উঠে।' নতুন গুণাগুণ তত্বৰ মার্গদর্শকসকলে বিশ্বাস কৰে যে আর্থিক উৎকর্সৰ স্থিতি আৰু ৰাজনৈতিক সুৰক্ষাই ভৌতিক গুণাগুণত জোৰ দিয়াৰ লগতে সৌন্দর্যবোধ, আত্মস্বীকৃতি, উচ্চস্তৰৰ নান্দনিক আৰু কল্পিত প্রয়োজনত প্রতিফলিত কৰি পোষ্ট বস্তুবাদী সন্মান অর্জনৰ বাবে পৰিচালিত কৰে। এই পদ্ধতিৰ দৃষ্টিকোণে শ্রেণীৰ হিতসাধন কৰি (অথবা ইয়াক অশ্রেণীলৈ পৰিৱর্তন কৰে আৰু শ্রেণীৰ বৈষম্য পৰিহাৰ কৰি মানুহৰ হিতৰ বাবে) ধ্যান কেন্দ্রিভূত কৰা হয়।

৬.৩.২ নব্য সামাজিক আন্দোলন ঃ বৈশিষ্ট আৰু বিষয়সমূহ

নব্য সামাজিক আন্দোলনৰ আটাইতকৈ সহজে চিনাক্ত কৰিব পৰা বিষয় আছিল যে মৌলিক

ৰূপত সাংস্কৃতিক আৰু সামাজিক কাৰক যদিহে অন্য তেন্তে সেয়া কেৱল ৰাজনৈতিক। শ্ৰমিক আন্দোলনৰ পৰা পিছ হোহুকা, যি সাধাৰণ ৰাইজৰ কায চপাই নিয়াৰ ৰাজনৈতিক বিন্দুৰ এক অভিন্ন অংগ আছিল আৰু শ্ৰমিকৰ বাবে প্ৰস্তুত কৰা হৈছিল। নব্য সামাজিক আন্দোলন সাংস্কৃতিক প্ৰগতিৰ মাধ্যম ৰূপে সমাজ সংযোজনত সঠিক ৰূপ দিয়ে, জীৱনত ন-ৰূপ যত পৰিৱৰ্তন আৰু উন্নীতকৰণত কেন্দ্ৰিত কৰি ৰখা হয়। হেবাৰমাছ (Habermas) স্পষ্ট ৰূপত প্ৰকাশ কৰিছে যে নব্য সামাজিক গতিবিধিয়েই 'নতুন ৰাজনৈতিক' যি ব্যক্তিগত সন্তুষ্টি, আত্মস্বীকৃতি আৰু মানৱ অধিকাৰৰ সৈতে জড়িত। আনহাতে পুৰণি ৰাজনীতি, আৰ্থিক, ৰাজনৈতিক আৰু সেনা বাহিনীৰ সুৰক্ষাৰ ওপৰত কেন্দ্ৰিতভূত হৈ আছিল। সমলিংগীয় স্বাধীনতাৰ নতুন ৰাজনীতিৰ আচৰণ অনুকৰণীয় ৰূপে গ্ৰহণ কৰা হয়, যাৰ কেন্দ্ৰবিন্দু সমলিংগীয় অধিকাৰৰ ৰাজনৈতিক বিষয় ওপৰলৈ গৈ সামাজিক আৰু সাংস্কৃতিক স্বীকৃতিৰ প্ৰয়োজনীয়তা আছে। ফলস্বৰূপে নব্য সামাজিক আন্দোলনক 'নতুন' ৰূপত বুজা যায়, কিয়নো ইয়াত সমাজত বিশেষভাৱে গুৰুত্ব দিয়া হয়, ইয়াক গৰিষ্ঠসংখ্যক লোকক আৰ্থিক প্ৰভাৱ পেলোৱা আন্দোলনৰ দৰে গুৰুত্ব লাভ কৰে। এইদৰে নব্য সামাজিক আন্দোলনে বস্তুগত সম্পত্তিৰ সলনি বা সমকামী বা সমলিংগীয় আৰু পিছত উদ্যোগিক সমাজত সামগ্ৰীৰ পিছতে গুণাগুণে গতি লাভ কৰে। মেলুকীৰ মতে, (প্ৰধান নব্য সামাজিক আন্দোলনৰ সূত্ৰধাৰসকলৰ মাজৰ এজন) এই আন্দোলন উৎপাদন আৰু বিতৰণৰ সম্বন্ধৰ সৈতে সম্পৰ্কিত নহয় বা সৃষ্টি হোৱা নাই। একেদৰে সামাজিক সম্বন্ধ, প্ৰতিচ্ছবি আৰু ব্যক্তিত্বৰ সাংস্কৃতিক উৎপাদনৰ বাবে প্ৰচাৰ বা প্ৰসাৰৰ বাবে এটা নিয়মৰ ৰূপত আৰ্থিক সংসাধন প্ৰস্তুতৰ গুৰুত্ব বৃদ্ধি পালে। দিদাস্তৰ সমকালনী সামাজিক আন্দোলন উদ্যোগপতিয়ে বা ধনীক শ্ৰেণীয়ে সামাজিক বিচাৰধাৰা ব্যৱসায়িকৰণৰ দৃষ্টিভংগী নাকচ কৰে। বিপৰীতে সুসমৃদ্ধিৰ সন্ধান আৰু উপলব্ধি, বিকাশ, প্ৰগতী আৰু সম্প্ৰসাৰিত দক্ষতা বিকল্প গুণাগুণ আৰু সমাজ ব্যৱস্থাৰ সম্বন্ধ আদি বিষয়সমূহে গুৰুত্ব লাভ কৰে। তাৰ উপৰি নব্য সামাজিক আন্দোলন, সমাজ বা সাংস্কৃতিক ক্ষেত্ৰৰ পৰা ওলাই আহি বাহ্যিক গতিবিধিৰ পৰিধি ভাঙি এক মহত্বপূৰ্ণ ক্ষেত্ৰৰূপে দেখা দিয়ে। যাক ক্লজ অফে 'ৰাজ্যৰ বাইপাছ (ইং)' ৰূপে ব্যাখ্যা কৰিছিল। তাৰ উপৰি নব্য সামাজিক আন্দোলনে পোনপটীয়াকৈ ৰাজ্যৰ নিৰিক্ষণক লৈ চিন্তিত নহয়। ইয়াক অত্যাচাৰী ৰূপ লোৱা লোকসকলক শত্ৰুতাপূৰ্ণ আৰু প্ৰতিষ্ঠানগত স্তৰত তীব্ৰ ৰূপত বিৰোধ কৰা দেখা যায়। ইয়াত এক বিষয়ে সাৰ্বজনিকভাৱে চৰ্চিত হয় অথবা একানপটীয়া বিস্তাৰকৰ সৈতে জড়িত বিষয়কো চুই যায়। নব্য সামাজিক আন্দোলনৰ পৰিধি বা আঁতৰত থকাসকলৰ হিত সাধনৰ বাবে আঁচনি প্ৰস্তুত কৰি তাক ব্যৱসায়িক ৰূপ দিয়াৰ চেষ্টা কৰা হয়। এই 'সমীপৰ আৰু বিষয়ভিত্তিক' ট্ৰেডমাৰ্কৰ দ্বাৰা গম পোৱা যায় যে নব্য আন্দোলন বাস্তৱিকতে নিজৰ লক্ষ্য পূৰণৰ বাবে এক দৃঢ় বিশ্বাস প্ৰণালী বা সহমতৰ প্ৰয়োজনীয়তা নাই।

তাৰ উপৰিও যদি পুৰণি সামাজিক আন্দোলনে বিশেষ ৰূপত শ্ৰমিকৰ আন্দোলন এক শ্ৰমিক শ্ৰেণীৰ আধাৰ আৰু ভাৱধাৰা গ্ৰহণ কৰে, তেন্তে নব্য সামাজিক আন্দোলনে এক বিকল্প সামাজিক শ্ৰেণীৰ আধাৰত আকৰ্ষিত কৰাৰ দিশে অগ্ৰসৰ হয়, যাক কোৱা হয় 'নতুন কক্ষ বা শ্ৰেণী'। ই এক সম্পূৰ্ণ অপ্ৰত্যাশিত কথা। সমকালীন ৰচনাসমূহ যাক অফে নিজৰ সংগঠনটোক 'ত্ৰিপল' ৰূপত চিহ্নিত কৰিছিল নতুন মধ্য শ্ৰেণী, পুৰণি মধ্য শ্ৰেণী গুৰুত্ব আৰু শ্ৰম বজাৰৰ বাহিৰৰ পৰিধীসমূহ। যেনেদৰে অফে ব্যাখ্যা কৰিছিল যে নতুন মধ্য শ্ৰেণীৰ নতুন সামাজিক আন্দোলনে নিজৰ মহত্বপূৰ্ণ শিক্ষাৰ স্তৰৰ আৰু ডাটা আৰু সম্পদৰ প্ৰৱেশ দ্বাৰ বিবেচনা কৰি নব্য সামাজিক আন্দোলনে পূৰ্বৰ সৈতে সম্পৰ্ক গঢ়ি তোলে। শ্ৰম বজাৰৰত যিদৰে লোকজনক দলসমূহ যিমান নিম্নতম, উদাহৰণস্বৰূপে ছাত্ৰ, গৃহিনী অথবা নিবুৱাই অৱসৰৰ

সময় আৰু উন্নত স্তৰৰ ফালে গতি কৰে, ঠিক সেইদৰে আমোলাতান্ত্রিক নিয়ন্ত্রণ বহন কৰিবলৈ বাধ্য কৰাৰ পৰিস্থিতিৰ হিচাপে সমগ্রিক ক্রীয়া কলাপত অংশ নলয়। আনকি তাৰ শক্তিহীনতা সম্পূর্ণৰূপে কর্মসংস্থাপন আৰু খৰচ হিচাপে সমাজৰ বিশেষ গুৰুত্ব দখল কৰা।

নব্য সামাজিক আন্দোলন শব্দটো কুইয়াৰ আন্দোলন, দলিত আন্দোলন, বিৰোধীৰ প্রচেষ্টা অথবা ব্যক্তিৰ বিজ্ঞান আন্দোলন ইত্যাদিৰ দৰে আন্দোলনে উদাহৰণ ৰূপে দৃষ্টান্ত দাঙি ধৰিছে।

৬.৩.৩ সামাজিক আন্দোলনৰ নেতৃত্ব আৰু কৃতিত্ব

সামাজিক আন্দোলনৰ নেতাসকল কোনো এজেণ্ট নহয়, ৰাইজে বহুবাৰ কাষৰ পৰা পাইছে। ভি আই লেনিন, মহাত্মা গান্ধী, মার্টিন লুথাৰ কিং, জুনিয়ৰ আৰু বেটী ফ্রিডেন সম্পূর্ণৰূপে সামাজিক আন্দোলনৰ নেতা আছিল, এই বিষয়টোক ধ্যন দিব লাগিব যে নব্য সামাজিক আন্দোলন বিকেন্দ্রিভুত আন্দোনল, কোনো সিদ্ধান্ত লোৱা ক্ষেত্রত নিজকে নেতৃত্ব বা দায়িত্ববাহিক ৰিজোৱা উচিত নহয়। (পিচাৰর্ডো, ১৯৯৭)। উল্লেখ্য যে সার্বজনীন ৰূপত সামাজিক আন্দোলন নেতা, শিক্ষিত মধ্যবিত্ত আৰু উচ্চশ্রেণীৰ পৰাই উৎপন্ন হয়। অধিকাংশ পুৰুষ লোকে অংশ লোৱা লগতে পূর্ণ সমর্থন আগবঢ়ায় অথবা জাতীয়তাবাদ অনুভৱ কৰে। পৰিপুষ্টি মূল ৰূপত যদিও বিকশিত পশ্চিমীয়া দেশৰ সৌধ বা চিন্তাৰ ওপৰত নির্ভৰশীল। দৰিদ্র আৰু অ-পশ্চিমীয়া দেশৰ আন্দোলন আৰু প্রগতিশীল নেতাৰ অধ্যয়ন এই ধৰণে প্রস্তালিত কৰা হৈছে যাতে, এক বৃহৎ পৰিমাণৰ অংশ বা মাধ্যম অথবা উচ্চ বর্গ অনুৰাগীতকৈ অধিক মানসম্পন্ন বা শৈক্ষিক অর্হতা থাকে।

অধিক স্পষ্ট ৰূপত নির্বাচিত ক্ষেত্রত ধাতৱ বা মৌত্রিক সম্পত্তি, সময়ৰ সৈতে নেতা আৰু সামাজিক সম্পর্কৰ নিয়মীয়াভাৱে জনসমর্থন বা সংখ্যাগৰিষ্ঠতাৰ বাবে ব্যৱহৃত হয়। এয়া যথেষ্ট তাৎপর্যপূর্ণ কিয়নো সামাজিক আন্দোলন সাধাৰণতে দৰিদ্র, নীপিড়ীতৰ কল্যাণৰ বাবে চেম্পিয়ন বা বিজয়ী কৰোৱা হয়। যিকোনো পিৰিস্থিতিত, আমি স্বীকাৰ কৰো যে শৈক্ষিক পুঁজি এক গুৰুত্বপূর্ণ অংশ যি সামাজিক আন্দোলনৰ নেতাই তেওঁৰ বিশেষ ক্ষমতাপ্রাপ্ত পৃষ্ঠভূমি লাভ কৰে। ক্ষমতাশালী হোৱাৰ বাবে সামাজিক আন্দোলনৰ প্রয়োজনীয়তা আছে যাতে সামাজিক আন্দোলনৰ বিদ্বান বা বিজ্ঞজনৰ ক্ষোভ আশ্চর্যজনকভাৱে ভাল বুলি প্রদর্শিত কৰা হয়। সামাজিক আন্দোলন অভ্যাসৰ দ্বাৰা গঢ়া নীতি আৰু নিবেশ বিচাৰধাৰাৰ মাজত এক বৃহৎ সংখ্যক লোকে চর্চা অব্যাহত ৰখা, কোৱা, গর্ভধাৰণৰ পদ্ধতি আৰু কার্যপ্রণালী, নতুন ৰূপত স্থানীয়, ৰাষ্ট্রীয় আৰু সমগ্র বিশ্বাব্যাপী দৃশ্যসমূহ একাত্রিত কৰা ডাটাসমূহৰ সমাবেশ ঘটোৱা, নিজৰ চৌপাশৰ বিভিন্ন ক্ষেত্রত বিজ্ঞজনৰ সৈতে বার্তালাপ আৰু এক্সটেম্প'ৰাইজিং আৰু ভাৱনা-চিন্তাক নির্মাণ আৰু প্রদর্শনৰ কাৰণ বৃদ্ধিৰ লগতে মূল ৰূপতকৈ অধিক সমৃদ্ধিশালী হ'ব লাগিব। ভাষা বা আন বিষয়ৰ নিয়ন্ত্রণ এই বিষয়বস্তুৰ বাবে অতি গুৰুত্বপূর্ণ। আনুষ্ঠানিক শিক্ষা, বিশেষভাৱে বিশ্ববিদ্যালয় স্তৰত প্রাথমিকভাৱে প্রয়োজনীয় বুলি গণ্য কৰা হয়। যাৰ দ্বাৰা এজন ব্যক্তিৰ সুৰক্ষিত ব্যক্তিত্ব সৃষ্টি আৰু নান্দনিক দৃষ্টিভংগী আৰু মহাবিদ্যালয়ক অধিক সুৰক্ষিত কৰে। বিশ্ববিদ্যালয়ৰ এনে গাঁথনিয়ে জনসমাজত নতুন চিন্তাৰ খোৰাক যোগায়।

এই শৈক্ষিক ক্ষমতাই গান্ধীজীক এক অস্ত্র ৰূপে কাম দিলে, যিয়ে শান্তিপূর্ণবাৰে পোনপটীয়া নিৰীক্ষণত সহায় কৰিছিল। তেওঁমার্টিন লুথাৰ কিঙৰ 'আই হেড এ ড্রীর্ম বাক্যশাৰীৰ অন্তর্নির্হিত ভাৱনা বুজি পাইছিল য'ত তেওঁ নাগৰিকৰ অধিকাৰে আন্দোলনৰ তীব্রতা বৃদ্ধি কৰি আমেৰিকান সংস্কৃতিক প্রভাৱিত কৰা দেখা পাইছিল। তেওঁ ফেডনৰ দ্য ফেমিনি মিষ্টিকৰ

চিন্তাধাৰাতো বিশ্বাসী আছিল, যিয়ে মহিলাক সমস্যাৰ কোনো নাম নাই বুলি নিদিত কৰিছিল। তেওঁ ফেলিছ শ্লাফলীৰ চর্চিত ক্ষমতাত চমকিত হৈছিল, য'ত সম অধিকাৰে শেষ হাঁহি মাৰিছিল।

সামাজিক আন্দোলন সামাজিক লোকৰ সমগ্ৰ গিতিবিধিক সংগঠিত, স্থাপন অথবা নষ্ট কৰিবৰ বাবে বিভিন্ন শক্তিয়ে গা কৰি উঠে। অধ্যয়নৰ পৰা গম পোৱা গৈছেঠ যে সমসাময়িক সামাজিক আন্দোলনৰ নেতাসকল সমাজ বিজ্ঞানী আৰু বিভিন্ন শ্ৰেণীৰ আগশাৰীৰ ব্যক্তি, যিয়ে সমাজৰ হৈ কাম কৰে। ইয়াৰ অর্থ এইটো নহয় যে সকলো আন্দোলনকাৰী নেতা উচ্চ শিক্ষিত ব্যক্তি অথবা বিশেষ ক্ষমতা লাভ কৰিছিল অথবা সমাজে আগবঢ়াই দিছিল। প্ৰথম অৱস্থাত ইয়াৰ পূর্ণ বিকাশ হোৱা নাছিল যদিও দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ইউৰোপ আৰু উত্তৰ আমোৰিকালৈ আমূল পৰিৱর্তন আহিল। একেদৰে আন্দোলনকাৰী নেতাসকল আন্দোলনটোৰ আটাইতক শৃংখলাবদ্ধ অথবা আটাইতকৈ উপযুক্ত ব্যক্তি এনেও নহয়। কোনো সন্দেহ নকৰাকৈ যিসকল দৰিদ্ৰ পৰিয়ালৰ অথবা শ্ৰমিকৰ ঘৰৰ, সেইসকল লোক ওলাই আহিছিল। এই সমগ্ৰ লোকসকলৰ কল্যাণৰ বাবে আছে ন্যায্যপ্ৰাপ্তিৰ বাবে তেওঁলোকৰ সামাজিক কোনো অথবা পৰিৱেশ তৈয়াৰ কৰাৰ অভিপ্ৰায় প্ৰশংসনীয়। অৱশ্যে আমি স্বীকাৰ কৰিবই লাগিব যে,যিকোনো এটা ঘটনা উল্লেখ কৰাটো প্ৰয়োজন, যিসকল ব্যক্তি কামত আগৰণুৱা আৰু নিম্ন শ্ৰেণীৰ তেওঁলোকৰ বাবে শৈক্ষিক পুঁজি নিশ্চয় গুৰুত্বপূর্ণ। ব্ৰাজিলৰ গ্ৰামীণ ভূমিহীন শ্ৰমিকৰ আন্দোলনক নেতৃত্বৰ অধ্যয়নত বেল্টমেয়াৰ আৰু পেট্ৰছে লক্ষ্য কৰিছিল যে গাঁওসমূহৰ সক্ৰিয়তা নেতাজনৰ পূর্বৰ ভৰপূৰ বা অতি ব্যস্ততাৰ সম্পূর্ণ বিপৰীত দৃশ্য দেখা যায়। য'ত এই নেতাসকলৰ আন্দোলনৰ গুৰি ধৰোতা ৰূপে পোৱা নাযায় বিপৰীতে কৃষকসকলে ইয়াৰ আৰম্ভণি কৰিছিল। চহৰত মধ্যবিত্তসকলে নেতৃত্বত লৈছিল যদিও এই সকলো এক বিশেষ শ্ৰেণী বা নির্দিষ্ট পর্যায়লৈকে শিক্ষিত আছিল আৰু শিক্ষাৰ সৈতে আগবাঢ়িবলৈ বিশেষ প্ৰয়াস চলাইছিল। এটা ভাল লক্ষ্য যে এই নেতাসকলৰ পদক্ষেপ তেওঁলোকে এক নতুন দিশ দেখিছিল আৰু এই প্ৰচেষ্টা বিশেষ মহত্ব বহন কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত বিশ্ববিদ্যালয়ত মহিলাৰ প্ৰৱেশ ঘটিল। লগে লগে মহিলাৰ সন্দর্ভত পূর্বে থকা ধাৰণা সলনি হ'ল। সকলোৱে বিষয়টোৰ ওপৰত গুৰুত্ব দিলে আৰু শৈক্ষিক পুঁজি গঠনৰ নতুন দিগন্তৰ উন্মেষ ঘটিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ নব্য সামাজিক আন্দোলন তত্ত্বৰ জন্ম আৰু বিচাৰধাৰা চমুকৈ প্ৰকাশ কৰক।

.....

প্ৰশ্ন নং ২ ঃ এটা সামাজিক আন্দোলনক নতুন ৰূপে নির্ধাৰণ কৰাৰ মানদণ্ডসমূহ উল্লেখ কৰা।

.....

প্ৰশ্ন নং ৩ ঃ নব্য আৰু পুৰণি সামাজিক আন্দোলনৰ মাজৰ পার্থক্য উল্লেখ কৰা।

.....

৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক আন্দোলনসমূহ বিদ্রোহ, আহ্বান, ধর্মঘট, প্ৰদর্শন তথা ৰাজনৈতিক দলসমূহ, সমিতি আৰু বিভিন্ন উদ্দেশ্যত ৰাজনৈতিক দল গঠন, সংঘবদ্ধকৰণ, প্ৰতিবাদ তথা প্ৰদর্শন কৰাৰ মাধ্যম ৰূপে

সামাজিক অংশ বা সমগ্র সামাজিক পৰিৱৰ্তনৰ সন্মিলিত প্ৰচেষ্টাৰ সমাপ্তি ঘটাইছে।

- নব্য সামাজিক আন্দোলনৰ বিকাশ ১৯৬০-৭০ৰ সময়ছোৱাত হৈছিল। সামাজিক আন্দোলন হ'ল কোনো ব্যক্তিৰ সামাজিক পৰিৱৰ্তন অনুধাবনৰ বাবে এক সংগঠিত প্ৰয়াস। বহু লোকেই বিভিন্ন ধৰণেৰে প্ৰতিবাদৰ মাজেৰে সংযোগ স্থাপনৰ চেষ্টা কৰে। নতুন সামাজিক আন্দোলন সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দৃষ্টিভংগীৰ বাহে অতি গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত কৰে। নতুন আন্দোলনৰ পৰিচয় বিচাৰ, জীৱনধাৰা আৰু সাংস্কৃতিক পৰিৱৰ্তনৰ ওপৰত বিশেষভাৱে জোৰ দিয়ে। আধুনিক সামাজিক আন্দোলনৰ কোনো গাঁথনিগত পৰিকাঠামো নহয় যে ই এক সামাজিক বিস্ময়।
- নব্য সামাজিক আন্দোলন শব্দ গে বা সমকামী আন্দোলন, দলিত আন্দোলন, যুদ্ধবিৰোধী প্ৰয়াস আৰু ব্যক্তিগত বিজ্ঞান আন্দোলনৰ দৰে পদক্ষেপত ব্যৱহাৰ হয়।
- নব্য সামাজিক আন্দোলন তত্ত্ব প্ৰথমে ইউৰোপত বিকশিত হৈছিল। ১৯৬০-১৯৭০ৰ মাজৰ সময়ছোৱাত গঢ় লোৱা বিভিন্ন বৃহৎ আন্দোলনসমূহৰ বিষয়ে স্পষ্টতা আনিবলৈ এই আন্দোলনৰ সূচনা হৈছিল, যিয়ে মাৰ্কিয়ান ক্লাছ তত্ত্বৰ আৰ্হিত দেখা নগৈছিল যি আন ইউৰোপিয়ান সামাজিক আন্দোলন তত্ত্বৰ দ্বাৰা প্ৰভাৱিত হৈছিল।
- সামাজিক আন্দোলনৰ নেতাসকল কোনো ৰাইজৰ এজেণ্ট সমন্বয়ক নহয় অথবা তাৰ নেতৃত্বাধীন জনগোষ্ঠীয় নেতৃত্বও নহয়। লেনিন, মহাত্মা গান্ধী, মাৰ্টিন লুথাৰ কিং জুনিয়ৰ আৰু বেটী ফ্ৰিডান আছিল বিভিন্ন ক্ষেত্ৰত সামাজিক আন্দোলনৰ নেতা।
- আমি দেখা পাও যে সামাজিক আন্দোলনৰ নেতাসকল সাধাৰণতে মধ্যম আৰু উচ্চ শ্ৰেণীৰ শিক্ষিত ব্যক্তি। বিশেষভাৱে পুৰুষসকলে নিজৰ আত্মপক্ষৰ সমৰ্থনত বাহিৰলৈ ওলাই অহা দেখা যায়। এই নিশ্চয়তা মূলতঃ উন্নত পশ্চিমীয়া দেশবোৰৰ গৱেষণাৰ ওপৰত নিৰ্ভৰ কৰে। আনহাতে, দৰিদ্ৰ আৰু অ-পশ্চিমীয়া দেশবোৰে আন্দোলন তথা প্ৰগতিশীল নেতাৰ সমীক্ষা একেদৰে প্ৰস্তাৱ দিয়ে যে এক বৃহত্তৰ অংশ মধ্যবিত্ত তথা ধনী শ্ৰেণীৰ, তাৰ অনুৰাগী বা অনুসৰণকাৰীৰ তুলনাত অধিক শিক্ষানবিচ আছে।
- ইয়াৰ অৰ্থ এইটো নহয় যে সকলো আন্দোলনৰ নেতাই বিশেষাধিকাৰপ্ৰাপ্ত শ্ৰেণীৰ অথবা উচ্চ শিক্ষা প্ৰাপক আৰু সঞ্চালক বা নেতৃত্ব লোৱাসকল বিস্তৃত সময়ৰ বাবে সৰ্বশ্ৰেষ্ট নেতা। অৱশ্যে আমি স্বীকাৰ কৰিবই লাগিব যে কোনো এজন লোকক নেতা ৰূপে উত্তৰণৰ বাবে শৈক্ষিক পুঁজি অতি গুৰুত্বপূৰ্ণ।

৬.৫ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Eder, K. (1985). The new social movement : Moral crusades, Political pressure groups, or social movement? Social research.
2. Mc Adam, D. (1982). Political Process and the Development of Black Insurgency 1930-1970. Chicago : University of Chicago Press.
3. Melucie, A. (1988). Social movements and the democratisation of everyday life. in J. Keane (ed.) Civil Society and the state. London : Verso 245-60.

৬.৬ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ নব্য সামাজিক আন্দোলন তত্ত্ব প্ৰথমে ইউৰোপত বিকশিত হৈছিল। ১৯৬০-১৯৭০ৰ মাজৰ সময়ছোৱাত গঢ় লোৱা বিভিন্ন বৃহৎ আন্দোলনসমূহৰ বিষয়ে স্পষ্টতা আনিবলৈ এই আন্দোলনৰ সূচনা হৈছিল, যিয়ে মাৰ্কিয়ান ক্লাছ তত্ত্বৰ আৰ্হিত দেখা নগৈছিল যি আন ইউৰোপিয়ান সামাজিক আন্দোলন তত্ত্বৰ দ্বাৰা প্ৰভাৱিত হৈছিল।

২নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক আন্দোলনক নতুন ৰূপে গণ্য কৰা হৈছিল, য'ত বিভিন্ন কাৰকে প্ৰভাৱ পেলাইছিল। উদাহৰণস্বৰূপে বিষয়বস্তুৰ গভীৰতা, কি ধৰণৰ বিষয়বস্তু নিৰ্বাচন কৰে আৰু বৈশ্বিক ৰাজনৈতিক প্ৰক্ৰিয়াৰ সৈতে থকা সম্ভাৱনা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ যদি পুৰণি সামাজিক আন্দোলনসমূহ বিশেষভাৱে শ্ৰমিকৰ আন্দোলন এক শ্ৰমিক শ্ৰেণীৰ ভিত্তিত বিশ্বাসী হৈ উঠে, তেতিয়াই নব্য সামাজিক আন্দোলনসমূহ বিকল্প সামাজিক শ্ৰেণীভিত্তিক হৈ পৰে অৰ্থাৎ "নতুন শ্ৰেণী" অধিক সাহসী হৈ পৰে।

৬.৭ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখিব লাগিব)

প্ৰশ্ন ১ ঃ নব্য সামাজিক আন্দোলনৰ বৈশিষ্ট্যসমূহ কি কি?

খ) দীঘল প্ৰশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখিব লাগিব)

প্ৰশ্ন ১ ঃ নব্য সামাজিক আন্দোলনৰ কৃতিত্বসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ নব্য সামাজিক আন্দোলনৰ নেতৃত্বৰ বিষয়ে ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ ধর্মীয় আন্দোলন

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ ভাৰতত ধর্মীয় আন্দোলনৰ উদ্ভৱ
৭.৪ ভাৰতত ধর্মীয় আন্দোলন উদ্ভৱৰ কাৰণ
৭.৫ ভাৰতত সংঘটিত ধর্মীয় আন্দোলনৰ ওপৰত আলোকপাত ঃ বিভিন্ন দিশ আৰু ফলাফল
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্রগতিৰ খতিয়ান
৭.৯ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতত ধর্মীয় আন্দোলনৰ পটভূমি জানিব পাৰিব
- ভাৰতত হোৱা বিভিন্ন আন্দোলনৰ বিষয়ে এক সামগ্রিক ধাৰণা লাভ কৰিব
- ভাৰতত সংঘটিত এনে আন্দোলনৰ কাৰণ আৰু প্রয়োজন সম্পর্কে অৱগত হ'ব।

৭.২ পৰিচয়

ইতিহাসৰ বিভিন্ন সময়ত ধর্মীয় উপাদান আৰু এই উপাদানৰ সৈতে সমাজৰ নিকট সম্পর্কই মানুহৰ সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক দিশসমূহ গঠন কৰাৰ ক্ষেত্রত গুৰুত্বপূর্ণ কাৰক হিচাপে চিহ্নিত হৈছে। সেয়েহে ধর্মীয় মতবাদৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা আন্দোলনসমূহ সামাজিক বিৱর্তনৰ এক প্রয়োজনীয় আহিলা হৈ পৰিছে। এই অধ্যায়টোত আমি ভাৰতত সংঘটিত ধর্মীয় সংস্কাৰ আন্দোলন, ইয়াৰ পটভূমি, উত্থাপন, কাৰক আদি সম্পর্কে আলোচনা কৰিম।

৭.৩ ভাৰতত ধর্মীয় আন্দোলনৰ উদ্ভৱ

প্রাৰম্ভিকতে এইটো স্বীকাৰ কৰা উচিত যে ভাৰত হৈছে বিচিত্র সংস্কৃতি, সমাজ, ভাষা আৰু ধর্মৰ বাসভূমি। এই বৈচিত্রই সমাজত বিভিন্ন বর্গৰ সৃষ্টি কৰা সামাজিক ব্যাধি যেনে জাতি ভেদ প্রথা, সতীদাহ প্রথা, পর্দা প্রথা আদিক সামৰি লৈছে। বিভিন্ন সামাজিক-ধর্মীয় কাৰকে সামাজিক বিকাশত বাধা দি আহিছে। ইতিহাসৰ পৰা এই কথা জানিব পাৰি যে ভাৰতীয় সমাজৰ বিভিন্ন অংশ যথেষ্ট কঠোৰ আছিল আৰু মানৱীয়তাৰ বিৰুদ্ধে বহু ৰীতি অনুসৰণ কৰি আহিছিল। সামাজিক দুর্ভাৱনাৰ এনে এক স্তৰত দেশত সমাজ পৰিৱর্তনৰ প্রয়োজনীয়তাও গভীৰভাৱে অনুভূত হৈছিল।

সামাজিক সংস্কাৰ ধর্মীয় ক্ষেত্রত কৰা পৰিৱর্তনৰ বাবে কৰা সংগ্রামৰ জৰিয়তে আৰম্ভ হৈছিল। এই কথা

দৃঢ়ভাৱে বিশ্বাস কৰা হৈছিল যে সামাজিক ব্যাধিসমূহৰ মূলতে আছে ধর্মীয় নীতিসমূহ যিবোৰ পশ্চাৎমুখী আছিল। এনে ধৰণৰ পশ্চাৎমুখী প্রথাসমূহে নিম্নশ্রেণীৰ মহিলা, ব্যক্তিসকলক বিভিন্ন বর্গত আৱদ্ধ কৰি সমাজৰ বিকাশত বাধাৰ সৃষ্টি কৰিছিল। সংস্কাৰকসকলৰ মতে সমাজখন উভয় পুৰুষ আৰু মহিলাৰ স্বাধীনতা আৰু সমতাৰ ওপৰত প্রতিষ্ঠিত হ'ব লাগে আৰু এইটো সম্ভৱ কেৱল আধুনিক উদাৰনৈতিক দর্শন আৰু বৈজ্ঞানিক শিক্ষাৰ প্রসাৰৰ জৰিয়তে। ভাৰতৰ বিভিন্ন অংশত আৰম্ভ হোৱা আন্দোলন ধর্মীয়-সামাজিক আন্দোলন হিচাপে জনা যায়। ঊনবিংশ শতিকাৰ সংস্কাৰসকলে এই কথা অনুভৱ কৰিব পাৰিছিল যে সমাজখনক নতুন ধৰণে গঢ়ি নোতোলাকৈ কোনো পৰিৱর্তন সম্ভৱ নহয়। সংস্কাৰকসকলে গোড়া ভাৰতীয়সকলৰ পৰা যথেষ্ট প্রত্যাহ্বান আৰু বিৰোধিতাৰ সন্মুখীন হৈছিল যদিও এইবোৰে ভাৰতত ঊনবিংশ শতিকাৰ সামাজিক আন্দোলনৰ বিকাশত কোনো বাধাৰ সৃষ্টি কৰিব পৰা নাছিল।

সতীদাহ প্রথা, কন্যা ভ্রূণ হত্যা, পর্দা প্রথা, বাল্য বিবাহ আদিৰ দৰে বিভিন্ন সহানুভূতি সূন্য প্রথাবোৰৰ লগতে বিভিন্ন অন্ধবিশ্বাস আৰু তাৰ লগত জড়িত বিভিন্ন নীতি-নিয়মে ভাৰতৰ জনসাধাৰণৰ জীৱন শোচনীয় কৰি তুলিছিল। সেই সময়ৰ ধর্মীয় সামাজিক সংস্কাৰকসকলে এই কথা বুজি পাইছিল যে সামাজিক আচৰণসমূহ ধর্মৰ প্রভাৱত ক্রমে বৃদ্ধি পাই আহিছিল আৰু ধর্মীয় সংস্কাৰ অবিহনে কোনো উন্নয়নৰ প্রক্রিয়া কল্পনা কৰিব নোৱাৰি।

এই বিশ্বাসৰ ভেটিত সংস্কাৰকসকলে ধর্মত অনমনীয়তা আৰু বিপথে পৰিচালিত কৰিব পৰা আচৰণৰ বিৰোধিতা কৰিবলৈ আৰম্ভ কৰিছিল। তেওঁলোকে বিভিন্ন ধর্মীয় গ্রন্থৰ প্রসংগ টানি আনি কৈছিল যে ঊনবিংশ শতিকাৰ সময়ত প্রচলিত থকা এই আচৰণসমূহৰ উল্লেখ কোনো ধর্মীয় গ্রন্থতে পোৱা নাযায়। ধর্মৰ মুক্ত চিন্তা আৰু যুক্তিনিষ্ঠতাৰ স্থান অন্ধবিশ্বাসে গ্রহণ কৰিছিল আৰু ভণ্ড পুৰোহিতসকলৰ অত্যাচাৰৰ সন্মুখীন হৈছিল। সংস্কাৰকসকলে সমাজে যুক্তিনিষ্ঠ আৰু বৈজ্ঞানিক মানসিকতা গ্রহণ কৰাটো বিচাৰিছিল। তেওঁলোকে মানৱীয় প্রমূল্যৰ লগতে সকলো পুৰুষ আৰু মহিলাৰ মাজত সামাজিক সমতাৰ ভাবধাৰা প্রতিষ্ঠা হোৱাটো বিচাৰিছিল। সংস্কাৰকসকলে সমাজৰ পৰা জাতিভেদ প্রথা, অস্পৃশ্যতা, পর্দা প্রথা, সীতদাহ, বাল্য বিবাহ, সামাজিক অসমতা আৰু নিৰক্ষৰতা আঁতৰ কৰিবলৈ কাম কৰিছিল। তেওঁলোকে মানুহক এই কথা পতিয়ন নিয়াবলৈ চেষ্টা কৰিছিল যে এই ব্যৱস্থাসমূহ অবিজ্ঞানসন্মত, সমাজবিৰোধী, অমানৱীয় আৰু ই সমাজৰ সর্বাংগীন উন্নতিত বাধাৰ সৃষ্টি কৰে।

৭.৪ ভাৰতত ধর্মীয় আন্দোলনৰ উদ্ভৱৰ কাৰণ

ভাৰতত ধর্মীয় আন্দোলন উদ্ভৱৰ কাৰণ হিচাপে সামাজিক, ৰাজনৈতিক, অর্থনৈতিক আৰু অন্যান্য কাৰকক চিহ্নিত কৰিব পাৰোঁ। অৱশ্যে কিছুমান নির্দিষ্ট পৰিঘটনা তথা পৰিস্থিতিকো ভাৰতত ধর্মীয় আন্দোলন সৃষ্টিৰ গুৰুত্বপূর্ণ কাৰক হিচাপে অভিহিত কৰিব পৰা যায়। তলত এনে ধৰণৰ কিছুমান কাৰক আলোচনা কৰা হ'ল—

- পশ্চিমীয়া শিক্ষাৰ প্রভাৱ

ধর্মীয় আন্দোলন উদ্ভৱত প্রভাৱ পেলোৱা কাৰবোৰৰ ভিতৰত এটা গুৰুত্বপূর্ণ হ'ল পশ্চিমীয়া শিক্ষাৰ প্রসাৰ। আধুনিক শিক্ষাই গণতন্ত্র, স্বাধীনতা, সুযোগৰ সমতা আৰু জাতীয়তাবাদৰ ক্ষেত্রত থকা পশ্চিমীয়া ভাবধাৰা প্রচাৰ কৰে। সেই সময়ত যিসকল ভাৰতীয়ই উচ্চ শিক্ষা গ্রহণৰ বাবে বিদেশলৈ গৈছিল, তেওঁলোকৰ ওপৰত এই ধাৰণাসমূহৰ পোনপটীয়া প্রভাৱ পৰিছিল। স্বদেশলৈ ঘূৰি অহাৰ পিছত এই ধাৰণাবোৰ সম্পর্কে ভাৰতীয়সকলৰ মাজত সচেতনতাৰ অভাৱ দেখি তেওঁলোক চিন্তিত হৈ পৰিছিল। এই শিক্ষিত লোকসকলে এই

নীতিসমূহ প্রচাৰ কৰাৰ বাবে বিভিন্ন ধর্মপন্থা হাতত লৈছিল। এই কথা স্বীকাৰ কৰিব লাগিব যে ভাৰতৰ জাতীয়তাবাদ আৰু আধুনিকতাবাদ হৈছে দেশৰ বিভিন্ন অংশৰ ইংৰাজী শিক্ষিত ভাৰতীয়সকলৰ দৃঢ়তাৰ পৰিণতি।

- ব্রিটিছ শাসন আৰু ৰাজনৈতিক সংহতি

ব্রিটিছ শাসনৰ প্রাপ্তি আৰু শক্তিৰ পৰিণতিত ৰাজনৈতিকভাৱে দেশখন একত্রিত হৈ পৰাৰ লগে লগে ভাৰতৰ ধর্মীয় আন্দোলনেও এক নতুন গতি লাভ কৰিছিল। একত্রীকৰণে সেই সময়ত ভাৰতীয় সমাজে সন্মুখীন হৈ থকা বিভিন্ন ধৰণৰ সমস্যা বুজি পোৱাত সহায় কৰিছিল। ব্রিটিছ শাসনৰ বৈশিষ্ট্য আৰু অর্থনৈতিক কৌশলে বহুতো শিক্ষিত ভাৰতীয়ক সমাজৰ যন্ত্রণা আৰু জৰাজীর্ণ অৱস্থাৰ কাৰণ বিচাৰিবলৈ অনুপ্রাণিত কৰিছিল।

- ভাৰতৰ গৌৰৱময় অতীতক পুনৰ জাগ্রত কৰা

মেক্সমূলাৰ আৰু উইলিয়াম জোন্চৰ দৰে শীর্ষস্থানীয় পশ্চিমীয়া বিশেষজ্ঞই প্রাচীন সময়ৰ ভাৰতীয়সকলৰ বৌদ্ধিক কর্মসমূহ অধ্যয়নৰ জৰিয়তে অতীতক পুনৰ জাগ্রত কৰাৰ লগতে সেই অতীতত পুনৰ প্রৱেশ কৰিবলৈ বিচাৰিছিল। তেওঁলোকে ভাৰতৰ সমৃদ্ধ সাংস্কৃতিক উপাদানৰ প্রতি মানুহৰ দৃষ্টি আকর্ষণ কৰিছিল, যিটো বহু বিশেষজ্ঞৰ মতে পশ্চিমীয়া সংস্কৃতিতকৈও ব্যাপক আছিল। সমগ্র বিশ্বত সমাদৃত বহুতো সাহিত্যিক আৰু ধর্মীয় গ্রন্থ অনুদিত হৈছিল। এই কথা অনুধাৱন কৰাটো প্রয়োজনীয় যে ঊনবিংশ শতিকাত ধর্মীয় সামাজিক সংস্কাৰ আন্দোলনে শীর্ষতম অৱস্থা পালেও ইয়াৰ ভেটি নির্মাণ হৈছিল মধ্যযুগত শ্রীমন্ত শংকৰদেৱৰৰ দৰে সংস্কাৰকসকলৰ হাতত শ্রীমন্ত শংকৰদেৱে অসমত নৱ-বৈষ্ণৱ ধর্মৰ প্রচাৰ কৰিছিল। একশৰণ হৰিনাম ধর্ম নামেৰে জনাজাত এই ধর্মীয় ব্যৱস্থাটোই সমাজত প্রচলিত সামাজিক ব্যাধি আৰু ধর্মীয় অনাচাৰ দূৰ কৰাৰ বাবে চেষ্টা কৰিছিল। অতীতৰ এনে জাগৰণে শিক্ষিত ভাৰতীয়সকলৰ মনত ভাৰতীয় সংস্কৃতিৰ ওপৰত বিশ্বাস জন্মোৱাত আৰু ধর্মীয় সামাজিক দুষ্কার্যসমসমূহ আঁতৰ কৰাত সহায় কৰিছিল।

৭.৫ ভাৰতত সংঘটিত ধর্মীয় আন্দোলনৰ ওপৰত আলোকপাত ঃ বিভিন্ন দিশ আৰু ফলাফল

ভাৰতত সংঘটিত ধর্মীয় আন্দোলনসমূহে মানুহৰ মনত প্রভাৱ বিস্তাৰ কৰাৰ কাৰণে বিভিন্ন উপায় অৱলম্বন কৰিছিল। তাৰ ভিতৰত বাতৰি কাকত, গৱেষণা পত্রিকা আৰু কিতাপত প্রৱন্ধ প্রকাশ কৰাৰ লগতে বিভিন্ন বিষয়ৰ ওপৰত তর্ক অনুষ্ঠিত কৰি মানুহৰ মাজত সচেতনতা বৃদ্ধি কৰিবলৈ বিচৰা হৈছিল। ১৮১৮ আৰু ১৮১৯ চনত সতীদাহৰ ওপৰত ৰাজা ৰামমোহন ৰয়ে প্রস্তুত কৰা পুস্তিকাৰ জনসাধাৰণৰ মনোযোগ আকর্ষণ কৰা ঘটনাই এই প্রক্রিয়াক অধিক ক্ষিপ্রতা প্রদান কৰিছিল। প্রাৰম্ভিকতে বাংলা ভাষাত লিখা পুস্তিকাসমূহৰ শিৰোণামৰ অসমীয়া অনুবাদ এনে ধৰণৰ— 'বিধায়ক জীৱন্তে জ্বলাই দিয়া প্রথাৰ সপক্ষে এগৰাকী অধিবক্তা আৰু ইয়াৰ বিপক্ষে এগৰাকী অধিবক্তাৰ মাজৰ এখন সম্মিলন আৰু 'বিধৱাক জীৱন্তে জ্বলাই দিয়া প্রথাৰ সপক্ষে এগৰাকী অধিবক্তা আৰু ইয়াৰ বিপক্ষে এগৰাকী অধিবক্তাৰ মাজত দ্বিতীয়খন সম্মিলন'। সমান্তৰালভাৱে ঈশ্বৰ চন্দ্র বিদ্যাসাগৰে বিধবা পুনৰ বিবাহৰ সপক্ষে প্রচাৰপত্র প্রকাশ কৰাৰ পদক্ষেপেও ভাৰতীয় সমাজত গভীৰ প্রভাৱ বিস্তাৰ কৰিছিল।

ধর্মীয়-সামাজিক ব্যাধিৰ বিপক্ষে যুঁজ কৰাৰ আন এটা প্রভাৱশালী উপায় আছিল বিধায়িনী হস্তক্ষেপ। বংগদেশৰ কেশৱ চন্দ্র ৰায়, মহাৰাষ্ট্রৰ মহাদেৱ গোবিন্দ ৰাণাডে আৰু অন্ধ্র প্রদেশৰ বীৰচালিংগমৰ দৰে সংস্কাৰকসকলে এই কথা পূর্ণ বিশ্বাস কৰিছিল যে চৰকাৰৰ সমর্থনৰ জৰিয়তেহে সামাজিক সংস্কাৰ লাভ কৰাটো সম্ভৱ। সেয়েহে তেওঁলোকে ঔপনিৱেশিক শাসকসকলৰ ওচৰত উপযুক্ত বিধায়িনী ব্যৱস্থা গ্রহণ কৰিবলৈ দাবী উত্থাপন কৰিছিল। সেয়েহে এনে ধৰণৰ কিছুমান আইন প্রণয়ন কৰি সতীদাহ প্রথা বন্ধ আৰু বিধবা পুনৰ বিবাহৰ

প্রক্রিয়া প্রচলন কৰাৰ বাবে পদক্ষেপো গ্রহণ কৰা পৰিলক্ষিত হৈছে।

তৃতীয় পদক্ষেপটো আহিছিল সামাজিক ব্যাধিৰ প্রতি অনা-অনুৰূপবাদী আৰু অনমনীয় মনোভাৱ গ্রহণ কৰা ব্যক্তিসকলৰ পৰা, যিসকলে নিজকে পৰিৱর্তনৰ পথ প্রদর্শক হিচাপে অভিহিত কৰিছিল। ৰোজিয়ানসকলে নেতৃত্ব প্রদান কৰা দল বা যুৱ বংগ আন্দোলন আৰু এওঁলোকে গ্রহণ কৰা পদ্ধতি হ'ল এনে পদক্ষেপৰ এটা উদাহৰণ।

একাংশ সংস্কাৰকে গ্রহণ কৰা শেষ পদ্ধতিটো হৈছে সমাজসেৱা। উদাহৰণ স্বৰূপে ঈশ্বৰচন্দ্র বিদ্যাসাগৰ এনে সংস্কাৰকসকলৰ ভিতৰত এগৰাকী যিয়ে কেৱল প্রচাৰপত্র লিখি আৰু সচেতনতা সৃষ্টি কৰিয়ে ক্ষান্ত থকা নাছিল; তেওঁ গোটেই জীৱন বিধবা পুনৰ বিবাহৰ বাবে উৎসর্গা কৰিছিল। আর্য সমাজ আৰু ৰামকৃষ্ণ মিছনৰ দৰে ধর্মীয়-সামাজিক সংগঠনবোৰেও সমাজসেৱাৰ জৰিয়তে সংস্কাৰৰ আদর্শটো গ্রহণ কৰিছিল।

ভাৰতৰ কেইটামান উল্লেখযোগ্য ধর্মীয় আন্দোলন তলত উল্লেখ কৰা হ'ল—

- **ৰামমোহন ৰায় (১৭৭২-১৮৩৩) আৰু ব্রাহ্ম সমাজ**

এগৰাকী সংস্কাৰবাদী বিচাৰধাৰাৰ অধিকাৰী হিচাপে ৰাজা ৰামমোহন ৰয় আধুনিক বৈজ্ঞানিক মানসিকতা, মানৱীয় আত্মসন্মান আৰু সামাজিক সমতাৰ দর্শনৰ বিশ্বাসী আছিল। তেওঁ তেওঁৰ আস্থা একেশ্বৰবাদী ভাবধাৰাত সীমাবদ্ধ ৰাখি "Gift of Monotheists" শীর্ষক গ্রন্থ ৰচনা কৰিছিল। প্রাচীন ভাৰতীয় ধর্মগ্রন্থসমূহত একেশ্বৰবাদী ভাবধাৰী নিহিত থকাৰ তেখেতৰ বিশ্বাসক প্রতীয়মান কৰিবলৈ তেওঁ বেদ আৰু উপনিষদসমূহ বাংলা ভাষালৈ অনুবাদ কৰিছিল। ১৮২১ চনত তেওঁ কলকাতাৰ পৰা প্রকাশিত আৰু পাশৱিক তথা অহিন্দু হিচাপে সতীদাহ প্রথাৰ বিপক্ষে সম্পাদিত বাতৰি কাকত 'সম্বাদ কৌমুদী'ৰ প্রচলন আৰম্ভ কৰিছিল। এই বাতৰি কাকতখন সতীদাহ প্রথাৰ বিপক্ষে আৰম্ভ হোৱা যুঁজখনৰ প্রধান আহিলা হৈ পৰিছিল। ১৮২৮ চনৰ আগষ্ট মাহত শাশ্বত, আপ্রাপ্য, অপ্রত্যাহ্বানযোগে ভগৱানক সন্মান আৰু তেওঁৰ আজ্ঞা পালন কৰিবলৈ ৰাজা ৰামমোহন ৰয়ে ব্রাহ্ম সমাজ (ভগবানৰ সমাজ) গঠন কৰিছিল। এই সমাজ মূর্তি পূজা, পুৰোহিত শ্রেণী আৰু ত্যাগৰ প্রথাৰপৰা আঁতৰত আছিল। ভাৰতৰ প্রথম বৌদ্ধিক আন্দোলন হিচাপে ব্রাহ্ম সমাজে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। এই সমাজে আধুনিক ভাৰতত যুক্তিবাদী আৰু প্রজ্ঞাৰ দর্শনৰ প্রসাৰ কৰিছিল।

- **গোপাল হৰি দেশমুখ**

মহাৰাষ্ট্রৰ গোপাল হৰি দেশমুখ নতুন শিক্ষা আৰু ধর্মীয় সামাজিক সংস্কাৰৰ এগৰাকী অগ্রগামী ব্যক্তি আছিল। তেওঁক জনপ্রিয়ভাৱে 'লোকহিতবাদী' নামেৰে জনা গৈছিল। তেওঁ হিন্দুৰ পৰম্পৰাগত সমাজখনৰ ওপৰত প্রভাৱ, যুক্তিপূর্ণ আক্রমণ চলাইছিল আৰু ধর্মীয় তথা সামাজিক সমানতাবাদৰ সমর্থক আছিল।

- **জ্যোতিবা ফুলে আৰু সত্যশোধক সমাজ**

মহাৰাষ্ট্রৰ এটা তথাকথিত নিম্নবর্গীয় শ্রেণীৰ অন্তর্গত জ্যোতিবা ফুলে অস্পৃশ্য তথা অনা-ব্রাহ্মণসকলৰ প্রতি কৰা অসন্মানৰ আচৰণৰ প্রতি চিন্তিত হৈ পৰিছিল। তেওঁ ১৮৭৩ চনত প্রতিষ্ঠা কৰা সত্যশোধক সমাজৰ জৰিয়তে উচ্চ বর্গীয় শ্রেণীৰ আধিপত্য আৰু ব্রাহ্মণ সমাজৰ নিয়ন্ত্রণৰ বিপক্ষে গোটেই জীৱন জুৰি সংগ্রাম কৰিছিল। সত্যশোধক সমাজৰ প্রাথমিক লক্ষ্য আছিল নিম্ন বর্গীয় লোকক অবদমনৰ পৰা মুক্ত কৰাৰ লগতে উচ্চ বর্গৰ লোকৰ অনাচাৰ আৰু অত্যাচাৰৰ বিপক্ষে ৰক্ষণাবেক্ষণ প্রদান কৰা আৰু নাৰী আৰু নিম্ন বর্গৰ লোকসকলৰ মাজত শিক্ষাৰ প্রসাৰ কৰা। এই সমাজৰ নেতৃত্ব প্রদান কৰিছিল মালি, সাৰি, তেলি, কুনবি আৰু ধাংগাৰৰ দৰে নিম্ন বর্গীয় লোকসকলে। এই আন্দোলনে সমাজৰ অৱদমিত সম্প্রদায়ৰ মাজত ব্রাহ্মণসকলৰ বিৰোধিতা কৰা এটা শ্রেণী হিচাপে স্বতন্ত্র ভাবনাৰ সূচনা কৰিছিল। তেওঁ মহাৰাষ্ট্রত বিধবা পুনৰ বিবাহৰ সংগ্রামো আৰম্ভ কৰিছিল। তেখেতৰ ৰচনা 'সার্বজনীক সত্যধর্ম' আৰু 'গুলামগীন' সাধাৰণ মানুহৰ বাবে অনুপ্রেৰণাৰ উৎস হৈ পৰিছিল।

- **আলিগড় আন্দোলন**

প্রাৰম্ভি অৱস্থাত পশ্চিমীয়া শিক্ষাৰ বিৰোধিতা কৰা বাবে মুছলমান সংস্কাৰ আন্দোলন তুলনামূলকভাৱে পলমকৈ আৰম্ভ হৈছিল। আলিগড় আন্দোলন ছাৰ চৈয়দ আহমদ খান (১৮১৭-৯৮)ৰ নেতৃত্বত আৰম্ভ হৈছিল আৰু পৰৱৰ্তী কালত মুছলিমসকলৰ সামাজিক আৰু শৈক্ষিক বিকাশৰ কাৰণ হৈ পৰিছিল। তেওঁ মধ্যযুগীয় দমনমূলক নীতিৰ বিৰুদ্ধে যুঁজ কৰিছিল আৰু ধর্মৰ প্রতি এক যুক্তিবাদী দৃষ্টিভংগী গ্রহণ কৰিছিল। ১৮৬২ চনত তেওঁ ইংৰাজী ভাষাত লিখা বিজ্ঞান আৰু অন্যান্য বিষয়ৰ কিতাপ উর্দুত অনুবাদ কৰিবলৈ 'বৈজ্ঞানিক সমাজ' (Scientific Society) গঠন কৰিছিল। তেখেতে এখন ইংৰাজী উর্দু গৱেষণা পত্রিকাৰ প্রচলনো আৰম্ভ কৰিছিল। গৱেষণা পত্রিকাখনৰ জৰিয়তে তেওঁ ধর্মীয়-সামাজিক সংস্কাৰৰ ধাৰণাসমূহ প্রচাৰ কৰিছিল। তেওঁৰ উদ্যোগত মহমেদান অৰিয়েণ্টেল কলেজ প্রতিষ্ঠা হৈছিল যিখন পৰৱৰ্তী কালত আলিগড় মুছলিম কলেজ নামেৰে জনাজাত হৈ পৰিছিল। এগৰাকী ধর্মীয়-সামাজিক সংস্কাৰক হিচাপে চৈয়দ আহমদ খান পর্দা প্রথা, বহুবিবাহ আৰু মুছলমানসকলৰ মাজত প্রচলিত বিবাহ বিচ্ছেদৰ নিয়মৰ বিৰোধিতা কৰিছিল। তেওঁ ইছলামৰ বিশ্বাস ধৰি ৰখা আৰু কো�ৰাণৰ যুক্তিপূর্ণ ব্যাখ্যাৰ সমর্থন জনোৱাৰ লগতে অযুক্তিপূর্ণ সামাজিক ৰীতিসমূহ আঁতৰাবলৈ যত্ন কৰিছিল।

ভাৰতৰ শ্রেষ্ঠ কবিসকলৰ ভিতৰত অন্যতম মহম্মদ ইকবাল (১৮৭৬-১৯৩৮) ও সংস্কাৰ আন্দোলনত প্রভাৱ পেলাইছিল। তেওঁৰ কবিতাত ফুটি উঠা দর্শন আৰু ধর্মীয় দৃষ্টিভংগীৰ মাজেৰে উভয় হিন্দু আৰু মুছলমানৰ যুৱ প্রজন্মটো প্রভাৱিত হৈছিল। তেওঁ এনে এটা প্রগতিশীল দৃষ্টিকোণ গ্রহণত জোৰ দিছিল যিটোৱে সমগ্র বিশ্বক পৰিৱর্তনত সহায় কৰিব।

এইবোৰৰ উপৰিও আন বহুতো ধর্মীয়-সামাজিক সংস্কাৰ আন্দোলন আছে যিবোৰ বিভিন্ন ধৰণে মুছলমানসকলৰ মাজত জাতীয় সচেতনতা সৃষ্টিত সহায় কৰিছে। ১৮৯৯ চনত মির্জা গোলাম আহমেদে 'আহমদিয়া আন্দোলন' আৰম্ভ কৰিছিল। এই আন্দোলনৰ পৰিণতিত সমগ্র দেশত বিভিন্ন বিদ্যালয়-মহাবিদ্যালয় স্থাপন হোৱাৰ লগতে আধুনিক ভাবধাৰাও প্রসাৰিত হৈছিল। ধর্মীয় ক্ষেত্রখনত এই আন্দোলনৰ সমর্থকসকলে ইছলামৰ বিশ্বজনীন আৰু মানৱীয় প্রকৃতিসমূহ দাঙি ধৰিছিল। তেওঁলোকে হিন্দু আৰু মুছলমানৰ একতাৰ বাবে মাত মাতিছিল।

- **দেওবন্দ সংগঠন**

মুছলিম উল্লেমাৰসকলৰ মাজত হোৱা বুজাবুজিৰ পৰিণতিত সূত্রপাত হোৱা দেওবন্দ আন্দোলন মূলতঃ দুটা উদ্দেশ্যযুক্ত এটা পুনৰুত্থানবাদী আন্দোলন আছিল। প্রথম উদ্দেশ্য আছিল মুছলমানসকলৰ মাজত কোৰাণ আৰু হেদীছৰ শিক্ষাসমূহ নিৰন্তৰ প্রচাৰ কৰা। দ্বিতীয় উদ্দেশ্য আছিল বিদেশী শাসনৰ বিৰুদ্ধে জিহাদৰ ভাবনাক বিকশাই তোলা। নতুন দেওবন্দ আন্দোলনৰ নেতা মেহমুদ জামানে (১৮৫১-১৯২০) সংগঠনৰ ধর্মীয় দর্শনৰ বাবে ৰাজনৈতিক আৰু যুক্তিপূর্ণ বিষয়ৰ মাজত বিভাজন আনিব বিচাৰিছিল। ইছলামৰ উদাৰনৈতিক দিশটোৱে সমর্থকসকলৰ মাজত ৰাজনৈতিক সচেতনতাৰ সৃষ্টি কৰিছিল। দেওবন্দ সংগঠনৰ এগৰাকী বিদ্বান মৌলানা আবুল কালাম আজাদে পোষণ কৰা মত অনুসৰি জাতীয়তাবাদ আৰু ইছলামৰ মাজত কোনো বিদ্বেষ নাই।

- **শিখ সংস্কাৰ আন্দোলন**

দেশৰ অন্যান্য অংশৰ দৰে পাঞ্জাবো সংস্কাৰৰ অধীনলৈ আহিছিল। বাবা দয়াল দাসে 'নিৰংকাৰী আন্দোলন' আৰম্ভ কৰিছিল। এই আন্দোলনৰ জৰিয়তে তেওঁ ভগৱানক 'নিৰংকাৰ' (আকাৰহীন/নিৰাকাৰ) হিচাপে উপাসনা কৰাৰ ওপৰত গুৰুত্ব প্রদান কৰিছিল। বাবা ৰামসিঙৰ আমোলনত আৰম্ভ হোৱা আন এটা আন্দোলন 'নামধাৰী আন্দোলনত তেওঁৰ অনুগামীসকলে বগা বস্ত্র পৰিধান কৰাৰ লগতে মাংস ভক্ষণ কৰাৰ পৰম্পৰা ত্যাগ কৰিছিল।

১৮৭০ চনত অমৃতসৰ আৰু লাহোৰত আৰম্ভ হোৱা সিং সভাসমূহে শিখ সমাজৰ সংস্কাৰ সাধন কৰাৰ লক্ষ্য লৈছিল। সভাসমূহৰ উদ্যোগতে ১৮৯২ চনত অমৃতসৰত খালসা কলেজ প্রতিষ্ঠা কৰা হৈছিল। সমান্তৰালভাৱে তেওঁলোকে গুৰুমুখী লিপি আৰু পাঞ্জাৱী সাহিত্যকো অনুপ্রেৰণা যোগাইছিল। ১৯২০ চনত আকালিসকলে ঔপনিৱেশিক শাসকসকলে প্রৱর্তন কৰা আইনৰ সহায়ত শিখ গুৰুদ্বাৰৰ পৰা অসাধু মহন্ত (পুৰোহিত)ক আঁতৰ কৰিবলৈ এক সংগ্রাম আৰম্ভ কৰিছিল।

- **পাৰ্চী সংস্কাৰ আন্দোলন**

১৮৫১ চনত বোম্বেত ফুৰডুজ্জী নওৰজী আৰু এচ এচ বেংগলীয়ে 'পাৰ্চী ধর্মীয় সংস্কাৰ সংগঠন' প্রতিষ্ঠা কৰিছিল। তেওঁলোকে নাৰী শিক্ষাৰ প্রসাৰৰ হকে মাত মাতিছিল। তেওঁলোকে তেওঁলোকৰ বিবাহৰ নীতি-নিয়মসমূহ সংস্কাৰ কৰিবলৈ বিচাৰিছিল। নাওৰজীয়ে "জানত মিত্র" নামৰ এখন মাহেকীয়া আলোচনী প্রকাশ কৰিছিল। সংস্কাৰ আন্দোলনবোৰৰ মাধ্যমেৰে পৰা প্রভাৱৰ জৰিয়তেও গোটেই সমাজখন অনুপ্রাণিত হৈছিল। বিংশ শতিকাৰ মাজভাগলৈ সমাজখনৰ বহুতো লোকে ভাৰতৰ বিকাশত যথেষ্ট অৱদান যোগাইছে।

- **আত্মসন্মান আন্দোলন**

দক্ষিণ ভাৰতৰ ই. ভি. ৰামস্বামী নায়কৰ (পেৰিয়াৰ)ৰ নেতৃত্বত এখ পৃথক ধৰণৰ আন্দোলনৰ সূত্রপাত হৈছিল। তেওঁ আত্মসন্মান আন্দোলনৰ মাধ্যমেৰে ব্রাহ্মণ্য ধর্মক প্রত্যাহ্বান জনাইছিল। এই আন্দোলন ১৯২০ৰ মাজভাগত আৰম্ভ হৈছিল। আন্দোলনটোৱে ব্রাহ্মণ্য ধর্ম আৰু সংস্কৃতিক এটা অভিশাপতকৈ কোনো গুণে কম বুলি ভবা নাছিল। নায়কাৰৰ মতে ব্রাহ্মণ্য ধর্ম নিম্নবর্গৰ লোকক দুর্ব্যৱহাৰ কৰাৰ প্রধান আহিলা আছিল।

- **ভাইকম সত্যাগ্রহ**

কে. পি. কেশৱে কেৰালাত আৰম্ভ হোৱা ডাইকম সত্যাগ্রহৰ নেতৃত্ব প্রদান কৰিছিল। এই আন্দোলনে অস্পৃশ্যসকলৰ বাবে হিন্দু মন্দিৰ আৰু ৰাজহুৱা পথসমূহ খুলি দিয়া আৰু প্রৱেশযোগ্য কৰাৰ দাবী উত্থাপন কৰিছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ধর্মীয় আন্দোলন কি?

.....

প্রশ্ন নং ২ ঃ ধর্মীয়-সামাজিক সংস্কাৰৰ বিভিন্ন উপায়বোৰ কি কি?

.....

প্রশ্ন নং ৩ ঃ ঊনবিংশ শতিকাত কোনে ভাৰতত ধর্মীয় সংস্কাৰ আন্দোলনৰ নেতৃত্ব প্রদান কৰিছে?

.....

প্রশ্ন নং ৪ ঃ ঊনবিংশ শতিকাৰ ভাৰতৰ সমাজত প্রচলিত সামাজিক ব্যাধিসমূহ কি কি?

.....

প্রশ্ন নং ৫ ঃ ধর্মীয়-সামাজিক আন্দোলনে নাৰীৰ অৱস্থাৰ উন্নতি সাধন কৰাৰ ক্ষেত্রত সহায় কৰিছেনে?

.....

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় ধর্মীয় সংস্কাৰ আন্দোলনে দেশৰ বিভিন্ন প্রান্তৰ সকলো দলকে স্পর্শ কৰিছিল।

- ধর্মীয় সংস্কাৰ আন্দোলনে পুৰোহিত শ্ৰেণীৰ পক্ষপাতিত্বমূলক আচৰণ, অন্ধবিশ্বাস আৰু আধিপত্যতাৰ বিৰোধিতা কৰিছিল।
- সংস্কাৰকসকলে সমাজৰ পৰা জাতিভেদ প্ৰথা, অস্পৃশ্যতা, পৰ্দা প্ৰথা, সতীদাহ, বাল্যবিবাহ, সামাজিক অসমতা আৰু নিৰক্ষৰতা আঁতৰ কৰিবলৈ কাম কৰিছিল।
- লক্ষ্যণীয় যে আইন প্ৰণয়নৰ জৰিয়তে ব্ৰিটিছ প্ৰশাসনে কিছুমান ধর্মীয় সংস্কাৰ আন্দোলনক মুক্ত বা গোপনভাৱে সমর্থন কৰিছিল। ১৮২৯ চনত সতীদাহ বেআইনী হিচাপে ঘোষণা কৰা হৈছিল। ১৮৫৬ চনৰ আইন অনুসৰি বিধবা পুনৰ বিবাহ ন্যায়সংগত কৰা হৈছিল। ১৮৬০ চনত প্ৰণয়ন কৰা এক আইনৰ ভিত্তিত ছোৱালীৰ বিবাহযোগ্য ন্যূনতম বয়স ১০ লৈ বৃদ্ধি কৰা হৈছিল। পৰৱর্তী কালত, ১৮৭২ চনত এখন আইন প্ৰণয়ন কৰি পৃথক জাতি আৰু সমাজৰ মাজত বিবাহ সম্ভৱ কৰি তুলিছিল। বাল্য বিবাহ বন্ধ কৰিবৰ বাবে ১৮৭২ চনত এখন আইন প্ৰণয়ন কৰি পৃথক জাতি আৰু সমাজৰ মাজত বিবাহ সম্ভৱ কৰি তুলিছিল। বাল্য বিবাহ বন্ধ কৰিবৰ বাবে ১৯২৯ চনত শাৰদা আইন প্ৰণয়ন কৰা হৈছিল।
- বহুতো লোক, সংস্কাৰী সমাজ আৰু ধর্মীয় গোটে নাৰী শিক্ষাৰ প্ৰচলন কৰা; বাল্য বিবাহ, পর্দা প্রথা, সতীদাহ প্রথা বন্ধ কৰা, সমতাৰ প্ৰচলন কৰা আৰু মধ্যবিত্ত নাৰীসকলক নিজৰ বৃত্তি গ্ৰহণ কৰিবলৈ বা ৰাজহুৱা খণ্ডত চাকৰি পাবলৈ সবলীকৰণ কৰাৰ বাবে চেষ্টা কৰিছিল।
- নাৰী শিক্ষাৰ প্ৰসাৰ, ব্ৰিটিছসকলৰ বিৰুদ্ধে ভাৰতবাসীৰ সমূহীয়া বিদ্বেষ, ভাৰতৰ প্ৰাচীন গৌৰৱময় ইতিহাস আদি ভাৰতত গঢ়ি উঠা ধর্মীয় সংস্কাৰ আন্দোলনৰ কেইটামান গুৰুত্বপূর্ণ কাৰক।
- ব্ৰাহ্ম সমাজ, আহমদিয়া আন্দোলন, দেওবন্দ আন্দোলন, পাৰ্চী আৰু শিখ সংস্কাৰ আন্দোলন, সত্যশোধক সমাজ, আত্মসন্মান আন্দোলন আৰু অন্যান্যবোৰ ভাৰতৰ গৌৰৱময় ধর্মীয় সংস্কাৰ আন্দোলনৰ উদাহৰণ।

৭.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. A Guide to New Religious Movement (1924), Enroth, Ronald M. (ed), IVP Books, 2005.
2. Modern Religius Movements in India, Farquhar, J. N. Kessinger Publishing Co. 2003.
3. Neog, Maheshwar, Sri Sri Sankardev, Guwahati 1978.
4. Barpujari, H. K. (ed), Comprehensive History of Assam, Vol 1, Guwahati, 1990.

৭.৮অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ যুক্তিপূর্ণ চিন্তাধাৰাৰ বিকাশ তথা সমাজক পংগু কৰি পেলোৱা উগ্র আৰু অন্ধবিশ্বাসভিত্তিক নীতিসমূহ আঁতৰ কৰাৰ আন্দোলন।

২নং প্ৰশ্নৰ উত্তৰ ঃ দর্শনলৈ পৰিৱর্তন অনা, বৈজ্ঞানিক মানসিকতাৰ বিকাশ, আধুনিক শিক্ষা আৰু সমাজ সেৱা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজা ৰামমোহন ৰায়, হেনৰি লুইচ ভিভিয়ান ডিৰোজিও, ঈশ্বৰ চন্দ্র বিদ্যাসাগৰ, জোতিবা ফুলে।

৪নং প্রশ্নৰ উত্তৰ ঃ সতীদাহ প্রথা, পর্দা প্রথা, কন্যা ভ্রূণ হত্যা।

৫নং প্রশ্নৰ উত্তৰ ঃ কৰিছে। সতীদাহ প্রথা বেআইনী ঘোষিত হৈছে, নাৰী শিক্ষাৰ প্রসাৰ কৰা হৈছে ইত্যাদি।

৭.৯ আৰ্হি প্রশ্ন

চমু উত্তৰ প্রশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ প্রাচীন ভাৰতীয় ধর্মসমূহৰ প্রসাৰৰ ক্ষেত্রত থিয়'চফিকেল সমাজৰ ভূমিকা আলোচনা কৰক।

প্রশ্ন ২ ঃ শিখ আৰু পাচীসকলে তেওঁলোকৰ সমাজখন সুন্দৰ কৰিবলৈ কি কি সংস্কাৰ সাধন কৰিছিল আলোচনা কৰক।

ৰচনাধর্মী উত্তৰৰ প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ধর্মীয় সংস্কাৰ সাধন কৰিবলৈ ৰাজা ৰামমোহন ৰায় আৰু তেওঁৰ ব্রাহ্ম সমাজে গ্রহণ কৰা পদক্ষেপ সম্পর্কে বহলাই লিখক।

প্রশ্ন ২ ঃ মুছলমানসকলৰ মাজত সাংস্কৃতিক আৰু শৈক্ষিক সংস্কাৰৰ বাবে আলিগড় আন্দোলনে কি ভূমিকা পালন কৰিছিল? আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ সংস্কাৰ আন্দোলন

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ ভাৰতত সংস্কাৰ আন্দোলনৰ উদ্ভৱ
৮.৪ ব্ৰাহ্ম সমাজ, আৰ্য সমাজ, প্ৰাৰ্থনা সমাজ আৰু অন্যান্য গুৰুত্বপূৰ্ণ সংস্কাৰ আন্দোলন
ঃ নেতৃত্ব আৰু বিভিন্ন দিশ
৮.৫ ভাৰতত সংস্কাৰ আন্দোলনৰ প্ৰভাৱ
৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৭ অধিক জানিবলৈ
৮.৮ অগ্ৰগতিৰ খতিয়ান
৮.৯ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতত সংস্কাৰ আন্দোলনৰ উদ্ভৱ সম্পৰ্কে অৱগত হ'ব
- সংস্কাৰ আন্দোলনৰ জন্ম দিয়া আৰু দেশখনক পংগু কৰি পেলোৱা সামাজিক ব্যাধিসমূহৰ বিষয়ে জানিব পাৰিব
- ভাৰতত সৃষ্টি হোৱা বিভিন্ন সংস্কাৰ আন্দোলন, সেইবোৰৰ লগত জড়িত বিভিন্ন দিশ, নেতৃত্ব আৰু আন্দোলনৰ প্ৰভাৱৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

পূৰ্বৱৰ্তী অধ্যায়ত আমি ভাৰতৰ পটভূমিত বিভিন্ন ধৰণৰ সামাজিক আন্দোলনৰ বিষয়ে জানিব পাৰিলোঁ। বিশেষকৈ ঊনবিংশ আৰু বিংশ শতিকাত ভাৰতৰ সামাজিক আৰু ৰাজনৈতিক প্ৰেক্ষাপটত উদ্ভৱ হোৱা সামাজিক আন্দোলনসমূহৰ এক সংস্কাৰমুখী বৈশিষ্ট্য আছিল। প্ৰস্তাৱিত এই অধ্যায়ত ভাৰতত উদ্ভৱ হোৱা তেনে সংস্কাৰ আন্দোলন, সেইবোৰৰ পটভূমি আৰু তাৰ ফলাফল সম্পৰ্কে আলোচনা কৰিম।

৮.৩ ভাৰতত সংস্কাৰ আন্দোলনৰ উদ্ভৱ

ঊনবিংশ শতিকাৰ ভাৰতীয় সমাজখনত ধৰ্মীয় অন্ধবিশ্বাস আৰু দৰ্শনে অসূয়া-অপ্ৰীতিৰ সৃষ্টি কৰিছিল। সকলো প্ৰকাৰৰ ধৰ্মই যাদু-মন্ত্ৰ, প্ৰকৃতি পূজা আৰু বিশ্বাসৰ এক সন্মিলিত ৰূপত পৰিণত হৈছিল। এই ক্ষেত্ৰত বিশ্বাসী লোকসকল পুৰোহিতৰ আজ্ঞাকাৰী হৈ পৰিছিল। উল্লেকযোগ্য যে তেওঁলোক কেবল ভগৱানৰ আজ্ঞাকাৰী হৈ থকা নাছিল, পুৰোহিতৰ আবেগ, ভালপোৱা আৰু ইচ্ছাৰো অধীন হৈ আছিল। এইটো দিশ আমি গুৰুত্বসহকাৰে বিচাৰ কৰি চোৱা উচিত যে মহিলাসকলৰ সামাজিক অৱস্থা এক হতাশাজনক পৰ্যায় পাইছিল।

উদাহৰণ স্বৰূপে এজনী কন্যা সন্তানৰ জন্ম অবাঞ্ছনীয় আছিল। এজনী ছোৱালীৰ বিবাহ এটা পৰিয়ালৰ বাবে বোজা স্বৰূপ আছিল আৰু ছোৱালীজনীৰ বিধবা অৱস্থাক অশুভ হিচাপে গণ্য কৰা হৈছিল। আন এটা বাধা প্রদানকাৰী কাৰক হ'ল জাতি ভেদ প্রথা। ইয়াৰ লগতে পৰম্পৰাগত পদ-মর্যাদাৰ ক্ষেত্রত ক্রমোচ্চ শ্রেণীবিভাজন, সামাজিক গতিশীলতাত বাধা আদিও সামাজিক বিভাজনৰ কাৰণ হৈ পৰিছিল। অৱদমন, মর্যাদা, কর্তৃপক্ষ, অসহিষ্ণুতা, হতাশাগ্রস্ততা আদি অন্যান্য কাৰক যাৰ জৰিয়তে সমাজত বৈষম্যৰ সৃষ্টি কৰি অহা হৈছে। এক পতনমুখী সমাজৰ বাবে দায়ী এই দিশবোৰ সংস্কাৰ আন্দোলনে সমাজৰ পৰা আঁতৰাই সমাজখনক আধুনিকীকৰণৰ বাবে সূচল কৰি তুলিবলৈ বিচাৰে।

অষ্টাদশ আৰু ঊনবিংশ শতিকাৰ ব্রিটিছ শাসনে ভাৰতৰ সমাজ ব্যৱস্থাৰ কিছুমান গুৰুতৰ ত্রুটি আৰু বিংসগতি উদঙাই দিছিল। ইয়াৰ প্রক্রিয়াও বিভিন্ন আছিল। অৱশ্যে সামাজিক আৰু ধর্মীয় জীৱনৰ সংস্কাৰ কৰাৰ প্রয়োজনীয়তা সংস্কাৰ আন্দোলনসমূহৰ এক উমৈহতীয়া লক্ষ্য আছিল। সমাজ সংস্কাৰৰ প্রয়োজনীয়তাই নতুন প্রকাৰৰ উপায় আৰু দৃষ্টিভংগীৰ জন্ম দিছিল। আধুনিকতাৰ লগত সম্পর্কীত post enlightenment rationalism-ৰ আগমনেও একাংশ ভাৰতীয়ৰ মানসিকতালৈ পৰিৱর্তন আনিছিল। ইয়াৰ বাহিৰেও, পশ্চিমীয়া শিক্ষা আৰু দর্শনৰ বিকাশেও ভাৰতৰ সমাজ ব্যৱস্থাৰ ওপৰত ব্যাপক প্রভাৱ পেলাইছিল। সেৱা, যুক্তিনিষ্ঠতা, নিৰপেক্ষতা আৰু উন্নয়নৰ ভিত্তিত এচাম লোকে নিজস্বভাৱে সমাজৰ বৈশিষ্ট্য নিৰূপণ কৰিবলৈ আৰম্ভ কৰিলে। এই সময়ছোৱাতে এক গঢ় জনমত গঢ়ি উঠা দেখা গৈছিল, যিটো কালক্রমত ভাৰতীয়সকলৰ পৰম্পৰা, অনুষ্ঠান আৰু দর্শনৰ আত্ম-নিৰীক্ষণ হিচাপে পৰিগণিত হৈ আহিছে। আকৌ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে কৰা আন্দোলনে গভীৰলৈ শিপাই থকা সামাজিক ব্যাধিসমূহক বিশ্লেষণ কৰাৰ ক্ষেত্রত গুৰুত্বপূর্ণ অৰিহণা যোগাইছিল। পশ্চিমীয়া সভ্যতা-সংস্কৃতিয়ে ভাৰতীয় লোকৰ জীৱন আৰু চিন্তাধাৰাক বিভিন্ন ধৰণে প্রভাৱিত কৰিছিল। পশ্চিমীয়া সংস্কৃতিৰ প্রভাৱৰ আটাইতকৈ গুৰুত্বপূর্ণ সুফল হ'ল অন্ধবিশ্বাসসমূহৰ ঠাইত যুক্তিপূর্ণ বিশ্বাস প্রতিষ্ঠা কৰা।

সমাজ সংস্কাৰকসকলে লিংগ, বর্ণ, সম্প্রদায়, জাতি, ধর্ম নির্বিশেষে সকলো মানুহৰ স্বাধীনতা, স্বতন্ত্রতা আৰু সমতাত বিশ্বাস কৰে। তেওঁলোকে পৰম্পৰাগত, একনায়কত্ববাদী আৰু ক্রমোচ্চ শ্রেণীবিভাজনৰ ভিত্তিত কেইবাটাও সামাজিক সংগঠন গঠন কৰি ভাৰতৰ নাৰীসকলক অৱদমনৰ পৰা মুক্ত কৰিবলৈ বিভিন্ন সংস্কাৰ আন্দোলন গঢ়ি তুলিছিল। অধিকসংখ্যক সংস্কাৰক পুৰুষ আছিল যদিও তেওঁলোকে ভাৰতৰ নাৰী আৰু সমাজৰ মর্যাদা বৃদ্ধিৰ বাবে চেষ্টা কৰিছিল। সংস্কাৰ আন্দোলনত গুৰুত্ব লাভ কৰা বিভিন্ন সামাজিক সমস্যাসমূহ হ'ল সতীদাহ প্রথা, কন্যা ভ্রূণ হত্যা, বাল্য বিবাহৰ লগতে ভাৰতীয় সমাজ ব্যৱস্থাত শিপাই থকা জাতিভেদ আৰু অস্পৃশতা। ধর্মীয় দিশত মূর্তি উপাসনা, বহু দেৱ-দেৱীৰ ওপৰত বিশ্বাস ধর্মীয় অনিয়ম তথা পুৰোহিত শ্রেণীৰ দুর্নীতি আদিয়ে গুৰুত্ব লাভ কৰিছে।

৮.৪ ব্রাহ্ম সমাজ, আর্য সমাজ, প্রার্থনা সমাজ আৰু অন্যান্য গুৰুত্বপূর্ণ সংস্কাৰ আন্দোলন ঃ নেতৃত্ব আৰু বিভিন্ন দিশ

সামাজিক সংস্কাৰ আন্দোলন গঢ়ি উঠাৰ ক্ষেত্রত উদীয়মান, বৌদ্ধিকভাৱে সক্রিয় মধ্যবিত্ত শ্রেণীৰ লোকসকলে সন্মুখৰ পৰা নেতৃত্ব প্রদান কৰিছিল। এটা কথা মনত ৰখা উচিত যে সংস্কাৰ আন্দোলন ভাৰতৰ বিভিন্ন স্থানত বিভিন্ন সময়ত গঢ়ি উঠিছিল যদিও পৰস্পৰৰ মাজত সামঞ্জস্যও আছিল। ভাৰতৰ বিভিন্ন অংশৰ সংস্কাৰকসকলে এই কথা স্বীকাৰ কৰিছিল যে ধর্মীয় সংস্কাৰ অবিহনে সামাজিক সংস্কাৰো সম্ভৱ নহয়। সংস্কাৰ আন্দোলনৰ দুটা আটাইতকৈ গুৰুত্বপূর্ণ বৌদ্ধিক নীতি হ'ল—

- যুক্তিনির্ভৰশীলতা (Rationality) আৰু

➢ ধর্মীয় সাধাৰণীকৰণ (Religious Universalism)

তলত ভাৰতত সংঘটিত কেইটামান গুৰুত্বপূর্ণ সংস্কাৰ আন্দোলনৰ বিষয়ে আলোচনা কৰা হ'ল—

- **ব্রাহ্ম সমাজ**

এগৰাকী সংস্কাৰবাদী বিচাৰধাৰাৰ অধিকাৰী হিচাপে ৰাজা ৰামমোহন ৰয় আধুনিক বৈজ্ঞানিক মানসিকতা, মানৱীয় আত্মসন্মান আৰু সামাজিক সমতাৰ দর্শনৰ বিশ্বাসী আছিল। তেওঁ তেওঁৰ আস্থা একেশ্বৰবাদী ভাবধাৰাত সীমাবদ্ধ ৰাখি "Gift of Monotheists" শীর্ষক গ্রন্থ ৰচনা কৰিছিল। প্রাচীন ভাৰতীয় ধর্মগ্রন্থসমূহত একেশ্বৰবাদী ভাবধাৰী নিহিত থকাৰ তেখেতৰ বিশ্বাসক প্রতীয়মান কৰিবলৈ তেওঁ বেদ আৰু উপনিষদসমূহ বাংলা ভাষালৈ অনুবাদ কৰিছিল। ১৮২১ চনত তেওঁ কলকাতাৰ পৰা প্রকাশিত আৰু পাশৰিক তথা অহিন্দু হিচাপে সতীদাহ প্রথাৰ বিপক্ষে সম্পাদিত বাতৰি কাকত 'সম্বাদ কৌমুদী'ৰ প্রচলন আৰম্ভ কৰিছিল। এই বাতৰি কাকতখন সতীদাহ প্রথাৰ বিপক্ষে আৰম্ভ হোৱা যুঁজখনৰ প্রধান আহিলা হৈ পৰিছিল। ১৮২৮ চনৰ আগষ্ট মাহত শাশ্বত, আপ্রাপ্য, অপ্রত্যাহ্বানযোগে ভগৱানক সন্মান আৰু তেওঁৰ আজ্ঞা পালন কৰিবলৈ ৰাজা ৰামমোহন ৰয়ে ব্রাহ্ম সমাজ (ভগবানৰ সমাজ) গঠন কৰিছিল। এই সমাজ মূর্তি পূজা, পুৰোহিত শ্রেণী আৰু ত্যাগৰ প্রথাৰপৰা আঁতৰত আছিল। ভাৰতৰ প্রথম বৌদ্ধিক আন্দোলন হিচাপে ব্রাহ্ম সমাজে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। এই সমাজে আধুনিক ভাৰতত যুক্তিবাদী আৰু প্রজ্ঞাৰ দর্শনৰ প্রসাৰ কৰিছিল।

- **আর্য সমাজ**

১৮৭৫ চনত স্বামী দয়ানন্দ সৰস্বতীয়ে আৰম্ভ কৰা 'আর্য সমাজ' এটা হিন্দু সংস্কাৰ আন্দোলন আছিল। তেওঁ প্রতিষ্ঠা কৰা আর্য সমাজত বেদ আৰু ব্রহ্মচর্যৰ নীতিসমূহ অনুসৰণ কৰা হৈছিল। আনুষ্ঠানিকভাৱে আর্য সমাজৰ প্রথম শাখা ১৮৭৫ চনত বোম্বেত স্থাপন কৰা হৈছিল। ইয়াৰ পিছত আর্য সমাজৰ কেন্দ্রীয় কার্যালয় লাহো�ৰত স্থাপিত হৈছিল। স্বামী দয়ানন্দ সৰস্বতীয়ে পুৰোহিত শ্রেণী আৰু পুৰাণসমূহে হিন্দু ধর্মৰ স্থান অধিক নিম্নমুখী কৰি তুলিছিল বুলি কৰা বিশ্বাসৰ বাবে 'বেদলৈ উভতি যোৱাৰ নীতি' জনপ্রিয় কৰি তুলিছিল। সমসাময়িক সময়ত সমগ্র ভাৰততে আর্য সমাজ মন্দিৰ পোৱা যায়। আর্য সমাজে শিক্ষাৰ প্রসাৰতো এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। আর্য সমাজে ইতিমধ্যে কেইবাখনো 'দয়ানন্দ ইংৰাজী-বৈদিক বিদ্যালয়' (Dayanand Anglo-Vcdic Schools-DAV) স্থাপন কৰিছে।

- **যুৱ বংগ আন্দোলন**

হেনৰি লুইছ ভিভিয়ান ডিৰোজিও এগৰাকী ভাৰতীয় কবি আৰু হিন্দু কলেজৰ সহকাৰী প্রধান অধ্যাপক আছিল। তেওঁ স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধৰ মৌলিক ধাৰণাসমূহৰ দ্বাৰা বিশেষভাৱে অনুপ্রাণিত হৈছিল। তেওঁ তেওঁৰ ছাত্রসকলক বাস্তৱানুগভাৱে ভাবিবলৈ, কর্তৃপক্ষক জবাবদিহি কৰিবলৈ, স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধৰ আদর্শক আকোঁৱালি ল'বলৈ তথা সত্যক সন্মান কৰিবলৈ অনুপ্রাণিত কৰিছিল। তেখেতে তেখেতৰ এই আদর্শ আৰু চিন্তাক বাস্তৱ ৰূপ দিবলৈ ইতিহাস, সাহিত্য, দর্শন আৰু বিজ্ঞানৰ ওপৰত তর্কৰ আয়োজন কৰিছিল।

ডিৰোজিওই আৰম্ভ কৰা এই আন্দোলনক যুৱ বংগ আন্দোলন নামেৰে জনা যায় আৰু তেওঁৰ সমর্থকসকলক 'ডিৰোজিয়ান' আখ্যা দিয়া হয়। তেওঁলোকে ধর্মীয় আচাৰ-অনুষ্ঠানক সমালোচনা কৰিছিল আৰু সামাজিক ব্যাধি নির্মূলৰ লগতে নাৰী শিক্ষা আৰু সমাজত নাৰীৰ অৱস্থাৰ উন্নতিৰ হকে মাত মাতিছিল। তেওঁলোকে কোম্পানীৰ চার্টাৰ সংশোধন, সংবাদগোষ্ঠীৰ স্বাধীনতা, বিদেশৰ ব্রিটিছ উপনিৱেশসমূহৰ ভাৰতীয় শ্রমিকসকলক সু-ব্যৱস্থা প্রদান কৰাৰ দৰে বহুতো বিষয়ক কেন্দ্র কৰি ৰাজহুৱা সভা অনুষ্ঠিত কৰিছিল। অৱশ্যে, ডিৰোজিয়ানসকলৰ উগ্র দর্শনৰ বাবে তেওঁলোকে লাহে-লাহে সমর্থন হেৰুৱাই পেলাইছিল আৰু আন্দোলনটো

ক্ৰমে স্তিমিত হৈ আহিছিল।

- **প্ৰাৰ্থনা সমাজ**

এম. জি. ৰাণাডেই তেওঁৰ বন্ধু ড° আত্মাৰাম পাণ্ডুৰংগ, বাল মংগেশ ৰাগলে আৰু বমন আবাজি মোদকৰ সৈতে ব্ৰাহ্ম সমাজ তথা প্ৰাচীন বেদৰ ভিত্তিত প্ৰতিষ্ঠিত ঈশ্বৰবাদী ধ্যান-ধাৰণাৰ দ্বাৰা অনুপ্ৰাণিত হৈ হিন্দু সংস্কাৰ আন্দোলন প্ৰাৰ্থনা সমাজ প্ৰতিষ্ঠা কৰিছিল। মহাৰাষ্ট্ৰত প্ৰচলিত প্ৰাৰ্থনা সমাজৰ সামাজিক আঁচনিৰ চাৰিটা দিশ হ'ল—

ক) জাতিভেদ প্ৰথাৰ বিৰোধিতা

খ) নাৰী শিক্ষাৰ প্ৰসাৰ

গ) বিধবা বিবাহৰ প্ৰচলন

ঘ) পুৰুষ আৰু মহিলা উভয়ৰ ক্ষেত্ৰত বিবাহৰ ন্যূনতম বয়স বৃদ্ধি কৰা।

- **এনি বেচান্ত আৰু থিয়চ'ফিকেল সমাজ**

আধুনিক ভাৰতৰ ধৰ্ম, সমাজ আৰু সাংস্কৃতিৰ ইতিহাসত এনি বেচান্তৰ থিয়চ'ফিকেল সমাজে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। থিয়চ'ফিকেল সমাজ ১৮৭৫ চনত আমেৰিকা যুক্তৰাষ্ট্ৰত ৰাছিয়াৰ আধ্যাত্মবাদী মেদাম এইচ. পি. ব্লাভাৎস্কি আৰু আমেৰিকাৰ কৰ্ণেল এইচ. এচ. ওলকোটে প্ৰতিষ্ঠা কৰিছিল। থিয়চ'ফিকেল সমাজৰ মূল লক্ষ্য হ'ল ধৰ্মীয়, দৰ্শন আৰু বিজ্ঞানৰ ক্ষেত্ৰখনত বিদ্বানসকলক উৎসাহিত কৰা, মানুহৰ মনত দৈৱীয় শক্তিৰ ভাব জগাই তোলা আৰু মানুহৰ মাজত ভাতৃত্ববোধৰ বীজ সিঁচি দিয়া।

১৮৭৯ চনত ভাৰতত এই সমাজখনে পোনপ্ৰথমবাৰৰ বাবে আত্মপ্ৰকাশ কৰিছিল আৰু ১৮৮৬ চনত ইয়াৰ মুখ্য কাৰ্যালয় মাদ্ৰাঝৰ নিকটৱৰ্তী আদিয়াৰত স্থাপন কৰা হৈছিল। ১৮৯৩ চনত ভাৰতৰ স্বাধীনতা আন্দোলনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা এনি বেচান্তৰ নেতৃত্বত থিয়চ'ফিকেল সমাজৰ অধিক প্ৰসাৰ হৈছিল। তেওঁ আৰু তেওঁৰ সংগীসকলে প্ৰাচীন হিন্দু, বৌদ্ধ আৰু জেৰুৱষ্ট্ৰীয় ধৰ্মৰ পুনৰুদ্ধাৰ আৰু একত্ৰীকৰণৰ বাবে মাত মাতিছিল। তেওঁ আত্মৰ স্থানান্তৰণৰ নীতিৰ বিশ্বাসী আছিল। এনি বেচান্তে শিক্ষিত ভাৰতীয়সকলক নিজৰ দেশত গৰ্বৰ ভাবনা প্ৰদান কৰাত সহায় কৰিছিল। এনি বেচান্তৰ এই ধৰ্মযুদ্ধৰ মূল আছিল পশ্চিমীয়া লোকে নেতৃত্ব দিয়া আৰু সুদৃঢ় কৰা এক আন্দোলন যিয়ে ভাৰতীয় ধৰ্মীয় আৰু দৰ্শনৰ নীতিক সন্মান কৰাৰ লগতে ভাৰতীয়সকলক নিজৰ আত্মবিশ্বাস পুনৰ প্ৰাপ্তিত সহায় কৰিছিল।

- **আৰ্য মহিলা সমাজ**

পণ্ডিতা ৰামাবাই মহাৰাষ্ট্ৰৰ এগৰাকী অগ্ৰণী সমাজ সংস্কাৰৰ আছিল যিয়ে মহিলাৰ মৰ্যাদাৰ হকে আৰু বাল্য বিবাহৰ বিৰুদ্ধে মাত মাতিছিল। তেওঁ নাৰী শিক্ষাৰ প্ৰসাৰৰ বাবে কাম কৰিছিল আৰু নাৰীৰ, বিশেষকৈ বাল্য বিধৱাসকলৰ পীড়া দূৰ কৰিবলৈ পুনেত ১৮৮১ চনত আৰ্য মহিলা সমিতি স্থাপন কৰিছিল। ১৮৮৯ চনত তেওঁ পুনাত 'মুক্তি অভিযান' (Mukti Mission) প্ৰতিষ্ঠা কৰিছিল। ই পৰিয়ালে আঁতৰাই পঠিওৱা আৰু দুৰ্ব্যৱহাৰ কৰা বাল্য বিধৱাসকলৰ বাবে এটা আশ্ৰয়স্থলী আছিল। তেওঁ অনাথ, বিধৱা আৰু দৃষ্টিশক্তিহীনসকলক গৃহ, বিদ্যালয়ৰ সুবিধা, বৃদ্ধিমুখী শিক্ষা আৰু চিকিৎসাৰ সুবিধা প্ৰদান কৰিবলৈ 'শাৰদা সদন' স্থাপন কৰিছিল।

- **আহমদিয়া আন্দোলন**

১৮৮৯ চনত মিৰ্জা গোলাম আহমেদে এই আন্দোলনৰ আৰম্ভ কৰিছিল। এই আন্দোলন উদাৰনৈতিক দৰ্শনৰ ভিত্তিত গঢ়ি উঠিছিল আৰু নিজকে 'মহমেদান নৱজাগৰণ'ৰ পথ প্ৰদৰ্শক হিচাপে স্বীকৃতি দিয়া আহমদিয়া আন্দোলনে সকলো মানুহৰ বিশ্বধৰ্মৰ প্ৰমূল্যৰ ওপৰত আস্থা প্ৰদৰ্শন কৰাৰ লগতে জিহাদৰ বিৰোধিতা কৰে। এই আন্দোলনে মুছলিমসকলৰ মাজত পশ্চিমীয়া উদাৰনৈতিক শিক্ষাৰ প্ৰসাৰৰ হকে মাত মাতিছিল।

- **আলিগড় আন্দোলন**

উন্নত শিক্ষা আৰু নিয়োগৰ জৰিয়তে ভাৰতীয় মুছলিমসকলৰ উন্নয়নৰ প্ৰক্ৰিয়াটো অধিক ক্ষিপ্ৰ কৰি তুলিবলৈ চৈয়দ আহমদ খানৰ নেতৃত্বত এদল মুছলিম লোকে আলিগড় আন্দোলন আৰম্ভ কৰিছিল। আন্দোলনটোৱে বিভিন্ন উদাৰনৈতিক ধ্যান-ধাৰণাসমূহ আন্দোলন পৰিচালনাৰ মুখ্য স্থান মহমেদান ইংৰাজী-প্ৰাচ্য মহাবিদ্যালয়, আলিগড়ৰ পৰা প্ৰসাৰ কৰিছিল। এই আন্দোলনটোৰ মুখ্য উদ্দেশ্য আছিল ইছলামৰ প্ৰতি ভাৰতীয় মুছলমানৰ দায়ৱদ্ধতাক প্ৰভাৱিত নকৰাকৈ তেওঁলোকৰ মাজত আধুনিক শিক্ষাৰ প্ৰসাৰ কৰা। লগতে মুছলিমসকলৰ মাজত প্ৰচলিত পৰ্দা প্ৰথা, পলিগমি, নাৰীশিক্ষা, বিধবা পুনৰ বিবাহ, দাসত্ব, বিবাহ বিচ্ছেদ আদিক কেন্দ্ৰ কৰি সামাজিক সংস্কাৰৰ প্ৰয়োজনীয়তাৰ কথাও আন্দোলনকাৰীসকলে অনুভৱ কৰিছিল।

- **শ্ৰীনাৰায়ণ গুৰুধৰ্ম পৰিপালন আন্দোলন**

বঞ্চিত শ্ৰেণী আৰু উচ্চ অ-ব্ৰাহ্মণ শ্ৰেণীৰ মাজৰ বিদ্বেষৰ পৰিণতিত গঢ়ি উঠা ই এটা প্ৰান্তীয় আন্দোলন আছিল। এই আন্দোলনটোৱে সামাজিক গঠনলৈ পৰিৱৰ্তন অনাৰ লগতে ক্ৰমোচ্চ শ্ৰেণীবিভাজন, সামাজিক গতিশীলতা, পৰম্পৰাগত ক্ষমতাৰ বিতৰণ ব্যৱস্থালৈ পৰিৱৰ্তন, পিছপৰা শ্ৰেণীৰ বাবে বৃহৎ সংগঠন গঠন কৰাৰ দৰে ব্যৱস্থা হাতত লৈছিল।

- **সাবিত্ৰীবাই ফুলে**

সাবিত্ৰীবাই ফুলে এগৰাকী সমাজ-সংস্কাৰক আৰু কবি যাক প্ৰথম পৰ্যায়ৰ নাৰীবাদীসকলৰ ভিতৰত এগৰাকী বুলি জনা যায়। তেওঁ তেওঁৰ স্বামীৰ সৈতে ১৮৮৪ চনত পুনেৰ ভিড়েৱাড়াত প্ৰথমখন মহিলা বিদ্যালয় স্থাপন কৰিছিল। ভাৰতীয় ধৰ্মীয় ব্যৱস্থাত গভীৰলৈ শিপাই থকা জাতিগত পুৰুষতান্ত্ৰিকতাক প্ৰত্যাহ্বান জনোৱাৰ লগতে জাতিভেদ প্ৰথা আৰু লিংগগত বৈষম্যক সমাজৰ পৰা আঁতৰ কৰিবলৈ বিভিন্ন আঁচনি হাতত লৈছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাৰতত কেতিয়া সংস্কাৰ আন্দোলন আৰম্ভ হৈছিল।

.....

প্ৰশ্ন নং ২ ঃ ভাৰতৰ সংস্কাৰ আন্দোলনৰ ধ্বজাবাহকসকল কোন কোন?

.....

প্ৰশ্ন নং ৩ ঃ সংস্কাৰ আন্দোলনে ভাৰতীয় নাৰীৰ মুক্তিৰ বাবে আঁচনি হাতত লৈছিল নে?

.....

প্ৰশ্ন নং ৪ ঃ সংস্কাৰ অবিহনে ভাৰত আধুনিক হ'ব পাৰিব নে?

.....

প্ৰশ্ন নং ৫ ঃ কোনবোৰ কাৰকৰ ওপৰত ভিত্তি কৰি সংস্কাৰ আন্দোলনসমূহৰ ভেঁটি নিৰ্মাণ হৈছিল?

.....

৮.৫ ভাৰতত সংস্কাৰ আন্দোলনৰ প্ৰভাৱ

ধৰ্মীয় নীতি-নিয়ম মানি চলোতা সমাজৰ শিষ্ট শ্ৰেণীৰ লোকসকলৰ বাধা সত্ত্বেও সংস্কাৰ আন্দোলনে মানুহক বিভিন্ন সামাজিক শোষণ আৰু অবদমনৰ পৰা মুক্ত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অবিহণা যোগাইছিল। ধৰ্মীয় গ্ৰন্থসমূহ বিভিন্ন প্ৰান্তীয় ভাষালৈ অনুবাদ কৰাৰ লগতে পবিত্ৰ গ্ৰন্থ আৰু নীতি-নিয়মৰ ব্যাখ্যাৰ জৰিয়তে অধিক

ব্যক্তিক উপাসনাৰ প্ৰক্ৰিয়াটোত জড়িত কৰাবলৈ বিচৰা হৈছিল।

সংস্কাৰ আন্দোলনে ক্ৰমে খোপনি পুতিবলৈ আৰম্ভ কৰা মধ্যবিত্ত শ্ৰেণীটোক এক সাংস্কৃতিক পটভূমি প্ৰদান কৰাৰ লগতে ব্ৰিটিছ প্ৰশাসনে প্ৰদান কৰা লজ্জাজনক মানসিকতাক প্ৰশমিত কৰিছিল। আধুনিক যুগৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি সময়ৰ লগত ফেৰ মাৰিব পৰা, শক্তিশালী, ধৰ্মনিৰপেক্ষ আৰু বৈজ্ঞানিক মনোবৃত্তিক উৎসাহিত কৰিছিল। সংস্কাৰসকলে পাশ্চাত্যকৰণৰ সলনি আধুনিকীকৰণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। লগতে বিশ্ব সম্প্ৰদায়ৰ পৰা ভাৰতৰ যি সাংস্কৃতিক আৰু বৌদ্ধিক দূৰত্ব, তাক অন্ত পেলোৱাৰ উদ্দেশ্যে এক গঠনাত্মক সামাজিক পৰিৱেশ ৰচনা কৰিবলৈ বিচৰা হৈছিল। এইটো সম্ভৱ হৈছিল সংস্কাৰকসকলে সতীদাহ প্ৰথাৰ অন্ত পেলাবলৈ আৰু বিধবা বিবাহৰ প্ৰচলন কৰিবলৈ সেই সময়ত কৰা নিয়ত চেষ্টাৰ ফলশ্ৰুতিত। সেই সময়ত বহুতো বৌদ্ধিকভাৱে সজাগ লোকৰ আৱিৰ্ভাৱ হৈছিল, যিসকলে মানুহৰ মাজত সজাগতাৰ স্তৰ বৃদ্ধিৰ বাবে প্ৰচাৰ চলোৱাৰ লগতে আনুষ্ঠানিক যুক্তিপূৰ্ণ আলোচনাত ভাগ লৈছিল। বুদ্ধিজীৱীসকলৰ দ্বাৰা গৃহীত এই দৰ্শন আৰু কাৰ্যসমূহ প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে ৰাষ্ট্ৰ নিৰ্মাণ আৰু ৰাষ্ট্ৰ পুনৰ গঠনৰ অভিযানৰ লগত জড়িত। এই কথা বুজি পোৱা উচিত যে সামাজিক সংস্কাৰ আন্দোলন এটা উত্তেজনাৰ বহিঃপ্ৰকাশ মাত্ৰ নাছিল; ই ব্যাপক ৰাষ্ট্ৰীয় ৰাজনৈতিক আৰু অৰ্থনৈতিক বিচাৰ-বিবেচনাযুক্ত এটি আন্দোলন আছিল।

সংস্কাৰ আন্দোলনৰ পৰিণতিত মহিলাৰ বাবে হোৱা কিছুমান বিধায়িনী ব্যৱস্থা হ'ল—

- বেংগল অধিনিয়ম (১৮২৯) — এই আইনখনে সতীদাহ প্ৰথা বন্ধ কৰিছিল।
- বেংগল অধিনিয়ম (১৭৯৫, ১৮০৪) ঃ এই আইনখনে কন্যা ভ্ৰূণ হত্যাক অবৈধ ঘোষণা কৰিছিল।
- বিধবাৰ পুনৰ বিবাহ আইন, ১৮৫৬
- বয়সৰ সম্মতি সম্পৰ্কীয় আইন, ১৮৯১
- সাৰদা আইন, ১৯২৯
- বিশেষ বিবাহৰ আইন, ১৯৫৪
- হিন্দু বিবাহ আইন, ১৯৫৫
- হিন্দুৰ উত্তৰাধিকাৰ সম্পৰ্কীয় আইন, ১৯৫৬
- মাতৃত্বৰ সুবিধাৰ আইন, ১৯৬১
- যৌতুক নিষিদ্ধকৰণ আইন, ১৯৬১
- সম-আয়ৰ আইন, ১৯৭৬

এইবোৰৰ উপৰিও সামাজিক সংস্কাৰ আন্দোলনৰ বিভিন্ন সীমাবদ্ধতাও আছে। সেইবোৰ হ'ল —

সংস্কাৰ আন্দোলনৰ এক সংকুচিত সামাজিক ভিত্তি আছে আৰু ই এক ক্ষুদ্ৰ অংশকহে স্পৰ্শ কৰিব পাৰিছিল। কেবল শিক্ষিত আৰু নগৰৰ মধ্যবিত্ত লোকসকল সামাজিক সংস্কাৰ আন্দোলনৰ লগত জড়িত হৈ থকাৰ বিপৰীতে অধিকাংশ কৃষক আৰু চহৰাঞ্চলৰ দৰিদ্ৰসকলৰ প্ৰয়োজনীয়তাসমূহ আওকাণ কৰা হৈছিল। অশিক্ষিতৰ ব্যাপক হাৰৰ বাবেও সংস্কাৰ আন্দোলন গ্ৰাম্যাঞ্চলত প্ৰসাৰিত হ'ব পৰা নাছিল। লগতে আধুনিক আৰু বিভিন্ন প্ৰকাৰৰ যোগাযোগৰ মাধ্যমৰ অনুপস্থিতিৰ বাবে সংস্কাৰ আন্দোলন চহৰতে সীমাবদ্ধ হৈ থাকিল। এইদৰে, ব্যৱহাৰিক গুৰুত্ব থকাৰ পিছতো আন্দোলনটো চহৰাঞ্চলত সীমাবদ্ধ হৈ থকা পৰিলক্ষিত হৈছিল।

ইয়াৰ লগতে জাতিবাদৰ দৰে দিশসমূহ বিভিন্ন ধৰ্মীয় আৰু সামাজিক স্তৰৰ পৰা আঁতৰি নগ'ল। ভাৰতীয়সকলৰ মনত দলৈকে শিপাই থকা জাতি আৰু নীতি সম্পৰ্কীয় দিশবোৰ আঁতৰ কৰা সহজ নাছিল। অতীতৰ প্ৰতি আকৰ্ষণ আৰু ধৰ্মগ্ৰন্থৰ শক্তিৰ ওপৰত নিৰ্ভৰশীল হৈ থকা সংস্কাৰকসকলৰ প্ৰবৃত্তিয়ে ধৰ্মৰ বৰ্গীকৰণৰ প্ৰতি প্ৰেৰিত কৰিবলৈ আৰু লগতে নিম্ন জাতিৰ লোকক উচ্চ জাতিৰ পৰা আঁতৰাই আনিছিল। ধৰ্মনিৰপেক্ষতাৰ নীতি অনুসৰণ কৰিবলৈ যাওঁতে ধৰ্মীয় তথা আধ্যাত্মিক দিশসমূহৰ ওপৰত অধিক গুৰুত্ব

আৰোপ কৰাৰ ফলত হিন্দুসকলক প্ৰাচীন ভাৰতীয় ইতিহাস আৰু মুছলমানসকলক মধ্যযুগৰ ইতিহাসতে সীমাবদ্ধ ৰাখিছিল। ইয়াৰ ফলত পৃথক দৃষ্টিভংগীৰ আৰু যুক্তিনিৰ্ভৰ দুটা দলৰ সৃষ্টি হৈছিল।

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ঊনবিংশ শতিকাৰ ভাৰতীয় সমাজখন ধৰ্মীয় অন্ধবিশ্বাস, সামাজিক অনগ্ৰসৰতাৰে পৰিপূৰ্ণ আছিল।
- অৱদমন, মৰ্যাদা, কৰ্তৃপক্ষ, অসহিষ্ণুতা, হতাশাগ্ৰস্ততা আদি অন্যান্য কাৰক যাৰ জৰিয়তে সমাজত বৈষম্যৰ সৃষ্টি কৰি অহা হৈছে। এক পতনমুখী সমাজৰ বাবে দায়ী এই দিশবোৰ সংস্কাৰ আন্দোলনে সমাজৰ পৰা আঁতৰাই সমাজখনক আধুনিকীকৰণৰ বাবে সূচল কৰি তুলিবলৈ বিচাৰে।
- সংস্কাৰ আন্দোলনত গুৰুত্ব লাভ কৰা বিভিন্ন সামাজিক সমস্যাসমূহ হ'ল সতীদাহ প্ৰথা, কন্যা ভ্ৰূণ হত্যা, বাল্য বিবাহৰ লগতে ভাৰতীয় সমাজ ব্যৱস্থাত শিপাই থকা জাতিভেদ আৰু অস্পৃশ্যতা। ধৰ্মীয় দিশত মূৰ্তি উপাসনা, বহু দেৱ-দেৱীৰ ওপৰত বিশ্বাস, ধৰ্মীয় অনিয়ম তথা পুৰোহিত শ্ৰেণীৰ দুৰ্নীতি আদিয়ে গুৰুত্ব লাভ কৰিছে।
- ভাৰতৰ প্ৰথম বৌদ্ধিক আন্দোলন হিচাপে ব্ৰাহ্ম সমাজে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি। এই আন্দোলনে আধুনিক ভাৰতত যুক্তিবাদ আৰু নৱজাগৰণৰ দৰ্শনৰ প্ৰসাৰ কৰি আহিছে। ব্ৰাহ্ম সমাজ মূৰ্তি পূজাৰ বিৰোধী হোৱাৰ লগতে পুৰোহিতৰ প্ৰয়োগ আৰু ত্যাগৰ নীতিৰ পৰা আঁতৰত আছিল।
- ১৮৭৫ চনত স্বামী দয়ানন্দ সৰস্বতীয়ে আৰম্ভ কৰা 'আৰ্য সমাজ' এটা হিন্দু সংস্কাৰ আন্দোলন আছিল। তেওঁ প্ৰতিষ্ঠা কৰা আৰ্য সমাজত বেদ আৰু ব্ৰহ্মচৰ্যৰ নীতিসমূহ অনুসৰণ কৰা হৈছিল।
- ডিৰোজিওই আৰম্ভ কৰা আন্দোলনটোক 'যুৱ বংগ আন্দোলন' নামেৰে জনা যায় আৰু তেওঁৰ সমৰ্থকসকলক 'ডিৰোজিয়ান' আখ্যা দিয়া হয়। তেওঁলোকে ধৰ্মীয় আচাৰ-অনুষ্ঠানক সমালোচনা কৰিছিল আৰু সামাজিক ব্যাধি নিৰ্মূলৰ লগতে নাৰী শিক্ষা আৰু সমাজত নাৰীৰ অৱস্থাৰ উন্নতিৰ হকে মাত-মাতিছিল।
- এম. জি. ৰাণাডেই তেওঁৰ বন্ধু ড° আত্মাৰাম পাণ্ডুৰংগ, বাল মংগেশ ৰাগলে আৰু বমন আবাজি মোদকৰ সৈতে ব্ৰাহ্ম সমাজ তথা প্ৰাচীন বেদৰ ভিত্তিত প্ৰতিষ্ঠিত ঈশ্বৰবাদী ধ্যান-ধাৰণাৰ দ্বাৰা অনুপ্ৰাণিত হৈ হিন্দু সংস্কাৰ আন্দোলন প্ৰাৰ্থনা সমাজ প্ৰতিষ্ঠা কৰিছিল।
- থিয়চ'ফিকেল সমাজৰ মূল লক্ষ্য হ'ল ধৰ্মীয়, দৰ্শন আৰু বিজ্ঞানৰ ক্ষেত্ৰখনত বিদ্বানসকলক উৎসাহিত কৰা, মানুহৰ মনত দৈৱীয় শক্তিৰ ভাৰ জগাই তোলা আৰু মানুহৰ মাজত ভাতৃত্ববোধৰ বীজ সিঁচি দিয়া।
- পণ্ডিত ৰামাবাই নাৰী শিক্ষাৰ প্ৰসাৰৰ বাবে কাম কৰিছিল আৰু নাৰীৰ, বিশেষকৈ বাল্য বিধবাসকলৰ পীড়া দূৰ কৰিবলৈ পুনেত ১৮৮৯ চনত আৰ্য মহিলা সমিতি স্থাপন কৰিছিল।
- ১৮৮৯ চনত মিৰ্জা গোলাম আহমেদে এই আন্দোলনৰ আৰম্ভ কৰিছিল। এই আন্দোলন উদাৰনৈতিক দৰ্শনৰ ভিত্তিত গঢ়ি উঠিছিল আৰু নিজকে 'মহমেদান নৱজাগৰণ'ৰ পথ প্ৰদৰ্শক হিচাপে স্বীকৃতি দিয়া আহমদিয়া আন্দোলনে সকলো মানুহৰ বিশ্বধৰ্মৰ প্ৰমূল্যৰ ওপৰত আস্থা প্ৰদৰ্শন কৰাৰ লগতে জিহাদ বিৰোধিতা কৰে।
- চৈয়দ আহমদ খানৰ নেতৃত্বত এদল মুছলিম লোকে আলিগড় আন্দোলন আৰম্ভ কৰিছিল। আন্দোলনটোৱে বিভিন্ন উদাৰনৈতিক ধ্যান-ধাৰণাসমূহ আন্দোলন পৰিচালনাৰ মুখ্য স্থান মহমেদান ইংৰাজী-প্ৰাচ্য মহাবিদ্যালয়, আলিগড়ৰ পৰা প্ৰসাৰ কৰিছিল। এই আন্দোলনটোৰ মুখ্য উদ্দেশ্য আছিল ইছলামৰ প্ৰতি ভাৰতীয় মুছলমানৰ দায়ৱদ্ধতাক প্ৰভাৱিত নকৰাকৈ তেওঁলোকৰ মাজত আধুনিক

শিক্ষাৰ প্ৰসাৰ কৰা।

- ধৰ্মীয় নীতি-নিয়ম মানি চলোতা সমাজৰ শিষ্ট শ্ৰেণীৰ লোকসকলৰ বাধা সত্ত্বেও সংস্কাৰ আন্দোলনে মানুহক বিভিন্ন সামাজিক শোষণ আৰু অবদানৰ পৰা মুক্ত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছিল।

৮.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Thakurta, Pranjay Guha : Shankar, Raghuraman (2004), A Time of Coalitions : Divided we stand, Sage Publications, New Delhi: Sage Publications
2. A Social, Cultural and Economic History of India, Volume II (1974), Macmillan.
3. Rinehart, Robin(2004); Contemporary Hinduism : Ritual, Culture and Practice : ABC-CLIO

৮.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ঊনবিংশ শতিকাৰ পৰা।
২নং প্ৰশ্নৰ উত্তৰ ঃ বাবা আমতে, বি. আৰ. আম্বেদকাৰ, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, ৰামমোহন ৰায়, বিনোৱাভাৱে।
৩নং প্ৰশ্নৰ উত্তৰ ঃ হয় লৈছিল। সতীদাহ প্ৰথা বন্ধ, নাৰী শিক্ষাৰ প্ৰসাৰ আদি।
৪নং প্ৰশ্নৰ উত্তৰ ঃ নোৱাৰে। কিয়নো সামাজিক অসূয়া-অপ্ৰীতিয়ে ভাৰতৰ বিকাশত বাধাৰ সৃষ্টি কৰি আহিছে।
৫নং প্ৰশ্নৰ উত্তৰ ঃ বৈজ্ঞানিক মানসিকতা, যুক্তিবাদ, আধুনিক শিক্ষা, স্বাধীনতা আৰু মমতা।

৮.৯ আৰ্হি প্ৰশ্ন

(ক) চমু উত্তৰ প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ ভাৰতক সংস্কাৰ আন্দোলনৰ প্ৰয়োজন হৈছিল?

প্ৰশ্ন ২ ঃ ভাৰতীয় নৱজাগৰণৰ প্ৰধান বৈশিষ্ট্যবোৰ কি কি?

(খ) দীঘল উত্তৰৰ প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ ঊনবিংশ শতাব্দীত সংঘটিত হোৱা সংস্কাৰ আন্দোলনৰ বৈশিষ্ট্যবোৰ কি কি? ভাৰতত জাতীয় জাগৰণৰ ক্ষেত্ৰত এই সংস্কাৰ আন্দোলনবোৰে কিদৰে অৱদান আগবঢ়াইছিল।

প্ৰশ্ন ২ ঃ সংস্কাৰ আন্দোলনৰ সীমাবদ্ধতাসমূহ উদাহৰণসহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ জনজাতীয় আন্দোলন

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ ভাৰতত হোৱা জনজাতীয় আন্দোলনৰ বিৱৰণ
৯.৪ ভাৰতৰ বিখ্যাত জনজাতীয় আন্দোলনসমূহ ঃ উদ্ভৱ, বিষয়সমূহ নেতৃত্ব আৰু ফলাফলসমূহ
৯.৪.১ প্ৰাক-স্বাধীন ভাৰতৰ জনজাতীয় আন্দোলনসমূহ
৯.৪.২ স্বাধীনোত্তৰ কালৰ জনজাতীয় আন্দোলনসমূহ
৯.৪.৩ অৱস্থানৰ ভিত্তিত হোৱা জনজাতীয় আন্দোলনসমূহ
৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৬ অধিক জানিবলৈ
৯.৭ অগ্ৰগতিৰ খতিয়ান
৯.৮ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতত জনজাতীয় আন্দোলনৰ সম্পূৰ্ণ ইতিবৃত্ত সম্পৰ্কে জানিবলৈ পাব
- ভাৰতৰ কিছুমান উল্লেখযোগ্য জনজাতীয় আন্দোলনৰ বিষয়ে আলোচনা কৰিব পাৰিব
- দেশৰ বিভিন্ন জনজাতীয় আন্দোলনৰ বিচাৰ্য বিষয়সমূহৰ নিৰ্দিষ্টতা, লক্ষ্য, নেতৃত্ব, প্ৰত্যাহ্বান আৰু ফলাফলসমূহৰ বিষয়ে জানিব।

৯.২ পৰিচয়

আমি সকলোৱে জানো যে দেশৰ বিভিন্ন প্ৰান্তত বিভিন্ন সময়ত বহুতো সামাজিক আন্দোলনৰ সূচনা হৈছে। ইতিমধ্যে আগৰ অধ্যায়বোৰত বিভিন্ন আন্দোলনসমূহৰ নিৰ্দিষ্ট বিচাৰ্য বিষয় আৰু প্ৰসংগসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। সেই আলোচনাৰ পৰা এইটো কথা স্পষ্ট যে সামাজিক সমস্যাসমূহে এখন সমাজৰ ওপৰত সামগ্ৰিকভাৱে প্ৰভাৱ পেলায়। তথাপি, তাৰ মাজত এনে কিছুমান কাৰক আছে যিয়ে সমাজৰ এক নিৰ্দিষ্ট অংশকহে প্ৰভাৱান্বিত কৰে। সেয়েহে এখন সমাজৰ সকলো অংশৰে পৰা এক সৰ্বাংগীন ধাৰণা লাভ কৰিবলৈ আন্দোলনসমূহক বিভিন্ন প্ৰকাৰত বিভক্ত কৰা হয়। জনজাতীয় আন্দোলনসমূহৰ ওপৰত কৰা অধ্যয়নে জনজাতিসমূহৰ প্ৰধান সমস্যাসমূহৰ আঁতিগুৰি মাৰি বুজ লোৱাত আৰু এই সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত তেওঁলোকৰ দৃষ্টিভংগী সম্পৰ্কে অৱগত হোৱাত সহায় কৰে। এই অধ্যায়টিত এনে ধৰণৰ বিষয়সমূহৰ ওপৰতে আলোকপাত কৰা হৈছে।

৯.৩ ভাৰতত হোৱা জনজাতীয় আন্দোলনৰ বিৱৰণ

প্ৰাৰম্ভিকতে এইটো কথা উল্লেখযোগ্য যে ভাৰতৰ জনজাতি তথা সম্প্ৰদায়সমূহে ঔপনিৱেশিকতা-বিৰোধী আন্দোলনত অংশগ্ৰহণ কৰিছিল। ভাৰতত জনজাতীয় আন্দোলনসমূহ দুই প্ৰকাৰৰ আছিল— এটা প্ৰকাৰত জনজাতিসমূহে জমিদাৰ, মহাজন, ব্যৱসায়ী, ঠিকাদাৰ, চৰকাৰী বিষয়া আৰু খ্ৰীষ্টান ধৰ্মী ধৰ্মযাজকসকলৰ দৰে শোষকসকলৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল আৰু আনটো প্ৰকাৰ ভাৰতীয় স্বাধীনতা আন্দোলনৰ সৈতে জড়িত আছিল। চৰকাৰী তথ্য অনুসৰি, ভাৰতত ১৭০ বছৰীয়া সময়ছোৱাত ৭০ টাতকৈও অধিক জনজাতীয় আন্দোলন হৈছে। এই আন্দোলনসমূহ ভিন্ন মাত্ৰাত ঔপনিৱেশিকতা-বিৰোধী প্ৰকৃতিৰ আছিল। কেইটামান উল্লেখযোগ্য জনজাতীয় বিদ্ৰোহ হ'ল ঃ

- চোটানাগপুৰ অঞ্চল-টামাৰ বিদ্ৰোহ (১৭৮৯-১৮৩২)
- সান্থালসকলৰ খেৰৱাৰ আন্দোলন (১৮৩৩)
- ১৮৫৫ চনৰ সান্থাল (Santhal) বিদ্ৰোহ
- মুন্দাসকলৰ আন্দোলন (১৮৯৫-১৯০১)
- উৰিষ্যাৰ জনজাতীয় আৰু জাতীয় আন্দোলন (১৯২১-১৯৩৬)
- ঊনবিংশ শতিকাৰ শেষৰ ফালে অসমত হোৱা জনজাতীয় আন্দোলন।

জনজাতীয় দলসমূহে কেইবা শতিকাজুৰি আঁচুতীয়াকৈ বসবাস কৰি আহিছিল আৰু পৰৱৰ্তী সময়ত তেওঁলোক অজনজাতীয় লোকসকলৰ সংস্পৰ্শলৈ আহিলেও নিজৰ পৃথক পৰিচয় অক্ষুণ্ণ ৰাখিছিল। প্ৰতিটো জনজাতীয় গোটে ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰতিষ্ঠানসমূহৰ লগতে স্বকীয় সমাজ-ধৰ্মীয় তথা পৰস্পৰাগত জীৱনধাৰণ প্ৰণালীটো বৰ্তাই ৰাখিছিল।

জনজাতীয় অঞ্চলসমূহত ব্ৰিটিছৰ আধিপত্য নহালৈকে, জনজাতিসমূহে জীৱন-যাপনৰ বাবে প্ৰধানতঃ ভূমি আৰু অৰণ্যৰ ওপৰত নিৰ্ভৰশীল আছিল। সমগ্ৰ ভাৰতবৰ্ষ জুৰি অৰণ্যসমূহ জনজাতীয় জীৱনৰ এক অপৰিহাৰ্য অংশ আছিল। অৰণ্যৰ উৎপাদিত সামগ্ৰীসমূহ যেনে, জুই জ্বলাবলৈ প্ৰয়োজন হোৱা কাঠ, ফল-মূল, গৃহসজ্জাৰ সামগ্ৰী, ঔষধি গছ ইত্যাদিৰ ব্যৱহাৰৰ বাবে জনজাতীয় লোকসকলে যথাবিহিত অগ্ৰাধিকাৰ লাভ কৰিছিল। ইয়াৰ উপৰি, জনজাতীয় লোকসকল বয়ন শিল্প, পাচি তৈয়াৰ কৰা, চিকাৰ আৰু আহাৰ অৰ্জনৰ দৰে কাৰ্যত পাৰ্গত আছিল। জনজাতীয় সমাজৰ সমাজ-ধৰ্মীয় অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশসমূহ পৰিচালনা কৰিবলৈ সকলো জনজাতিৰে ব্যক্তিগত মুৰব্বী তথা গোষ্ঠী পৰিষদ আছিল। ব্ৰিটিছৰ প্ৰশাসনিক নীতিসমূহে এই পৰম্পৰাগত জনজাতীয় সংগঠনসমূহৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছিল। ব্ৰিটিছসকলে জনজাতীয় অঞ্চলসমূহত প্ৰচলন কৰা জমিদাৰী প্ৰথাটো এনে নীতিৰ উদাহৰণ। জনজাতীয় লোকসকলে জমিদাৰসকলক বহিৰাগত বুলি গণ্য কৰিছিল; কিন্তু প্ৰকৃতাৰ্থত তেওঁলোকহে নিজৰ মাটিতেই নিজেই আধিয়াৰ (tenant) হ'ব লগা হৈছিল। জনজাতিসমূহৰ গোষ্ঠী পৰিষদসমূহ ৰাজ পৰিষদ আৰু ৰজা সমৰ্থকসকলৰ দ্বাৰা বদলি কৰা হৈছিল। বজাৰ অৰ্থনীতিৰ আগমনৰ পাছত, জনজাতীয় অঞ্চলসমূহত এক নতুন শ্ৰেণীৰ ব্যৱসায়ীৰ উত্থান হৈছিল। জনজাতীয় লোকসকলক টকাৰ মাধ্যমত কৰ আদায় দিবলৈ বাধ্য কৰোৱা হৈছিল। যদি কোনোবাই টকাৰে কৰ আদায় দিবলৈ অসমৰ্থ আছিল, তেন্তে তেনে লোকক মহাজনসকলৰ পৰা টকা ধাৰলৈ লৈ হ'লেও কৰ আদায় দিবলৈ বাধ্য কৰোৱা হৈছিল।

ইয়াৰ উপৰি, জনজাতীয় লোকসকলৰ প্ৰতিষ্ঠিত ন্যায় ব্যৱস্থা ওফৰাই তাৰ ঠাইত এক নতুন ন্যায় ব্যৱস্থা প্ৰতিষ্ঠা কৰা হৈছিল, যিটো জনজাতীয় সমাজখনৰ বাবে যথোচিত নাছিল। এই ন্যায় ব্যৱস্থাৰ আঁৰত, জনজাতীয়

লোকসকল ঔপনিৱেশিক শাসকসকলৰ হাতত শোষিত হৈছিল। ইমানবোৰ কৰিও ব্রিটিছসকল ক্ষান্ত থকা নাছিল। ১৮৮৪ চনৰ বনাঞ্চল আইনখনৰ দ্বাৰা ব্রিটিছসকলে জনজাতীয় লোকসকলৰ বনাঞ্চল আৰু বনাঞ্চলৰ উৎপাদিত সামগ্রীৰ ওপৰত থকা অধিকাৰো খর্ব কৰিছিল। এইদৰে দেখা গৈছিল যে সমগ্র ভাৰততে ব্রিটিছ আঁচনিসমূহ জনজাতীয় স্বার্থৰ বাবে হানিকাৰক হৈ পৰিছিল।

ঊনবিংশ শতিকাৰ শেষার্ধত হোৱা দুর্ভিক্ষই জনজাতীয় লোকসকলৰ পৰিস্থিতি আৰু অধিক শোচনীয় কৰি পেলাইছিল। সেয়েহে, জনজাতীয় গোটসমূহে তেওঁলোকৰ ওপৰত হৈ থকা উৎপীড়ন আৰু দুর্ব্যৱহাৰৰ প্রতিক্রিয়া স্বৰূপে নিজৰ নিজৰ ঠাইত দমনকাৰীসকলৰ বিৰুদ্ধে আন্দোলনৰ সূচনা কৰিছিল। এইটো উল্লেখযোগ্য যে যদিও এই আন্দোলনসমূহ জীৱন বর্তাই ৰখাৰ হকে আছিল, তথাপি আন্দোলনসমূহৰ স্বকীয় সামাজিক আৰু ধর্মীয় অভিপ্রায় আছিল। সমগ্র ভাৰততে জনজাতীয় আন্দোলনসমূহ, একো একোজন মুৰব্বীৰ তত্ত্বাৱধানত পৰিচালিত হৈছিল। যদিও এই আন্দোলনসমূহ আৰম্ভণিতে ধর্মীয় সমস্যা আৰু বহিৰাগতৰ শোষণৰ বিৰুদ্ধে সংগঠিত হৈছিল, সময়ৰ লগে লগে এইবোৰ বৃহত্তৰ ৰাষ্ট্রীয় স্বার্থ আৰু কৰ-বিৰোধী বিদ্রোহৰ সৈতে সন্মিলিত হৈ পৰে। আন্দোলনসমূহত আহিলা হিচাপে জনজাতীয় লোকসকলে পৰম্পৰাগত অস্ত্র যেনে- ধনু, শৰ, লাঠি, কুঠাৰ আদি ব্যৱহাৰ কৰিছিল আৰু ইয়াৰ প্রকোপত মৃত্যু হোৱা শোষণৰ হাৰ দিনে দিনে বাঢ়ি গৈ আছিল। এইটো উল্লেখযোগ্য যে, অধিক সংখ্যক আন্দোলন চৰকাৰে উদাসীনভাৱে দমন কৰিছিল আৰু জনজাতীয় সম্প্রদায়সমূহে ব্রিটিছ নিয়ম-কানুনসমূহ মানি চলিবলৈ বাধ্য হৈছিল।

৯.৪ ভাৰতৰ বিখ্যাত জনজাতীয় আন্দোলনসমূহ ঃ উদ্ভৱ, বিষয়সমূহ নেতৃত্ব আৰু ফলাফলসমূহ

ভাৰতত জনজাতীয় বিদ্রোহৰ প্রাৰম্ভিক উত্তেজনাসমূহ ঊনবিংশ শতিকাৰ শেষার্ধৰ ফালে পৰিলক্ষিত হৈছিল। কিছুমান উল্লেখযোগ্য জনজাতীয় আন্দোলনৰ উত্থান, বিচার্য বিষয়, নেতৃত্ব আৰু ফলাফলসমূহৰ বিৱৰণ তলত দাঙি ধৰা হ'ল। আন্দোলনসমূহক নিজস্ব পার্থিৱ আৰু স্থানভিত্তিক বৈশিষ্ট্যৰ ভিত্তিত শ্রেণীবিভক্ত কৰা হৈছে।

৯.৪.১ প্রাক-স্বাধীন ভাৰতৰ জনজাতীয় আন্দোলনসমূহ

তামাৰ বিদ্রোহ (১৭৮৯-১৮৩২)

১৭৮৯ চনৰ পৰা ১৮৩২ চনলৈ তামাৰৰ জনজাতীয় বাসিন্দাসকলে ব্রিটিছ প্রশাসনৰ বিৰুদ্ধে সাতবাৰতকৈও অধিক বিদ্রোহত লিপ্ত হৈছে। তামাৰত ভোলানাথ সাহায়ে নেতৃত্ব দিয়া বিদ্রোহটোত মিদ্‌নাপুৰ, কোৱেলপুৰ, চাটশিলা, জাল্‌দা, ধাঢ়া আৰু ছিল্লিৰ জনজাতীয় সম্প্রদায়সমূহে যোগদান দিছিল। ১৮৩২ চনলৈ বিদ্রোহৰ জুই সমগ্র অঞ্চলতে বিয়পি পৰে আৰু ফলস্বৰূপে বনভূম ৰাজ পৰিয়ালৰ সহযোগী গংগা নাৰায়ণ সিঙৰ নেতৃত্বত ওৰাওন (Oraons), মুন্দা, হ' অথবা ক'ল (Hos or kols) সকলেও আন্দোলনত যোগদান কৰিছিল।

সান্থালসকলৰ খেৰৱাৰ আন্দোলন (১৮৩৩)

খেৰৱাৰ আন্দোলনটো অতীতৰ আদর্শগত জনজাতীয় স্বায়ত্তশাসন ঘূৰাই অনাৰ উদ্দেশ্যেৰে গঢ়ি তোলা হৈছিল। এই আন্দোলনটো ভগীৰথ মাঝিৰ নেতৃত্বত গঢ় লৈ উঠিছিল। তেওঁ ব্রিটিছ প্রশাসক, জমিদাৰ আৰু মহাজনসকলৰ কৱলৰ পৰা সান্থালসকলক মুক্তি দিয়াৰ বাবে প্রতিজ্ঞাবদ্ধ আছিল। তেওঁ হিন্দু ভগৱান ৰামক সান্থালসকলৰ "কৌদ"ৰ (Caudo) সৈতে ৰিজাই ৰামক পূজা কৰিবলৈ আহ্বান

জনাইছিল। তেওঁ হিন্দু ধর্মৰ দ্বাৰা অনুপ্ৰাণিত হৈ সান্থালসকলৰ নীতি-নিয়মত প্ৰদূষণ আৰু নিৰ্মলতাৰ ধাৰণাটো সন্নিৱিষ্ট কৰিছিল। কালক্ৰমত, সান্থালসকলে তেওঁলোকৰ এলেকাৰ পৰা অনা-সান্থালীসকলক খেদি পঠিওৱা কাৰ্যই খেৰৱাৰ আন্দোলনটোক এক ৰাজনৈতিক মাত্ৰা প্ৰদান কৰিলে।

সান্থাল বিপ্লৱ (১৮৫৫-১৮৫৬)

সান্থালসকল প্ৰধানতঃ বিহাৰত সিঁচৰতি এক কৃষিভিত্তিক জনজাতীয় সম্প্ৰদায়। ১৭৯৩ চনৰ স্থায়ী ভূমি বন্দৱস্তীৰ পতনৰ ফলস্বৰূপে, ১৮৫৫ চনৰ পৰা ১৮৫৬ চনৰ ভিতৰত প্ৰথমটো কৃষক বিদ্ৰোহ সংঘটিত হৈছিল। এই বিদ্ৰোহৰ ফলশ্ৰুতিত, ব্ৰিটিছে সান্থালসকলৰ ভূমিৰ অধিকাৰ উঠাই লয় আৰু তাৰ ঠাইত মাটিবোৰ জমিদাৰসকলক বিক্ৰী কৰি দিয়ে। জমিদাৰসকলে আকৌ মাটিবোৰ খেতিৰ বাবে কৃষকসকলক আধিলৈ দিয়ে। ইয়াৰ দ্বাৰা জমিদাৰ আৰু চৰকাৰী বিষয়াসকলে কৰ বৃদ্ধি কৰাৰ লগতে সাধাৰণ কৃষকসকলক শোষণ কৰাৰ সুযোগ পাইছিল। কিছু সময়ৰ বাবে, সান্থালসকলে নতুন ব্যৱস্থাটো মানি চলিছিল, কিন্তু শীঘ্ৰেই তেওঁলোক অতিষ্ঠ হৈ পৰে আৰু বিদ্ৰোহৰ সূচনা কৰে। সান্থালসকলৰ এই বিদ্ৰোহৰ কেইটামান উল্লেখযোগ্য কাৰণ হ'ল ঃ

ক) জমিদাৰ, আৰক্ষী, ৰাজহ বিভাগ আৰু ন্যায়ালয়ৰ দ্বাৰা এক সন্মিলিত শোষণ বিধি প্ৰণয়ন কৰা হৈছিল। এই বিধিমতে, সান্থালসকলৰ কৰ-কাটালসমূহ আদায় দিয়াৰ বাহিৰে আন কোনো বিকল্প নাছিল। তৎসত্ত্বেও তেওঁলোকক দুৰ্ব্যৱহাৰ তথা মাটিৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছিল।

খ) কাৰেন্দিয়া (Karendias) বুলি খ্যাত জমিদাৰসকলৰ প্ৰতিনিধিবোৰে সান্থালসকলৰ ওপৰত নিৰ্মম অত্যাচাৰ চলাইছিল।

গ) প্ৰভাৱশালী কৃষকসকলে সান্থালসকলৰ সকলো মাটি জব্দ কৰি লৈছিল।

ঘ) মহাজনসকলে কৰৰ ওপৰত বৃহৎ সূত নিৰ্ধাৰণ কৰিছিল। মহাজনসকলক সাধাৰণতে 'দিকু' (Dikus) বুলি জনা গৈছিল, যাৰ ব্যৱহাৰিক অৰ্থ আছিল 'শোষণকাৰী'।

ঙ) সান্থালসকলক বিনা মজুৰীৰে ৰেলপথ নিৰ্মাণৰ কামত নিযুক্তি দিয়া হৈছিল। সান্থাল মহিলাসকলক প্ৰায়ে অপহৰণ কৰি হত্য কৰা হৈছিল।

এই সকলোবোৰ পৰিস্থিতিৰ প্ৰতিবাদত সান্থালসকল বিদ্ৰোহৰ বাবে মিলিত হৈছিল আৰু ১৮৫৫ চনলৈ তেওঁলোকে গৰিলা যুদ্ধনীতিৰে নিজৰ সৈন্য-বাহিনী গঠন কৰিছিল। ব্ৰিটিছ শাসকসকলৰ বাবে ই এক নতুন অভিজ্ঞতা আছিল। পূৰ্বৰ কোনো সামাৰিক প্ৰশিক্ষণ নোহোৱাকৈ, সান্থালসকলে প্ৰায় দহ হাজাৰ সৈন্যৰে এক সৈন্যদল গঢ়ি তুলিছিল আৰু ৰেল তথা ডাকসেৱা সম্পূৰ্ণৰূপে ব্যাহত কৰিছিল। সান্থালসকলৰ এই বিদ্ৰোহে সকলোকে ব্ৰিটিছৰ বিৰুদ্ধে যুঁজ দিয়াৰ কথা সোঁৱৰাই দিছিল। ব্ৰিটিছে বিদ্ৰোহ দমন কৰিবলৈ যথোপযুক্ত পদক্ষেপ লৈছিল আৰু পাছলৈ সান্থালৰ আধিপত্য থকা অঞ্চলসমূহ সান্থাল পৰগণা নামে নতুন পৰগণা এটাত বিভক্ত কৰিছিল। ইয়াৰ উপৰি, বিদ্ৰোহৰ ফলশ্ৰুতিত, ব্ৰিটিছে সান্থালসকলৰ জনজাতীয় অৱস্থিত অনুধাৱন কৰিছিল আৰু তেওঁলোকক এক সমৰূপীয় প্ৰশাসনিক ব্যৱস্থাৰ অধীনলৈ আনিছিল।

মুন্দা বিদ্ৰোহ (১৮৯৯)

ভাৰতত ঊনবিংশ শতিকাত হোৱা জনজাতীয় বিদ্ৰোহসমূহৰ ভিতৰত মুন্দা বিদ্ৰোহ অন্যতম। ৰাঁচীৰ দক্ষিণ প্ৰান্তৰ বিৰ্চা মুন্দা নামৰ ব্যক্তি এগৰাকীয়ে মুন্দা ৰাজত্ব আৰু স্বাধীনতা লাভৰ উদ্দেশ্যেৰে এই বিদ্ৰোহৰ নেতৃত্ব দিছিল। আৱশ্যকীয়ভাৱে, মুন্দা বিদ্ৰোহটো এটা পুনৰুত্থানবাদী (revivalist) বিদ্ৰোহ আছিল, যাৰ উদ্দেশ্য আছিল মুন্দা সংস্কৃতিৰ পৰা সকলো ধৰণৰ বহিৰাগত উপাদান নাশ কৰা,

যাতে মুন্দা সম্প্রদায়ৰ প্ৰকৃত নিৰ্মল চৰিত্ৰ অক্ষুণ্ণ থাকে। পৰৱৰ্তী সময়ত, এই ধৰ্মীয় তথা সাম্প্ৰদায়িক বিদ্রোহটোত ৰাজনৈতিক আৰু কৃষক দলীয় উদ্দেশ্যসমূহো অন্তৰ্ভুক্ত কৰা হয়। ১৮৫৮ চনৰ পৰা, খ্ৰীষ্টান জনজাতীয় কৃষকসকলে গোচৰ ব্যৱস্থাৰ জৰিয়তে বিদেশী জমিদাৰ তথা 'বেথ বেগাৰি ব্যৱস্থা'ৰ (বাধ্যতামূলক শ্ৰম ব্যৱস্থা) বিৰুদ্ধে যুঁজ আৰম্ভ কৰিছিল। অৱশেষত, ১৯০২ চনৰ পৰা ১৯১০ চনৰ ভিতৰত হোৱা অনুসন্ধান আৰু সংস্থাপন ভিত্তিক কাৰ্যকৰণৰ অন্তত, প্ৰশাসনে মুন্দাসকলৰ অভিযোগসমূহ প্ৰতিকাৰৰ বাবে প্ৰয়াস কৰিছিল। চোটানাগপুৰ প্ৰজাস্বত্ব আইনখন প্ৰণয়ন হোৱাৰ পাছত, মুন্দাসকলে 'বেত বেগাৰি ব্যৱস্থা' নামৰ বাধ্যতামূলক শ্ৰমৰ ব্যৱস্থাটোৰ অৱসান ঘটাবলৈ আৰু তেওঁলোকৰ মাটিৰ স্বত্বাধিকাৰ থকা খুণ্টকাট্টি ব্যৱস্থাটোৰ কিছু পৰিমাণে হ'লেও কাৰ্যকৰী কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰি, আইনখনৰ জৰিয়তে চোটানাগপুৰৰ জনজাতীয় লোকসকলে মাটিৰ স্বত্বাধিকাৰৰ ক্ষেত্ৰত আইনগত সংৰক্ষণ পাইছিল।

অন্ধ্ৰ প্ৰদেশৰ আন্দোলন (১৯২২)

অন্ধ্ৰ প্ৰদেশৰ পাহাৰীয়া জনজাতীয় এলেকাসমূহত ১৯২২ চনৰ আগষ্টত আলুন ৰামাচন্দ্ৰ ৰাজুৰ নেতৃত্বত এক বিদ্রোহৰ সূত্ৰপাত হৈছিল। অন্ধ্ৰৰ পৰ্বতীয়া অঞ্চলৰ পৰামৰ্শদাতা বাৰ্তাবাহকসকলে ব্ৰিটিছক এক পূৰ্ণাংগ গৰিলা যুদ্ধত আৱদ্ধ কৰিবলৈ সফল হৈছিল। যুদ্ধত উপায়ন্তৰ হৈ ব্ৰিটিছে মালাবাৰ বিশেষ বাহিনীক নিযুক্ত কৰিছিল আৰু যুদ্ধখন আলুৰি ৰাজুৰ মৃত্যু নোহোৱা পৰ্যন্ত চলিছিল। স্বাধীনতা সংগ্ৰাম আগবঢ়াৰ লগে লগে পৰামৰ্শদাতাৰ বাৰ্তাবাহকসকলে স্বাধীনতা আন্দোলনত সম্পূৰ্ণৰূপে জঁপিয়াই পৰিছিল। অসংখ্য ভূমিহীন আৰু প্ৰচুৰভাৱে ক্ষতিগ্ৰস্ত বাৰ্তাবাহকে এইটো আশাৰে উচ্চ জাতিৰ স্বাধীনতা সংগ্ৰামীসকলৰ সৈতে চামিল হৈছিল যে ব্ৰিটিছসকলৰ পতনে এক নতুন গণতান্ত্ৰিক যুগৰ সূচনা কৰিব।

৯.৪.২ স্বাধীনোত্তৰ কালৰ জনজাতীয় বিদ্রোহ

দুৰ্ভাগ্যৰ কথা এয়ে যে, ভাৰতৰ স্বাধীনতাৰ সত্তৰ বছৰৰ পাছতো জনজাতীয় সম্প্ৰদায়সমূহে এতিয়াও প্ৰশাসনৰ সৈতে যুঁজ দিবলগীয়া হৈছে। যদিও স্বাধীনতাৰ পিছত, ভাৰতৰ মূলসুঁতিৰ জনসংখ্যাৰ মাজত বিভিন্ন দিশত বহুল উন্নয়নৰ সূচনা হৈছে, তথাপি এতিয়াও দলিত তথা আদিবাসীসকল অৱহেলিত হৈ আছে আৰু জনজাতীয় লোকসকলৰ বাবে বহুতো নতুন জটিলতাৰ সৃষ্টি হৈছে। ১৯৪৭ চনৰ পৰা হোৱা জনসমষ্টিৰ প্ৰসাৰণে ভূ-সম্পদৰ ওপৰত বোজা বৃদ্ধি কৰিছে। স্বাধীনোত্তৰ কালৰ ভাৰতবৰ্ষত হোৱা জনজাতীয় আন্দোলনসমূহৰ মৌলিক কাৰণসমূহ হ'ল— বনাঞ্চল হস্তান্তৰকৰণ, ভূমি স্বত্ব হেৰোৱা, বহিৰাগতৰ প্ৰকোপত চাকৰিৰ নাটনি, সাংস্কৃতিক নিমজ্জন আৰু উন্নয়নৰ অস্থিৰতা আদি।

ভাৰতৰ স্বাধীনোত্তৰ কালত হোৱা জনজাতীয় আন্দোলনসমূহক প্ৰৱণতাৰ ভিত্তিত তিনিটা ভাগত বিভক্ত কৰিব পাৰি। সেই ভাগ তিনিটা হ'ল—

১) বহিৰাগতৰ উৎপীড়নত সৃষ্টি হোৱা আন্দোলন।

২) অৰ্থনৈতিক উচ্ছেদকৰণৰ ফলস্বৰূপে হোৱা আন্দোলন। উদাহৰণ স্বৰূপে, মধ্য প্ৰদেশৰ গোন্দসকল আৰু অন্ধ্ৰ প্ৰদেশৰ মাহাৰসকলৰ মাজত হোৱা বিদ্রোহসমূহ।

৩) স্বায়ত্তশাসনৰ দাবীত সংগঠিত হোৱা আন্দোলন। উদাহৰণ স্বৰূপে, নগা আৰু মিজোসকলৰ দ্বাৰা সংগঠিত বিদ্রোহসমূহ। ইয়াৰ উপৰি, জনজাতীয় আন্দোলনসমূহক চাৰিটা অতিৰিক্ত

ভাগত বিভক্ত কৰিব পাৰি। সেই ভাগ চাৰিটা হ'ল—

ক) বনাঞ্চল ভিত্তিক বিদ্রোহ

খ) সমাজ-ধর্মীয় বিদ্রোহ অথবা সমাজ-সাংস্কৃতিক আন্দোলন

গ) ৰাজনৈতিক স্বাধীনতা আৰু নতুন ৰাজ্যৰ দাবীত সংগঠিত আন্দোলন। উদাহৰণ স্বৰূপে, নাগা, মিজো আৰু ঝাৰখণ্ডৰ জনজাতিসমূহে কৰা আন্দোলন।

ঘ) কৃষি-সংক্রান্তীয় বিদ্রোহ উদাহৰণ স্বৰূপে, ১৯৬৭ চনৰ নক্সালবাদী আন্দোলন আৰু ১৯৬৮ৰ পৰা ১৯৬৯ চনলৈ হোৱা ব্রিছাদল (Brisadal) আন্দোলন।

৯.৪.৩ অৱস্থানৰ ভিত্তিত হোৱা জনজাতীয় আন্দোলনসমূহ

জনজাতিসমূহে বসবাস কৰা ভৌগোলিক অৱস্থিতিৰ ভিত্তিত জনজাতীয় বিদ্রোহসমূহক দুটা ভাগত ভাগ কৰা হয়। সেই ভাগ দুটা হ'ল ঃ

১) অসীমান্তৱর্তী জনজাতি (Non-frontier Tribes) ঃ

ভাৰতৰ সমগ্র জনজাতীয় জনসংখ্যাৰ ৮৯ শতাংশই এইটো ভাগত পৰে। অসীমান্তৱর্তী জনজাতিসমূহ প্রধানতঃ মধ্য ভাৰত, পশ্চিম-মধ্য ভাৰত আৰু অন্ধ্র প্রদেশৰ মাজতে সীমাবদ্ধ আছিল। যিবোৰ জনগোষ্ঠীয়ে বিদ্রোহত অংশ লৈছিল তাৰ ভিতৰত খ'ন্দ্, ছাভাৰা, ওৰাৱন, কয়া, ক'ল, সান্থাল, মুন্দা, গ'ন্দ্, আৰু ভিলসকল অন্যতম। এই জনজাতিসমূহে কৰা বিদ্রোহবোৰ সাধাৰণভাৱে আৱেগপ্রৱণ আছিল আৰু সময়ত এইবোৰ বৃহৎ বিদ্রোহলৈ ৰূপান্তৰিত হয়।

২) সীমান্তৱর্তী জনজাতিসমূহ ঃ

বিশেষকৈ অসম, মণিপুৰ, নাগালেণ্ড, অৰুণাচল প্রদেশ, মেঘালয়, মিজোৰাম আৰু ত্রিপুৰাকে ধৰি সাতখন উত্তৰ-পূর্বীয় ৰাজ্যৰ জনজাতিসমূহ এইটো ভাগত পৰে।

ভাৰতত ব্রিটিছৰ শাসনৰ অন্ত পৰাৰ লগে লগে ১৯৪৭ চনৰ ১৪ আগষ্ট তাৰিখে নগা জাতীয় পৰিষদৰ (এন এন চি) সভাপতি আংগামি যাপু ফিজোৱে নগাসকলৰ স্বাধীনতা ঘোষণা কৰে। তেতিয়াৰ পৰাই নগা পাহাৰ অঞ্চলত বিশৃংখলতাৰ সূত্রপাত হৈছিল আৰু ১৯৬৩ চনত এখন পৃথক নাগালেণ্ড ৰাজ্য গঠন হোৱাৰ পাছতো বিদ্রোহৰ সাম কটা নাছিল। এন এন চিয়ে (নাগা জাতীয় পৰিষদ) ১৯৭৫ চনত স্বাক্ষৰ কৰা শ্বিলং সন্ধিৰ (Shillong Accord) পাছত, ইছাক চিছি ছ্যু (Isak Chisi Swo), থ. মুইভালাং (Th. Muivah) আৰু খাপলাং (Khaplang) নাগালেণ্ড জাতীয় সমাজতাত্ত্বিক পৰিষদ (চমুকৈ এন এছ চি এন) গঠন কৰিছিল। অতীজৰে পৰা নগাসকল নিজৰ স্বাভিমান আৰু স্বকীয় পৰিচয়ৰ বাবে জনাজাত আছিল। ৰাজনীতিকৰণৰ প্রক্রিয়াত, নগাসকলেও এখন পৃথক দেশৰ দাবী আগবঢ়াবলৈ উত্তেজিত হ'ল। এনে বিচ্ছিন্নতাবাদী বিদ্রোহৰ সূত্রপাত ১৯১৮ চনতে হৈছিল যেতিয়া এচাম নগা বুদ্ধিজীৱীয়ে ক'হিমাত নগা সংঘ নামেৰে সংঘ এটা গঠন কৰিছিল। এই সংঘটোৱে ব্রিটিছ প্রশাসনে ভাৰতৰ সাংবিধানিক সংস্কাৰৰ বাবে প্রস্তুত কৰা নির্দেশনাৰ পৰা নগাসকলৰ পৃথকীকৰণৰ বাবে ছাইমন আয়োগলৈ এখন স্মাৰক প্রেৰণ কৰিছিল। ১৯৪৬ চনত নগা সংঘক নাগালেণ্ড জাতীয় পৰিষদ (এন এন চি) নামেৰে পুনঃ নামকৰণ (rechristened) কৰা হয়। পৰৱর্তী সময়ত, এই পৰিষদখনে নাগালেণ্ড, অসম, অৰুণাচল প্রদেশ আৰু ম্যানমাৰকে (তেতিয়াৰ বার্মা) ধৰি নগাসকলৰ বসতি থকা সকলোবোৰ অঞ্চল সামৰি এক স্বাধীন স্বায়ত্তশাসিত ৰাজনৈতিক ভৌগোলিক স্বীকৃতিৰ দাবী কৰিলে। ইয়াৰ দ্বাৰাই ভাৰত চৰকাৰ আৰু নগাসকলৰ মাজত এক ৰাজনৈতিক সংগ্রামৰ সূচনা হয়।

বিহাৰ, পশ্চিম বংগ, অন্ধ্ৰ প্ৰদেশ আৰু উৰিষ্যাৰ জনজাতীয় অঞ্চলসমূহত হোৱা নক্সালবাদী আন্দোলন, মধ্য প্ৰদেশৰ গোন্দ আৰু ভিলসকলৰ কৃষিভিত্তিক বিদ্ৰোহ আৰু গোন্দসকলৰ বনাঞ্চল সম্বন্ধীয় বিদ্ৰোহসমূহ প্ৰধানতঃ সাৰ্বভৌমত্ব আৰু সুবিবেচনামূলক আচৰণৰ দাবীত আৰু জনজাতীয় লোকসকলৰ অভাৱ-অনাটন, ভোকাতুৰ অৱস্থা, নিবনুৱা সমস্যা আৰু দুৰ্ব্যৱহাৰ প্ৰতি অৱহেলিত মনোভাৱ ৰখা চৰকাৰ এখনৰ অপসাৰণৰ দাবীত সংঘটিত হৈছিল।

১৯৮৭ চনৰ ২ মাৰ্চত সদৌ বড়ো ছাত্ৰ সস্থাৰ (আবছু) সভাপতি উপেন্দ্ৰনাথ ব্ৰহ্মৰ নেতৃত্বত অসমৰ বড়োসকলে বড়োলেণ্ড নামেৰে এখন সাৰ্বভৌম ৰাজ্যৰ দাবীত এটা বিদ্ৰোহৰ সূচনা কৰে। আচলতে, অসমত পৃথক জনজাতীয় ৰাজ্যৰ দাবী উত্থাপন কৰাটো এক নতুন বিষয় নহয়। অসম সমভূমি জনজাতীয় পৰিষদে (Plains Tribal Council of Assam) (চমুকৈ পি টি চিত্ৰ) 'উদয়াচল' নামেৰে এখন ঐক্য মাতৃভূমি গঠনৰ হাবিয়াস কৰিছিল। কিন্তু, তেতিয়াৰ চৰকাৰখনে তেওঁলোকৰ বিদ্ৰোহ দমন কৰিলে। সেই আন্দোলনৰ পম খেদি, আবছুৱে বড়ো জনতাৰ কাৰ্য সমিতি (Bodo People's Action Committee) (চমুকৈ বি পি এচি) নামেৰে এটা ৰাজনৈতিক সন্মিলনৰ জন্ম দিছিল। আবছুৱে 'অসমক দুটা অৰ্থত বিভক্ত কৰক' (Divide Assam Fifty-fifty) ধ্বনিৰে আন্দোলন আগবঢ়াইছিল, যাৰ ফলস্বৰূপে ১৯৯৩ চনত বড়ো সন্ধি স্বাক্ষৰিত হয়। এই বড়ো সন্ধিৰ ফলস্বৰূপে, বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদৰ (চমুকৈ বি এ চি) জন্ম হয়। পৰৱৰ্তী সময়ত, ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত বন্দৰস্তীৰ স্মাৰক (Memorandum of Settement) অনুসৰি বি এ চিক বড়োলেণ্ড আঞ্চলিক পৰিষদলৈ (চমুকৈ বি টি চি) ৰূপান্তৰিত কৰা হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ জনজাতীয় জীৱন-প্ৰণালীৰ বনাঞ্চলৰ বৈশিষ্ট্য কি?

.....

প্ৰশ্ন নং ২ ঃ ব্ৰিটিছৰ আধিপত্যই জনজাতীয় বিদ্ৰোহৰ সূচনা কৰিছিল নে?

.....

প্ৰশ্ন নং ৩ ঃ জনজাতীয় লোকসকলে কোনটো ৰণকৌশল অৱলম্বন কৰিছিল?

.....

প্ৰশ্ন নং ৪ ঃ প্ৰৱণতাৰ ভিত্তিত জনজাতীয় আন্দোলনসমূহক কেইটা ভাগত ভগাব পাৰি? ভাগকেইটা কি কি?

.....

প্ৰশ্ন নং ৫ ঃ ভাৰতৰ কেইটামান গুৰুত্বপূৰ্ণ আন্দোলনৰ নাম লিখক।

.....

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ব্ৰিটিছে জনজাতীয় অঞ্চলসমূহ অধিগ্ৰহণ আৰু বলপূৰ্বক সংযোজন কৰাৰ আগলৈকে ভাৰতৰ বিভিন্ন জনজাতিসমূহৰ বিশিষ্ট সামাজিক তথা অৰ্থনৈতিক অধিকাৰ আছিল।
- জনজাতিসমূহৰ নিজস্ব প্ৰয়োজন পূৰণাৰ্থে কিছুমান যথাবিহিত আইন আছিল। প্ৰতিটো সম্প্ৰদায়ৰ

সামাজিক ব্যৱস্থাটো পৰিচালনা কৰিবলৈ একোজন মুখীয়া আছিল আৰু সম্প্রদায়সমূহে নিজৰ সাম্প্রদায়িক বিষয়সমূহ চোৱা-চিতা কৰাৰ স্বত্বাধিকাৰ লাভ কৰিছিল। ভূমি আৰু বনাঞ্চল তেওঁলোকৰ জীৱন ধাৰণৰ প্রধান সমল আছিল।

- ব্রিটিছে জনজাতীয় অঞ্চলসমূহ অধিগ্রহণ কৰাৰ পাছত, অঞ্চলসমূহত ব্রিটিছৰ লাভার্থে বহুতো নতুন নীতি প্রণয়ন কৰিছিল। এনে নীতি তথা আঁচনিসমূহ জনজাতীয় লোকসকলৰ স্বার্থৰ বিপক্ষে আছিল আৰু এই নীতিসমূহে জনজাতিসমূহৰ আঁচুতীয়া জীৱন-প্রণালীৰ অৱসান ঘটাই তেওঁলোকক ৰাষ্ট্রীয় অর্থনীতিৰ সৈতে সংযোজিত কৰিছিল। ইয়াৰ দ্বাৰা স্বাভাৱিকতে জনজাতিসকলৰ স্বায়ত্ত শাসিত প্রশাসনত ব্যাঘাত জন্মিছিল।
- জনজাতীয় আইন ব্যৱস্থাৰ ঠাইত জনজাতীয় স্বার্থ বিৰোধী নতুন আইন ব্যৱস্থা প্রণয়ন কৰা হৈছিল। ইয়াৰ ফলশ্রুতিত জনজাতীয় অঞ্চলসমূহত জমিদাৰ, ঠিকাদাৰ, মহাজন আৰু চৰকাৰী প্রশাসক আদিৰ দৰে কিছুমান শ্রেণীৰ সৃষ্টি হৈছিল।
- এই নতুন শ্রেণীৰ লোকসকল জনজাতীয় সম্প্রদায়ৰ নাছিল। সেয়েহে জনজাতীয় লোকসকলে, এই লোকসকলক বহিৰাগত অথবা 'দিকু' (Dikus) বুলি আখ্যা দিছিল। কালক্রমত, এই শ্রেণীৰ লোকসকলৰ বিৰুদ্ধে বিভিন্ন অঞ্চলৰ জনজাতীয় লোকসকলে বিদ্রোহৰ সূচনা কৰিছিল।
- ১৭৭২ চনত বিহাৰত আৰম্ভ কৰি বর্তমানলৈ ভাৰতৰ ইতিহাসত অসংখ্য জনজাতীয় আন্দোলন সংঘটিত হৈছে। অন্ধ্র প্রদেশ, অৰুণাচল প্রদেশ, আন্দামান আৰু নিকোবৰ দ্বীপ, অসম, মিজোৰাম আৰু নাগালেণ্ডত অতীজৰে পৰা বহুতো জনজাতীয় আন্দোলনৰ নিদর্শন পোৱা যায়।
- দেখা যায় যে, ভাৰতৰ বেছিভাগ জনজাতীয় বিদ্রোহে কৃষিভিত্তিক, ধর্মীয় ৰাজনৈতিক আৰু অর্থনৈতিক কাৰণত গঢ় লৈ উঠিছিল।
- উল্লেখযোগ্য যে ব্রিটিছ আৰু স্বাধীন ভাৰতৰ চৰকাৰখনে বহু সময়ত জনজাতীয় লোকসকলৰ ৰাজনৈতিক আৰু গণতান্ত্রিক হাবিয়াসৰ প্রতি অৱহেলিত মনোভাৱ পোষণ কৰিছিল।
- জনজাতীয় আন্দোলনসমূহ কিছুমান সাধাৰণ উদ্দেশ্যে যেনে— জনজাতীয় সত্তাৰ পুনৰুদ্ধাৰ কৰা, ভূমি আৰু বনাঞ্চলৰ ওপৰত স্বত্বাধিকাৰ ঘূৰাই লোৱা, ৰাজনৈতিক অধিকাৰ ঘূৰাই লোৱা, উন্নয়ন প্রক্রিয়াৰ সংস্কাৰ সাধন আদিৰে সংঘটিত হৈছিল।

৯.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Desai, A.R. (ed.) (1979) : Peasant Struggles in India; Bombay: OUP
2. Guha, A. (1977), Planter Raj to Swaraj : Freedom Struggle and Electoral power in Assam : 1926-1947; New Delhi : ICHR
3. Guha, R. (1983) : Elementary aspects of peasaert insuergary in volonial India. New Delhi; OUP
4. Pathy, J. (1984); Tribal Peasantry : Diaries of Development; New Delhi : Inter India
5. Singh, K.S. (1983); Birsa Munda and his movement 1874-1901; Calcutta : OUP.

৯.৭ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ বনাঞ্চল জনজাতীয় সম্প্ৰদায়সমূহৰ জীৱন-ৰেখা স্বৰূপ, কিয়নো তেওঁলোকৰ বিশ্বাস, অৰ্থনীতি আৰু সংস্কৃতি ইয়াৰ চাৰিওফালে আৱৰ্তন কৰে।

২নং প্ৰশ্নৰ উত্তৰ ঃ ব্ৰিটিছৰ আধিপত্যই জনজাতীয় বিদ্ৰোহৰ সূচনা কৰিছিল, কাৰণ ব্ৰিটিছসকলে জনজাতীয় লোকসকলক নিজৰ মাটিৰ পৰা উচ্ছেদ কৰাইছিল আৰু প্ৰশাসন বিষয়া, মহাজন তথা জমিদাৰসকলে তেওঁলোকক শোষণ কৰিছিল।

৩নং প্ৰশ্নৰ উত্তৰ ঃ জনজাতীয় লোকসকলে গেৰিলা ৰণনীতি অৱলম্বন কৰিছিল।

৪নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰৱণতাৰ ভিত্তিত জনজাতীয় আন্দোলনসমূহক চাৰিটা ভাগত বিভক্ত কৰিব পাৰি। সেই ভাগ চাৰিটা হ'ল—

(i) সমাজ-ৰাজনৈতিক আন্দোলন অথবা সমাজ-সাংস্কৃতিক আন্দোলন
(ii) বনাঞ্চল-ভিত্তিক আন্দোলন
(iii) ৰাজনৈতিক স্বায়ত্তশাসন দাবী কৰা আন্দোলন আৰু
(iv) কৃষিভিত্তিক আন্দোলন।

৫নং প্ৰশ্নৰ উত্তৰ ঃ 1) সান্থা বিদ্ৰোহ 2) মুন্দা 3) বড়ো আন্দোলন 4) নগা আন্দোলন

৯.৮আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'জনজাতীয় আন্দোলন' বুলিলে কি বুজায়?

প্ৰশ্ন ২ ঃ ভাৰতৰ জনজাতীয় আন্দোলনৰ প্ৰধান বৈশিষ্ট্যসমূহ কি আছিল?

দীঘল প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমৰ জনজাতীয় আন্দোলন সম্পৰ্কে ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ নগা আন্দোলন সম্পৰ্কে বিতং বিৱৰণ দিয়ক।

*** ***** ***

অধ্যায় ১০ ঃ দলিত আন্দোলন

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ 'দলিত' অভিধাটোৰ ব্যাখ্যা
১০.৪ দলিত আন্দোলন ঃ উদ্ভৱ, কাৰণ আৰু উদ্দেশ্য
১০.৫ দলিত আন্দোলনৰ লগত জড়িত বিভিন্ন দিশ, নেতৃত্ব আৰু ইয়াৰ ফলাফল
১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৭ অধিক জানিবলৈ
১০.৮ অগ্রগতিৰ খতিয়ান
১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতত সংঘটিত দলিত আন্দোলনৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব
- দলিত আন্দোলনৰ কাৰণ, উত্থান তথা ইয়াৰ লগত জড়িত বিভিন্ন দিশ সম্পর্কে জানিব পাৰিব।

১০.২ পৰিচয়

সমাজে সন্মুখীন হোৱা বিভিন্ন সমস্যা আৰু অন্যান্য কাৰকৰ বাবে বিভিন্ন ধৰণৰ সামাজিক আন্দোলনৰ সৃষ্টি হয়। দেশৰ দলিতসকলে সন্মুখীন হোৱা বিভিন্ন সামাজিক বাধাৰ পৰিপ্রেক্ষিতত দলিত আন্দোলনৰ উত্থান হৈছিল। প্রস্তাৱিত এই অধ্যায়ত ভাৰতৰ দলিত আন্দোলনৰ বিষয়ে আলোচনা আগবঢ়োৱাৰ লগতে সেই সম্পর্কে সম্যক ধাৰণা লাভ কৰাৰ প্রয়াস কৰা হ'ব।

১০.৩ 'দলিত' অভিধাটোৰ ব্যাখ্যা

'দলিত' শব্দটোৰ মূল হ'ল সংস্কৃত ভাষা। সাধাৰণ অর্থত এই অভিধাটোৱে 'গুড়ি কৰা' বা 'সৰু সৰু টুকুৰাত ভাঙি পেলোৱা' বুজায়। হিন্দুসকলে পূর্বৰ অস্পৃশ্যসকলক দমন কৰি ৰখা প্রক্রিয়াৰ প্রসংগত জ্যোতিৰাও ফুলেই ঊনবিংশ শতিকাত পোনপ্রথমবাৰৰ বাবে 'দিলত' শব্দটো। ব্যৱহাৰ কৰিছিল বুলি কোৱা হয়। মহাত্মা গান্ধীয়ে জাতিভেদ নাশ কৰাৰ উদ্দেশ্যে 'হৰিজন' শব্দটো ব্যৱহাৰ কৰিছিল। ইয়াৰ অর্থ হ'ল 'ভগৱানৰ সন্তান'। ভাৰতীয় সংবিধানত থকা উল্লেখ অনুসৰি অনুসূচীত জাতিৰ সূচীত অন্তর্ভুক্ত লোকসকলেই হৈছে দলিত।

সমসামচিক সময়ত বহুতো দলিত লোকে এই অভিধাটো তেওঁলোকৰ জাতিৰ নামৰ অধিক অৱনতিৰ পৰা ৰক্ষা পাবলৈ অথবা 'অস্পৃশ্য' শব্দৰ ব্যৱহাৰ ৰোধ কৰিবলৈ ব্যৱহাৰ কৰিছিল। বৰ্তমান সময়ত দলিত শব্দটোৰ সেইসকল লোকক বুজোৱা হয়। যিসকলে অবদমনৰ সন্মুখীন হৈ থকাৰ পিছতো নিজৰ অস্তিত্ব ৰক্ষাৰ সংগ্রামত ব্রতী হৈ আছে। আধুনিক ভাৰতত দলিত এটা ৰাজনৈতিক পৰিচয়।

দলিতসকলৰ বিষয়ে আলোচনা কৰোঁতে আমি এটা কথাও মনত ৰখা উচিতযে দলিতসকল হৈছে বর্ণাশ্রম পদ্ধতিৰ জাতিভেদ প্রথাত একেবাৰে নিম্নতম স্থাপন কৰা লোক। বিভিন্ন পণ্ডিতে প্রদান কৰা ই হৈচে দলিতৰ পৰম্পৰাগত ব্যাখ্যা। ব্যাখ্যাটোৰ কিছু পৰিৱর্তন সাধন কৰি 'দলিত' শব্দৰ জৰিয়তে এক প্রকাৰৰ জাতিক বুজোৱাৰ উপৰিও দেশৰ পৰম্পৰাগত নীতিৰ ফলত অর্থনৈতিক, সামাজিক, প্রশাসনিক আৰু জীৱন ধাৰণৰ সকলো দিশৰ পৰা শোষিত লোকক বুজোৱা হয়। 'দলিত'ৰ উপৰিও নিম্ন জাতিৰ লোকক বুজাবলৈ বিভিন্ন অভিধা ব্যৱহাৰ কৰা হয়। তেনেকুৱা কিছুমান অভিধা হ'ল দস্যু, দশ, অতিশূদ্র, আদিকর্ণাটকা, পঞ্চমা, তিৰুকুলতৰ, আদি দ্রাবিড় ইত্যাদি।

১০.৪ দলিত আন্দোলন ঃ উদ্ভৱ, কাৰণ আৰু উদ্দেশ্য

সাধাৰণ অর্থত জাতিভিত্তিক শোষণ আৰু বৈষম্যৰ বিৰুদ্ধে মানুহৰ আন্দোলনেই হৈছে দলিত আন্দোলন। এই আন্দোলনত দলিত তথা ভাৰতীয় সমাজ ব্যৱস্থাত পিছপৰা বুলি গণ্য কৰা অন্যান্য লোকসকলৰ মানৱ অধিকাৰ লাভৰ সংগ্রাম পৰিলক্ষিত হয়। দলিত আন্দোলনৰ জৰিয়তে ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় সংগঠনৰ লগতে জাতি ব্যৱস্থা, অমানৱীয় অত্যাচাৰ বা দাসত্ব তথা অন্যান্য বিসংগতিৰ প্রতি সমর্থন অর্জন কৰাৰ প্রয়াস পৰিলক্ষিত হয়।

প্রতিষ্ঠা কালৰেপৰা ভাৰতীয় সমাজ ব্যৱস্থাটো জাতিগত প্রথাৰ ভিত্তিত স্পষ্ট ৰূপত বিভাজিত হৈ আহিছে। এজন ব্যক্তিৰ জাতি সাধাৰণতে জন্মগতভাৱে নির্ণীত হয়। যি জাতিত তেওঁৰ জন্ম হয়, সেই জাতিৰে সদস্য হিচাপে অন্তর্ভুক্ত হৈ পৰে। ভাৰতৰ পৰম্পৰাগত জাতি প্রথাত নিম্ন বুলি গণ্য কৰা জাতিসমূহক সামাজিক অনুক্রমত নিম্নতম স্থানত ৰখা হয়। তেওঁলোকে আনকি বিভিন্ন জাতিভিত্তিক অসমানতাৰো সন্মুখীন হয়। দলিতসকলক জাতিগতভাৱে নির্ধাৰিত বৃত্তি সলনি কৰাৰো অনুমতি প্রদান কৰা নহয়। জাতিভিত্তিক অসমানতা বা বৈষম্যৰ প্রভাৱ ইমানেই বেছি যে তেওঁলোকক গাঁও বা চহৰৰ দাঁতিকাষৰীয়া অঞ্চলত বাস কৰিবলৈ বাধ্য কৰোৱা হয়। এনে সামাজিক অমানবীয়তাৰ বিপক্ষে বহুতো দলিতে সংগ্রাম কৰিছিল। জাতি প্রথাৰ ওপৰত প্রভাৱ পেলোৱা দুটা কাৰক আছে, যি দুটা দলিতসকলৰ সামাজিক উত্থান আৰু তেওঁলোকৰ মাজত সচেতনতা সৃষ্টিৰ বাবে গুৰুত্বপূর্ণ। প্রথমতে ক'ব পাৰি, প্রগতিশীল চিন্তা, ব্যক্তিস্বতন্ত্রতা আৰু সমতাৰ দৰে পশ্চিমীয়া ধাৰণাসমূহে হিন্দু সমাজ ব্যৱস্থা, জাতি ব্যৱস্থা আৰু অন্যান্য ব্যৱস্থাত প্রৱেশ কৰিবলৈ আৰম্ভ কৰিলে। দ্বিতীয়তে, ব্রিটিছ প্রশাসনে আইনৰ সমতাৰ ধাৰণা প্রৱর্তন কৰাৰ লগতে আৰম্ভ কৰা নতুন প্রযুক্তিসমূহে সামাজিক পৰিৱর্তনৰ আন্দোলনক এক বৌদ্ধিক আৰু আবেগিক গতি প্রদান কৰিছিল।

ভাৰতত অতীতৰ পৰা উচ্চ জাতিৰ লোকৰ নিম্ন জাতিৰ লোকৰ প্রতি চলি অহা তীব্র ঘৃণা তথা শোষণৰ পৰিণতিত এই দলিত আন্দোলনৰ সৃষ্টি হৈছিল। তেতিয়াৰ পৰা দলিতসকলক আন তিনিটা বর্ণৰ অন্তর্গত লোকৰ সেৱা কৰাৰ অর্থে নিয়োগ কৰিবলৈ আৰম্ভ কৰিছিল, তেতিয়াৰ পৰা তেওঁলোকক উচ্চ স্তৰৰ মানসিক অনুশীলন

আৰু সামাজিক-সাংস্কৃতিক-ৰাজনৈতিক প্ৰয়োজনীয়তা তথা সন্মানৰ পৰা বঞ্চিত কৰা হৈ আহিছিল।

শ্ৰমৰ বিভাজন বৈষম্যমূলক আৰু অন্যায়ভাৱে সম্পন্ন হৈছিল। জাতি প্ৰথাই দলিতসকলৰ জীৱন দুৰ্বিষহ কৰি তুলিছিল য'ত বৃত্তি ক্ৰমান্বয়ে জাতিলৈ পৰিৱৰ্তন হৈছিল। প্ৰাচীন কালৰে পৰা সমাজৰ প্ৰধান কামসমূহৰ পৰা দলিতসকলক বঞ্চিত কৰি অহা হৈছিল। দলিতসকলক মূলতঃ বিষ্ঠা পৰিষ্কাৰ কৰা। ঝাড়ু দিয়া আদি নিম্নস্তৰৰ আৰু কম মজুৰিযুক্ত কামত জড়িত কৰাই অহা হৈছে। হিন্দু গাঁৱৰ দাঁতিকাষৰীয়া অঞ্চলত থাকিবলগীয়া হোৱা বাবে দলিতসকলে ভৌগোলিক বিচ্ছিন্নতাৰো কোনো সুফল পোৱা নাছিল। তেওঁলোকক অস্পৃশ্য বুলি গণ্য কৰাৰ লগতে প্ৰতিটো ক্ষেত্ৰতে গাঁৱৰ মূল ভূ-খণ্ডৰ পৰা আঁতৰাই ৰখা হৈছিল আৰু ভালদৰে বস্ত্ৰ তথা অংলকাৰ পৰিধান কৰিবলৈও নিদিছিল। বহু অত্যাচাৰ ধৰ্মক দোহাই দি কৰা হৈছিল এই লোকসকলৰ ওপৰত নিয়ন্ত্ৰণ বজাই ৰাখিবলৈ তেওঁলোকক শিক্ষাৰ সুবিধাও প্ৰদান কৰা হোৱা নাছিল। যদি কোনো দলিতে মন্ত্ৰ শুনিছিল বা শুনাৰ চেষ্টা কৰিছিল, তেন্তে তেওঁৰ কাণত গলিত লাভা ঢালি দিয়া হৈছিল। আকৌ বহু ঠাইত দলিতসকলে খোজ কঢ়া ৰাস্তাটো অপবিত্ৰ বুলি গণ্য কৰা হৈছিল আৰু উচ্চ জাতিৰ লোকে সেই ৰাস্তাতে খোজ কাঢ়িব লাগিলে ৰাস্তাটো সাৰি-মচি পবিত্ৰ কৰি দিব লাগিছিল। সেয়েহে অধিকাংশ নিম্ন জাতিৰ লোকে ককালত ঝাড়ু বান্ধি থৈছিল। নিম্ন জাতিৰ লোকক দেহৰ উৰ্ধাংশ ঢাকি ৰখাত যেতিয়া বাধা প্ৰদান কৰা হৈছিল, তেতিয়া ট্ৰাডাংকোৰত ১৮১৩ৰ পৰা ১৮৫৯ লৈ ইয়াৰ বিপক্ষে এটা আন্দোলন চলিছিল। ট্ৰাডাংকোৰ সাম্ৰাজ্যৰ নাদাৰ (Nadar) জাতিৰ মহিলাসকলে দেহৰ উৰ্ধাংশত বস্ত্ৰ পৰিধানৰ অধিকাৰৰ বাবে আন্দোলন কৰিছিল। এই আন্দোলনক 'চান্নাৰ লাহালা' (Channar Lahala) অথবা 'চান্নাৰ বিদ্ৰোহ' (Channar Revolt) বা 'মাৰু মাৰাস্কাল চামাৰা' (Maru Marakkal Samara) নামেৰে জনা যায়। আন্দোলনৰ পূৰ্বে কেবল নায়াৰ জাতিৰ মহিলাসকলৰহে দেহ উৰ্ধাংশ আবৰণ কৰাৰ অধিকাৰ আছিল। তেওঁলোকে উচ্চ জাতিৰ হিন্দু মহিলা আছিল।

বৈষম্যমূলক আচৰণৰ অন্যতম দলিতসকলক যথেষ্ট পুতৌজনক অৱস্থাত বাস কৰিবলৈ বাধ্য কৰোৱা হৈছিল। ই তেওঁলোকক তেওঁলোকৰ সমতাৰ অধিকাৰৰ বাবে যুঁজ দিবলৈ তৎপৰ কৰি তুলিছিল, স্বাধীনতাৰ পৰৱৰ্তী সময়ত দলিত আন্দোলনে এক নতুন গতি লাভ কৰিছিল, যাৰ মূল বৈদিক যুগতে আছিল। পশ্চিমীয়া ভাষা আৰু খ্ৰীষ্টান মিছনেৰীসকলৰ আগমনৰ লগে লগে দলিতসকল সমতা আৰু স্বাধীনতাৰ অধিকাৰক লৈ সচেতন হৈ পৰিল আৰু ফলত সমসাময়িক সময়ত দলিত আন্দোলন আৰম্ভ হ'ল। ক্ষোভিত দলিতসকলে এনে বিভিন্ন কাৰণত ব্ৰাহ্মণ্যবাদৰ বিৰোধিতা কৰা আৰম্ভ কৰিলে।

প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি দলিত আন্দোলনৰ লক্ষ্যসমূহ তলত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি —

জাতিগত বৈষম্যৰ অৱসান, নিষ্পেষিত লোকসকলক জাতিভিত্তিক শোষণৰ পৰা মুক্ত কৰা, মানৱীয় প্ৰমূল্যবোধৰ বিৰোধী শিশু শ্ৰমিক ব্যৱস্থাৰ অৱসান ঘটোৱা, লিংগ ভিত্তিক দমন আৰু ছোৱালীৰ অবৈধ সৰবৰাহ বন্ধ কৰা, হিন্দুত্বৰ অধিকাৰ সম্বন্ধীয় সাংস্কৃতিক দেশীবাদৰ ভাবধাৰাৰ বিৰোধিতা কৰা, দলিতসকলৰ অৱস্থাৰ পৰিৱৰ্তন কৰাৰ লগতে সবলীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা, সমাজত জাতিভিত্তিক স্তৰ বিভাজনৰ প্ৰক্ৰিয়াৰ অৱসান ঘটাই দলিতৰ ওপৰত চলা দমনমূলক নীতি বন্ধ কৰা।

গতিকে দলিত আন্দোলন হ'ল ভাৰতৰ সমাজ ব্যৱস্থাত থকা জাতিগত দমনমূলক নীতিৰ বিৰুদ্ধে এটা পদ্ধতিগত বিৰোধিতা। ই হৈছে সমাজৰ নিম্ন শ্ৰেণীৰ লোকে ব্ৰাহ্মণ্যবাদৰ কৰ্তত্বৰ বিপক্ষে কৰা এক সংগ্ৰাম। দলিত আন্দোলন হৈছে মূলৰ লগত জড়িত লোকৰ ন্যায়ৰ বাবে বাক্-স্বাধীনতা, নাটক, গান, সাহিত্য, সাংস্কৃতিক

অনুষ্ঠান আৰু অন্যান্য সমগোত্রীয় আহিলাৰ জৰিয়তে কৰা আন্দোলন। বহু বিশেষজ্ঞই এই আন্দোলনক হিন্দু সমাজত সকলো জাতিৰ লোকৰ মাজত সমতা স্থাপনৰ অর্থে দলিতসকলৰ দ্বাৰা কৰা আন্দোলন বুলিও কৈছে। দলিত আন্দোলনৰ মুখ্য উদ্দেশ্য হ'ল সামাজিক সমতাৰ ওপৰত প্রতিষ্ঠিত এখন ভাৰতীয় সমাজ স্থাপন কৰা।

১০.৫ দলিত আন্দোলনৰ লগত জড়িত বিভিন্ন দিশ, নেতৃত্ব আৰু ইয়াৰ ফলাফল

বছৰ বছৰ চলি অহা বৈষম্যই দলিত আন্দোলনৰ নেতৃত্ব দিব পৰা এচাম নেতৃস্থানীয় বুদ্ধিজীৱীৰ জন্ম দিছিল। এনে এগৰাকী বৌদ্ধিকভাৱে সচেতন আৰু নেতৃস্থানীয় ব্যক্তি হ'ল ড° বি. আৰ. আম্বেদকাৰ। তেওঁলোকে সমাজৰ অবদমিত লোকসকলৰ মর্যাদা আৰু মানৱ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে সংগ্রাম কৰিছিল। দলিত আন্দোলন গঢ়ি উঠা কাৰকৰ ভিত্তিত 'সর্বভাৰতীয় অবদমিত লোকৰ সংগঠন' (All Indian depressed Association) অৰু 'সর্বভাৰতীয় অবদমিত জাতিৰ সংঘ (All Indian Depren Class federation) স্থাপন কৰা হৈছিল। এওঁলোকে দলিতসকলৰ অর্থনৈতিক অৱস্থাৰ উন্নয়নৰ লগতে তেওঁলোকক শিক্ষাৰ সুবিধা প্রদান কৰাৰ লক্ষ্য আগত লৈছিল। সংগঠনসমূহে ৰাজহুৱা কুৱাৰ পৰা পানী সেৱনৰ অধিকাৰ, বিদ্যালয়ত নামভর্তিৰ অধিকাৰ, উমৈহতীয়া ৰাজহুৱা পথ ব্যৱহাৰৰ অধিকাৰ, ৰাজহুৱা মন্দিৰত প্রৱেশ কৰাৰ অধিকাৰৰ দৰে প্রাথমিক অধিকাৰসমূহ নিশ্চিত কৰাৰ বাবে সংগ্রাম কৰিছিল। এই ক্ষেত্রত দলিতসকলৰ সমতাৰ বাবে ড° বি. আৰ. আম্বেদকাৰৰ নেতৃত্বত হোৱা 'মহদ সত্যাগ্রহ' (১৯২৭) Mahad Satyagrah অন্যতম আছিল।

১৯২৩ চনত মহাত্মা গান্ধীয়ে 'সর্বভাৰতীয় হৰিজন সেৱা সংঘ' স্থাপন কৰিছিল। এই সংস্থাটোৱে হৰিজনসকলৰ বাবে বৃত্তিমুখী শিক্ষাৰ বিদ্যালয়ৰ লগত বহুতো বিদ্যালয় স্থাপন কৰিছিল। দলিত সংগ্রাম হৰিজনসকলৰ বাবে প্রাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয় পর্যায়লৈ বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰাৰ লগতে অন্যান্য বিভিন্ন ফলপ্রসু আঁচনি গ্রহণ কৰিছিল।

আইনৰ ধাৰাসমূহ অধিক কঠোৰভাৱে বলবৎ কৰাৰ লগতে আইন অমান্য কৰাৰ পৰিণতিসমূহ নির্দিষ্ট কৰাৰ উদ্দেশ্যে 'অস্পৃশ্যতা (অপৰাধ) আইন (১৯৫৫) 'প্রণয়ন কৰা হৈছিল। ইয়াৰ বাহিৰেও হৰিজনসকলক অনগ্রসৰতাৰ পৰা মুক্ত কৰিবলৈ বিশেষ শৈক্ষিক সুবিধা প্রদান কৰা হৈছে। ইতিপূর্বে উল্লেখ কৰি অহা হৈছে যে ড° বি. আৰ. আম্বেদকাৰে ১৯২০ চনত মহাৰাষ্ট্রত এটা গুৰুত্বপূর্ণ অস্পৃশ্যতা বিৰোধী আন্দোলন গঢ়ি তুলিছিল। আধুনিক সভ্যতাত ৰাজনৈতিক সম্পদসমূহৰ ব্যৱহাৰৰ জৰিয়তে অস্পৃশ্যসকলে উচ্চ শ্রেণীৰ লোকৰ দৰে সামাজিক আৰু অর্থনৈতিক সমতা স্থাপন কৰি উন্নতি সাধনৰ প্রয়োজনীয়তা আৰু সম্ভাৱনাৰ বিষয়ে তেওঁ অনুভৱ কৰিব পাৰিছিল। তেওঁ শ্রমিকসকলৰ কল্যাণৰ বাবে স্বায়িত্বশাসিত শ্রমিক সংঘক নিৰপেক্ষতাৰ ভিত্তিত এক পদ্ধতিগত ৰূপ প্রদান কৰিছিল।

১৯৩০ চন দলিত আন্দোলনৰ বাবে যথেষ্ট গুৰুত্বপূর্ণ আহিলা কিয়নো এইটো বছৰতে দলিতসকলে পৃথক ভোটাধিকাৰৰ বাবে দাবী উত্থাপন কৰিছিল। ইয়াক কেন্দ্র কৰি আম্বেদকাৰ আৰু গান্ধীৰ মাজত মতবিৰোধীৰ সৃষ্টি হৈছিল। ১৯৩০ৰ দশকৰ আদিভাগত আম্বেদকাৰে ঠিৰাং কৰিছিল যে অস্পৃশ্যসকলৰ স্থিতিৰ উন্নতি সাধন কৰাৰ একমাত্র উপায় হ'ল হিন্দু ধর্ম ত্যাগ কৰা। তেওঁৰ মত অনুসৰি অস্পৃশ্যসকলৰ বাবে বৌদ্ধ ধর্ম হিন্দু ধর্মৰ উৎকৃষ্ট বিকল্প। তেওঁ বৌদ্ধ ধর্মক সমর্থন কৰিছিল কিয়নো ই এটা সমতাত বিশ্বাসী ভাৰতীয় ধর্ম। এই ধর্ম জাতিভেদ আৰু ব্রাহ্মণ্যবাদৰ বিৰোধী। ১৯৫৬ চনত আম্বেদকাৰ আৰু তেওঁৰ অনুগামীসকলে বৌদ্ধিক ধর্ম

গ্রহণ কৰিছিল। ১৯৭০ৰ দশকৰ আদিভাগত মহাৰাষ্ট্ৰৰ দলিতসকলে 'দলিত পেন্থাৰ' (Dalit Panther) আন্দোলন আৰম্ভ কৰিছিল। এই আন্দোলন কেবল মহাৰাষ্ট্ৰৰ চহৰ অঞ্চলতে সীমাবদ্ধ হৈ আছিল আৰু কর্ণাটক, গুজৰাট, অন্ধ্ৰপ্ৰদেশ, উত্তৰ প্ৰদেশ আৰু অন্যান্য ৰাজ্যত বিয়পি পৰা নাছিল। 'দলিত পেন্থাৰ' নামৰ সামাজিক সংগঠনটোৱে জাতিভিত্তিক বৈষম্যৰ বিৰোধিতা কৰিছিল। এই সংগঠনটো মে' ১৯৭২ চনত নামদেও ধাচাল আৰু জে. বি. পাৱাৰ প্ৰতিষ্ঠা কৰিছিল। ১৯৭০ আৰু ১৯৮০ দশকত এই সংগঠনটোই যথেষ্ট সফলতা অৰ্জন কৰিছিল।

দলিতসকলৰ স্বকীয় পৰিচয়ৰ দাবী দলিত আন্দোলনৰ কেন্দ্ৰীয় বিষয় হৈ পৰিছে। দলিত আন্দোলনসমূহ বৈষম্য আৰু হত্যাৰ বিপক্ষে স্থানীয় পর্যায়ত সহযোগিতা সৃষ্টিকাৰী প্ৰক্ৰিয়া আছিল। এনেকুৱা বহুত স্থানীয় আন্দোলন সংঘটিত হৈছে য'ত জাতিভিত্তিক বৈষম্য আৰু শোষণৰ বিৰোধিতা কৰিবলৈ দলিতসকলে বৃহৎ দলত গাঁৱৰ পৰা ওলাই আহিছে। এনেকুৱা এটা ঘটনা পৰিলক্ষিত হৈছিল ১৯৮৯ চনত যেতিয়া সম্বার্দা গাঁৱৰ দলিতসকলে বৈষম্য আৰু অত্যাচাৰৰ বিৰোধিতা কৰি নিজৰ গাঁও ত্যাগ কৰি ১৩১ দিন ধৰি জিলা কালেক্টৰৰ কার্যালয়ৰ মুখত বাহৰ পাতি আছিল। তেওঁলোকে বসবাসৰ বাবে বিকল্প স্থানৰ দাবী তুলিছিল, য'ত তেওঁলোকৰ জীৱন আৰু আত্মসন্মান সুৰক্ষিত হৈ থাকে। তেওঁলোকক ভূমি আৰু মর্যাদা ৰক্ষাৰ স্থায়ী সমাধান নিদিয়ালৈ আঁতৰি অহা নাছিল।

দলিত আন্দোলন হৈছে সামাজিক, সাংস্কৃতিক আৰু অর্থনৈতিক ক্ষেত্ৰত উচ্চ স্তৰৰ লোকসকলৰ দমন আৰু শোষণৰ বিৰুদ্ধে এক প্ৰতিক্ৰিয়া। সমসাময়িক দলিত সাহিত্যসমূহ হ'ল সামাজিক-সাংস্কৃতিক বন্ধনৰ পৰা মুক্ত হোৱাৰ এক প্ৰদান আহিলা। বর্তমান সময়ত যোগাযোগৰ উন্নত মাধ্যমেও ব্যাপক পৰিসৰত একত্ৰিত আৰু সংগঠিত হোৱাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিছে। আকৌ শিক্ষাৰ পৰিবর্তিত গাঁথনিয়ে সামাজিক-সাংস্কৃতিক উত্থাপনৰ ক্ষেত্ৰত নতুন সম্ভাৱনাৰ সৃষ্টি কৰিছে। ওপৰত উল্লেখ কৰা সকলো কাৰক সমাজত অস্পৃশ্যসকলৰ স্থান উন্নত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূর্ণ।

বর্তমান সময়ত দলিত লোকসকলৰ কৃতিত্বক কেৱল সামাজিক-সাংস্কৃতিক ক্ষেত্ৰতে নহয়, আর্থিক ক্ষেত্ৰতো মহত্বপূর্ণ হিচাপে বিবেচনা কৰা হয়।

ৰাজনীতিত গুৰুত্বপূর্ণ স্থানত অধিষ্ঠিত হোৱাৰ লগতে চৰকাৰেও দলিতসকলৰ অৱস্থাৰ উন্নতিৰ বাবে চৰকাৰী চাকৰি আৰু মহাবিদ্যালয়-বিশ্ববিদ্যালয়ত সংৰক্ষণৰ ব্যৱস্থা কৰিছে। উদাহৰণ স্বৰূপে ৰাজনৈতিক ক্ষেত্ৰখনত পিছপৰা শ্ৰেণীৰ লোকে যাতে সমপ্ৰতিনিধিত্ব পায় তাৰ বাবে বি. আৰ. আম্বেদকাৰ আৰু অন্যান্য আন্দোলনকাৰীয়ে লোকসভা আৰু বিধানসভাসমূহত অনুসূচিত জাতি আৰু জনজাতিৰ লোকৰ বাবে আসন সংৰক্ষণ কৰাৰ নীতি গ্ৰহণ কৰিছিল।

অৱশ্যে বছৰ বছৰ চলি অহা এনে দলিতৰ সংগ্ৰাম তথা আন্দোলনৰ পিছতো আজিও দলিত বিৰোধী বৈষম্যৰ প্ৰাদুর্ভাৱ কিছুমান অঞ্চলত পৰিলক্ষিত হয়। বহু দলিত বিৰোধী লোকে সমতা অথবা দলিতৰ প্ৰতি বিশেষ আচৰণ কৰাৰ প্ৰথাৰ বিৰোধিতা কৰে আৰু দলিতসকলক দমন কৰিবলৈ বিভিন্ন হিংসাত্মক ব্যৱস্থাত গ্ৰহণ কৰে। যদিও বৈষম্য বিৰোধী বিভিন্ন আইন গ্ৰহণ কৰা হৈছে, তথাপিও বহুতো দলিত লোক এতিয়াও সামাজিক বৈষম্য আৰু অসন্মানৰ সন্মুখীন হৈ আছে। পৰম্পৰাগত ধ্যান-ধাৰণা আৰু জাতিভিত্তিক হিংসা দলিত আৰু অ-দলিতসকলৰ মাজত নৈমিত্তিক ঘটনাত পৰিণত হৈছে। বহু লোকে অর্থনৈতিক সুচলতাৰ জৰিয়তে দলিতসকলৰ অৱস্থাৰ উন্নতি সাধন কৰিব নোৱাৰি। শিক্ষাৰ অধিকাৰ, ভীতিহীনভাৱে নিজৰ ধর্ম পালনৰ অধিকাৰ, ধর্মীয় গ্ৰন্থ

অধ্যয়নৰ আৰু দলিত সাহিত্যৰ জৰিয়তে তেওঁলোকৰ অৱস্থা দাঙি ধৰাৰ অধিকাৰ আদিৰ দলে সমাজৰ প্ৰাথমিক স্তৰত হোৱা পৰিৱৰ্তনে দলিতৰ অৱস্থাৰ যোগাত্মক পৰিৱৰ্তন সাধন কৰিব পাৰে। লগতে এইটো মনত ৰাখিব লাগিব যে জাতি হৈচে মানুহৰ মনত গভীৰভাৱে শিপাই থকা এটি ধাৰণা। সেয়েহে বৈষম্যমূলক আচৰণ বন্ধ কৰিলেই সমাজ পৰিৱৰ্তন নহয়; ইয়াৰ বাবে মুক্ত মানসিকতাৰ সমাজো সৃষ্টি কৰিব লাগিব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'দলিত আন্দোলন' কি?

.....

প্ৰশ্ন নং ২ ঃ দলিত আন্দোলনৰ উদ্দেশ্য কি?

.....

প্ৰশ্ন নং ৩ ঃ দলিত সাহিত্য বুলিলে কি বুজে?

.....

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দলিত আন্দোলন হৈছে সামাজিক ব্যৱস্থাটোত উন্নত অৱস্থা লাভৰ বাবে কৰা এক সংগ্ৰাম।
- দলিত আন্দোলন হৈছে সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত উচ্চ স্তৰৰ লোকসকলৰ দমন আৰু শোষণৰ বিৰুদ্ধে এক প্ৰতিক্ৰিয়া। সমসাময়িক দলিত সাহিত্যসমূহ হ'ল সামাজিক-সাংস্কৃতিক বন্ধনৰ পৰা মুক্ত হোৱাৰ এক প্ৰধান আহিলা।
- শিক্ষিত দলিতসকলে দুখীয়াসকলে সন্মুখীন হোৱা সমস্যা আৰু উচ্চ জাতিৰ লোকসকলে কৰা দুৰ্ব্যৱহাৰ আৰু প্ৰদান কৰা মৃত্যুভয়ৰ দিশটো গুৰুত্বসহকাৰে বিচাৰ কৰিবলৈ আৰম্ভ কৰিছে। তেওঁলোকে ব্ৰিটিছসকলৰ দ্বাৰা প্ৰবৰ্তিত বিভাজন আৰু শাসন নীতিৰ লগতে লোকপিয়লত কৰা জাতিভিত্তিক বৰ্গীকৰণৰ ব্যৱস্থাৰ পৰ্যাপ্ত সুবিধা লাভ কৰিছে। ই জাতিগত সমতা স্থাপনৰ বাবে দাবী উত্থাপনৰ বাবে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত।
- বৰ্তমান সময়ত যোগাযোগৰ উন্নত মাধ্যমেও ব্যাপক পৰিসৰত একত্ৰিত আৰু সংগঠিত হোৱাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিছে। আকৌ শিক্ষাৰ পৰিবৰ্তিত গাঁথনিয়ে সামাজিক-সাংস্কৃতিক উত্থানৰ ক্ষেত্ৰত নতুন সম্ভাৱনাৰ সৃষ্টি কৰিছে।
- ওপৰত উল্লেখ কৰা সকলো কাৰক সমাজত অস্পৃশ্যসকলৰ স্থান উন্নত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ। জ্যোতিবা ফুলেই মহাৰাষ্ট্ৰত, বি. আৰ. আম্বেদকাৰ আৰু শ্ৰী নাৰায়ণ গুৰুই কেৰালাত জাতিভিত্তিক সমতাৰ বাবে সংগ্ৰাম কৰিছিল।
- গান্ধীয়ে স্বাধীনতা আন্দোলনৰ লগত অস্পৃশ্যতা নিৰ্মূলৰ সংগ্ৰামক একত্ৰিত কৰিছিল। লগতে ভাৰ্কম (Varkom) আৰু গুৰুভায়ুৰ সত্যাগ্ৰহৰ দৰে সংগ্ৰাম আৰু আন্দোলনৰ পৰিকল্পনা কৰা হৈছিল। তেওঁ অস্পৃশ্যতাৰ বাবে নিম্ন জাতিৰ লোকসকলে সন্মুখীন হোৱা সমস্যাৰ বিষয়ে উচ্চ জাতিৰ লোকক উপলব্ধি কৰাব বিচাৰিছিল।

- ভাৰতৰ বিভিন্ন প্ৰান্তত অন্যান্য সংগ্ৰামো গঢ়ি উঠিছিল। উদাহৰণ স্বৰূপে পঞ্জাৱত আদি ধৰ্ম, উত্তৰ প্ৰদেশত আদি হিন্দী, পশ্চিম বংগত নমশ ভেদচাচ (Namash Vedsas) আদি। বিহাৰৰ এগৰাকী কংগ্ৰেছ নেতা জগজীৱন ৰামে 'খেতমাজুৰ সভা' (Khetmajoor Sabha) আৰু 'পিছপৰা শ্ৰেণীৰ সংঘ' (Depressed Class Lcague) স্থাপন কৰিছিল। উত্তৰ ভাৰতত ১৯৮০ৰ দশকত 'বহুজন সমাজ পাৰ্টি' (BSP) কাঞ্শীৰামে গঠন কৰিছিল আৰু পৰৱৰ্তী কালত দলিত নেতা তথা দলটোৰ সদস্য মায়াৱতী উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হৈছিল। কানপুৰৰ আচাৰ্য ঈশ্বৰদত্ত মেধাৰ্থঙ্গি (১৯০০-১৯৭১)য়ে পুনৰ দলিতৰ সংগ্ৰাম আৰম্ভ কৰিছিল।
- বৰ্তমান সময়ত দলিত লোকসকলৰ কৃতিত্বক কেৱল সামাজিক-সাংস্কৃতিক ক্ষেত্ৰতে নহয়, আৰ্থিক ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ হিচাপে বিবেচনা কৰা হয়।
- ৰাজনীতিত গুৰুত্বপূৰ্ণ স্থানত অধিষ্ঠিত হোৱাৰ লগতে চৰকাৰেও দলিতসকলৰ অৱস্থাৰ উন্নতিৰ বাবে চৰকাৰী চাকৰি আৰু মহাবিদ্যালয়-বিশ্ববিদ্যালয়ত সংৰক্ষণৰ ব্যৱস্থা কৰিছে। উদাহৰণ স্বৰূপে ৰাজনৈতিক ক্ষেত্ৰখনত পিছপৰা শ্ৰেণীৰ লোকে যাতে সমপ্ৰতিনিধিত্ব পায় তাৰ বাবে বি. আৰ. আম্বেদকাৰ আৰু অন্যান্য আন্দোলনকাৰীয়ে লোকসভা আৰু বিধানসভাসমূহত অনুসূচিত জাতি আৰু জনজাতিৰ লোকৰ বাবে আসন সংৰক্ষণ কৰাৰ নীতি গ্ৰহণ কৰিছিল।

১০.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Ambedkar, B. R. 1987, Writings and Speeches, Volume 3, Bombay : Government of Maharashtra
2. Charsley, Simon, 2004, Interpreting Untouchability : The Performance of caste in Andhra Pradesh, South Indian, Asian Folklore Studies, Volume-63, No.-2, P.P. 267-290
3. Chatterjee, P. 2007, 'On Civil Society and Political Society in Postcolonial Democracies', in Sudipta kaviraj and Sunil khilnani (eds.) Civil Society : History and Possibilities, Cambridge, Cambridge Press, PP 165-178.
4. Gellner, David N. (ed.), 2009, Ethnic Activism and civil Society in South Asia, New Delhi, Sage publications.

১০.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ব্যক্তি আৰু বিভিন্ন দলে জাতিভিত্তিক বৈষম্য আৰু দুৰ্ব্যৱহাৰৰ বিৰুদ্ধে কৰা আন্দোলন।

২নং প্ৰশ্নৰ উত্তৰ ঃ ক) জাতিভিত্তিক বৈষম্যৰ অন্ত পেলোৱা।

খ) নিম্ন শ্ৰেণীৰ লোকৰ বিৰুদ্ধে জাতিভিত্তিক হিংসাৰ অন্ত পেলোৱা।

গ) দলিতসকলৰ অৱস্থাৰ পৰিৱৰ্তন কৰাৰ লগতে সবলীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ মুক্তি আন্দোলনৰ সময়ত বিকশিত দলিতসকলৰ সচেতনতাৰ পৰিণতিত সৃষ্ট সাহিত্য।

১০.৯ আৰ্হি প্ৰশ্ন

(ক) চমু উত্তৰৰ প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ দলিতসকলে সন্মুখীন হোৱা মানৱ অধিকাৰ সম্পৰ্কীয় দিশসমূহৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ 'দলিত' শব্দটোৰ অৰ্থ লিখক।

(খ) দীঘল উত্তৰৰ প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ ভাৰতত বিভিন্ন সময়ত হোৱা দলিত আন্দোলন নেতৃত্বৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ সমসাময়িক সময়ৰ দলিত আন্দোলনৰ বিষয়ে এটা প্ৰবন্ধ যুগুত কৰক।

*** ***** ***

অধ্যায় ১১ ঃ নাৰী আন্দোলন

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ ভাৰতত নাৰী আন্দোলনৰ অভ্যুত্থান আৰু বিকাশ
১১.৪ ভাৰতত নাৰী আন্দোলনৰ অভ্যুত্থানৰ গুৰুত্বপূৰ্ণ বিষয়সমূহ আৰু ইয়ালৈ অৱদান আগবঢ়োৱা বিভিন্ন ব্যক্তি আৰু সংস্থানসমূহ
১১.৫ নাৰী আন্দোলন আৰু আইনৰ ভূমিকা
১১.৬ নাৰীৰ হকে গ্ৰহণ কৰা সাম্প্ৰতিক কালৰ কাৰ্যব্যৱস্থাসমূহ
১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৮ অধিক জানিবলৈ
১১.৯ অগ্ৰগতিৰ খতিয়ান
১১.১০ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতৰ নাৰী আন্দোলনৰ বিষয়ে অৱগত হ'ব
- নাৰী আন্দোলনৰ লগত জড়িত গুৰুত্বপূৰ্ণ বিষয়সমূহ আৰু আইন প্ৰণয়নৰ বিষয়ে জানিব পাৰিব
- সাম্প্ৰতিক কালত নাৰীৰ হকে গ্ৰহণ কৰা কাৰ্যব্যৱস্থাসমূহৰ বিষয়ে জানিব পাৰিব।

১১.২ পৰিচয়

সামাজিক লিংগভেদৰ বিষয়সমূহ, বিশেষকৈ নাৰীৰ লগত জড়িত বিষয়সমূহে সমাজৰ বিভিন্ন শাখাৰ মাজত চিন্তাশীল ধাৰণাৰ অৱকাশ যোগায়। নাৰী আন্দোলনৰ অভ্যুত্থানে নাৰীৰ লগত জড়িত বিষয়সমূহৰ গুৰুত্ব আৰোপ কৰাৰ এক প্ৰণালীবদ্ধ পন্থাক প্ৰতিফলিত কৰে। এই অধ্যায়টিত আমি ভাৰতৰ নাৰী আন্দোলনসমূহ, ইয়াৰ লগত জড়িত বিষয়সমূহ আৰু ইয়াৰ ফলশ্ৰুতিত হোৱা আইন প্ৰণয়নৰ বিষয়ে জানিবলৈ চেষ্টা কৰিম।

১১.৩ ভাৰতত নাৰী আন্দোলনৰ অভ্যুত্থান আৰু বিকাশ

প্ৰথাগতভাৱে ভাৰতত নাৰীৰ অভ্যুত্থানক সমূহীয়া সমৰ্থন জনোৱা হোৱা নাছিল যদিও এনে নাৰী আন্দোলনসমূহে ভাৰতৰ সামাজিক আৰু ধৰ্মীয় মূল্যবোধৰ ভেঁটিটোক জোকাৰি যাবলৈ সক্ষম হৈছিল। এই কথা সকলোৰে জ্ঞাত যে অতীজৰে পৰাই ভাৰতত মূলতঃ মহিলাৰ স্থান দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰ দৰেই। ভাৰতীয় মহিলা সামাজিক আৰ্হি আৰু সাংস্কৃতিক নীতি-নিয়মৰ এক চৰম সংযুক্ত বিন্যাসৰ উত্তৰাধিকাৰী। ঊনৈছ শতিকাৰ কিছুমান তীব্ৰ আক্ৰামক বাদ-বিবাদে নাৰীৰ দুৰৱস্থাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছিল। নাৰীৰ নিম্ন

স্থিতিৰ কিছুমান অপৰিৱর্তনীয় সূচক আছিল পর্দা ব্যৱস্থা, সতীদাহ, কন্যা সন্তানৰ ভ্রূণহত্যা, বাল্যবিবাহ, আৰু বলপূর্বক বৈধব্য। ব্রাহ্ম সমাজ (১৮২৮), আর্য সমাজ (১৮৭৫) বা প্রার্থনা সমাজৰ (১৮৬৭) সমর্থনত অনুষ্ঠিত হোৱা সামাজিক সংস্কাৰমূলক আন্দোলনসমূহে সকলো শ্রেণীৰে মহিলাক শোষণ কৰা এই সামাজিক ব্যাধিসমূহৰ তীব্র বিৰোধিতা কৰিছিল।

ভাৰতৰ নাৰী আন্দোলনক তিনিটা শ্রোত বা পর্যায়ত ভাগ কৰিব পাৰি - প্রথম শ্রোতটো ঊনবিংশ শতিকাৰ ৰাষ্ট্রীয় আন্দোলন আৰু নাৰীৰ অধিকাৰৰ হকে অনুষ্ঠিত হোৱা সংস্কাৰমূলক আন্দোলনত নাৰীৰ বিশাল যোগদানেৰে আৰম্ভ হৈছিল।

বিংশ শতিকাৰ ষাঠিৰ দশকৰ শেষৰফালে দ্বিতীয় শ্রোতৰ আৰম্ভণি হোৱা বুলি ক'ব পাৰি, য'ত নাৰীৰ ৰাজনৈতিক সক্রিয়তাৰ পুনৰুত্থান হোৱা পৰিলক্ষিত হৈছিল। অর্থনৈতিক নীতিৰ নিষ্ফলতাৰ বাবে হোৱা কর্মসংস্থাপনহীনতা আৰু মুদ্রাস্ফীতিৰ ফলত গণ আন্দোলনৰ উদ্ভৱ হৈছিল। এই কথা উল্লেখযোগ্য যে বিংশ শতিকাৰ ষাঠিৰ দশকত নাৰীসকল নিজৰ স্থিতাৱস্থাক লৈ ইমান হতাশ হৈ পৰিছিল যে তেওঁলোকে গ্রাম্যাঞ্চলৰ দুখীয়া শ্রেণী আৰু ঔদ্যোগিক শ্রমিক শ্রেণীৰ সংগ্রামৰ লগত নিজকে জড়িত কৰি লৈছিল। এই সময়ছোৱাত নাৰীসকল নক্সালবাৰী আন্দোলন, মুদ্রাস্ফীতি-বিৰোধী আন্দোলন, গুজৰাট আৰু বিহাৰৰ নৱনির্মাণ আন্দোলন, মহাৰাষ্ট্রৰ ধোলে জিলাৰ গ্রাম্য বিদ্রোহ আৰু চিপ্‌কো আন্দোলনৰ লগত জড়িত আছিল।

ভাৰতত নাৰীৰ অভ্যুত্থান হ'ল এক সমৃদ্ধিশালী আৰু প্রাণৱন্তী আন্দোলন যিটো দেশখনৰ ভিন্ন অঞ্চলত বিভিন্ন প্রকাৰে সংগঠিত হৈছিল। এই কথা উল্লেখ কৰাটো গুৰুত্বপূর্ণ যে ভাৰতৰ নিচিনা বৈসাদৃশ্যতাৰে ভৰা দেশ এখনত পুৰুষ আৰু নাৰীৰ মাজৰ সম্পর্কৰ গাঁথনিৰ পৰিৱর্তন কৰা আৰু নাৰীৰ আন্দোলনে গুৰুত্ব আৰোপ কৰা সমস্যাসমূহৰ সমাধান ঘটোৱাটো ইমান সহজ কাম নহয়। এয়া এক প্রতিষ্ঠিত সত্য যে এই আন্দোলনটোৱে আগবাঢ়ি যোৱাৰ সময়ত পদে পদে সম্ভাব্য বাধা-নিষেধ বা পিছহুঁহুকি যোৱাৰ পৰিস্থিতিৰ সন্মুখীন হ'ব পাৰে। এই আন্দোলনৰ দ্বিতীয় শ্রোতটোত এনেদৰেই শাসক শ্রেণী আৰু ক্ষমতাৰ কাঠামোসমূহৰ বিৰুদ্ধে কৰা বিদ্রোহসমূহ জনতাই অংশগ্রহণ কৰা পৰিলক্ষিত হৈছিল, কিন্তু বিংশ শতিকাৰ সত্তৰ দশকৰ শেষৰ ফালে আৰম্ভ হোৱা তৃতীয় শ্রোতটোৰ এক নির্দিষ্ট নাৰীবাদী লক্ষ্য আছিল। এই দশকৰ মাজভাগৰ পৰা এক গুৰুত্বহীন জীৱন যাপন কৰাটো মহিলাৰ বাবে এক দৈনন্দিন অভিজ্ঞতাৰ দৰেই হৈ পৰিছিল। বিংশ শতিকাৰ সত্তৰ দশক আৰু মূলতঃ ইয়াৰ পৰৱর্তী দশকটোৰ মাজভাগৰ এই নাৰী আন্দোলনৰ প্রধান বৈশিষ্ট্য এইটোৱেই আছিল যে নাৰীৰ মতামত কেৱল নাৰীৰ বাবেই উত্থাপিত হৈছিল আৰু নাৰীয়ে নাৰীৰ বাবে গুৰুত্বপূর্ণ বিষয়বস্তুৰ বিষয়ে আলোচনাত মিলিত হৈছিল। এতেকে, এই সময়ছোৱাৰ নাৰী আন্দোলনত নাৰী সদস্যসমূহে শ্রেণী নির্বিশেষে যোগদান কৰিছিল আৰু ধনী, দুখীয়া আৰু মধ্যবিত্ত শ্রেণীৰ নাৰীসকলে সদলবলে ভাগ লৈছিল। এই কথা নিশ্চিত যে এই নাৰীসকলক একত্রিত কৰাৰ ভিত্তি কোনো শ্রেণী নাছিল, বৰঞ্চ লিংগবৈষম্যহে আছিল। কিন্তু তথাপিও এই শ্রেণী সম্বন্ধীয় বিষয়টো একেবাৰে অদৃশ্য হৈ গৈছিল বুলি ভাবিলে ভুল হ'ব, বৰং ইয়াক এক নতুন বেশ প্রদান কৰা কৈছিল য'ত শ্রেণী হিচাপে নাৰীসকল আর্থিকভাৱে দুর্বল আছিল - আৰু সেইয়াও আন্দোলনৰ এক অংশ হৈ পৰিছিল। এই সময়ছোৱাত নাৰীৰ ওপৰত হোৱা অত্যাচাৰৰ সমস্যাসমূহো এই প্রচেষ্টাসমূহৰ মুখ্য বিষয় হিচাপে গ্রহণ কৰা হৈছিল। ইয়াৰ ফলত চৰকাৰে ঘৰুৱা হিংসা, যৌতুক প্রথা, মহিলা আৰু শিশুৰ স্বাস্থ্যজনিত সমস্যাসমূহৰ বাবে বিভিন্ন আইন প্রণয়ন কৰিবলৈ বাধ্য হৈ পৰিছিল।

এই কথা মনত ৰখা গুৰুত্বপূর্ণ যে বিভিন্ন সময়ত পুৰুষতান্ত্রিক সমাজ ব্যৱস্থাৰ বিৰুদ্ধে বিভিন্ন মহিলাই থিয় দিছিল যিসকল ভাৰতৰ সংগঠিত নাৰী আন্দোলনৰ বাবে অনুপ্রেৰণা স্বৰূপ।

১১.৪ ভাৰতত নাৰী আন্দোলনৰ অভ্যুত্থানৰ গুৰুত্বপূৰ্ণ বিষয়সমূহ আৰু ইয়ালৈ অৱদান আগবঢ়োৱা বিভিন্ন ব্যক্তি আৰু সংস্থানসমূহ

● ঝান্সীৰ ৰাণী লক্ষ্মীবাইৰ নাম প্ৰায় সকলো জনাজাত, যিগৰাকীৰ সাহস আৰু উচ্চমানৰ নেতৃত্বই ভৱিষ্যত প্ৰজন্মৰ সকলো স্বাধীনতা সংগ্ৰামী নাৰীৰ বাবে এক অসাধাৰণৰ উদাহৰণৰ সৃষ্টি কৰিছিল। এক লোককথা সকলোৰে মাজত প্ৰচলিত যে তেওঁ যুদ্ধক্ষেত্ৰলৈ পুৰুষৰ সাজ পৰিধান কৰি গৈছিল। লগতে এয়াও কোৱা হয় যে ঘোঁৰাৰ লেকামডাল মুখেৰে কামুৰি ধৰি তেওঁ দুয়োহাতেৰে তৰোৱাল চলাইছিল। ব্ৰিটিছসকলৰ মতে বিপ্লৱীসকলৰ মাজত তেওঁ এগৰাকী অন্যতম শ্ৰেষ্ঠ আৰু সাহসী সামৰিক নেত্ৰী আছিল আৰু তেওঁ যুদ্ধক্ষেত্ৰতে শ্বহীদ হৈছিল।

● ঔধৰ বেগম হজৰত মহলে ব্ৰিটিছৰ হাতৰ পৰা লক্ষ্ণৌক ৰক্ষা কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। এগৰাকী ৰাণী হিচাপে যদিও তেঁও বিলাসিতাত অভ্যস্ত আছিল, তথাপিও তেওঁ নিজৰ সৈন্যবাহিনীৰ আত্মবিশ্বাস বৃদ্ধি কৰিবলৈ যুদ্ধক্ষেত্ৰত উপস্থিত হৈছিল। বেগম হজৰত মহলে ব্ৰিটিছৰ বিৰুদ্ধে সবলভাৱে ঠিয় দিছিল যদিও অৱশেষত তেওঁ আত্মসমৰ্পণ কৰি নেপালত আশ্ৰয় ল'বলৈ বাধ্য হৈছিল।

● ৰাজা ৰামমোহন ৰায় আছিল প্ৰথমজন ব্যক্তি যিজনে পৰম্পৰা আৰু ধৰ্মৰ অচিলা লৈ নাৰীৰ লগত হোৱা অন্যায়ৰ বিৰুদ্ধে ৰাজহুৱাভাৱে প্ৰতিবাদ কৰিছিল। সতী প্ৰথা বন্ধ কৰাত তেওঁৰ উল্লেখযোগ্য ভূমিকা আছিল আৰু বহুবিবাহ প্ৰথাৰ বিৰুদ্ধেও তেওঁ প্ৰচাৰ চলাইছিল।

● ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে বিধবাসকলৰ অধিকাৰৰ হকে যুজিছিল আৰু ১৯৫৬ চনৰ বিধবা পুনৰ্বিবাহ অধিনিয়ম প্ৰণয়ন কৰিবলৈ সক্ষম হৈছিল।

● বোম্বাইৰ বেহৰামজী মালাবাৰী নামৰ এগৰাকী পাৰ্ছী প্ৰতিবাদকাৰীয়ে বিবাহৰ বাবে নিৰ্ধাৰিত বয়স দহ বছৰৰ পৰা বাৰ বছৰলৈ বৃদ্ধি কৰিবলৈ এক সৰ্বভাৰতীয় প্ৰচাৰ চলাইছিল। তাৰ পৰৱৰ্তী সময়ছোৱাত মালাবাৰীৰ পৰামৰ্শ অনুসৰি ১৮৯১ চনত বিবাহৰ বাবে নিৰ্ধাৰিত বয়সৰ আইন প্ৰণয়ন কৰা হৈছিল।

● পুণাৰ এগৰাকী অসাধাৰণ মহিলা, পণ্ডিতা ৰামাবাই সৰস্বতীয়ে আৰ্য সমাজৰ এক শাখা স্থাপন কৰিছিল আৰু বোম্বাই প্ৰদেশৰ বিভিন্ন চহৰত নাৰী সংগঠন গঢ়ি তুলিছিল। তেওঁ সাৰদা সদনৰো প্ৰতিষ্ঠা কৰিছিল যিয়ে নাৰীক, বিশেষকৈ কমবয়সীয়া বিধবাক শিক্ষা আৰু চাকৰিৰ সুবিধা প্ৰদান কৰিছিল।

● ১৯০৮ চনত আহমেদাবাদত গুজৰাট স্ত্ৰী মণ্ডলৰ প্ৰতিষ্ঠা কৰা হৈছিল, ১৯১৩ চনত মাইছোৰত আৰু ১৯১৬ চনত পুণাত মহিলা সেৱা সমাজৰ প্ৰতিষ্ঠা কৰা হৈছিল।

● ১৯২৭ চনত মাৰ্গাৰেট কাজিন্‌ছে All India Women's Conference শীৰ্ষক এক বেচৰকাৰী অনুষ্ঠানৰ প্ৰতিষ্ঠা কৰিছিল যিয়ে সমাজত নাৰীৰ স্থানৰ উন্নীতকৰণৰ বাবে সামাজিক ন্যায়ব্যৱস্থাৰ প্ৰণোদিতকৰণ আৰু প্ৰচাৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

● All India Women's Conference-ৰ প্ৰচেষ্টাৰ ফলশ্ৰুতিত নিম্নোল্লেখিত আইনসমূহ প্ৰণয়ন হৈছিল— হিন্দু বিবাহ আৰু বিবাহবিচ্ছেদ অধিনিয়ম ১৯৫৫, সাৰদা অধিনিয়ম ১৯২৯, হিন্দু নাবালকতা আৰু অভিভাৱকত্ব অধিনিয়ম ১৯৫৬, বিশেষ বিবাহ অধিনিয়ম ১৯৫৪, হিন্দু দত্তক গ্ৰহণ আৰু ভৰণপোষণ অধিনিয়ম ১৯৫৬, আৰু নাৰীৰ অবৈধ চোৰাং সৰবৰাহ ৰোধ অধিনিয়ম ১৯৫৬। ইয়াৰ উপৰিও All India Women's Conference-এ এক নিৰ্দিষ্টসংখ্যক উদ্ভাৱনী প্ৰতিষ্ঠানো স্থাপন কৰিছিল, যিবোৰৰ কিছুমানে এতিয়া নিজ নিজ ক্ষেত্ৰত স্বায়ত্বশাসিত অনুষ্ঠান হিচাপে কৰ্মৰত। তাৰে কিছুমান প্ৰতিষ্ঠান হ'ল - নতুন দিল্লীত অৱস্থিত লেডী ইৰৱিন মহাবিদ্যালয়, যিখন প্ৰতিষ্ঠানে গাৰ্হস্থ্য বিজ্ঞানৰ স্নাতক আৰু স্নাতকোত্তৰ শাখাৰ পাঠ্যক্ৰম আগবঢ়ায়;

পৰিয়াল পৰিকল্পনা প্ৰতিষ্ঠান, যিটো এতিয়া ভাৰতৰ পৰিয়াল পৰিকল্পনা সংঘলৈ ৰূপান্তৰিত হৈছে; শিশু সুৰক্ষা সমিতি, যিটো এতিয়া ভাৰতীয় শিশু কল্যাণমূলক পৰিষদলৈ ৰূপান্তৰিত হৈছে।

- কমলাদেৱী চট্টোপধ্যায় আছিল All India Women's Conference-ৰ এগৰাকী অন্যতম প্ৰতিষ্ঠাপক আৰু গঠনমূলক কৰ্মত নিয়োজিত এগৰাকী স্বাধীনতা সংগ্ৰামী, যিয়ে মাদ্ৰাজৰ বিধানসভা নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী হৈ প্ৰতিদন্দ্বিতা কৰিছিল।
- ডাঃ মুথুলক্ষ্মী ৰেড্ডী হ'ল চিকিৎসা বিজ্ঞান বিষয়ত মাদ্ৰাজৰ প্ৰথম মহিলা স্নাতক যিয়ে All India Women's Conference-ৰ লগত আৰম্ভণিৰ পৰাই জড়িত আছিল আৰু তেওঁক চৰকাৰে বিধানসভালৈ নিৰ্বাচিত কৰিছিল।
- ১৯২৭ চনত ৫-৮ জানুৱাৰীলৈ পুণাত অনুষ্ঠিত শিক্ষাগত সংশোধনৰ বাবে হোৱা প্ৰথম All India Women's Conference এক ঐতিহাসিক পৰিঘটনা স্বৰূপ আছিল। এই সন্মিলনখনিয়ে ভাৰতৰ বিভিন্ন অংশৰ বিভিন্ন জাতি আৰু সম্প্ৰদায়ৰ মহিলাক একগোট হোৱাৰ সুবিধা প্ৰদান কৰিছিল। এই সন্মিলনত উপস্থিত থকা সকলো মহিলাৰ বাবে মুখ্য চিন্তাৰ বিষয়বস্তু আছিল মহিলাৰ শিক্ষা।
- মহিলাৰ শিক্ষাৰ অধিকাৰৰ হকে যুঁজ দিয়া প্ৰাৰম্ভিক কৰ্মীসকল আছিল— মহাদেৱ গোৱিন্দ, ৰামাবাই ৰামাদে, জ্যোতিবা ফুলে, ৰামাবাই সৰস্বতী, আৰু মহৰ্ষি কাৰ্ৱে, যিসকল উনবিংশ শতিকাৰ শেষৰফালৰ আৰু বিংশ শতিকাৰ সামাজিক সংস্কাৰক আছিল।

১১.৫ নাৰী আন্দোলন আৰু আইনৰ ভূমিকা

আমি বাস কৰা ভাৰতীয় সমাজখনত ঘৰুৱা হিংসা এক গুৰুতৰ সমস্যা। ঘৰুৱা হিংসাক শাৰীৰিক অত্যাচাৰ, অৰ্থনৈতিক অত্যাচাৰ, যৌন অত্যাচাৰ, মানসিক অত্যাচাৰ আদি ভাগত ভাগ কৰিব পাৰি। বিভিন্ন সময়ত বিভিন্ন প্ৰজন্মৰ মহিলাই ঘৰুৱা হিংসাৰ ভুক্তভোগী হৈ আহিছিল আৰু পূৰ্বতে তেওঁলোকে কেতিয়াও এই বিষয়ে মাত মাতিবলৈ সক্ষম হোৱা নাছিল। নাৰী আন্দোলনৰ উত্থান আৰু কল্যাণকামী অনুষ্ঠানসমূহ প্ৰতিষ্ঠা হোৱাৰ পৰা মহিলাসকলে তেওঁলোকৰ সমস্যাসনূহৰ বিষয়ে আলোচনা-বিলোচনা কৰি তাৰ সমাধানৰ পথ উলিয়াবলৈ এক সুবিধা লাভ কৰিলে। এনে বিভিন্ন মহিলাক বিভিন্ন প্ৰতিষ্ঠান যেনে - Women Welfare Association of India (WWAI), Army Woman Welfare Association (AWWA), Woman's Emancipation and Development Trust (WEDT) আদিয়ে বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগ আগবঢ়ায়। এয়া প্ৰায়েই দেখা যায় যে ঘৰুৱা হিংসাৰ বশৱৰ্তী হৈ গৃহহীন হোৱা মহিলাসকলে নাৰীৰ চোৱাং সৰবৰাহ আৰু পৰ্ণগ্ৰাফীৰ ভুক্তভোগী হয়। ইয়াৰ উপৰিও শিশুসকলো ঘৰুৱা হিংসাৰ পৰৱৰ্তী পৰ্যায়ত ভুক্তভোগীলৈ পৰিৱৰ্তিত হয়। মহিলাসকল সামুহিকভাৱে একত্ৰিত হোৱাৰ ফলত যেতিয়া বিভিন্ন ৰাজহুৱা সন্মিলনত এই বিষয়ে আলোচনা-বিলোচনা হ'বলৈ ধৰিলে, তেতিয়া ভাৰতীয় চৰকাৰে যৌতুক নিবাৰণ অধিনিয়ম, ঘৰুৱা হিংসা বিৰোধী ৰক্ষণাৱেক্ষণ অধিনিয়ম আদিকে ধৰি বিভিন্ন আইন প্ৰৱৰ্তন কৰিবলৈ ধৰিলে। ১৯৮৩ চনত ঘৰুৱা হিংসাক ভাৰতীয় দণ্ডবিধিৰ শাখা ৪৯৮-A-ৰ অধীনত এক শাস্তিমূলক অপৰাধ হিচাপে ঘোষণা কৰা হয়। এই শাখাটোৱে গিৰীয়েক বা তেওঁৰ পৰিয়ালটোৰ বিবাহিতা মহিলাগৰাকীৰ প্ৰতি থকা হিংসাপৰায়ণ স্বভাৱৰ বিচাৰ কৰে।

ইয়াৰ লগতে শিশু শ্ৰম ব্যৱস্থাৰ ভুক্তভোগী হোৱা শিশুসকলৰ বাবেও ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন কেন্দ্ৰীয় বিধায়ক যেনে শিশু শ্ৰম ৰোধক অধিনিয়ম, ১৯৮৬ আৰু উদ্যোগ অধিনিয়ম, ১৯৪৮ প্ৰণয়ন কৰা হৈছিল। প্ৰথম আইনখনে ১৪ বছৰৰ তলৰ শিশুক কৰ্মসংস্থাপন দিয়াটো বন্ধ কৰিছিল আৰু শিশুৰ জীৱনৰ বাবে হানিকাৰক

৫৭টা প্ৰক্ৰিয়া আৰু ১৩টা বৃত্তিৰ চিনাক্তকৰণ কৰিছিল। উদ্যোগ অধিনিয়মখনে আকৌ ১৪ বছৰৰ তলৰ শিশুৰ কৰ্মসংস্থাপন দিয়াটো বন্ধ কৰিছিল।

২০০১ চনত আকৌ ভাৰতৰ কেন্দ্ৰীয় চৰকাৰে ঘৰুৱা হিংসা অধিনিয়মখন অনুমোদন জনাইছিল যিখন আইনে "পৰিয়ালৰ ভিতৰতে যিকোনো হিংসাৰ সন্মুখীন হোৱা মহিলাক সুৰক্ষা দিব পাৰে আৰু প্ৰয়োজনীয় সা-সুবিধা প্ৰদান কৰিব পাৰে।" ঘৰুৱা হিংসাৰ পৰা মহিলাৰ সুৰক্ষা নামৰ আইন এখনো ২০০৫ চনত প্ৰৱৰ্তন কৰা হৈছে।

১১.৬ নাৰীৰ হকে গ্ৰহণ কৰা সাম্প্ৰতিক কালৰ কাৰ্যব্যৱস্থাসমূহ

চৰকাৰী আইন ব্যৱস্থাৰ বাহিৰেও বিভিন্ন সামাজিক সংস্থাবোৰেও এই নাৰী আন্দোলনসমূহ আগবঢ়াই নিয়াত আৰু নাৰীৰ অধিকাৰৰ হকে যুঁজ দি আহিছে। স্বৰাজোত্তৰ কালৰ এনে কিছুমান উল্লেখযোগ্য উদাহৰণ তলত দিয়া হৈছে —

● Self Employed Women's Association (SEWA)

Self Employed Women's Association হৈছে ১৯৭২ চনত পঞ্জীয়ন হোৱা এক শ্ৰমকল্যাণ সমিতি। এই সমিতিখনৰ প্ৰতিষ্ঠাতা হ'ল বিশিষ্ট গান্ধীবাদী আৰু নাগৰিক অধিকাৰবাদী নেতা এলা ভাট। SEWA-ৰ কেন্দ্ৰীয় কাৰ্যালয় গুজৰাটৰ আহমেদাবাদত অৱস্থিত আৰু ই ভাৰতৰ বিভিন্ন ৰাজ্যত নিজৰ কাম পৰিচালনা কৰে। SEWA-ৰ কৰ্মকৰ্তাসকল হ'ল সেইবোৰ মহিলা যিয়ে নিজৰ শ্ৰম বা সৰুসুৰা ব্যৱসায়েৰে জীৱন নিৰ্বাহ কৰে আৰু যিয়ে সংগঠিত খণ্ডৰ কৰ্মীসকলৰ দৰে নিয়মীয়া বেতন আৰু অতিৰিক্ত সা-সুবিধা নাপায়। তেওঁলোকে ভাৰতৰ কৰ্মশক্তিৰ ৯৩ শতাংশ স্থান অধিকাৰ কৰি আছিল। গতিকে মহিলা কৰ্মীদলক একেলগে প্ৰায়েই হিচাপত ধৰা হোৱা নাছিল বা তেওঁলোক প্ৰায় অদৃশ্য আছিল। SEWA-ৰ অনসূয়া চাৰাভায়ে স্থাপন কৰা ভাৰতৰ আটাইতকৈ পুৰণি আৰু বৃহত্তম বয়নশিল্পৰ শ্ৰমিকসকলৰ সংগঠন Textile Labour Association (TLA)-ৰ পৰা উত্থান হৈছিল। ১৯৫৪ চনত TLA-এ উদ্যোগটোত কৰ্মৰত বনুৱাসকলৰ পৰিয়ালৰ মহিলাসকলৰ সহায়ার্থে এক মহিলা শাখা স্থাপন কৰিছিল আৰু ই মূলতঃ প্ৰশিক্ষণ আৰু কল্যাণকামী কাম-কাজৰ লগতে জড়িত আছিল। সংগঠনটোৰ লক্ষ্যসমূহৰ প্ৰাপ্তিৰ বাবে তলত উল্লিখিত ভগ্নীসদৃশ প্ৰতিষ্ঠানসমূহ স্থাপন কৰা হৈছিল -

SEWA Bank: ধন জমা কৰা আৰু ঋণ লোৱাৰ এক সুসংগঠিত ব্যৱস্থাৰ অভাৱত আৰু বাহ্যিক ঋণৰ অসূয়াপূৰ্ণ চক্ৰটোৰ পৰা ৰক্ষা পাবলৈ SEWA-ৰ কৰ্মচাৰীসকলে নিজেই এক বিত্তীয় প্ৰতিষ্ঠানৰ স্থাপন কৰিছিল। প্ৰায় ৪০০০ মহিলা সদস্যই ১০ টকাকৈ মূলধন হিচাপে ১৯৭৪ চনৰ মে' মাহত মহিলা সেৱা সমবায় অধিকোষৰ স্থাপনৰ বাবে প্ৰদান কৰিছিল।

SEWA Academy: ১৯৯১ চনত SEWA Academy স্থাপন কৰা হৈছিল যাৰ লক্ষ্য হ'ল প্ৰাথমিক শিক্ষা প্ৰদান, ধাৰণ ক্ষমতা গঢ়ি তোলাৰ উদ্যোগ গ্ৰহণ, নেতৃত্ব লোৱাৰ প্ৰশিক্ষণ, সংযোগ আৰু উন্নতি সাধনৰ অধ্যয়ন।

SEWA Communication: এই শাখাটোৰ জৰিয়তে SEWA-ই যথেষ্ট সংখ্যক লোকৰ মাজলৈ প্ৰচাৰ আগবঢ়াবলৈ সক্ষম হৈছিল। এই শাখাটোৱে এখন দৈনিক সংবাদ-পত্ৰ, কিশোৰীৰ বাবে এখন মাহেকীয়া আলোচনী, আৰু এখন বৈদ্যুতিন সংবাদ-পত্ৰ প্ৰকাশ কৰিছিল। ১৯৮৪ চনত Video SEWA স্থাপন কৰা হৈছিল যিয়ে SEWA-ৰ সদস্যসকলক শিক্ষা প্ৰদান আৰু ইতিমধ্যে বিদ্যামান সদস্যমণ্ডলীক অনুপ্ৰেৰণা যোগোৱা, সংঠিত কৰা তথা শক্তিশালী কৰি তুলিছিল।

SEWA Research: SEWA-ৰ প্ৰচাৰ সংগ্ৰামত যুক্তিসন্মত আৰু বৈজ্ঞানিক গৱেষণা এক গুৰুত্বপূৰ্ণ

অংগ আছিল। গৱেষণাৰ জৰিয়তে -ই নিজৰ সদস্য স্ব-সংস্থাপিত মহিলাসকলক মূলসুতিৰ তথ্যৰ পৃথিৱীখনৰ পৰিচয় কৰাই দিছিল।

SEWA Housing : ১৯৯৪ চনত অসংগঠিত খণ্ডৰ দুখীয়া মহিলাসকলৰ বসবাসৰ অৱস্থাৰ উন্নতিৰ বাবে Gujarat Mahila Housing SEWA Trust (MHT)-ৰ স্থাপন কৰা হৈছিল।

● Sakhi (সখী)

১৯৮৯ চনত দক্ষিণ এছিয়াৰ মহিলাসকলৰ বাবে বিভিন্ন পেছা যেনে বিত্ত, চলচিত্ৰ, আইন, ৰাজহুৱা স্বাস্থ্য আদিৰ লগত জড়িত এটা পাঁচজনীয়া দক্ষিণ এছিয়াৰ মহিলাৰ দলে Sakhi নামৰ অনুষ্ঠানটো স্থাপন কৰিছিল। সহজার্থত, Sakhi (সখী) মানে হ'ল মহিলা বন্ধু। এই সংগঠনটো দক্ষিণ এছিয়াৰ সমাজৰ অধীনৰ মহিলাসকলে সন্মুখীন হোৱা ঘৰুৱা হিংসাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ তেওঁলোকক এক মাধ্যম প্ৰদান কৰাৰ অৰ্থে স্থাপন কৰা হৈছিল। Sakhi-ৰ লক্ষ্য হ'ল দক্ষিণ এছিয়াত ঘৰুৱা হিংসা একেবাৰে বোধ কৰি উত্তৰজীৱী মহিলাসকলক একত্ৰিত কৰিবলৈ বিভিন্ন সমিতি, সংগঠন আদিৰ সৃষ্টি কৰা। Sakhi-এ সেৱা প্ৰদান, সমূহীয়া অংশগ্ৰহণ, প্ৰচাৰ মাধ্যমৰ সক্ৰিয়তা, বিভিন্ন নীতি গ্ৰহণ আদি কিছুমান আত্মীয়কৰণৰ প্ৰচেষ্টাৰ জৰিয়তে সহায়-সহযোগ আৰু সমৰ্থন আগবঢ়ায়। দক্ষিণ এছিয়াৰ মহিলাসকলক অহৰহ মানসিক সহযোগ, সাংস্কৃতিকভাৱে চিন্তাশীল তথা নিৰ্দিষ্ট ভাষিক সহযোগ আগবঢ়াবলৈ Sakhi-এ এক সুৰক্ষিত মাধ্যম হিচাপে কাম কৰি আহিছে। ই গ্ৰহণ কৰা কাৰ্য-প্ৰণালীসমূহ তলত উল্লেখ কৰা হ'ল—

১) সংকটৰ সহাঁৰি - এছিয়াৰ দেশসমূহৰ মহিলাৰ লগত জড়িত বিষয়সমূহত এই সংগঠনটোৱে সহাঁৰি জনায়।

২) পৰিস্থিতি ব্যৱস্থাপনা - পৰিস্থিতি ব্যৱস্থাপনাৰ ভিতৰত আছে মহিলাৰ বাবে অনুবাদ সেৱা, আদালতৰ ৰক্ষনাবেক্ষণ, ৰাজহুৱা সুবিধাৰ্থে থকা সংস্থা, স্বাস্থ্য সেৱা, স্বাস্থ্য ৰক্ষাৰ উপদেশ, বসবাস কৰাৰ ব্যৱস্থা, আইনগত সহায়তা আৰু চাকৰি প্ৰশিক্ষণ আৰু সংস্থাপন।

৩) নিৰ্দিষ্ট পাঠ্যক্ৰম - Sakhi-এ উত্তৰজীৱী মহিলাসকলৰ অৰ্থে এক নিৰ্দিষ্ট পাঠ্যক্ৰম সৃষ্টি কৰিছিল যাৰ ভিতৰত আছিল কম্প্যুটাৰৰ শিক্ষা, মাহেকীয়া সহায়ক শ্ৰেণী , বাণিজ্যিক শিক্ষা কৰ্মশালা, আৰু শৈক্ষিক উদ্‌গতিৰ বাবে পুঁজি।

● Kali for Women: Zubaan

১৯৮৪ চনত উৰ্বশী বুটালিয়া আৰু বিতু মেননে ভাৰতৰ প্ৰথম মহিলা প্ৰকাশক গোষ্ঠী Kali for Women-ৰ প্ৰতিষ্ঠা কৰিছিল। এই প্ৰতিষ্ঠানটোৰ লক্ষ্যসমূহ আছিল উচ্চমানৰ কৰ্মৰাজি প্ৰকাশ কৰা, ব্যয় কমোৱা আৰু এই কথা সুনিশ্চিত কৰা যে তেওঁলোকে প্ৰকাশ কৰি উলিওৱা গ্ৰন্থৰাজিৰ বিষয়বস্তুৰ লগতে বিন্যাসো আন্তৰ্জাতিক মানদণ্ডৰ হয়। এক নিৰ্দিষ্ট সময়ৰ ভিতৰত Kali for Women ভাৰতৰ লগতে সমগ্ৰ বিশ্বৰে এক উল্লেখযোগ্য প্ৰকাশক গোষ্ঠী হিচাপে প্ৰতিষ্ঠিত হয়। ইয়াৰ নামটো গুণগত মান, সম্পাদকীয় চিন্তাশীলতা, উচ্চমানৰ বিষয়বস্তু আৰু আটাইতকৈ গুৰুত্বপূৰ্ণভাৱে মহিলাৰ মতামত প্ৰকাশৰ বাবে এক মাধ্যমৰ লগত সূচোৱা হয়। দিল্লীৰ এক গেৰেজৰ পৰা আৰম্ভ কৰি Kali for Women-এ ভাৰতীয় নাৰীবাদৰ এক উল্লেখযোগ্য প্ৰকাশনীয় ৰাষ্ট্ৰদূত হিচাপে প্ৰতিষ্ঠিত।

● TheCentreforWomen'sDevelopmentStudies

১৯৮০ চনৰ ১৯ এপ্ৰিলত আন্তৰ্জাতিক মহিলা দশকৰ মাজভাগতে পোনপ্ৰথমবাৰৰ বাবে সকলোকে অন্তৰ্ভুক্ত কৰা মহিলাৰ সমাজত স্থানৰ বিষয়ে তৈয়াৰ কৰা 'Towards Equality' (Report of the Committee on the Satus of Women in India, (CSWI), Government of India) নামৰ চৰকাৰী প্ৰতিবেদনখনৰ বুনিয়াদী কাম-কাজৰ লগত জড়িত কিছু সংখ্যক পুৰুষ-মহিলাই The Centre for Women's Development

Studies (CWDS) নামৰ সংস্থাটোৰ প্ৰতিষ্ঠা কৰিছিল। পাছলৈ তেওঁলোক Indian Council of Social Science Research (ICSSR)-ৰ অন্তৰ্গত নাৰী শিক্ষা অনুষ্ঠান (Women's Studies Program)-ৰ লগত সংযুক্ত হৈছিল। ICSSR-ৰ নাৰী শিক্ষাৰ উপদেষ্টা সমিতিয়ে ইতিমধ্যে উৎপত্তি হোৱা জ্ঞানৰ ওপৰত ভিত্তি কৰি, কিন্তু এক বৃহত্তৰ পৰিসৰ আৰু পুঁজিৰে গৱেষণা কাৰ্য আগবঢ়াই নিবলৈ এক স্বতন্ত্ৰ প্ৰতিষ্ঠান স্থাপনৰ আহ্বান জনাইছিল।

- National Commission for Women (ৰাষ্ট্ৰীয় মহিলা আয়োগ)

১৯৯২ চনৰ জানুৱাৰীত ভাৰত চৰকাৰৰ মহিলা আয়োগ অধিনিয়ম, ১৯৯০ ৰ অধীনত National Commission for Women-ৰ প্ৰতিষ্ঠা কৰা হৈছিল যাৰ লক্ষ্য হ'ল মহিলাৰ সাংবিধানিক আৰু আইনগত সুৰক্ষা প্ৰদানৰ কাৰ্যাৱলী নিৰীক্ষণ কৰা, সঠিক আইনগত উপায়ৰ বিষয়ে অৱগত কৰা, অভিযোগসমূহ দ্ৰুত গতিৰে সমাধা কৰা, আৰু মহিলাৰ লগত জড়িত নীতিসমূহৰ বিষয়ে চৰকাৰক পৰামৰ্শ প্ৰদান কৰা।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাৰতৰ নাৰীৰ আন্দোলনক কেইটা শ্ৰোতত ভাগ কৰা হৈছে?

.....

প্ৰশ্ন নং ২ ঃ ঘৰুৱা হিংসাৰ বিৰুদ্ধে আইনী প্ৰৱৰ্তন কেতিয়া হৈছিল?

.....

প্ৰশ্ন নং ৩ ঃ অৰ্থনৈতিক হিংসা কি?

.....

প্ৰশ্ন নং ৪ ঃ WWAI-ৰ সম্পূৰ্ণ নামটো কি?

.....

প্ৰশ্ন নং ৫ ঃ SEWA Bharat কি?

.....

১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ নাৰী আন্দোলনক তিনিটা শ্ৰোত বা পৰ্যায়ত ভাগ কৰিব পাৰি - প্ৰথম শ্ৰোতটো ঊনৈছ শতিকাৰ ৰাষ্ট্ৰীয় আন্দোলন আৰু নাৰীৰ অধিকাৰৰ হকে অনুষ্ঠিত হোৱা সংস্কাৰমূলক আন্দোলনত নাৰীৰ বিশাল যোগদানেৰে আৰম্ভ হৈছিল।
- ১৯৬০ৰ দশকৰ শেষৰফালে দ্বিতীয় শ্ৰোতৰ আৰম্ভণি হোৱা বুলি ক'ব পাৰি, য'ত নাৰীৰ ৰাজনৈতিক সক্ৰিয়তাৰ পুনৰুত্থান হোৱা পৰিলক্ষিত হৈছিল।
- ১৯৭০ৰ দশকৰ শেষৰ ফালে আৰম্ভ হোৱা তৃতীয় শ্ৰোতটোৰ এক নিৰ্দিষ্ট নাৰীবাদী লক্ষ্য আছিল।
- প্ৰাচীন কালৰে পৰাই বিভিন্ন লোকে নাৰীৰ অধিকাৰৰ হকে যুঁজ কৰি আহিছে। যদিও ইয়াৰ বিষয়বস্তুসমূহৰ মাজত পাৰ্থক্য আছে, তথাপিও এটা কথা স্পষ্ট যে এয়া হ'ল লিংগ সমতা ৰক্ষা কৰাৰ এক অহৰহ প্ৰচেষ্টা।
- বৰ্তমান সময়ত চৰকাৰৰ বাহিৰেও বিভিন্ন বেচৰকাৰী প্ৰতিষ্ঠানেও বিভিন্ন নাৰীজনিত সমস্যাৰ সমাধান তথা নাৰী স্বাধীনতাৰ লক্ষ্য হাতত লৈ কাম কৰি আছে।

১১.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Agnihotri, Indu and Vina Mazumdar. 1995. Changing Terms of Political Discourse: Women's Movement in India 1970s – 1990s. Economic and Political Weekly, 30(29): 1869 1879.
2. Dietrich, Gabriele. 1992. Reflections on the Women's Movement in India: Religion, Ecology, Development. New Delhi: Horizon India Books
3. Mazumdar, Vina. 1976. The Social Reform Movement in India: From Ranade to Nehru. In Indian Women from Purdah to Modernity. ed. B.R. Nanda: 41-66. New Delhi: Vikas.
4. Mazumdar, Vina. (ed.). 1979. Symbols of Power: Studies on the Political Status of Women in India. New Delhi: Allied Publishers.

১১.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰথম শ্ৰোত ১৯ শতিকাৰ পৰা, দ্বিতীয় শ্ৰোত ১৯৬০ৰ দশকৰ পৰা, তৃতীয় শ্ৰোত ১৯৭০ৰ দশকৰ পৰা আৰম্ভ হৈছিল।

২নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৮৩ চনত ঘৰুৱা হিংসাক ভাৰতীয় দণ্ডবিধিৰ শাখা ৪৯৮-A-ৰ অধীনত এক শাস্তিমূলক অপৰাধ হিচাপে ঘোষণা কৰা হয়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ এনে হিংসা য'ত মহিলাৰ অৰ্থনৈতিক স্বাধীনতা খৰ্ব কৰা হয়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ Women Welfare Association of India.

৫নং প্ৰশ্নৰ উত্তৰ ঃ SEWA Bharat হ'ল এনে এটা সংস্থা যিয়ে অসংগঠিত খণ্ডত কৰ্মৰত মহিলাৰ লগত জড়িত সমস্যাসমূহৰ সমাধানৰ অৰ্থে কাম কৰে আৰু এই মহিলাসকলৰ কল্যাণৰ হকে কাম কৰা প্ৰতিষ্ঠানসমূহৰ কাৰ্যক্ষমতা বৃদ্ধিতো সহায় কৰে।

১১.১০ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ঘৰুৱা হিংসাৰ বিষয়ে এক চমু টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ ছাফৰেজ আন্দোলনৰ বিষয়ে এক চমু টোকা প্ৰস্তুত কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ স্বৰাজোত্তৰ কালৰ আন্দোলনসমূহত মহিলাৰ অংশগ্ৰহণৰ বিষয়ে এক ৰচনা লিখক।

প্ৰশ্ন ২ ঃ ভাৰতীয় ৰাষ্ট্ৰীয় আন্দোলনসমূহত মহিলাৰ ভূমিকাৰ বিষয়ে এক বিৱৰণী দিয়ক।

*** ***** ***

অধ্যায় ১২ ঃ মানৱ অধিকাৰ

অধ্যায় গাঁথনিপ্ল

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ মানৱ অধিকাৰ ঃ এই ধাৰণাৰ আনুষ্ঠানিক সূত্রপাত
১২.৪ স্বাধীন ভাৰততে মানৱ অধিকাৰ আন্দোলন
১২.৫ ভাৰতবৰ্ষত ভিন্ন সময়ত উদ্ভৱ হোৱা মানৱ অধিকাৰ জনিত বিষয়সমূহ
১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৭ অধিক জানিবলৈ
১২.৮ অগ্রগতিৰ খতিয়ান
১২.৯ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মানৱ অধিকাৰ সম্পর্কীয় বিবাদ আৰু তাৰ সূত্রপাত সম্পর্কে জানিব পাৰিব
- মানৱ অধিকাৰৰ সৈতে জড়িত ভিন্ন আন্দোলনসমূহ আলোচনা কৰিব পাৰিব
- মানৱ অধিকাৰ বিবাদসমূহৰ পৰিণতিৰ বিষয়ে জানিব পাৰিব।

১২.২ পৰিচয়

আগৰ অধ্যায়টিত সামাজিক আন্দোলনে কিদৰে জনতাৰ দুখ, অভাৱ-অভিযোগ প্রতিফলন কৰাৰ মাধ্যম হিচাপে পৰিগণিত হয় সেই বিষয়ে আলোচনা কৰা হৈছে। ভিন্ন পৃষ্ঠভূমি আৰু পৰিৱেশত কিদৰে সামাজিক বিপ্লৱৰ সূচনা হয় তাৰ ওপৰতো আলোকপাত কৰা হৈছে। এই অধ্যায়টিত মানৱ অধিকাৰ আৰু সংলগ্ন বিবাদ, আলোচনা আদিৰ বিষয়ে আলোচনা কৰা হ'ব।

১২.৩ মানৱ অধিকাৰ ঃ এই ধাৰণাৰ আনুষ্ঠানিক সূত্রপাত

ভাৰতবৰ্ষ বিশ্বৰ এনে নগণ্য সংখ্যক দেশৰ ভিতৰত অন্যতম য'ত সমাজ বিপ্লৱৰ বাৰেৱৰণীয়া ঐতিহ্য পৰিলক্ষিত হয়। যদিও মানৱ অধিকাৰৰ প্রতিষ্ঠা আৰু উত্তৰণৰ অগ্রদূত স্বৰূপ ঘটনা বা ব্যক্তিবিশেষক প্রত্যাহ্বান জনেৱাৰ উল্লেখ প্রাচীন সাহিত্য বা লোক জীৱনত পোৱা যায়, ভাৰতবৰ্ষত আধুনিক মানৱ অধিকাৰ আন্দোলনৰ ভেটি স্থাপন হৈছিল ঔপনিৱেশিক শাসন বিৰোধী সংগ্রামৰ সময়ছোৱাতহে। প্রকৃতার্থত ঔপনিৱেশিকতাবাদৰ এটা সর্বগ্রহণযোগ্য আলোচনা কৰিব বিচাৰি জাতীয় আন্দোলনৰ নেতৃবৃন্দই ভাৰতবৰ্ষত ঔপনিৱেশিক শাসন প্রতিষ্ঠা কৰিব খুজি ব্রিটিছ চৰকাৰে ভাৰতীয় জনগণৰ মৌলিক মানৱ অধিকাৰ খর্ব কৰা বুলি তেওঁলোকক জগৰীয়া কৰাটোৱেই উচিত বুলি বিবেচনা কৰিলে। ফলস্বৰূপে, স্বাধীন ভাৰতবৰ্ষৰ সংবিধানত দেশৰ নাগৰিকৰ

সর্বোচ্চ পর্যায়ৰ মানৱ অধিকাৰ ৰক্ষাৰ ব্যৱস্থাপনা কৰাটোকেই সংবিধান প্রণেতাসকলে তেওঁলোকৰ অভিলাসীত সপোনৰ বাস্তৱায়ন হিচাপে জাতীয় আন্দোলনৰ আৰম্ভণিৰে পৰাই মানি চলিছিল।

সর্বৰাষ্ট্রীয় মানৱ অধিকাৰ ঘোষণাপত্রই এক গ্রহণযোগ্য আর্হি হিচাপে সমগ্র বিশ্বজুৰি স্বীকৃতি লাভ কৰিছে। কিন্তু বলপূর্বকভাৱে ইয়াক বাহাল ৰাখিব নোৱাৰি। দেখা গ'ল যে ১৯৪৮ চনৰ পৰা ১৯৬৬ চনলৈ এই সময়ছোৱাত ৰাষ্ট্রসংঘৰ মানৱ অধিকাৰ আয়োগ মূলতঃ ঘোষণাপত্রত উল্লিখিত ধৰণে আন্তঃৰাষ্ট্রীয় মানৱ অধিকাৰ সংস্থা এটা গঠন কৰা কামত ব্রতী হৈ আছিল। মানৱ অধিকাৰ আয়োগে দুখন প্রতিবেদন যুগুতাই উলিয়ালে।

i) নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ সম্পর্কীয় আন্তঃৰাষ্ট্রীয় চুক্তি (ICCPR) আৰু

ii) অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সম্পর্কীয় আন্তঃৰাষ্ট্রীয় চুক্তি (ICESCR)

এই দুয়োখন প্রতিবেদনে ১৯৭৬ চনত আন্তঃৰাষ্ট্রীয় আইনত পৰিণত হয়। সর্বৰাষ্ট্রীয় মানৱ অধিকাৰ ঘোষণাপত্রসহ এই দুয়োখন চুক্তিতে "আন্তঃৰাষ্ট্রীয় মানৱ অধিকাৰ বিধেয়ক" অন্তর্ভুক্ত হৈছিল। নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ সম্পর্কীয় আন্তঃৰাষ্ট্রীয় চুক্তিখনে জীয়াই থকাৰ অধিকাৰ, বাক স্বাধীনতা, ভোটদান আৰু ধর্মৰ স্বতন্ত্রতা আদি বিষয়ৰ ওপৰত আলোকপাত কৰি আহিছে। আনহাতে অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সম্পর্কীয় আন্তঃৰাষ্ট্রীয় চুক্তিখনে খাদ্য, শিক্ষা, স্বাস্থ্য আৰু আশ্রয় আদি দিশত কার্যপন্থা হাতত লয়। দুয়োখন চুক্তিতে এই নির্দেশনা আছে যে এই অধিকাৰসমূহ সমগ্র জনগণৰ নিমিত্তে সমদর্শী হ'ব আৰু ইয়াত কোনো বৈষম্য নাথাকিব।

তদুপৰি ICCPR-ৰ জৰিয়তে ৰাষ্ট্রসংঘৰ এক মানৱ অধিকাৰ কমিটীও গঠন কৰা হয়। ওঠৰজন মানৱ অধিকাৰ বিশেষজ্ঞৰে গঠিত এই কমিটীখনে ICCPR-ৰ প্রত্যেক স্বাক্ষৰকাৰীয়ে যাতে ইয়াৰ চর্তসমূহ পালন কৰেতাক সুনিশ্চিত কৰে। এই কমিটীখনে সদস্য দেশসমূহে দাখিল কৰা প্রতিবেদনসমূহ প্রতি পাঁচ বছৰৰ অন্তত মূল্যায়ন কৰে আৰু ৰাষ্ট্রসমূহৰ প্রদর্শনৰ ওপৰত অভিমত প্রকাশ কৰে।

১২.৪ স্বাধীন ভাৰতত মানৱ অধিকাৰ আন্দোলন

ভাৰতবর্ষৰ বিশাল ভৌগোলিক বিস্তৃতি, বর্ণাঢ্য জনগাঁথনি, সর্বাত্মক দৰিদ্রতা, বৈচিত্র্যময় সংস্কৃতি আদি দিশ বিবেচনা কৰিলে মানৱ অধিকাৰৰ বিষয়টো যথেষ্ট সংবেদনশীল বুলি অভিহিত কৰিব পাৰি। মানৱ অধিকাৰ সম্পর্কীয় বিবাদসমূহ চালি-জাৰি চোৱাৰ উদ্দেশ্যে দেশত বহুতো নির্ধাৰিত ব্যৱস্থাপনা আছে। উদাহৰণ স্বৰূপে, ভাৰতৰ সংবিধানত মৌলিক অধিকাৰৰ বিধান আছে। তাৰোপৰি ভাৰতত কার্যপালিকা আৰু ন্যায়পালিকাৰ পৃথকীকৰণৰ এক কঠোৰ প্রণালী আছে। এই ব্যৱস্থাপনাসমূহে ভাৰতবর্ষত উন্মেষ ঘটা মানৱ অধিকাৰ সম্পর্কীয় বিবাদসমূহ নিৰসন কৰাৰ ক্ষেত্রত এক পদ্ধতিগত পদক্ষেপ সুনিশ্চিত কৰে।

স্বাধীনোত্তৰ কালছোৱাত মানৱ অধিকাৰ আন্দোলনৰ কার্যকৰী ইতিহাসে এহাতে পৰস্পৰবিৰোধী প্রতিশ্রুতি বহন কৰে আৰু আনহাতে এক প্রভাৱশালী জনবিক্ষোভৰ ফলত মানৱ অধিকাৰ আন্দোলনৰ দাবানল আৰু তীব্রতৰ কৰি তোলাৰ বর্ণনা দাঙি ধৰে। যেতিয়াই সংবিধান সভাসমূহে মানুহৰ মৌলিক অধিকাৰসমূহৰ ব্যৱস্থাপনাত সালসলনি ঘটাবলৈ আৰম্ভ কৰে তেতিয়াই স্বাধীন ভাৰতত মানৱ অধিকাৰৰ ভৰিষ্যৎ স্বৰূপৰ পূর্বাভাস স্পষ্ট হৈ ধৰা দিছিল। সংবিধান সভাৰ সদস্যসকলে উদাৰ নৈতিক মনোভাৱ পোষণ কৰাৰ পিছতো পৰিস্থিতিমূলক সংবেদনশীলতাত ভুগি সভাৰ পর্যালোচনা ইমানেই সীমাবদ্ধ কৰি পেলালে যে ই এক সুদৃঢ় প্রশাসনযন্ত্র হৈয়ো জনতাৰ মৌলিক অধিকাৰ ৰক্ষাৰ বাদে আন একো কথাই মীমাংসা কৰিব নোৱাৰা হ'ল। ৰাষ্ট্র নির্মাণ, ৰাষ্ট্রীয় সুৰক্ষা, দেশৰ সমন্বয় আৰু একতা গঢ়াৰ সপোনে সংবিধান প্রণেতাসকলৰ মনত ইমান গভীৰভাৱে

ৰেখাপাত কৰিছিল যে তেওঁলোকে জনসাধাৰণক মৌলিক অধিকাৰৰ দৰে অনুমেয় প্ৰস্তাৱৰ বাহিৰে বিশেষ ব্যৱস্থাপনা কৰিবলৈ তৎপৰ নহ'ল।

ভাৰতত সংবিধানৰ খচৰা প্ৰস্তুত কৰি থকাৰ সময়তে এটা অতিশয় গুৰুত্বপূৰ্ণ আন্তৰ্জাতিক সংগঠন পৰিলক্ষিত হ'ল যেতিয়া ১৯৪৮ চনৰ ডিচেম্বৰ মাহত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই সৰ্বৰাষ্ট্ৰীয় মানৱ অধিকাৰ ঘোষণাপত্ৰ গৃহীত কৰে। এই ঘোষণাপত্ৰ গৃহীত হোৱাৰ ফলত ইয়াৰ ৰাজনৈতিক সবলীকৰণ সম্ভৱ হ'ল আৰু ই শীতল যুদ্ধকে ধৰি তৎকালীন বাস্তৱিকতাৰ প্ৰতিফলন ঘটাই ভাৰতৰ দৰে শেহতীয়াকৈ স্বাধীন হোৱা দেশসমূহত মানৱ অধিকাৰ আন্দোলনক এক অভিনৱ প্ৰেৰণা যোগাইছিল।

বাস্তৱ ক্ষেত্ৰত নহ'লেও নীতিগতভাৱে এই ঘোষণাপত্ৰখনে ওপৰত উল্লেখ কৰি অহা ধৰণে সকলো দেশকে নিজৰ সংবিধানত সৰ্বৰাষ্ট্ৰীয় মানৱ অধিকাৰ ঘোষণাপত্ৰত উল্লিখিত ব্যৱস্থাপনাৰ আৰ্হিত মানৱ অধিকাৰ সম্পৰ্কীয় এক সমন্বিত কাৰ্যক্ৰম প্ৰস্তুতকৰণত অৰিহণা যোগাইছিল। যিবিলাক দেশে তেওঁলোকৰ ৰাজনৈতিক ব্যৱস্থাত মানৱ অধিকাৰক এক গুৰুত্বপূৰ্ণ স্থান দিয়াক লৈ অনিশ্চয়তাত ভুগিছিল, সেইবিলাক দেশেই কালক্ৰমত ঘোষণাপত্ৰত চহী কৰাৰ উপৰিও, তাৰ দৰ্শন অনুসৰি নিজ নিজ আইন আৰু সংবিধান সংশোধনৰ যাৱতীয় প্ৰস্তুতি সম্পন্ন কৰি তুলিলে। এনেকুৱা অনুকূল পৰিৱেশত ভাৰতৰ সংবিধান প্ৰণেতাসকলৰ দায়িত্ব এহাতে ঘোষণাপত্ৰৰ প্ৰয়োজনীয়তা আনহাতে ৰাষ্ট্ৰীয় সমন্বয় আৰু একতাৰ অপৰিহাৰ্যতা— এই দুই দিশলৈ লক্ষ্য ৰাখি আৰু অধিক প্ৰগাঢ় হৈ পৰিল।

সৰ্বশেষত ভাৰতৰ সংবিধানে মানৱ অধিকাৰ অভিযানৰ পক্ষে মহত্বপূৰ্ণ সংকেত কঢ়িয়াই অনা কেইবাটাও মূল্যবান বিধি ব্যৱস্থা সংহত কৰি গৈছে। মানৱ অধিকাৰ সম্পৰ্কে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে দিকদৰ্শন কৰোৱা সংবিধানৰ তিনিটা ভাগ হ'ল— প্ৰস্তাৱনা, মৌলিক অধিকাৰ আৰু ৰাজ্যৰ নীতি নিৰ্দেশক সিদ্ধান্ত। এয়া অনস্বীকাৰ্য্য যে যদিও সংবিধানৰ প্ৰস্তাৱনাত প্ৰণেতাসকলে কিছুমান গুৰুত্বপূৰ্ণ ৰাজনৈতিক বিষয়ৰ ওপৰত প্ৰকাশ কৰা দৰ্শনহে প্ৰতিপাদিত কৰিলে, তথাপিও নাগৰিকৰ বিভিন্ন অধিকাৰ আৰু স্বাধীনতা সম্পৰ্কে কৰা উদ্ধৃতিয়ে তেওঁলোকে যি অগ্ৰাধিকাৰ ভিত্তিত সংবিধান ৰচনা কৰিব বিচাৰিছিল তাৰ স্পষ্ট আভাস দিয়ে। যি কি নহওক, মানুহক সঠিক অধিকাৰ দিবলৈ গৈ সংবিধান প্ৰণেতাসকলে তদানীন্তন আৰ্থ-সামাজিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ মানৱ অধিকাৰসমূহৰ মাজত স্পষ্ট বিভাজন ৰখাৰ কথা বিবেচনা কৰিছিল।

শাসন ব্যৱস্থাত গণতান্ত্ৰিক পদ্ধতি সন্নিবিষ্ট কৰিবলৈ সংবিধানৰ প্ৰণেতাসকলৰ দৃঢ় মতামতৰ পৰিপ্ৰেক্ষিতত এয়া স্পষ্ট হৈ পৰে যে ভাৰতত গণতন্ত্ৰ উজ্জীৱিত কৰি ৰাখিবলৈ জনসাধাৰণৰ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ নিশ্চিত কৰাৰ ক্ষেত্ৰত কিছুমান সূক্ষ্ম ব্যৱস্থাপনা কৰা হৈছিল। সেয়ে সংবিধানৰ তৃতীয় ভাগত ছয়টা মৌলিক অধিকাৰ সন্নিবিষ্ট কৰা হৈছে যেনে সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ, সাংস্কৃতিক-শৈক্ষিত অধিকাৰ আৰু সাংবিধানিক উপাচাৰৰ অধিকাৰ। যদি এই ন্যায্য অধিকাৰসমূহ সাব্যস্ত কৰিবলৈ নাগৰিকে আদালতৰ সহায় ল'বলগীয়া হয়, তেনে ক্ষেত্ৰত সংবিধানৰ চতুৰ্থ খণ্ডত মানৱ অধিকাৰৰ এটা দ্বিতীয় সংস্কৰণ নীতি-নিৰ্দেশক সিদ্ধান্তৰ ৰূপত অৱলোকিত হৈছিল। জনস্বাৰ্থ জড়িত আবেদনসমূহৰ প্ৰসাৰে মানৱ অধিকাৰ অভিযানৰ গুৰুত্বপূৰ্ণ ফলাফলৰূপে আন্দোলনটোক আৰু অধিক শক্তিশালী কৰিছিল। বেচৰকাৰী আৰু ঠিকাভিত্তিক অসংগঠিত শ্ৰমিকসকলো যাতে চৰকাৰৰ ন্যূনতম মজুৰি আইনৰ আওতালৈ আহে তাৰ বাবে পিপলচ ইউনিয়ন ফৰ ডেমক্ৰেটিক ৰাইটছ নামৰ সংগঠনটোৰ দিল্লীস্থ কাৰ্যালয়ে উচ্চতম ন্যায়ালয়ত দিয়া আবেদনৰ ভিত্তিত এই দিশত নতুন মাত্ৰাৰ সংযোজন ঘটে। সমাজৰ স্পৰ্শকাতৰ আৰু দুখীয়া শ্ৰেণীৰ অধিকাৰ সুৰক্ষিত কৰাত ব্ৰতী মানৱ অধিকাৰ সংস্থাসমূহৰ সংগ্ৰামক উচ্চতম ন্যায়ালয়ৰ এই ৰায়ে ন্যায়িক সুৰক্ষা প্ৰদান কৰিলে। জনতাৰ অধিকাৰ ৰক্ষা কৰিবলৈ আইনী

পন্থা অৱলম্বন কৰিব বিচৰা মানুহৰ সংখ্যাও ই বৃদ্ধি কৰিছিল। উদাহৰণস্বৰূপে এইচ ডি শৌৰিয়ে 'কমন কজ' নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ জৰিয়তে আৰু অধিবক্তা এম. চি. মেহতাই চেণ্টাৰ ফ'ৰ চাইন্সে এণ্ড এনভাইৰনমেণ্ট (CSE) নামৰ সংস্থাটিৰ জৰিয়তে যথাক্রমে গ্রাহকৰ অধিকাৰ আৰু দিল্লীৰ পাৰিপার্শ্বিক সংকটৰ সমাধান কল্পে কৰা প্রয়াসে ৰাজহুৱা স্বার্থজড়িত আবেদনক ব্যক্তি আৰু অনুষ্ঠানৰ সুৰক্ষাত ব্যৱহৃত এক শক্তিশালী আহিলা হিচাপে প্রতিষ্ঠাপিত কৰিলে।

ভাৰত চৰকাৰে ১৯৯৩ চনত এক প্রস্তাৱ যোগে ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগ স্থাপন কৰিবলৈ লোৱা সিদ্ধান্ত মানৱ অধিকাৰ সংগঠনসমূহৰ কল্যাণকামী প্রচেষ্টাৰ এক চমকপ্রদ অংশবিশেষ হিচাপে পৰিগণিত হৈছে। লক্ষণীয়ভাৱে, অনুসূচিত জাতি আৰু জনজাতিৰ দৰে সমাজৰ কিছুমান বর্গৰ অধিকাৰ ৰক্ষা আৰু উত্তৰণৰ বাবে যদিও বহুতো বিধি আয়োগ আৰু সংগঠন আছিল তথাপি এইটো স্পষ্ট হৈ পৰে যে এই সংগঠনসমূহে যথোচিত দৃষ্টিভংগী তথা সঞ্চালন সংসাধন ক্ষমতাৰ অভাৱত আনকি তেওঁলোকৰ লক্ষ্য জনসমষ্টিকো সঠিকভাৱে ৰক্ষণাবেক্ষণ দিবলৈ অপাৰগ। তদুপৰি সমাজৰ সকলো শ্রেণী লোকৰ মানৱ অধিকাৰ ৰক্ষা আৰু উত্তৰণৰ বাবে দায়বদ্ধ ৰাষ্ট্রীয় আৰু আঞ্চলিক সংগঠনৰ আৱশ্যকতা অনুভৱ হ'ল যিয়ে পর্যাপ্ত ক্ষমতা আৰু চৰকাৰী সাহার্য ব্যৱস্থাৰ (Support System) সুফল লাভ কৰিছে। পৰৱর্তী সময়ত ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগৰ গঠন দেশত মানৱ অধিকাৰ ৰক্ষণৰ হেতু গৃহীত আৰু আকাংক্ষিত পদক্ষেপ হিচাপে পৰিগণিত হ'ল। ৰাইজৰ মন জয় কৰাৰ প্রৱণতাৰে চৰকাৰেও আন বহুতো আয়োগ যেনে ৰাষ্ট্রীয় মহিলা আয়োগ, ৰাষ্ট্রীয় সংখ্যালঘু আয়োগ, ৰাষ্ট্রীয় চাফাই কর্মচাৰী আয়োগ আদি গঠন কৰি সমাজৰ উপৰোক্ত শ্রেণীসমূহৰ মানৱ অধিকাৰ সুৰক্ষা আৰু প্রসাৰৰ অর্থে নির্ধাৰিত কিছুমান সংকল্প গ্রহণ কৰে। কিন্তু এটা দশকৰ পাছতো NHRCকে ধৰি এই সংস্থাসমূহৰ কর্মকুশলতা সন্তোষজনক নহ'ল।

১২.৫ ভাৰতবর্ষত ভিন্ন সময়ত উদ্ভৱ হোৱা মানৱ অধিকাৰ জনিত বিষয়সমূহ

এই কথাটো আগতেও উল্লেখ কৰা হৈছে যে ভাৰতত মানৱ অধিকাৰৰ দৃষ্টিকোণৰ পৰা বিবাদসমূহ সমাধানৰ আনুষ্ঠানিক কার্যপ্রণালী ৰূপায়ণ এক আপাতভাৱে নতুন পৰিঘটনা। ই ভাৰতবর্ষত ঔপনিবেশিক শাসন প্রণয়ন কৰাৰ সময়তে আৰম্ভ হৈছিল আৰু শেষৰ ফালে ইয়াৰ প্রভাৱ বেছিকৈ অনুভূত হৈছিল। কিন্তু বর্তমান সময়ত মানৱ অধিকাৰৰ দৃষ্টিকোণৰ পৰা বোধ্য প্রাসংগিক বিষয়বস্তুসমূহ বীক্ষণ আৰু বিশ্লেষণ কৰাটো গতানুগতিক বিষয় হৈ পৰিছে। নিম্নলিখিত ঘটনাৱলীয়ে এনে কিছুমান বিষয়বস্তু বিশেষভাৱে দর্শায় —

সতীদাস প্রথা এই দিশত এক গুৰুত্বপূর্ণ ঘটনা হিচাপে পৰিগণিত হৈছে। ৰামমোহন ৰায়ৰ দ্বাৰা পৰিচালিত ব্রাহ্ম সমাজৰ দৰে হিন্দু সংস্কাৰ অভিযানৰ কেইবা বছৰজোৰা প্রচেষ্টাৰ ফলস্বৰূপে বিধৱাসকলৰ স্বামীৰ চিতাগ্নিত আত্মত্যাগৰ গোড়া পৰম্পৰা সতীদাহ প্রথা গৱর্ণৰ জেনেৰেল উইলিয়াম বেণ্টিঙ্কে ১৮২৯ চনত বন্ধ কৰে।

বিংশ শতিকাৰ আগভাগত ১৪ বছৰৰ অনূর্ধ্ব শিশুৰ বিবাহ নিষেধৰ সপক্ষে বাল্যবিবাহ নিষিদ্ধকৰণ আইন ১৯২৯ গৃহীত হয়।

তাৰোপৰি হিন্দু মহিলাসকলক আৰু অধিক অধিকাৰ প্রদান কৰাৰ উদ্দেশ্যেৰে হিন্দুসকলৰ পাৰিবাৰিক আইন সংশোধন কৰা হয়।

সশস্ত্র সেনা (বিশেষাধিকাৰ) আইন, ১৯৫৮ আজি পর্যন্ত গভীৰ চিন্তাৰ বিষয় হিচাপে পৰিগণিত হৈ আহিছে। ভাৰতবর্ষত জৰুৰীকালীন অৱস্থাৰ ঘোষণাৰ ফলত নিৰীহ জনতাৰ মানৱাধিকাৰৰ ব্যাপক স্খলন ঘটিছিল।

অপাৰেশ্যন ব্লুষ্টাৰ আৰু ১৯৮৪ চনত ধাৰাবাহিকভাৱে সংঘটিত শিখবিৰোধী সংঘর্ষ ভাৰতবর্ষত

সাধাৰণ নাগৰিকৰ মানৱাধিকাৰ সৰ্বাত্মক উলংঘনৰ গুৰুত্বপূৰ্ণ উদাহৰণ।

কাশ্মিৰী হিন্দুসকলৰ ব্যাপক গণ সংহাৰ, হিন্দু মন্দিৰ ধ্বংস, হিন্দু আৰু শিখ হত্যাকাণ্ড, বিদেশী পৰ্যটক আৰু চৰকাৰী বিষয়াৰ অপহৰণ, পৰৱৰ্তী সময়ত জম্মু-কাশ্মীৰত ধাৰাবাহিকভাৱে বিৰাজমান অস্থিৰতা আদি ঘটনা দেশৰ নাগৰিকৰ মানৱ অধিকাৰৰ ওপৰত নিৰ্মম আক্ৰমণ হিচাপে ইতিহাসত লিপিবদ্ধ হৈ ৰ'ব।

ওপৰোক্ত ঘটনাৱলী ভাৰতবৰ্ষত মানৱ অধিকাৰ সম্পৰ্কীয় বিবাদসমূহক পোহৰলৈ অনা কেইটামান উদাহৰণহে মাত্ৰ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাৰতবৰ্ষত মানৱ অধিকাৰ আন্দোলনৰ উত্থানত কিহে অৱিহণা যোগাইছিল?

.....

প্ৰশ্ন নং ২ ঃ ভাৰতীয় নাগৰিক স্বতন্ত্ৰতা সংঘ কেতিয়া স্থাপন হৈছিল?

.....

প্ৰশ্ন নং ৩ ঃ UDHR-ক পূৰ্ণ ৰূপত কি হিচাপে জনা যায়?

.....

প্ৰশ্ন নং ৪ ঃ জনস্বাৰ্থ জড়িত আবেদন (PIL) কি?

.....

প্ৰশ্ন নং ৫ ঃ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ কেতিয়া স্থাপন কৰা হৈছিল?

.....

১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সময়ৰ লগে লগে ভাৰতবৰ্ষত মানৱ অধিকাৰ আন্দোলনৰ প্ৰসাৰ ঘটে। বিভিন্ন সামাজিক তথা ধৰ্মীয় ৰূপান্তৰণৰ সংগ্ৰামৰ পাৰ্শ্বক্ৰিয়া হিচাপে ভাৰতবৰ্ষত বিংশ শতিকাৰ মাজভাগত মানৱ অধিকাৰ সংগ্ৰামৰ উল্লেখযোগ্য ধাৰাসমূহ দৃষ্টিগোচৰ হয়।
- স্বাধীনতা সংগ্ৰামৰ সময়ছোৱাত ব্ৰিটিছৰ দমনমূলক আইন আৰু নীতিৰ বিৰোধিতা কৰাৰ সমান্তৰালভাৱে মানৱ অধিকাৰ আন্দোলনেও চালিকাশক্তি লাভ কৰিবলৈ সক্ষম হয়।
- সৰ্বসাধাৰণ জনতাৰ বাবে মানৱ অধিকাৰ লাভ কৰাৰ বিস্তৃত পৰিকাঠামো থকাৰ সন্তোষজনক প্ৰস্তাৱ ৰখাৰ পিছতো, স্বাধীনোত্তৰ কালত এই চৰ্তসমূহ ৰাষ্ট্ৰীয় নেতৃবৃন্দই আশ্বস্ত কৰাৰ দৰে অনুকূল নহ'ল।
- এই দিশত বাধা আহি পৰিল ১৯৭৬ চনৰ পৰা ১৯৭৭ চনলৈ যেতিয়া জৰুৰীকালীন অৱস্থাৰ ঘোষণাৰ সময়ত মানৱ অধিকাৰ সংগ্ৰামত উদ্ভৱ হোৱা চৰম সংকটৰ কথা উন্মোচিত কৰিলে।
- পৰৱৰ্তী সময়ত মানৱ অধিকাৰ সংস্থাসমূহৰ সংখ্যাগত উত্থান আৰু বিকাশৰ যোগেদি কাৰ্যক্ষেত্ৰত নৱচেতনাৰ উন্মেষ দেখা গ'ল। মানৱ অধিকাৰ আন্দোলনৰ পৰিসৰ কেৱল মাত্ৰ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰসমূহৰ সুৰক্ষা আৰু প্ৰসাৰতে সীমাবদ্ধ নাথাকিল। তাৰোপৰি ই মানুহৰ কাৰ্যকলাপ সম্বন্ধীয় সকলো দিশ সাঙুৰি এইটো নিশ্চিত কৰিলে যাতে মানুহৰ মৌলিক অধিকাৰ যিকোনো প্ৰকাৰে আৰু যিকোনো ঠাইতে উলংঘা কৰা নহয়।
- ৰাষ্ট্ৰীয় তথা ৰাজ্যিক পৰ্যায়ত মানৱ অধিকাৰ আয়োগ গঠন কৰি এই দিশত চৰকাৰী কাৰ্যনীতি বলৱৎ হ'ল।

- ইমানবোৰ বুনিয়াদী পদক্ষেপ গ্ৰহণৰ পিছতো মানৱ অধিকাৰ উলংঘনৰ অপৰ্য্যাপ্ত ঘটনাক্ৰমে ভাৰতবৰ্ষৰ উদাৰ গণতান্ত্ৰিক সমাজ ব্যৱস্থাত জলন্ত সমস্যাৰূপে পৰিগণিত হৈ আহিছে।
- বিভিন্ন ধৰণৰ বাধা বিপত্তিৰ মুখামুখি হোৱাৰ পিছতো যেতিয়ালৈকে মানৱ অধিকাৰ স্থলিত হোৱা পৰিৱেশৰ উদয় হোৱাৰ সম্ভাৱনা থাকিব তেতিয়ালৈকে মানৱ অধিকাৰ সুৰক্ষা সংস্থাসমূহৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈ থাকিব।

১২.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Aswini K. Ray, 'Human Rights Movement in India : A Historical Perspective, Economic and Political weekly.
2. South Asia Human Right Dowmentation centre (SAHRDC), A step in the Right Direction. TATA McGrew Hill, New Delhi, 2000.
3. Kothari S (1989) The Human Rights Movement in India : Crisls and Challenges. In : Forsythe D. P. (eds) Human Rights and Development. International Political Economy series. Palgrave Macmillan, London.

১২.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭৫ চনৰ পৰা ১৯৭৭ চনলৈ বলৱৎ হৈ থকা জৰুৰীকালীন শাসনৰ সময়ছোৱাত ভাৰতবৰ্ষত মানৱ অধিকাৰ আন্দোলনৰ অঙ্কুৰণ ঘটে।

২নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৩৪ চনত।

৩নং প্ৰশ্নৰ উত্তৰ ঃ সৰ্বৰাষ্ট্ৰীয় মানৱ অধিকাৰ ঘোষণা পত্ৰ (UHDR)

৪নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় আইন অনুসৰি, জনস্বাৰ্থ জড়িত আবেদন হ'ল জনসাধাৰণৰ কল্যাণৰ অৰ্থে জনোৱা আবেদন।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৯৩ চনত।

১২.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখিব)

প্ৰশ্ন ১ ঃ সৰ্বৰাষ্ট্ৰীয় মানৱ অধিকাৰ ঘোষণা পত্ৰৰ ওপৰত এটা চমুটোকা লিখক।

প্ৰশ্ন ২ ঃ আন্তঃৰাষ্ট্ৰীয় অধিকাৰ বিধেয়কৰ কাৰ্যবিধি ব্যাখ্যা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখিব)

প্ৰশ্ন ১ ঃ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সময়ছোৱাত আলোচিত হোৱা মুখ্য মানৱ অধিকাৰ জনিত বিষয়সমূহ কি কি আছিল?

প্ৰশ্ন ২ ঃ ধৰ্ম আৰু মানৱ অধিকাৰৰ ওপৰত এখন ৰচনা লিখক।

*** ***** ***

অধ্যায় ১৩ ঃ পৰিৱেশ আন্দোলন

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ পৰিৱেশ আন্দোলনৰ উত্থান
১৩.৪ ভাৰতবৰ্ষৰ পৰিৱেশ আন্দোলনসমূহৰ এটি আভাস
১৩.৫ ভাৰতবৰ্ষৰ উল্লেখনীয় পৰিৱেশ আন্দোলনসমূহ
১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৭ অধিক জানিবলৈ
১৩.৮ অগ্রগতিৰ খতিয়ান
১৩.৯ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পৰিবেশিবাদ (environmentalism) আৰু পৰিৱেশ অভিযানৰ গুৰুত্ব সম্পর্কে অৱগত হ'ব
- ভাৰতবৰ্ষৰ উল্লেখনীয় পাৰিবেশিক আন্দোলনসমূহৰ এটি আভাস লাভ কৰিব।
- ভাৰতবৰ্ষৰ উল্লেখনীয় পাৰিবেশিক আন্দোলনসমূহৰ উত্থান, বিষয়সমূহৰ বিষয়ে জানিব পাৰিব।

১৩.২ পৰিচয়

পৰিৱেশ আন্দোলনসমূহক পৰিবেশতান্ত্রিক আন্দোলন বুলিও Ecology Movement জনা যায় যে যি পৰিৱেশ সংৰক্ষণ আৰু সেউজ নীতি আদি বিষয়সমূহ সামৰি লয়। পৰিৱেশ আন্দোলনে পাৰিপার্শ্বিক সমস্যাসমূহক সম্বোধন কৰা এক বৈচিত্র্যপূর্ণ বৈজ্ঞানিক, সামাজিক আৰু ৰাজনৈতিক প্রতিবাদকে সূচিত কৰে। সমগ্র বিশ্বৰে পৰিৱেশবিদসকলে লোকনীতি (public policy) আৰু বিশেষকৈ ব্যক্তি আচৰণ সংশোধনৰ জৰিয়তে পাৰিপার্শ্বিক সম্পদসমূহৰ বহনক্ষম ব্যৱস্থাপনাৰ পোষকতা কৰে। পৰিৱেশতন্ত্র বিদ্যা (ecology), স্বাস্থ্য আৰু মানৱ অধিকাৰ আদি কেইবাটাও খণ্ড লৈ এই জাগৰণ সংযোজিত হৈছে যিয়ে পৰিৱেশতন্ত্র নিয়ন্ত্রণত মানৱতাবাদৰ পোষকতা কৰে।

মন কৰিবলগীয়া যে পৰিৱেশ আন্দোলন এক আন্তঃৰাষ্ট্রীয় উত্থান প্রক্রিয়া যাক প্রতিনিধিত্ব কৰে বিশ্বৰ চুকে-কোণে প্রতিষ্ঠিত বিশাল তথা অতি ক্ষুদ্রাতিক্ষুদ্র অসংখ্য সংগঠনে। এই বৃহৎ সহযোগিতামূলক অংশগ্রহণ, নীতি-আদর্শৰ অসামঞ্জস্য আৰু এক ধৰণৰ যতিপূর্ণ দূৰকল্পী দৃষ্টিভংগীৰ ফলত পৰিৱেশ জাগৰণসমূহে ইয়াৰ উদ্দেশ্য উপলব্ধি কৰিব আন্দোলনসমূহে নোৱাৰা হয়। এই বিপ্লৱে জলবায়ু জাগৰণকে আদি কৰি আন কেইবাটাও বিষয় নিজৰ মাজত সামৰি লয়। বহল অর্থত স্বতন্ত্র নাগৰিক, পেচাদাৰীসকল বিশেষজ্ঞ, ধর্মীয় উদ্যমী, ৰাজনীতিবিদ, বিজ্ঞানী, লাভ-অনির্ভৰ প্রতিষ্ঠান (not-for-profit organization), পৰিৱেশবিদ ব্যক্তি আদি অনেকজনে এই আন্দোলনক প্রতিনিধিত্ব কৰে। এই অধ্যায়ত আমি পৰিৱেশ আন্দোলনৰ বিষয়ে, বিশেষকৈ

ভাৰতবৰ্ষৰ প্ৰেক্ষাপট, বিশদভাৱে আলোচনা কৰিম।

১৩.৩ পৰিৱেশ আন্দোলনৰ উত্থান

শিল্প বিপ্লৱৰ পাছৰ সময়ছোৱাত বায়ুমণ্ডলৰ অত্যধিক ধুম্ৰ প্ৰদূষণৰ বিৰুদ্ধে গঢ় লৈ উঠা প্ৰতিক্ৰিয়াসমূহৰ মাজতেই পৰিৱেশ আন্দোলনৰ মূল বিচাৰি পোৱা যায়। বৃহৎ কাৰখানা আৰু তাৰ সমান্তৰালভাৱে গঢ় লৈ উঠা কয়লাৰ বৰ্দ্ধিত ব্যৱহাৰে ঔদ্যোগিক কেন্দ্ৰসমূহত বায়ু প্ৰদূষণৰ মাত্ৰা অভুতপূৰ্ব হাৰত বঢ়াই তুলিছিল। দেখা যায়, ১৯০০ চনৰ পাছৰ পৰাই ঔদ্যোগিক ৰাসায়নিক নিষ্কাষণ দ্ৰব্যসমূহে অশোধিত মানৱ বৰ্জিত দ্ৰব্য (human waste)ৰ হাৰ ক্ৰমাৎ বৃদ্ধি কৰি আহিছে। নগৰীয়া মধ্যবৃত্ত মণ্ডলৰ পৰা অহা ক্ৰমবৰ্দ্ধমান ৰাজনৈতিক হেঁচাৰ পৰিপ্ৰেক্ষিতত প্ৰথমখন উল্লেখনীয় পৰিৱেশ বিধি— ব্ৰিটেইনৰ Alkali Acts–১৮৬৩ চনত গৃহীত হয়। ব্ৰিটেইনৰ এই বিধিয়ে ছ'ডা ভষ্ম উৎপাদনৰ Lebane প্ৰক্ৰিয়াত উদ্ভুত (গেছীয় হাইড্ৰ' ক্লৰিক এছিড জাত) বিষাক্ত বায়ু প্ৰদূষণ নিয়ন্ত্ৰণত গুৰুত্ব দিছিল।

আমোদজনক কথাটো হৈছে যে সমকালীন পৰিৱেশ সংৰক্ষণৰ জাগৰণ পোনতে বৈজ্ঞানিক ৰক্ষণৰ দৰ্শনৰ দ্বাৰা চালিত হৈছিল ভাৰতবৰ্ষৰ অৰণ্য অঞ্চলত। ইয়াত গঢ় লৈ উঠা সংৰক্ষণ তত্ত্ব মূলতঃ তিনিটা মতাদৰ্শৰ ভিত্তিত প্ৰতিষ্ঠিত হৈছিল ঃ ক) মানুহৰ কাৰ্যকলাপেই আছিল পৰিৱেশ স্খলনৰ হেতু খ) সেয়েহে ভৱিষ্যৎ প্ৰজন্মৰ বাবে পৰিৱেশ সংৰক্ষণ এক নাগৰিকোচিত (civic) কৰ্তব্য আৰু গ) বৈজ্ঞানিক আৰু প্ৰায়োগিক শৃংখলাৰ অৱধাৰণা সমূহে এই কৰ্তব্য নিশ্চিত কৰা উচিত।

বৃহদায়তন বনধ্বংস আৰু জলাভাৱ সম্পৰ্কে বহুতো চিকিৎসা-ভূস্থানিক (Medico-topographical) বিৱৰণ প্ৰকাশৰ জৰিয়তে আৰু বন বিভাগ প্ৰতিষ্ঠাৰ যোগেদি ব্ৰিটিছ শাসিত ভাৰতত বন সংৰক্ষণৰ বিষয়টোক এক অনুষ্ঠানিকতা প্ৰদানৰ প্ৰসংগত গুৰুত্ব আৰোপ কৰি Sir James Ronald Martin-এ এই দৰ্শন উন্নীতকৰণত এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল।

মাদ্ৰাচ ৰাজহ বিভাগে ১৮৪২ চনত উদ্ভিদবিজ্ঞানী Alexander Gibson-ৰ নেতৃত্বত স্থানীয় সংৰক্ষণৰ কামসমূহ আৰম্ভ কৰে, যি বৈজ্ঞানিক আদৰ্শৰ আধাৰত প্ৰতিষ্ঠিত এক সুশৃংখলিত অৰণ্য সংৰক্ষণৰ কাৰ্যসূচী আৰম্ভ কৰে। এই কাৰ্যসূচী আছিল বিশ্বৰ ভিতৰতে ৰাজ্যিক ব্যৱস্থাপনাৰে অৰণ্য সংৰক্ষণৰ প্ৰথম নিদৰ্শন। অৱশেষত গৱৰ্ণৰ জেনেৰেল লৰ্ড দালহাউছি (Lord Dalhousie)-ৰ নেতৃত্বাধীন প্ৰশাসনে ১৮৫৫ চনত বিশ্বৰ প্ৰথমখন স্থায়ী আৰু ব্যাপক বন সংৰক্ষণ পৰিকল্পনা ঘোষণা কৰে যি পাছলৈ যুক্তৰাষ্ট্ৰকে আদি কৰি অন্যান্য উপনিৱেশসমূহলৈও প্ৰসাৰিত হয়। ১৮৬০ চনৰ আগে আগে এই বিভাগে স্থানান্তৰিত কৃষি (ঝুম) পদ্ধতিত নিষেধাজ্ঞা জাৰি কৰে। ১৮৬১ চনত প্ৰকাশ পোৱা Dr. Hugh Cleghorn প্ৰণীত দক্ষিণ ভাৰতৰ অৰণ্য আৰু উদ্যান সম্পৰ্কীয় হাতপুঠিখন এই বিষয়ৰ এখন পূৰ্ণাংগ আৰু নিৰ্ভৰযোগ্য পুস্তিকাত পৰিণত হয় যাৰ ব্যৱহাৰ বন বিভাগৰ প্ৰতিনিধিসকলে বিশদভাৱে কৰিবলৈ লয়।

১৮৫৬ চনত ব্ৰহ্মদেশৰ Pegu অঞ্চলৰ চেগুন অৰণ্যৰ প্ৰশাসক ৰূপে Sir Dietrich Brandis-এ ব্ৰিটিছ সেৱাৰ কাৰ্যভাৰ গ্ৰহণ কৰে। সেই সময়ত ব্ৰহ্মদেশৰ চেগুন অৰণ্যসমূহ karen জনগোষ্ঠীৰ অধীনত আছিল। নৱনিযুক্ত প্ৰশাসকে সেই অঞ্চলত "taungya" পদ্ধতি বলৱৎ কৰিলে য'ত চেগুন কাঠৰ অৰণ্য এলেকাত পৰিষ্কাৰ আৰু ৰোপণ কাৰ্যত karen গাঁওবাসীয়ে শ্ৰমদান কৰিব লগা হ'ল। তেওঁ নতুন অৰণ্য আইন তথা নীতি প্ৰৱৰ্তন কৰিলে আৰু লগতে কেইবাখনো গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান গঢ় লৈ উঠাত অৰিহণা যোগালে যিবোৰৰ মাজত ডেৰাডুনস্থিত Imperial Forest School আছিল অন্যতম।

১৩.৪ ভাৰতবৰ্ষৰ পৰিৱেশ আন্দোলনসমূহৰ এটি আভাস

আমাৰ অস্তিত্বত আমি বাস কৰা পৰিৱেশৰ এক মুখ্য ভূমিকা আছে। এই প্ৰাকৃতিক সম্পদসমূহক সুৰক্ষা দিয়াটো সেয়েহে সকলো ব্যক্তিৰে কৰ্তব্য স্বৰূপ। অৱশ্যে ইয়াৰ বিপৰীতে নানান কাৰণত ভূমি অৱক্ষয়, জল প্ৰদূষণ, ভূমি প্ৰদূষণ, বায়ু প্ৰদূষণ আৰু নিৰ্বননীকৰণ আদিৰ ৰূপত প্ৰাকৃতিক সম্পদৰ স্খলন হে পৰিলক্ষিত হয়। এই সকলোবোৰে মিলি পৰিৱেশৰ সামগ্ৰিক অৱক্ষয় প্ৰকট কৰে। প্ৰতিক্ৰিয়া স্বৰূপে বিভিন্ন দাতব্য (charitable) সংস্থাৰ জৰিয়তে পৰিৱেশ পুনৰুদ্ধাৰৰ অসংখ্য সংগ্ৰাম গঢ়ি উঠিল। বহু সময়ত সংগ্ৰাম প্ৰত্যাহাৰেৰে অহিংস পন্থা মানি লৈও পৰিৱেশ ৰক্ষাৰ কচৰৎ চলিল।

ভাৰতবৰ্ষত পৰিৱেশ আৰু জনস্বাস্থ্য যে এক ধৰণৰ ধাৰাবাহিক সংগ্ৰামস্থলী সেয়া সকলোৰে জ্ঞাত। পৰিৱেশ বিপ্লৱৰ দিশত ভাৰতত প্ৰথমটো পদক্ষেপ আগবঢ়াইছিল ছন্দী প্ৰসাদ ভট্ট (chandi Prasad Bhatt) স্থাপিত সমবায় অনুষ্ঠান Dasholi Gram Swarajya Sangh -ই ১৯৬৪ চনত। শ্যামা দেৱী (Shyama Devi)-এ আগবঢ়োৱা ভূমিত প্ৰতিষ্ঠিত এই সংঘীয় কাৰ্যসূচীৰ উন্মোচন কৰিছিল সুছেতা ক্ৰিপলানী (Sucheta Kriplani)-এ। এই অভিযান পাছলৈ ১৯৭৩ চনত আৰম্ভ হোৱা 'চিপ্‌কো' আন্দোলনৰ সৈতে সংযোজিত হৈছিল।

পৰিৱেশ জাগৰণৰ বিষয়টোত সবাটোকৈ বেছি ইন্ধন যোগোৱা একমাত্ৰ ঘটনাটো হৈছে ১৯৮৪ চনৰ ৩ ডিচেম্বৰ তাৰিখে সংঘটিত ভূপালৰ গেছ নিৰ্গমন কাণ্ড। এক ধাৰণা অনুসৰি ৪০ টন methyl isocyanate নিৰ্গমনৰ ফলত ২২৫৯ জনৰ থিতাতে মৃত্যু হৈছিল আৰু পাছলৈ সংক্ৰমিত হৈছিল সেই এলেকাৰ প্ৰায় ৭ লক্ষ লোক।

সমকালীন ভাৰতবৰ্ষত ভোগবাদী আদৰ্শৰ ফলশ্ৰুতিত সম্পদৰ অবাধ শোষণ পৰিলক্ষিত হয়। ফলস্বৰূপে বিঘ্নিত হ'ব ধৰিছে প্ৰকৃতিৰ ভাৰসাম্য। ই সমাজতো অনেক সংঘৰ্ষৰ সূত্ৰপাত ঘটাইছে।

প্ৰসংগতঃ উল্লেখ্য যে পৰিৱেশ আন্দোলনসমূহ মূলতঃ শোষণৰ কেতবোৰ অস্থায়ী পৰিমাপকৰ ওপৰত প্ৰতিষ্ঠিত উন্নয়ন নীতিৰ সামাজিক-পৰিৱেশতান্ত্ৰিক (socio-ecological) ফলশ্ৰুতিহে মাথোঁ। এই জাগৰণসমূহে কেনেকৈ উন্নয়নৰ সম্পদ নিৰ্ভৰ শক্তিৰ পৰিৱেশতন্ত্ৰ আৰু অৰ্থনীতিত আঘাত হনাৰ এক সহজাত প্ৰৱণতা থাকে তাকে দেখুৱাব খোজে।

পৰিৱেশৰ কৰ্মীসকলে প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ নিমিত্তে কেতবোৰ সূক্ষ্ম-কৰ্ম পন্থা (Micro-action strategies) চিহ্নিত কৰিছে আৰু ৰাষ্ট্ৰীয় তথা আঞ্চলিক দুয়োটি ক্ষেত্ৰতে পৰিৱেশতান্ত্ৰিক বিকাশৰ বাবে দীৰ্ঘ (Macro) তত্ত্বসমূহৰ সুচলকৰণত গুৰুত্ব আৰোপ কৰিছে। বিগত পাঁচটা দশকত সম্পদ শোষণৰ মাত্ৰা আছিল বিস্ময়কৰ। শক্তিশালী কৃষিজাত আৰু শিল্পজাত সৃষ্টিসমূহে সম্পদৰ চাহিদা দুগুণে বৃদ্ধি কৰিছে আৰু প্ৰাকৃতিক সম্পদসমূহক লৈ এক ধৰণৰ সংগ্ৰামৰ সুচনা কৰিছে। মন কৰিবলগীয়া যে এই সংগ্ৰামে কঠোৰ ৰূপ তেতিয়া ধাৰণ কৰে যেতিয়া সম্পদ ভোগ কৰি থকা শিল্পজাত উদ্যোগসমূহে সেই সম্প্ৰদায়সমূহৰ মুখামুখি হ'ব লগা হয় যাৰ জীৱিকা সেই সম্পদ নিৰ্ভৰ আৰু সেই সম্পদৰ মাত্ৰাধিক ব্যৱহাৰৰ ফলত যিসমূহ অস্তিত্বৰ সংকটত পতিত হোৱাৰ শংকা প্ৰকট হৈ উঠে। প্ৰাকৃতিক সম্পদৰ বিপৰ্যয়ৰ ফলস্বৰূপে গঢ় লোৱা সংগ্ৰামসমূহেই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত পৰিৱেশ আন্দোলন গঢ়ি তুলিছে।

১৩.৫ ভাৰতবৰ্ষৰ উল্লেখনীয় পৰিৱেশ আন্দোলনসমূহ

১৭০০-ৰ পৰা ২০০০ চনলৈ সংঘটিত কিছু উল্লেখনীয় পৰিৱেশ আন্দোলন সম্পৰ্কে তলত আলোচনা

কৰা হ'ল—

- **বিচ্‌নৈ আন্দোলন ঃ** এই আন্দোলন ১৭০০ ৰ সময়ছোৱাত ৰাজস্থানৰ মাৰৱাৰ অঞ্চলৰ খেজাৰলীত গঢ় লৈছিল।

খেজাৰলী আৰু দাঁতি-কাষৰীয়া গাঁওসমূহৰ বিচ্‌নৈসকলৰ সহযোগিতাত এই জাগৰণৰ নেতৃত্ব বহন কৰিছিল অমৃতা দেৱীয়ে। বিচ্‌নৈ উন্মানৰ মূল লক্ষ আছিল ৰাজপ্রাসাদ সম্প্রসাৰণৰ বাবে সেই সময়ত সেনাবাহিনীয়ে উছন কৰিবলৈ লোৱা শুদ্ধিকৃত গছসমূহক সুৰক্ষা দিয়া।

গাঁওবাসীৰ পবিত্র গছসমূহ ধ্বংস হোৱাটো অমৃতা দেৱীয়ে সহজভাৱে ল'ব পৰা নাছিল। তেওঁ গছবোৰ সাবটি ধৰিছিল আৰু গাঁৱৰ তেওঁ অন্য সকলকো তেনে কৰিবলৈ উৎসাহিত কৰিছিল। প্রায় ৩৬৩ জন বিচ্‌নৈ গাঁওবাসীৰ এই আন্দোলনৰ সময়ছোৱাত মৃত্যু হৈছিল। বিচ্‌নৈৰ এই শ্বহীদসকল গুৰু মহাৰাজ জামবাজিৰ বাণীসমূহৰ দ্বাৰা প্রভাৱিত হৈছিল যি ১৪৮৫ চনত গছ আৰু পশু-পক্ষী ৰক্ষাৰ বাবে কেতবোৰ দর্শন দাঙি ধৰিছিল। সেই সময়ৰ ৰজাই এই সমস্ত ঘটনা জানিবলৈ পাই গাঁওবাসীৰ ওচৰলৈ যায় আৰু ক্ষমা প্রার্থনাৰে গছ কটাৰ প্রক্রিয়া বন্ধ কৰাৰ নির্দেশ দিয়ে। পাছলৈ ৰজাই বিচ্‌নৈ অঞ্চলক এক সংৰক্ষিত এলেকা ৰূপে চিহ্নিত কৰি তাত গছ আৰু পশু-পক্ষীৰ সুৰক্ষা নিশ্চিত কৰে। এতিয়াও সেই অঞ্চলত এই বিধি মানি চলা হয়।

- **চিপ্‌কো আন্দোলন ঃ** এই আন্দোলন ১৯৭৩ চনত

প্রথমে চামলি জিলাত আৰু পাছলৈ উত্তৰাখণ্ডৰ তেহৰি-গৰহৱাল জিলাত উদ্ভাৱন হৈছিল।

চিপ্‌কো আন্দোলন সুন্দৰ লাল বহুগুণাৰ নেতৃত্বত আৰম্ভ হৈছিল। সুন্দেষ্ণ দেৱী গোবিন্দ সিং ৰাৱট, বচ্‌নি দেৱী, গৌৰী দেৱী, চন্দি প্রসাদ ভট্ট, সমশ্বেৰ সিং বিষ্ট, ধুম সিং নেগী আৰু ঘনশ্যাম ৰাতুৰি এই আন্দোলনৰ অন্যান্য উল্লেখনীয় ব্যক্তি আছিল আৰু আদি বহুকেইজনৰ নেতৃত্বত গঢ় লৈ উঠিছিল।

এই জাগৰণৰ প্রাথমিক উদ্দেশ্য আছিল হিমালয়ৰ ঢাল অঞ্চলৰ বনাঞ্চলসমূহক ঠিকাদারী প্রহাৰৰ পৰা সুৰক্ষা প্রদান কৰা। সুন্দৰলাল বহুগুণ (Sundarlal Bahuguna)-এ গাঁওবাসীৰ মাজত বনাঞ্চলৰ উপকাৰিতা যেন পৰিৱেশতন্ত্র নিয়ন্ত্রণ, খহনীয়া ৰোধ, বৰষুণ আৰু বিশুদ্ধ বায়ু নিয়ন্ত্রণ আদি বিষয়ত শিক্ষা বিতৰণ কৰিছিল। ইয়াৰ পাছতে তেহ্‌ৰি-গৰ্‌হৱাল জিলাৰ আদিবাসী গাঁৱৰ মহিলাসকলে গছসমূহক পৱিত্র সুতাৰে মেৰিয়াই সাবটি ধৰিছিল আৰু এনেদৰে আৰম্ভ হোৱা এই উত্থান 'চিপকো' অর্থাৎ 'গছক সাবটি ধৰা' আন্দোলন ৰূপে গঢ় লৈ উঠিল। আন্দোলনৰ লোকসকলৰ মূল দাবী এয়ে আছিল যে অৰণ্য অঞ্চলৰ পৰিশোধ মূল্য, বিশেষকৈ পশু খাদ্যৰ অধিকাৰ, স্থানীয় গাঁওবাসীৰ হাতত থাকিব লাগে, চিপ্‌কো আন্দোলনে ১৯৭৮ চনৰ পৰা এক নতুন গতি লাভ কৰিলে যেতিয়া মহিলাসকলে পুলিচৰ গুলিচালনা আদি বহু দুর্দশাৰ সন্মুখীন হ'ব লগা হ'ল। সেই সময়ৰ মুখ্যমন্ত্রী হেমৱতী নন্দন বহুগুণ (Hemwati Nandan Bahuguna)-এ এখন কমিচন গঠন কৰি এই সমস্ত বিষয়টো পর্যালোচনাৰ মাজলৈ আনিলে আৰু অৱশেষত গাঁওবাসীৰ পক্ষতে ৰায়দান কৰা হ'ল। চিপ্‌কো আন্দোলন পৰিৱেশ উন্নয়নৰ ইতিহাসত কেৱল সেই অঞ্চলৰে নহয় এনেকি সমগ্র বিশ্বৰে এক ৰূপে পৰিগণিত হ'বলৈ ল'লে।

- **জংগল বচাও আন্দোলন ঃ** এই আন্দালন ১৯৮০ ৰ সময়ছোৱাত বিহাৰৰ চিংগভূম জিলাত উদ্ভৱ হৈছিল।

জংগল বচাও আন্দোলনত বিহাৰৰ চিংগভূম আদিবাসীসকলে শাল গছৰ প্রাকৃতিক বনাঞ্চল এলেকা উচ্চ মূল্যৰ চেগুন গছেৰে সংৰোপিত কৰাৰ চৰকাৰী সিদ্ধান্তৰ বিৰুদ্ধে প্রতিবাদ সাব্যস্ত কৰিছিল। বহুতে এই জাগৰণক ৰূপেও "Green Game Political Populism" অভিহিত কৰিছিল। পাছলৈ ঝাৰখণ্ড আৰু উৰিষ্যাতো এই আন্দোলনে এক বিশেষ গতি লাভ কৰিছিল।

- **আপিকো আন্দোলন ঃ**

  কেতিয়া ঃ আপিকো আন্দোলন ১৯৮৩ চনত

  উত্তৰ কান্নাড়া আৰু কৰ্ণাটকৰ চিমংগা জিলাত জন্ম হৈছিল।

আপিকো আন্দোলনৰ আটাইতকৈ ডাঙৰ সফলতা এয়ে যে ইয়াত কোনো ব্যক্তিৰ পৃষ্ঠপোষতা নাছিল আৰু নাছিল কোনো আনুষ্ঠানিক বুনিয়াদ। অৱশ্যে পান্দুৰং হেগ্‌ড়ে (Pandurang Hegde) নামৰ এই আন্দোলনৰ এগৰাকী প্ৰৱৰ্তক আছিল যি ১৯৮৩ চনত ইয়াৰ কার্যসূচীসমূহ আৰম্ভ হোৱাত হাত উজান দিছিল। আপিকো আন্দোলন আছিল মূলতঃ বনধ্বংস আৰু প্ৰাকৃতিক সম্পদৰ পণ্যকৰণৰ বিৰুদ্ধে এক আন্দোলন যাৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিছিল প্ৰাচীন জীৱিকা প্ৰণালীসমূহৰ ওপৰত। বহুজনে মত পোষণ কৰে যে আপিকো আন্দোলন আছিল চিপকো আন্দোলনৰ দক্ষিণৱৰ্তী সংস্কাৰণ। আপিকো আন্দোলনক সাধাৰণতে "Appiko Chaluvali" নামেৰে জনা গৈছিল। স্থানীয় লোকসকলে বন বিভাগৰ ঠিকাদাৰে হাত দিয়াৰ আগতেই গছবোৰক সাবটি ধৰিছিল। সামূহিক সচেতনতা সৃষ্টি কৰিবৰ বাবে এই আন্দোলনে বহুতো উপায় অৱলম্বন কৰিছিল। ইয়াৰে কিছু কার্যসূচী আছিল অৰণ্যৰ মধ্যভাগলৈ পদযাত্ৰা, শ্লাইড্ শ্ব' প্ৰেজেণ্টেশ্বন, আন্দোলনটোৰ বিষয় লৈ লোকনৃত্য প্ৰদৰ্শন, বাটৰ নাট ইত্যাদি। আপিকো আন্দোলনৰ দ্বিতীয়টো লক্ষ আছিল বিস্তৃত অঞ্চলৰ অৰণ্যায়নত উদ্‌গনি যোগোৱা। পাছলৈ এই আন্দোলনৰ অংশ হিচাপে বনাঞ্চলৰ ওপৰত বাঢ়ি অহা হেঁচা ৰোধ কৰিবৰ নিমিত্তে জনসাধাৰণক বিকল্প শক্তিৰ উৎস সম্পৰ্কে সজাগ কৰাৰ কার্যসূচীও হাতত লোৱা হৈছিল। এই আন্দোলনে চৰকাৰী বন বিভাগৰ প্ৰকল্পত বাধা প্ৰদান কৰি বিশেষভাৱে সফলতা লভিছিল।

- **নর্মদা বচাও আন্দোলন (NBA) ঃ** ১৯৮৪ চনত

  গুজপাট, মধ্য প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ মাজেৰে বৈ যোৱা নর্মদা নদীত উদ্ভৱ হৈছিল।

কৃষক, আদিবাসী, পৰিৱেশবিদ আৰু মানৱ অধিকাৰ কর্মীসকলৰ সমর্থনত পৰিৱেশবিদ আৰু মানৱ অধিকাৰ কর্মীসকলৰ সমর্থনত মেধা পাটকৰ আৰু বাবা আম্‌টে নর্মদা বচাও আন্দোলনৰ পৃষ্ঠপোষক ৰূপে বিবেচিত হৈছিল। নর্মদা বচাও আন্দোলনৰ উদ্দেশ্য অছিল নদীখনৰ বুকুত নির্মাণ হ'বলৈ লোৱা বৃহৎ বান্ধসমূহৰ বিপক্ষে এক সামাজিক জাগৰণ গঢ়ি তোলা। এই আন্দোলন প্ৰথমে চর্দাৰ সৰোবৰ বান্ধ নির্মাণৰ সময়ত উচ্ছেদিত লোকসকলক উপযুক্ত পুনৰ সংস্থাপন নিদিয়াৰ বিষয়টোক লৈ সচেতনতা প্ৰদৰ্শনেৰে আৰম্ভ হৈছিল। পাছলৈ এই আন্দোলনে সেই অঞ্চলৰ পৰিৱেশতন্ত্ৰ আৰু প্ৰকৃতি সংৰক্ষণৰ বিষয়টোত গুৰুত্ব আৰোপ কৰিবলৈ লয়। আন্দোলনকাৰীসকলে বান্ধৰ উচ্চতা ১৩০ মিটাৰৰ পৰা ৮৮ মিটাৰলৈ হ্ৰাস কৰিবলৈ দাবী তুলিছিল। ফলস্বৰূপে এই প্ৰকল্পটোৰ পৰা বিশ্ব বেংকৰ সহযোগিতা উঠাই লোৱা হয়। এই বিবাদে আইনী ব্যৱস্থাৰ মাজলৈও গতি কৰে আৰু ২০০০ চনৰ অক্টোবৰ মাহত চুপ্ৰিম ক'র্টে বান্ধৰ উচ্চতা ৯০ মিটাৰলৈ মানি লৈ চর্দাৰ সৰোবৰ প্ৰকল্প নির্মাণৰ অনুমতি প্ৰদান কৰে। অথচ ইয়াৰ বিপৰীতে বান্ধৰ উচ্চতা প্ৰতিবাদকাৰীসকলে দাবী কৰা ৮৮ মিটাৰতকৈও কার্যতঃ বহু বেছি হোৱা দেখা গ'ল, তথাপি সেয়া পূর্বৰ ১৩০ মিটাৰতকৈ আছিল বহু কম। বর্তমান এই প্ৰকল্প ৰাজ্য চৰকাৰ আৰু বজাৰ ঋণৰ ওপৰত নির্ভৰশীল। ২০২৫ চনৰ ভিতৰত ইয়াৰ নির্মাণ সম্পূর্ণ কৰাৰ কথা ভবা হৈছে।

- **তেহ্‌ৰী বান্ধ সংঘর্ষ ঃ** এই সংঘর্ষ ১৯৯০ ৰ সময়ছোৱাত উত্তৰাখণ্ডৰ তেহ্‌ৰীৰ ওচৰৰ ভাগীৰথী নদী উদ্ভৱ হৈছিল।

সুন্দৰলাল বহুগুণ (Sundarlal Bahuguna) আছিল তেহ্‌ৰী বান্ধ সংঘর্ষৰ অগ্রণী নেতা যাৰ প্ৰতিবাদ আছিল নগৰীয়া জনসংখ্যাৰ বিচ্যুতি আৰু দুর্বল জৈৱ-জালিকাই পাৰিপার্শ্বিকতাত পোলোৱা প্ৰতিক্ৰিয়াক লৈ। ১৯৮০ আৰু ৯০-ৰ দশকতেই তেহ্‌ৰী বান্ধে ৰাষ্ট্ৰীয় পর্যায়ত দৃষ্টি আকর্ষণ কৰিছিল। এই আন্দোলনৰ মুখ্য বিৰোধিতাসমূহ আছিল অঞ্চলটোৰ ভূ-সংবেদনশীলতা, তেহ্‌ৰী নগৰ অঞ্চলৰ লগতে বনাঞ্চল প্লাবিত হোৱা

আদি পৰিঘটনাক লৈ। সুন্দৰলাল বহুগুণ (Sundarlal Bahuguna)-ৰ দৰে প্ৰভাৱশালী নেতা নিয়োজিত হৈ থকাৰ সত্বেও অৱশ্যে এই আন্দোলনে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সমৰ্থন নোহোৱাৰ বাবে বৰ বিশেষ সফলতা লাভ কৰিব নোৱাৰিলে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পৰিৱেশ আন্দোলন বুলিলে কি বুজে?

.....

প্ৰশ্ন নং ২ ঃ চিপ্‌কো আন্দোলন কেতিয়া আৰু ক'ত সংঘটিত হৈছিল?

.....

প্ৰশ্ন নং ৩ ঃ পৰিৱেশিকবাদ (environmentalism) কি?

.....

প্ৰশ্ন নং ৪ ঃ কেতিয়া প্ৰথমে পাৰিৱেশিক আন্দোলন আৰম্ভ হৈছিল?

.....

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বহল অৰ্থত পৰিৱেশ আন্দোলনে পৰিৱেশ সম্পৰ্কীয় সকলোবোৰ সমস্যা, সংৰক্ষণ, জীৱবিদ্যা আদিৰ লগতে উদ্ভিদকুল (flora), প্ৰাণীকুল (fauna) আৰু ভূদৃশ্য (landscape) সংৰক্ষণ আদি বিভিন্ন উদ্দেশ্যও সামৰি লয়।
- যেতিয়া কোনো ব্যক্তি বা সংগঠনৰ ওপৰত পাৰিপাৰ্শ্বিক সংৰক্ষণৰ নামত জুমুল চলোৱা হয় তেতিয়া ই পৰিৱেশ সন্ত্ৰাসবাদ (eco terromision) আখ্যা লাভ কৰে।
- পৰিৱেশ সুৰক্ষামূলক আন্দোলনে প্ৰাকৃতিক অঞ্চলসমূহ বহনক্ষম ব্যৱহাৰ আৰু মাছ ধৰা, চিকাৰ কৰা, বিভিন্ন আধ্যাত্মিক কৰ্ম আদি পৰম্পৰাগত ব্যৱহাৰৰ বাবে সুচল কৰি ৰখাত গুৰুত্ব আৰোপ কৰে।
- পৰিৱেশ সংৰক্ষণ হৈছে এনে এক প্ৰক্ৰিয়া য'ত প্ৰকৃতিৰ সহজাত বৈশিষ্ট্যসমূহ বৰ্তাই ৰখাৰ প্ৰয়াস কৰা হয়। এই প্ৰক্ৰিয়াটো বনানীকৰণ, পুনৰুজ্জীৱিতকৰণ (reprocessing) অথবা প্ৰদূষণত বাধা প্ৰদানেৰে সম্পাদিত কৰিব পৰা যায়। পৰিৱেশ সংৰক্ষণে জীৱন ধাৰণৰ সহজাত প্ৰক্ৰিয়াসমূহতো অৱিহণা যোগায়।
- আকৌ, পৰিৱেশ স্বাস্থ্যৰ বিষয়টো প্ৰগতিশীল যুগৰে অৱদান যাৰ মূল বিষয়সমূহ আছিল নগৰীয়া পৰিস্থিতিত পৰিষ্কাৰ পানী ব্যৱস্থাপনা, সুচল নৰ্দমা পদ্ধতি নিশ্চিত কৰা আৰু সুষম জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণত চকু দিয়া।
- পৰিৱেশ স্বাস্থ্যৰ বিষয়টোৱে পুষ্টি, পূৰ্বসতৰ্কতামূলক ঔষধ (precautionary medicine)ৰ ব্যৱহাৰ, বাৰ্ধক্য আৰু আন আন মানৱ শৰীৰ ৰক্ষাৰ দিশসমূহ সামৰি লয়। পৰিৱেশ স্বাস্থ্য পৰিৱেশৰ অৱস্থা নিৰ্ণায়ক হোৱাৰ উপৰি মানুহৰো ভৱিষ্যৎ সূচক সতৰ্কবাণী স্বৰূপ।
- বিংশ শতিকাৰ অষ্টম দশকত যুক্তৰাষ্ট্ৰত গঢ়ি উঠা পৰিৱেশ ন্যায়ৰ ধাৰণাটো এই জাগৰণৰ আন এক

অংগ যি পৰিৱেশ সম্পৰ্কীয় কু-সংস্কাৰ ৰোধ আৰু নিম্ন মজুৰি প্ৰাপ্ত তথা সংখ্যালঘু সম্প্ৰদায়সমূহ বিষাক্ত আৱৰ্জনা থলি আৰু কাৰখানাৰ সম্পৰ্শলৈ নহাটো নিশ্চিত কৰিছিল। সমান্তৰালভাৱে ই সামাজিক সমস্যাসমূহৰ পাৰিপাৰ্শ্বিক সমস্যাৰ সৈতে সংযোগ স্থাপন কৰি বৰ্ণ ব্যৱস্থা আৰু শ্ৰেণী ব্যৱস্থা প্ৰতিহত কৰিবৰ বাবেও পন্থা হাতত লৈছিল। এই কাৰণত শ্ৰমিক-পৰিৱেশ সংঘ (labor-environmental associations) গঠনত ই বিশেষভাৱে উপযুক্ত প্ৰমাণিত হৈছিল।

- শুভ্ৰ সেউজ পৰিৱেশবাদ সাম্প্ৰতিক সময়ৰ এক জনপ্ৰিয় উপ-জাগৰণ য'ত প্ৰযুক্তি, উপযুক্ত কাঠামো, শক্তি আৰু সম্পদৰ সুবিবেচিত ব্যৱহাৰৰ যোগেদি ব্যক্তিয়ে কেনেকৈ ঐশ্বৰ্য নিৰ্ভৰ হৈয়ো এক বহনক্ষম জীৱন-যাপন কৰিব পাৰে তাক বিবেচনা কৰা হয়।
- আন দুটা উপ-জাগৰণ হৈছে ইষৎ সেউজ (light green) আৰু ডাঠ সেউজ (dark green) পৰিৱেশবাদ, য'ত পৰিৱেশবাদক এক জীৱনধাৰা হিচাপে গ্ৰহণ কৰা হয় (ইষৎ সেউজ) আৰু প্ৰযুক্তি পৰিত্যাগ আৰু মানুহৰ সংখ্যা হ্ৰাস (ডাঠ সেউজ)ৰ পোষকতা কৰা হয়।
- ঘন পৰিৱেশতন্ত্ৰ বিদ্যা (Deep Ecology)-ক পৰিৱেশ জাগৰণৰ এক ভাবাদৰ্শগত সংস্কৰণ বুলি ধৰা হয় যি গোলকীয় প্ৰকৃতিৰ বৈচিত্ৰ্য আৰু সত্যনিষ্ঠাৰ প্ৰাথমিক মহত্ব কেৱল ইয়াৰ নিজৰ বাবেই সীমিত বুলি মত পোষণ কৰিব খোজে।
- ইয়াৰ উপৰি, পাৰমাণৱিক শক্তি বিৰোধী আন্দোলনসমূহে পৰমাণু-চালিত বিভিন্ন যন্ত্ৰপাতি আদিৰ বিৰোধিতা কৰে। প্ৰথম অৱস্থাত ইয়াৰ লক্ষ্য আছিল পৰমাণু শক্তিৰ অনুজ্ঞা বাতিল, কিন্তু পাছলৈ ই পৰমাণু ব্যৱহাৰৰ সম্পূৰ্ণ বিপক্ষ ল'বলৈ লয়। এনে বহু পাৰমাণৱিক শক্তি বিৰোধী প্ৰতিবাদ আৰু সামৰিক সংগ্ৰাম গঢ় লৈ উঠিল।

১৩.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Anjaneyulu, Y. 2004. Introduction of Environmental Science. BS Publications, Hyderabad, A.P. India.
2. Cunningham, W. P. Cooper, T. H., Gorhani, E. and Hepworth, M.T. 2001. Environmental Encyclopedia. Jaico Publ. House, Mumbai
3. Kaul, S.N. and Ashutosh Gautam. 2002. Principles of Environmental Studies. Daya Publishing House, New Delhi.
4. Rajagopalan, R. 2015 Environmental studies. From Crisis to cure, Oxford University Press, Third Edition.

১৩.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশ আন্দোলন হৈছে এক সামাজিক আৰু ৰাজনৈতিক উত্থান যাৰ উদ্দেশ্য হৈছে ভৱিষ্যৎ প্ৰজন্মৰ বাবে পৰিৱেশৰ সংৰক্ষণ আৰু উন্নয়ন।

২নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭৩ চনত, প্ৰথমে চামলি জিলাত আৰু পাছলৈ উত্তৰাখণ্ডৰ তেহ্ৰী-গৱ্হৱাল জিলাত।

৩নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশবাদ অথবা পৰিৱেশিক অধিকাৰ হৈছে পৰিৱেশ সংৰক্ষণৰ বিষয়টোৰ সকলো দিশ

সামৰি লোৱা এক সামাজিক উত্থান।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ঊনবিংশ শতিকাৰ আদিভাগৰ ৰোমাণ্টিক উত্থানৰ সময়ছোৱাতে পৰিৱেশৰ বিষয়টোত প্ৰাৰম্ভিক কৌতুহল মন কৰা যায়। প্ৰণালীবদ্ধভাৱে এই বিষয়ত কাম-কাজ ঔদ্যোগীকৰণৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া স্বৰূপ আৰম্ভ হয়।

১৩.৯ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন ঃ (উত্তৰ ১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ পৰিৱেশ আন্দোলনৰ সৈতে জড়িত কাৰকসমূহ কি কি?

প্ৰশ্ন ২ ঃ 'পৰিৱেশ'ৰ ধাৰণাটোক সূচিত কৰা মাপকসমূহ কি কি? বৰ্ণনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন ঃ (উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ কুৰি শতিকাৰ শেষাৰ্ধত দেখা দিয়া গোলকীয় পৰিৱেশকজনিত সমস্যাসমূহ কি? উদাহৰণৰ সৈতে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ পৰিৱেশ-নাৰীবাদ (ecofeminism) কি? প্ৰকৃতিৰ প্ৰতি পাশ্চাত্যৰ দৃষ্টিভংগীৰ প্ৰতিবাদকল্পে গঢ়ি উঠা কিছুমান পৰিৱেশ-নাৰীবাদী সমালোচনা সম্পৰ্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ ছাত্র আন্দোলন

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ ছাত্র আন্দোলন ঃ আৰম্ভণি
১৪.৪ ভাৰতৰ স্বাধীনতা ঃ ছাত্র আন্দোলনৰ অনুপ্রেৰণা
১৪.৫ প্রাক স্বাধীনতাৰ সময়ৰ পৰা বর্তমানলৈকে ভাৰতত সংঘটিত হোৱা ছাত্র আন্দোলনৰ ঘটনা পৰিঘটনা নেতৃত্ব আৰু ফলাফল সম্পর্কীয় এক খটিয়ান
১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৭ অধিক জানিবলৈ
১৪.৮ অগ্রগতিৰ খতিয়ান
১৪.৯ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ছাত্র আন্দোলনৰ বিভিন্ন দৃষ্টিভংগী সম্পর্কে বুজি উঠিব
- ভাৰতবর্ষত আৰু বিশ্বত সংঘটিত হোৱা ছাত্র সম্পর্কে জানিব পাৰিব
- ভাৰতবর্ষত সংঘটিত হোৱা বিভিন্ন ছাত্র আন্দোলনৰ পৰিসীমা আৰু প্রভাৱ সম্পর্কে বুজি উঠিব।

১৪.২ পৰিচয়

সাম্প্রতিক সময়ত ছাত্র আন্দোলনসমূহ ইয়াৰ গঠন, সফলতা আৰু বিষয়ক লৈ বেলেগ বেলেগ হোৱা দেখা যায় য'ত ছাত্রসকলে শিক্ষা সম্পর্কীয়, প্রশাসন সম্পর্কীয়, নীতি সম্পর্কীয় আৰু সামাজিক ক্ষেত্রৰ বিভিন্ন দিশ সমূহৰ ওপৰত আলোকপাত কৰে। এই অধ্যায়টোত আমি ছাত্র-আন্দোলনৰ আৰম্ভণি, ইয়াৰ গুৰুত্ব আৰু বিভিন্ন সফলতাৰ দিশসমূহৰ বিষয়ে আলোকপাত কৰিম।

১৪.৩ ছাত্র আন্দোলন ঃ আৰম্ভণি

সহজ ভাষাত ছাত্রৰ সামাজিক সচেতনতা বুলি ক'লে সাধাৰণতে ৰাজনৈতিক, সামাজিক, পৰিপার্শ্বিক আৰু অর্থনৈতিক দিশত ছাত্রই আৰম্ভ কৰা ৰূপান্তৰ অথবা পৰিৱর্তনক বুজোৱা যায়। মুখ্যত ছাত্র-আন্দোলনে উচ্চ শিক্ষা, পাঠ্যক্রম, শৈক্ষিক অনুদান আদি সম্পর্কীয় দিশৰ ওপৰত গুৰুত্ব প্রদান কৰে। কিন্তু, ইতিহাস ইয়াৰ সাক্ষী আছে য'ত স্পষ্ট হয় যে ছাত্র আন্দোলনে বৃহৎ অর্থত ৰাজনৈতিক ব্যৱস্থাৰ পৰিৱর্তন সাধন কৰি আহিছে। যদিও সাধাৰণতে ছাত্র শক্তিৰ কার্যকলাপক বাওঁপন্থী ৰাজনৈতিক আদর্শৰ লগত সংযুক্ত কৰা হয়, কিন্তু সো-পন্থী ছাত্র অন্দোলনৰ সংখ্যাও সমাজত তাকৰ নহয়। উদাহৰণ স্বৰূপে, দক্ষিণ আফ্রিকাৰ ক্ষেত্রত এই দুয়ো ধৰণৰ শক্তিকে ছাত্র আন্দোলনত সমান অংশগ্রহণ দেখা পোৱা যায়। অন্যহাতেদি এইটো উল্লেখযোগ্য যে উচ্চ শিক্ষাৰ ক্ষেত্রত

ছাত্র শক্তিৰ আন্দোলনৰ ইতিহাস বিশ্ববিদ্যালয়ৰ ইতিহাসৰ সমানেই পুৰণি। উদাহৰণ স্বৰূপে, পেৰিচ আৰু বলোগনাত ১৩ শতিকাতে ছাত্ৰ-ছাত্ৰীয়ে উমৈহতীয়া প্ৰতিবাদ সাব্যস্ত কৰিছিল য'ত নগৰীকৰণৰ সমস্যা সমূহক প্ৰধান সমস্যা হিচাপে চিহ্নিত কৰা হৈছিল। বৃহৎ ৰাজনৈতিক ঘটনাৰ সম্পৰ্কত ছাত্ৰৰ অন্দোলনৰো অলেখ উদাহৰণ দেখা পোৱা যায়। উদাহৰণ স্বৰূপে, কুৰিয়াৰ জোছিয়া সাম্ৰাজ্যৰ বিপক্ষে ছাত্ৰ শক্তিয়ে অভূতপূৰ্বভাৱে প্ৰতিবাদ কৰিছিল য'ত ১৫০ গৰাকী চানকুৰান ছাত্ৰ-ছাত্ৰীয়ে ১৫১৯ চনত কাৰ বিপক্ষে প্ৰতিবাদ কৰিছিল। কমিউনিষ্টসকলৰ শাসন কালত পশ্চিম ইউৰোপত ছাত্ৰ-ছাত্ৰীসকলে সামাজিক ঘটনা প্ৰবাহৰ বিপক্ষে প্ৰতিবাদত মুখ্য স্থান দখল কৰিছিল। এই প্ৰতিবাদ সমূহে ১৫৫৬ চনত হোৱা হাংগেৰিৰ বিপ্লৱত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। য'ত বুদাপেষ্টৰ ৰাজপথত শান্তিপূৰ্ণভাৱে হোৱা ছাত্ৰৰ সমদলে পৰৱৰ্তী পৰ্যায়ত হাংগেৰিৰ শ্ৰমিক আৰু অন্যান্য শ্ৰেণীসমূহক আকৰ্ষিত কৰিবলৈ সক্ষম হৈছিল। আনহাতে চেকোস্লভেকিয়াত ছোভিয়েট অধিক্ৰমণৰ ঘটনাৰ পিছত সমাপ্ত হোৱা পাৰাগুৱেছস্পিঙৰ পিছত জান পালাচ নামৰ ছাত্ৰগৰাকীৰ আত্মজাহৰ ঘটনাই এক বিশেষ তাৎপৰ্য বহন কৰিছিল, যি ১৯৬৯ চনৰ ১৬ জানুৱাৰীত সংঘটিত হৈছিল। এই আত্মজাহৰ ঘটনাই প্ৰতিষ্ঠানিক ব্যৱস্থাৰ বিপক্ষে এই প্ৰধান বিদ্ৰোহৰ ৰূপ লৈছিল। ছাত্ৰৰ নেতৃত্বত সংঘটিত হোৱা ধৰ্ম যুদ্ধ সদৃশ পৰিস্থিতিয়ে পৰৱৰ্তী পৰ্যায়ত কমিউনিষ্ট শাসনৰ পৰৱৰ্তী কালত সৃষ্টি হোৱা বৰ্ণ বিপ্লৱৰ ক্ষেত্ৰতো মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। এই ক্ষেত্ৰত মুখ্য উদাহৰণ হ'ল ছাৰবিয়াৰঅতপৰ যি ১৯৯৮ চনত গঠিত হৈছিল আৰু ইয়াৰ মুখ্য উদ্দেশ্য আছিল বিশ্ববিদ্যালয় আৰু সংবাদ মাধ্যমৰ বৈষম্যমূলক নীতিৰ বিপক্ষে প্ৰতিবাদ সাব্যস্ত কৰা। ২০০০ চনৰ ছেপ্টেম্বৰ মাহত সংঘটিত হোৱা ৰাষ্ট্ৰপতি নিৰ্বাচনৰ সময়ত এই সংগঠনটোৱে গতকজে (তেওঁ শেষ হ'ল) শীৰ্ষক এক ধৰ্ম যুদ্ধৰ সূত্ৰপাত ঘটাইছিল যিয়ে শাসকগোষ্ঠীৰ পতনত এক মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। বাংলাদেশত সংঘটিত হোৱা ছাত্ৰ আন্দোলন যথেষ্ট সন্ত্ৰাস আৰু প্ৰতিহিংসামূলক আছিল। ছাত্ৰ সংগঠনসমূহে ৰাজনৈতিক দলৰ বিশেষ গোট হিচাপে কাৰ্য কৰা দেখা গৈছিল। ইয়াৰ ফলত বিভিন্ন ধৰণৰ অশান্তিৰ সৃষ্টি হোৱা দেখা গৈছিল। পৰৱৰ্তী সময়ত এইটো দেখা পোৱা গৈছে যে শৈক্ষিক প্ৰতিষ্ঠানসমূহত হোৱা ৰাজনৈতিক হিংসা আৰু প্ৰতিহিংসাসমূহে যথেষ্ট লোকৰ মৃত্যু ঘটায় আহিছে। এইসমূহৰ ৰোধ কৰিবৰ বাবে বিশ্ববিদ্যালয়সমূহৰ হাতত থকা একমাত্ৰ উপায়টোৱেই হৈছে এইসমূহ বন্ধ কৰা অথবা বিভিন্ন ধৰণৰ কঠোৰ নীতি-নিয়ম প্ৰয়োগ কৰা।

কানাডাৰ ক্ষেত্ৰত নব্য বাওঁপন্থী ছাত্ৰ গোটসমূহ দুই দলৰ মাজত ১৯৫০ৰ পৰা ৬০ৰ দশকত বিভক্ত হৈ আছিল। ছুপা SUPA (Student union for peace action) অৰ্থাৎ শান্তি কাৰ্যৰ বাবে ছাত্ৰ একতা আৰু CYC (Company of Young Canadians) অথবা য়ং কানাডিয়াৰ সন্মিলন, ছুপাৰ আৰম্ভণি হৈছিল CUCNDৰ পৰা (পাৰমাণৱিক নিৰস্ত্ৰীকৰণৰ বাবে হোৱা বিশ্ববিদ্যালয়সমূহৰ যৌথ সংগঠন)। ই ১৯৬৪ ডিচেম্বৰ মাহত গঠিত হৈছিল ছাকচেৱান বিশ্ববিদ্যালয়ৰ এক বিশেষ সন্মিলনত, যিটো সময়ত CUCNDয়ে প্ৰতিবাদী সমদলসমূহৰ নেতৃত্ব লৈছিল SUPA ই প্ৰধানত কানাডাৰ সামাজিক ৰূপান্তৰৰ ওপৰত গুৰুত্ব দিছিল। পৰৱৰ্তী সময়ত এই আন্দোলন সমূহ তৃণমূল পৰ্যায়লৈ পৰিবাহিত হৈছিল আৰু ই এক চৰম ৰূপ ধাৰণ কৰিছিল যিয়ে সমাজত সজাগতাৰ সৃষ্টি কৰিছিল। SUPA সাধাৰণতে এক আঞ্চলিক সংগঠন আছিল। যি বিশ্ববিদ্যালয়মূহত কাম কৰিছিল। ১৯৬৭ চনত শ্ৰমিকসমূহৰ ভূমিকা আৰু পুৰণি বাওঁপন্থীসকলৰ লগত দেখা দিয়া সংঘাতৰ ফলত SUPA বিভক্ত হৈ পৰে। ইজৰাইলৰ ক্ষেত্ৰত দেখা যায় আটাইতকৈ মুখ্য অংশগ্ৰহণ ছাত্ৰ-ছাত্ৰীসকলৰ আছিল, ২০১১ চনত ইজৰাইলত আৰম্ভ হোৱা সামাজিক ন্যায় শীৰ্ষক প্ৰতিবাদ যিয়ে, কপাহ বৰ্জনৰ ওপৰত গুৰুত্ব দিছিল। জাপানৰ ক্ষেত্ৰত টাইছ' গণতন্ত্ৰৰ সময়ত ছাত্ৰৰ অভ্যোষ্ঠান দেখিবলৈ পোৱা গৈছিল যিয়ে, দ্বিতীয় বিশ্বযুদ্ধৰ পিছত অন্য এক মাত্ৰা লাভ কৰে। আন্দোলনসমূহ প্ৰধানত ছাত্ৰ শক্তিৰ দ্বাৰা পৰিচালিত হৈছিল। ইয়াৰ ক্ষেত্ৰত এক উল্লেখযোগ্য আন্দোলন আছিল, 'এনপো' বিদ্ৰোহ বা 'এনপো' বিৰোধী আন্দোলন। যি ১৯৬০

চনত সংঘটিত হৈছিল এনপো চুক্তিৰ বিৰুদ্ধে আচৰণ কৰি। ১৯৬৮ চনৰ এই বিদ্রোহত বাওঁপন্থী শক্তিসমূহে জাপানী সামাজিক শক্তিৰ বিপক্ষে যুদ্ধত লিপ্ত হৈছিল। ভিয়েটনাম যুদ্ধৰ সময়ত আৰু অধিক কাৰণ ইয়াৰ লগত সংযুক্ত কৰা হয় যাৰ ফলত শান্তিপূর্ণ জীৱন নির্বাহো এই আন্দোলনৰ প্রধান লক্ষ্য ৰূপে চিহ্নিত কৰা হয়। ১৮৮০ চনৰ পৰাই ছাত্র ৰাজনীতিৰ ধাৰণাটো ইউনাইটেড কিংডম (United kingdom)ৰ ক্ষেত্রত প্রচলিত হৈ আহিছে আৰু ১৮৮০ চনত প্রতিষ্ঠিত হোৱা ছাত্র প্রতিনিধি সমিতিয়ে এই ধাৰণাটোক বহল ৰূপ দিয়ে। ছাত্র প্রতিনিধি সমিতি সমূহ পৰৱর্তী পর্যায়ত এক সংঘৰ ৰূপ লয় যিয়ে পৰৱর্তী সময়ত National Union of Students ১৯২১ হিচাপে প্রতিষ্ঠিত হয়। আমেৰিকাৰ ক্ষেত্রত দেখা যায় যে ছাত্র অধোমান সমূহক সাধাৰণতে আমেৰিকাৰ শৈক্ষিক গাঁথনিৰ ৰূপায়ণৰ বাবে সংঘটিত হোৱা এক ছাত্রৰ উমৈহতীয়া কার্যৰূপে বুজা যায়। আমেৰিকাৰ ক্ষেত্রত ছাত্র আন্দোলন সাধাৰণতে ৰাজহুৱা শিক্ষা ব্যৱস্থাৰ আৰম্ভণিৰ সময়ৰ পৰা দেখা পোৱা যায়। সাধাৰণতে কৃষ্ণ বর্ণৰ প্রতিষ্ঠান সমূহত ১৯২০ চনত হোৱা আন্দোলনসমূহ বিশেষকৈ ফিস্ক্ আৰু হাৱার্ডত হোৱা আন্দোলনসমূহক এই ক্ষেত্রত বাটকটীয়া বুলি ক'ব পৰা যায়। ফিস্ক্ৰ ক্ষেত্রত দেখা গৈছিল যে ছাত্রসকলে তেওঁলোকৰ ওপৰত আৰোপ কৰা নীতি-নিয়ম যি সমূহে কৃষ্ণ বর্ণৰ পৰিচয়ক ভূলুণ্ঠিত কৰিছিল, তাৰ বিপক্ষে আন্দোলন কৰিছিল। ৰাষ্ট্রপতি ফায়েটি এভেজিচমকেৰিৰ পদত্যাগ দাবী কৰিছিল। ভাৰতৰ ক্ষেত্রত ছাত্র আন্দোলনৰ ইতিহাস ১৫০ বছৰৰো পুৰণি বহুতে মত পোষণ কৰে যে ১৮৪৮ চনত দাদাভাইনৌৰজিৰ দ্বাৰা প্রতিষ্ঠিত ছাত্রসকলৰ বৈজ্ঞানিক আৰু ঐতিহাসিক সমাজ অর্থাৎ 'Students' Scientific and Historic Society-এ এই ক্ষেত্রত বাটকটীয়া। এই সংগঠনটো গঠন হৈছিল প্রধানত গণতান্ত্রিক আলোচনা আৰু বিতর্কৰ বাবে। এই সময়খিনিত এই সংগঠনৰ মুখ্য উদ্দেশ্য আছিল শৈক্ষিক ব্যৱস্থাৰ সমালোচনা কৰা। প্রথম ছাত্র সন্মিলন অনুষ্ঠিত হৈছিল কিং এডবার্ড মেডিকেল কলেজ লাহোৰত যাৰ উদ্দেশ্য আছিল, ব্রিটিছ আৰু ভাৰতীয় ছাত্রসমূহৰ মাজত বিতর্ক অনুষ্ঠিত কৰা, এই আন্দোলন সফল হৈছিল বুলি ক'ব পৰা যায়। ভাৰতবর্ষৰ স্বাধীনতা আন্দোলনত বিভিন্ন ছাত্র প্রতিবাদ আৰু আন্দোলন সংগটিত হোৱা দেখা গৈছিল আৰু সেইসমূহ যথেষ্ট প্রভাৱশালী আছিল। এইটো দেখা যায় যে ১৯০৬ৰ পৰা ১৯১৮ৰ সময়ছোৱাত বিদ্রোহী কার্যত অভিযুক্ত বুলি অভিযুক্ত হোৱা ১৮৪ জন মানুহৰ ভিতৰত ৬৮ গৰাকী আছিল ছাত্র। এইটো কোৱা হয় যে সর্বভাৰতীয় কলেজ ছাত্র সন্মিলন যি আহমেদাবাদত ১৯১২ চনত অনুষ্ঠিত হৈছিল, ইয়াৰ প্রধাৰ শ্লগান আছিল 'যতৰ স্বাধীনতা প্রথমতে, শিক্ষা ইয়াৰ পিছতেই'। ছাত্রসকল ভাৰতৰ স্বাধীনতাৰ বাবে সম্পূর্ণ ৰূপে প্রতিবদ্ধ আছিল। ভাৰতবর্ষৰ প্রথম ছাত্র সংগঠন ১৯১৯ চনত স্থাপিত হৈছিল। প্রতমখন নির্বাচিত ছাত্র সংসদ ৰিপন কলেজত দেখা পোৱা যায়, য'ত নিৰঞ্জন সেন গুপ্তা সভাপতি আছিল যি পৰৱর্তী কালত এগৰাকী বিপ্লৱী আৰু কমিউনিষ্ট নেতা হিচাপে জনপ্রিয় হৈ পৰিছিল। স্কটিচ্চার্জ কলেজ, প্রেছিডেন্সী কলেজ, চিটি কলেজ আদিৰ ছাত্র সংঘ সমূহে পৰৱর্তী পর্যায়ত সাম্রাজ্যবাদী শক্তিৰ বিপক্ষে এক শক্তিশালী প্রতিবাদ গঢ়ি তুলিছিল। কলিকতাৰ বাহিৰত গঢ়ি উঠা ছাত্র সংগঠনসমূহেও ছাত্র সমাজৰ সমস্যা সমূহ তুলি ধৰাত এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। সেই সময়ত বিভিন্ন অঞ্চলসমূহত ৰাজনৈতিক আলোচনা চক্রসমূহ হোৱাৰ লগতে ছাত্র সন্মিলন অনুষ্ঠিত হৈছিল। যিয়ে ছাত্রসকলক সংঘবদ্ধ কৰাত গুৰুত্বপূর্ণ ভূমিকা লৈছিল।

১৪.৪ ভাৰতৰ স্বাধীনতা ঃ ছাত্র আন্দোলনৰ অনুপ্রেৰণা

ভাৰতবর্ষৰ স্বাধীনতা ছাত্র-আন্দোলনৰ ক্ষেত্রত এক মাইলৰ খুটি ৰূপে চিহ্নিত কৰিব পাৰি। ছাত্র

আন্দোলনৰ নেতৃত্বত ভাৰতবর্ষত যথেষ্ট দৃষ্টান্তমূলক পৰিৱর্তন সংঘটিত হোৱা বুলি ক'ব পৰা যায়। বৃহৎ ছাত্র সংগঠনসমূহৰ পৰিৱর্তে স্থানীয় পর্যায়ত সৰু সৰু অস্থায়ী কিছুমান সংগঠনৰ সৃষ্টি হৈছিল। ছাত্র কার্যসূচীসমূহ প্রদানত আঞ্চলিক ৰাজনৈতিক বিষয়ক লৈ সংগঠিত হৈছিল য'ত আগৰ দৰে বৃহৎ ৰাজনৈতিক আদর্শ দেখা পোৱা নগৈছিল। ১৯৪৭ চনত All India Students Congress Federation গঠন হয় আৰু যিয়ে পৰৱর্তী পর্যায়ত বিভক্ত হৈ National Students Union of India অর্থাৎ NSUI-ৰ সৃষ্টি হয়। NSUI হৈছে কংগ্রেছ দলৰ ছাত্র সংগঠন। সেই সময়ত ছাত্র শক্তি আৰু বুদ্ধিজীৱিসকলে এটা ধাৰণা লৈছিল যে ভাৰতবর্ষৰ স্বাধীনতাক শ্রমিক আৰু কৃষকৰ অধিকাৰৰ অভ্যুত্থানৰ লগত আৰু শোষণৰ বিৰুদ্ধে কৰা সংগ্রামৰ লগত সংযুক্ত কৰিব লাগিব। তেতিয়া ১৯৪৩ চনত বংগত দুর্ভিক্ষই দেখা দিছিল, ছাত্র সংগঠনসমূহে ঐক্যবদ্ধভাৱে ক'লা বেপাৰী আৰু ক'লা বজাৰৰ বিপক্ষে তথা খাদ্য সংকটৰ বিপক্ষে যুদ্ধ ঘোষণা কৰিছিল। বেংগল প্রভিজ্ঞ ষ্টুডেণ্ট ফেডাৰেচনে এটা সাহায্য শিবিৰ আৰু সাহায্য নিধি অনুষ্ঠিত কৰিছিল। AISF-ৰ ছাত্রসকলৰ আহ্বান মর্মে ভাৰতবর্ষৰ বিভিন্ন প্রান্তৰ ছাত্র-ছাত্রীসকলেও এই সাহায্য কার্যসূচীলৈ সহযোগিতা আগবঢ়াইছিল। স্বাধীনতাৰ পিছত ভাৰতবর্ষৰ ছাত্র ৰাজনীতি ৰাষ্ট্রীয় ৰাজনীতিৰ প্রেক্ষাপটৰ সমান্তৰালকৈ চাৰিত্রিকভাৱে সলনি হোৱা দেখা যায়। পূর্বৰ বিদেশী শত্রুসমূহ এই ৰাষ্ট্রৰ পৰা গুচি যোৱাৰ পিছত নতুন ধৰণৰ এক সংগ্রামৰ বিকাশ হয়। পূর্বৰ ব্রিটিছ সাম্রাজ্যৰ নীতি-নিয়মসমূহ সলনি কৰাৰ পৰিৱর্তে নতুন চৰকাৰখনে পূর্বৰ সমস্যা সমূহৰ লগত সহাৱস্থান কৰিবলৈ আৰম্ভ কৰে। স্বাধীনোত্তৰ পিছত নতুন চৰকাৰসমূহ ছাত্র আন্দোলন সম্পর্কে শংকিত হৈ পৰে। চৰকাৰ সমূহ সাধাৰণ মানুহক দিয়া প্রতিশ্রুতি যেনে- দৰিদ্রতা নিবাৰণ, শিক্ষাৰ সার্বজনীনকৰণ আদি প্রতিশ্রুতিসমূহ পাহৰিবলৈ আৰম্ভ কৰে। এইটো দেখা পোৱা গৈছিল যে চৰকাৰৰ বাবে মুষ্ঠিমেয় ধনীক শ্রেণী আৰু সাধাৰণ শ্রেণীৰ অধিকাৰসমূহক সমান্তৰালভাৱে সুৰক্ষা দিয়াটো অসুবিধাজনক হৈ পৰিছিল। অকল যে সাধাৰণ মানুহৰ অর্থনৈতিক অধিকাৰেই বঞ্চিত হৈছিল সেইটো নহয় বৰঞ্চ গণতান্ত্রিক অধিকাৰসমূহেও প্রচণ্ড প্রত্যাহ্বানৰ সন্মুখীন হৈছিল। খুব সোনকালেই এনে ধৰণৰ আইনৰ প্রৱর্তন হৈছিল যিয়ে বিচাৰ নকৰাকৈ মানুহক গ্রেপ্তাৰ কৰাৰ সুবিধা কৰি দিছিল। মানুহৰ সমাৱেশ আৰু চলা-ফুৰাত নিয়ন্ত্রণ কৰাৰ বাবেও আইনৰ নৰ প্রৱর্তন কৰা হৈছিল। স্বৰূপে কমিউনিষ্ট পার্টীক নিষিদ্ধ কৰা হৈছিল, কিয়নো এই পার্টীটোত সাধাৰণতে শ্রমিক আৰু কৃষকসকলৰ যোগদান আৰু অভ্যুত্থান দেখা গৈছিল। তেলেংগনাৰ নিজামৰ বিপক্ষে কৃষকসকলে কৰা প্রতিবাদকো এনে ধৰণে নিয়ন্ত্রণ কৰিবলৈ চেষ্টা কৰা হৈছিল। সেই সময়ত AISF-ৰ মুখপত্র ''The Student'' ৫০টা এনে ধৰণৰ বাতৰি প্রকাশ পাইছিল য'ত সাধাৰণ জনতাৰ ওপৰত পুলিচে কেনেকৈ গুলিবর্ষণ কৰিছিল তাৰ বর্ণনা আছিল, যিসমূহ ১৫ আগষ্ট ১৯৪৮-ৰ পৰা ১৯৪৯ৰ ভিতৰত সংঘটিত হৈছিল। চৰকাৰে AISF-ৰ সকলো কার্যৰ বিপক্ষে এক নটিচ জাৰি কৰিছিল। যিসমূহ উচ্চ ন্যায়লয়ৰ নির্দেশ মর্মেহে পৰৱর্তী পর্যায়ত সেই নটিচ (Notice) আৰু AISFৰ বিপক্ষে জাৰি কৰা নিষেধাজ্ঞা উঠাই লোৱা হৈছিল। এইটো গুৰুত্বপূর্ণ যে কংগ্রেছে এনে ধৰণৰ যুক্তি আগবঢ়াইছিল যে নব্য ভাৰতত সংঘটিত হোৱা ছাত্র আন্দোলনসমূহ নীতিবহির্ভুত হৈ পৰিছে আৰু ছাত্র সমাজে ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় ৰাজনীতিৰ প্রতি চিন্তাশীল হোৱাৰ কোনো প্রয়োজন নাই। আৰু তেওঁলোকৰ একমাত্র দায়িত্ব হ'লত অধ্যয়ন কৰা আৰু নিজৰ ব্যক্তিগত কেৰিয়াৰ নির্মাণ কৰা। নেচনেল ইউনিয়ন অৱ ষ্টুডেনচ্ৰ প্রতিষ্ঠা কালত ১৯৫০ চনত নেহেৰুৱে প্রদান কৰা ভাষণটোৰ ই মুখ্য বাণী আছিল। এইটো উল্লেখযোগ্য যে ইউনাইটেড ষ্টুডেণ্ট মভমেণ্ট (United student movement) যি স্বাধীনতাৰ পৰৱর্তী কালত যথেষ্ট সক্রিয় আছিল, পৰৱর্তী পর্যায়ত ছাত্র-ছাত্রীৰ সমালোচনাৰ সন্মুখীন হৈছিল। বিশ্ব বিদ্যালয়ৰ প্রাঙ্গণসমূহত দেখা দিয়া শিথিলতা আৰু অসুবিধাসমূহে ছাত্র সমাজক চৰকাৰৰ শৈক্ষিক নীতি সম্পর্কত অসন্তোষী আৰু উদসীন কৰি তুলিছিল।

১৪.৫ ভাৰতবৰ্ষত প্ৰাক-স্বাধীনতাৰ পৰা বৰ্তমান সময়লৈকে সংঘটিত বিভিন্ন ছাত্ৰ আন্দোলনৰ পৰিঘটনা নেতৃত্ব আৰু ফলাফল

এইটো উল্লেখযোগ্য যে ভাৰতবৰ্ষত ছাত্ৰ আন্দোলন প্ৰধানত ঐতিহাসিক প্ৰেক্ষাপটত দেখা দিয়া বিভিন্ন সমস্যাৱলী আৰু ছাত্ৰ সমাজ আৰু সমাজে সামগ্ৰিকভাৱে লাভ কৰা প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবৰ বাবে আৰম্ভ হৈছিল। ভাৰতবৰ্ষত ছাত্ৰ আন্দোলনক তিনিটা পৰ্যায়ত ভাগ কৰিব পৰা যায়। (ক) প্ৰাক্-স্বাধীনতাৰ সময় বা পৰ্যায়।

(খ) স্বাধীনতাৰ পৰৱৰ্তী পৰ্যায়।

(গ) বিশ্বায়নৰ সময় বা পৰ্যায়।

ওপৰোক্ত শ্ৰেণী বিভাজন সমূহক কেন্দ্ৰ কৰি পৰৱৰ্তী আলোচনাসমূহ আগবঢ়োৱা হৈছে। য'ত বিভিন্ন আন্দোলনৰ লগত জড়িত, আন্দোলনৰ দিশসমূহ আৰু ফলাফলসমূহ বৰ্ণনা কৰিবলৈ চেষ্টা কৰা হৈছে।

ক) স্বাধীনতাৰ পূৰ্বৱৰ্তী সময় বা প্ৰাক্-স্বাধীনতাৰ সময় ঃ স্বাধীনতাৰ প্ৰাক্-কালত প্ৰধান আন্দোলনসমূহ ছাত্ৰ সমাজে নেতৃত্ব বহন কৰিছিল। ১৯০৫ চনত সংঘটিত স্বদেশী আন্দোলনে ছাত্ৰ শক্তিক বৈপ্লৱীক চিন্তা-চৰ্চা প্ৰদান কৰিছিল। যিয়ে তেওঁলোকক মহাবিদ্যালয় আৰু ব্ৰিটিছ সামগ্ৰীৰ বৰ্জনৰ প্ৰতি উৎসাহিত কৰিছিল। এই আন্দোলনে ছাত্ৰসকলক ৰাজনীতিত অংশগ্ৰহণৰ বাবে উৎসাহিত কৰিছিল। যতৰ আৰু স্বৰাজ প্ৰথমে আৰু ইয়াৰ পিছতেই শিক্ষা এই বাণী আছিল সেই সময়ৰ ছাত্ৰ আন্দোলনৰ মুখ্য বাণী। প্ৰথম অসহযোগ আন্দোলন ১৯১৯ৰ এক অংশ হিচাপে সৰ্বভাৰতীয় মহাবিদ্যালয় ছাত্ৰ সন্মিলন ১৯২০ চনত নাগপুৰত অনুষ্ঠিত হৈছিল আৰু ইয়াৰ প্ৰধান প্ৰস্তাৱ আছিল অসহযোগ আৰু বিদেশী সামগ্ৰীৰ বৰ্জন। এই প্ৰস্তাৱ মহাবিদ্যালয়-বিদ্যালয়সমূহত গৰিষ্ঠসংখ্যক ভোটৰ দ্বাৰা গৃহীত হৈছিল। দ্বিতীয়, অসহযোগ আন্দোলন আছিল দ্বিতীয়টো উদাহৰণ য'ত ছাত্ৰসকল প্ৰত্যক্ষভাৱে নেতৃত্ব বহন কৰিছিল। ছাত্ৰসমূহৰ দ্বাৰা কৰা বিক্ষোভ, জেলভৰো কাৰ্যসূচী আদি পাঞ্জাৱ, বংগ, উত্তৰ প্ৰদেশ আৰু বম্বেইত যথেষ্ট ৰূপত দেখা পোৱা গৈছিল। এই সময়খিনি আছিল ভাৰতীয় ছাত্ৰসকলৰ দ্বাৰা আৰম্ভ কৰা আটাইতকৈ প্ৰগতিশীল প্ৰতিবাদী সময়। লক্ষ্ণৌত অনুষ্ঠিত হোৱা All India Students Conference-ত ৯৮৬ গৰাকী ছাত্ৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে য'ত তেওঁলোক ২১০টা স্থানীয় আৰু ১১ খন ৰাজ্য বিশেষকৈ পাঞ্জাৱ, উত্তৰ প্ৰদেশ, বংগ, অসম, বিহাৰ আৰু উৰিষ্যাৰ পৰা অংশগ্ৰহণ কৰিছিল। ভাৰত ত্যাগ আন্দোলন (১৯৪২) আছিল এনে এক আন্দোলন যিয়ে ছাত্ৰ শক্তিৰ এক সৰ্ববৃহৎ অভ্যুত্থান প্ৰত্যক্ষ কৰিছিল। ছাত্ৰসকলে বৰ আচৰিত ধৰণে মহাবিদ্যালয় আৰু বিদ্যালয়সমূহ বন্ধ কৰি দিছিল আৰু ভাৰত ওসগ আন্দোলন আৰু পলাতক তথা নিষিদ্ধ ঘোষিত নেতাসকলৰ মাজত যোগসূত্ৰ স্থাপন কৰাত এক মুখ্য ভূমিকা পালন কৰিছিল।

স্বাধীনতাৰ পৰৱৰ্তী সময় ঃ এইটো ইতিমধ্যে আলোচনা কৰা হৈছে যে স্বাধীনতাৰ পৰৱৰ্তী পৰ্যায়ত ছাত্ৰসকলৰ মাজত আন্দোলন সম্পৰ্কে এক বেলেগ ধ্যান ধাৰণাৰ সূত্ৰপাত হয়। নক্সালবাদী আন্দোলন, চিপ্‌কো আন্দোলন, জৰুৰী অৱস্থা বিৰোধী আন্দোলনৰ ক্ষেত্ৰত ছাত্ৰসকলৰ সক্ৰিয় অংশগ্ৰহণ দেখা গৈছিল। নক্সালবাদী আন্দোলন পশ্চিম বংগ, কেৰালা, অন্ধ্ৰপ্ৰদেশ আৰু বিহাৰত সংঘটিত হৈছিল। উদাহৰণ স্বৰূপে, ১৯৬৭ চনত পশ্চিম বংগত সংঘটিত নক্সালবাদী আন্দোলনে কলিকতাৰ সেই সময়ৰ বচা বচা ছাত্ৰসমূহক আকৰ্ষিত কৰা হৈছিল। গৰিষ্ঠসংখ্যক ছাত্ৰ আৰু যুৱকে সেই সময়ত কলিকতাত সামন্ততন্ত্ৰ আৰু অভিযাততন্ত্ৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল আৰু তেওঁলোকে নৃগোষ্ঠীসমূহ আৰু ভূমিহীন কৃষকসকলৰ অধিকাৰৰ সপক্ষে মাত মতাৰ লগতে জমিনদাৰী ব্যৱস্থা আৰু সূদ খুৰীৰ বিপক্ষে বিদ্ৰোহ ঘোষণা কৰিছিল। ১৯৬১ চনত প্ৰতিষ্ঠিত Republic Yuvak Sanjathan যুৱক সংগঠনক প্ৰথম দলিত ছাত্ৰ আন্দোলন বুলি ক'ব পৰা যায়। ই প্ৰধানত জাত-পাত

বিৰোধী এক পৰিৱেশ নিৰ্মাণ কৰিব বিচাৰিছিল য'ত অনুসূচীত জাতি সমূহৰ অধিকাৰ সুৰক্ষিত হয়। ১৯৯০ চনৰ ৭ আগষ্ট তাৰিখে ভি. পি. সিং চৰকাৰে ৰাজ্যসভাত মণ্ডল কমিচনৰ ৰিপৰ্ট গৃহীত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ঘোষণা প্ৰদান কৰে। অপ্ৰত্যাশিত কিন্তু পদ্ধতিগত ছাত্ৰ আন্দোলন সেই সময়ত দিল্লীত এক বিশে, ৰূপ ধাৰণা কৰে। দিল্লীৰ ষ্টিফেন কলেজ আৰু দিল্লী স্কুল অৱ ইকন'মিক্স (Dehli school of economics)-ত অধ্যয়নৰত উচ্চ জগতৰ ছাত্ৰ-চাত্ৰীসকলে এই আন্দোলনৰ গুৰি ধৰিছিল। এই আন্দোলনে বিভিন্ন ছাত্ৰ সংগঠনসমূহক আকৰ্ষিত কৰাৰ লগতে সেই সময়ত দিল্লী বিশ্ববিদ্যালয়ৰ ২০০০ ছাত্ৰই দূৰদৰ্শন কেন্দ্ৰক ঘেৰাও কৰিছিল, মণ্ডল বিৰোধী সংগঠনৰ বেনাৰত। অসম আন্দোলন ১৯৭৯ৰ পৰা ৮৫ বিদেশী আগ্ৰাসনৰ বিপক্ষে অসমত আৰম্ভ হোৱা এক বৃহৎ আন্দোলন। এই আন্দোলন প্ৰধানতঃ সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰামৰ দ্বাৰা পৰিচালিত হৈছিল য'ত বিদেশী বিপক্ষে বিভিন্ন ধৰণৰ প্ৰতিবাদ আৰু চৰকাৰৰ বিপক্ষে প্ৰতিবাদী সমদল বাহিৰ কৰা হৈছিল। এই আন্দোলনৰ এক উল্লেখযোগ্য হিংসা সংঘটিত হৈছিল নেলিৰ গণ হত্যাৰ পৰা যাক এক উল্লেকযোগ্য হিংসাজনিত ঘটনাৰূপে চিহ্নিত কৰিব পৰা যায়। এই আন্দোলন ১৯৮৫ চনত সমাপ্ত হয় অসম চুক্তি সম্পাদনৰ জৰিয়তে য'ত আছু আৰু গণ সংগ্ৰাম পৰিষদে চৰকাৰৰ লগত এক চুক্তি কৰে এই আন্দোলনৰ সমাপ্তিৰ পিছত ছাত্ৰ নেতাসকলে এক ৰাজনৈতিক দল গঠন কৰে যাক অসম গণ পৰিষদ ৰূপে জনা যায় আৰু যিয়ে ১৯৮৫ আৰু ১৯৯৬ চনত দুবাৰকৈ অসমতো ক্ষমতা দখল কৰিবলৈ সক্ষম হৈছিল।

বিশ্বায়নৰ সময় ঃ এই সময়ত প্ৰায়বোৰ ছাত্ৰ আন্দোলনেই আদৰ্শগত অসুবিধাৰ সন্মুখীন হৈছিল, য'ত বাওঁপন্থী ছাত্ৰ আন্দোলনসমূহো অন্তৰ্ভুক্ত আছিল। ছাত্ৰ আন্দোলনে যুক্তি আৰু কাৰ্যসূচীসমূহ যথেষ্ট ৰূপত পৰিৱৰ্তিত হৈছিল। কিন্তু লিংগ সমতাৰ দাবীত আৰম্ভ হোৱা আন্দোলনসমূহৰ এক চমকপ্ৰদ উত্থান দেখা পোৱা যায়। ১৯৯০ চনত কেতবোৰ ছাত্ৰীৰ দ্বাৰা পাটাম্বিৰ সংস্কৃত মহাবিদ্যালয়ত আৰম্ভ কৰা মানুচী (Manushy) শীৰ্ষক আন্দোলনটো মহিলাৰ অধিকাৰৰ বাবে হোৱা এক উল্লেখযোগ্য ছাত্ৰ আন্দোলনৰূপে অভিহিত কৰিব পৰা যায়। ই কেৰেলাৰ ছাত্ৰীসকলৰ দ্বাৰা আৰম্ভ কৰা এক অগতানুগতিক আন্দোলন আছিল। চাইবাৰ (Cyber) কাৰ্যকৰ্তা ছাত্ৰ আন্দোলনৰ দ্বাৰা আৰম্ভ কৰা "Free Software Movement" শীৰ্ষক ডিজিটেল আন্দোলন। মাইক্ৰছফ্ট (Microsoft) কোম্পানীসমূহৰ উদ্যোগটোত থকা নিয়ন্ত্ৰণৰ বিপক্ষে কৰা আন্দোলনৰ লগতে কেতবোৰ বিশেষ শ্ৰেণীৰ প্ৰভুত্বশীল কৰ্তৃত্বৰ বিপক্ষে কৰা প্ৰতিবাদ। বৰ্তমান এই আন্দোলনটো কেৰেলাৰ বিভিন্ন অভিযান্ত্ৰিক প্ৰতিষ্ঠানসমূহত এতিয়াও সক্ৰিয় ৰূপত দেখা যায়। উদাহৰণ স্বৰূপে কালিকূট Niit-য়ে ভাৰতবৰ্ষৰ এক সৰ্ববৃহৎ ছফ্টৱেৰ (Software) কৰ্মশালাৰ আয়োজন কৰিছে যিয়ে Digitel জ্ঞান প্ৰভুত্বৰ অৱসান ঘটোৱাৰ পোষকতা কৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ছাত্ৰ আন্দোলন বুলিলে কি বুজে?

.....

প্ৰশ্ন নং ২ ঃ আন্তঃৰাষ্ট্ৰীয় বিদ্যাৰ্থী দিৱস কেতিয়া উত্থাপন কৰা হয়?

.....

প্ৰশ্ন নং ৩ ঃ কোনটো ঘটনাই ভাৰতবৰ্ষত ছাত্ৰ আন্দোলনৰ সূত্ৰপাত ঘটাইছিল?

.....

প্ৰশ্ন নং ৪ ঃ NSUI-ৰ কেতিয়া গঠন হৈছিল?

.....

প্রশ্ন নং ৫ ঃ কোনটো চনত অসম আন্দোলন আৰম্ভ হৈছিল?

.....

১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সহজ ভাষাত ছাত্র কার্যাৱলী অথবা ছাত্র আন্দোলনক ছাত্রসকলৰ দ্বাৰা ৰাজনৈতিক অর্থনৈতিক পাৰিপার্শ্বিক আৰু সামাজিক পৰিৱর্তনৰ বাবে কৰা কার্যক বুজোৱা হয়।
- ভাৰতবর্ষত ছাত্র আন্দোলনৰ ইতিহাস ১৫০০ৰো পুৰণি। বহুতৰ মতে, Students Scientific and Historic Society, ১৯৪৮, যি দাদাভাই নৌৰাজীয়ে প্রতিষ্ঠা কৰিছিল, এই সংগঠনক ভাৰতত ছাত্র আন্দোলনৰ বাটকটীয়া বুলি ক'ব পৰা যায়।
- ভাৰতবর্ষৰ স্বাধীনতা আন্দোলন, ছাত্র ৰাজনীতিৰ ইতিহাসত মাইলৰ খুটি ৰূপে চিহ্নিত হৈ আহিছে। এই আন্দোলনে ছাত্র আন্দোলনৰ নেতৃত্বৰ দৃষ্টিভংগীত আমূল পৰিৱর্তন আনিলে।
- স্বাধীনতাৰ পিছত ৰাষ্ট্রীয় ৰাজনীতিৰ সমান্তৰালভাৱে ছাত্র আন্দোলন আৰু ছাত্র ৰাজনীতিৰো এক চাৰিত্রিক পৰিৱর্তন সংঘটিত হৈছে। উমৈহতীয়া শত্রু বিদেশী শক্তি দেশ এৰি গুছি যোৱাৰ পিছত নতুন ধৰণৰ প্রত্যাহ্বান বৃদ্ধি পালে।
- ভাৰতবর্ষত ছাত্র আন্দোলনক তিনিটা পর্যায়ত ভাগ কৰিব পাৰি। (ক) স্বাধীনতাৰ পূর্বৱর্তী সময় (খ) স্বাধীনতাৰ পৰৱর্তী সময় (গ) বিশ্বায়নৰ সময়।

১৪.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Altbach, Philip-G. 1969. Turmoil and transition : higher education and student politics in India, Basic Books university of Michigan.
2. Rajimwale, Anil, (2001); History of student movement in India : Origins and development (1920-1947), New Delhi : Manab Publication.
3. Rudolph, Lloyd-I, Susanne Hoeber Rudolph and karune Ahmed. Student Politics and National Politics in India, Economic and Political weekly, Vol. 6, No. 30-32, Special Number (Jul., 1971).

১৪.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ছাত্র আন্দোলন হৈছে, ছাত্রসকলৰ দ্বাৰা আৰম্ভ কৰা ৰাজনৈতিক, পাৰিপার্শ্বিক অর্থনৈতিক আৰু সামাজিক পৰিৱর্তনৰ বাবে কৰা কার্যসূচী।

২নং প্রশ্নৰ উত্তৰ ঃ ১৯৩৯ চনৰ ১৭ নৱেম্বৰত নাজী জার্মানীয়ে চেক বিশ্ববিদ্যালয়ত আক্রমণ কৰিছিল আৰু ছাত্রসকলৰ কনচেনট্রেছন (Concentration) কেম্প বা শিবিৰলৈ হস্তান্তৰ কৰিছিল।

৩নং প্রশ্নৰ উত্তৰ ঃ ১৮৪৮ চনত দাদাভাই নৌৰাজীয়ে Students Scientific and Historic Society-ৰ প্রতিষ্ঠা কৰিছিল। যিয়ে বিতর্ক আৰু অলোচনাৰ এক মাধ্যম ৰূপে কাম কৰিছিল যাৰবাবে ইয়াক

ভাৰতবর্ষৰ ছাত্র আন্দোলনৰ বাটকটীয়া বুলি ক'ব পাৰি।

৪নং প্রশ্নৰ উত্তৰ ঃ ৯ এপ্রিল ১৯৭১।

৫নং প্রশ্নৰ উত্তৰ ঃ ১৯৭৯।

১৪.৯ আৰ্হি প্রশ্ন

চুটি প্রশ্নাৱলী ঃ (উত্তৰ সমূহ ১৫০টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ ঃ সামাজিক আন্দোলনৰ প্রয়োজন সম্পর্কে এটি চমু টোকা লিখক।

প্রশ্ন ২ ঃ ছাত্র-আন্দোলনৰ বাটকটীয়া হিচাপে স্বাধীনতা আন্দোলনৰ প্রভাৱ সম্পর্কে লিখা।

ৰচনাধর্মী প্রশ্ন ঃ (উত্তৰ সমূহ ৩০০ৰ পৰা ৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ অসমৰ ছাত্র আন্দোলন সম্পর্কে এক ৰচনা লিখা আৰু ইয়াৰ অর্থনৈতিক, সামাজিক প্রভাৱ বর্ণনা কৰক।

প্রশ্ন ২ ঃ সমগ্র বিশ্বৰ তিনিটা ঐতিহাসিক ছাত্র আন্দোলনৰ বর্ণনা কৰক।

*** ***** ***

অধ্যায় ১৫ ঃ উত্তৰ-পূব ভাৰতত পৰিচয় ৰক্ষাৰ আন্দোলন

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ পৰিচয় ৰক্ষাৰ আন্দোলনৰ উত্থান
১৫.৪ পৰিচয় ৰক্ষাৰ আন্দোলনৰ মূল বিষয়সমূহ
১৫.৫ পৰিচয় ৰক্ষাৰ আন্দোলনৰ পৰিণামসমূহ
১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৭ অধিক জানিবলৈ
১৫.৮ অগ্রগতিৰ খতিয়ান
১৫.৯ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উত্তৰ-পূব ভাৰতত পৰিচয় ৰক্ষাৰ উত্থানৰ বিষয়ে অৱগত হ'ব
- ইয়াৰ মূল বিষয়সমূহ আৰু পৰিচয় ৰক্ষাৰ আন্দোলনৰ তাৎপর্য সম্পর্কে জানিব পাৰিব।

১৫.২ পৰিচয়

ভাৰতবর্ষৰ উত্তৰ-পূব অঞ্চল অসংখ্য জনজাতীয় গোষ্ঠী আৰু সিৰোৰৰ সুকীয়া সুকীয়া পৰিচয়েৰে চহকী। এই অঞ্চলটোত দুশতকৈও অধিক জনজাতি আৰু উপ-জনজাতি দেখিবলৈ পোৱা যায়। আঠখন ৰাজ্য অর্থাৎ অৰুণাচল প্রদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নগালেণ্ড, ত্রিপুৰা আৰু চিকিমক লৈ গঠিত এই অঞ্চলটো ভাৰতবর্ষৰ ভিতৰতে ৰাজনৈতিকভাৱে স্পন্দনপূর্ণ। চাৰিখন বিদেশী ৰাষ্ট্রই অঞ্চলটো আগুৰি ৰাখিছে— চীন, ম্যানমাৰ, বাংলাদেশ আৰু ভূটান। অঞ্চলটো প্রায় সম্পূর্ণৰূপে স্থলবেষ্টিত (land-bcked) আৰু ভাৰতৰ মূলভূমিৰ সৈতে পশ্চিম-বংগৰ মাথোঁ ত্রিশ কিলোমিটাৰ দৈর্ঘ্যৰ ঠেক সংযোগ সূত্রৰে সংযোজিত। উত্তৰ-পূবৰ জনসংখ্যাৰ চৰিত্র বিভিন্নতা সূচক। ই অনেক জাতি, গোষ্ঠী, বর্ণ, ভাষা আৰু ধর্ম লৈ গঠিত। বিভিন্ন জনজাতিগত, ভাষিক আৰু ধর্মীয় দলসমূহে এই অঞ্চলটোত তেওঁলোকৰ পৃথক আত্মপৰিচয়ৰ দাবী তুলি আহিছে আৰু আত্মপৰিচয়, স্বায়ত্ত শাসন আদিৰ নামত বিচ্ছিন্নতাবাদী আন্দোলন গঢ়ি তুলিছে। সেয়েহে উত্তৰ-পূবৰ ক্ষেত্রত আত্মপৰিচয় আন্দোলনৰ বিষয়টো এক গুৰুত্বপূর্ণ বিষয় ৰূপে পৰিগণিত।

আত্মপৰিচয় সামঞ্জস্য আৰু পৃথকতাৰ ভিত্তিত সংজ্ঞায়িত হয়। সামঞ্জস্যতাই পৰিচয়ৰ স্ব (self) প্রস্থিতি বিচাৰ কৰে আৰু অসামঞ্জস্যতা বা পৃথকতাই অন্য (other) প্রস্থিতি বিচাৰ কৰে। এই ধাৰণাটোৱে সমাজত এটা গোষ্ঠীৰ পৰা আন এটা গোষ্ঠীৰ স্বকীয়তা সূচিত একে আৰু এক ধৰণৰ স্তৰবিন্যাস সম্ভৱ কৰি তোলে। পৰিচয় সম্ভৱ হৈ উঠিবলৈ স্থায়ী আৰু প্রাসংগিক চৰিত্র নির্ণিত হোৱাতো প্রয়োজনীয়। এই প্রাসংগিকতাই আত্মপৰিচয় সবল কৰি তোলে। সাংস্কৃতিক সামঞ্জস্যতা আৰু পৃথকতা পৰিচয় নির্ণয়ৰ অটাইতকৈ প্রাসংগিক চৰিত্র ৰূপে গণ্য

কৰা হয়। অৱশ্যে ই কোনো স্থায়ী, সহজাত অথবা নির্ধাৰিত কাঠামো নহয়। ই মুক্ত আৰু তৰল। আত্মপৰিচয়ৰ ধাৰণাটো ব্যক্তি, সমাজ আৰু বুৰঞ্জীৰ অন্তঃসংযোগৰ ফলত গঢ় লৈ উঠে। এক সামাজিক নির্মিতি হিচাপে সকলো প্রকাৰৰ আত্মপৰিচয়েই সমাজ, সংস্কৃতি, প্রযুক্তি আৰু ৰাজনৈতিক গঠনসমূহত পৰিৱর্তনৰ লগে লগে নতুন ৰূপ, তত্ত্ব আৰু বৈধতাৰ ধাৰণা পৰিগ্রহ কৰি পৰিৱর্তিত হয়।

১৫.৩ পৰিচয় ৰক্ষাৰ আন্দোলনৰ উত্থান

উত্তৰ-পূব ভাৰতৰ পৰিচয় ৰক্ষাৰ আন্দোলন এক উত্তৰ-ঔপনিৱেশিক সংঘটন। এই অঞ্চলৰ সম্প্রদায়সমূহৰ মাজত নিজা পৰিচয় সাব্যস্ত কৰাৰ প্রক্রিয়াটো ঔপনিৱেশিক কালতে পৰিলক্ষিত হৈছিল যদিও ই উত্তৰ-ঔপনিৱেশিক পর্যায়ত এক আন্দোলনৰ ৰূপ লয়। এই পর্যায়টোত পৰিচয় গঠন প্রক্রিয়াৰ বহুল পৰিৱর্তন পৰিলক্ষিত হয়। ভাৰতৰ স্বাধীনতা আৰু জাতি ৰাষ্ট্র (nation state) গঠনৰ পাছত আত্মপৰিচয়ৰ ধাৰণাটোৱে এক বহল তাৎপর্য লাভ কৰিবলৈ ল'লে। ইতিহাস, জাতিতত্ত্ব আৰু পৰিচয় আদি বিষয়বোৰ অঞ্চলটোৰ সম্প্রদায়সমূহৰ বাবে গুৰুত্বপূর্ণ ৰূপত ধৰা দিবলৈ ল'লে। আত্মপৰিচয়ৰ ৰাজনৈতিক ধাৰণাটো অৱশ্যে বৰ জটিল। উত্তৰ-পূব ভাৰত বহু সম্প্রদায়েৰে সৈতে এক যৌগিক আত্মপৰিচয়মূলক অঞ্চল। জাতি আৰু এলেকাসমূহৰ ভিন্নতাৰ বাবে আত্মপৰিচয় বিষয়ক ৰাজনৈতিক সংঘর্ষসমূহৰ বিভিন্ন সময়ত ভিন্ন ভিন্ন ৰূপ আৰু সংস্কৰণ পৰিলক্ষিত হয়। ব্যক্তিৰ সাম্প্রদায়িক পৰিচয় স্থানীয়, ৰাজ্যিক আৰু ৰাষ্ট্রীয় পর্যায়ত বেলেগ বেলেগ ৰূপত দেখা যায়। মুখ্যতঃ ভাষিক পৰিচয়ৰ বিষয়টোৱেই উত্তৰ-পূব ভাৰতত ৰাজনৈতিকভাৱে অধিক সক্রিয় যেন বোধ হয়। ভাৰতবর্ষত পৰিচয়ৰ ৰাজনীতি গণতন্ত্র আৰু স্বাধীনতাৰ পাছৰ পৰিৱর্তনসমূহৰ সৈতে গভীৰভাৱে সম্পর্কিত। স্বৰাজোত্তৰ ভাৰতত আধুনিকীকৰণ আৰু উন্নয়ন আদি বিষয়সমূহে সমান্তৰালকৈ সাম্প্রদায়িক পৰিচয় আৰু সংঘর্ষৰ সৃষ্টি কৰিলে। ভাষিক আৰু ধর্মীয় কাৰকসমূহৰ ওপৰত ভিত্তি কৰি সাম্প্রদায়িক গোটসমূহৰ আয়তন অঞ্চল ভেদে বেলেগ বেলেগ। সাম্প্রদায়িক ভিন্নতা আৰু আঞ্চলিক বৈষম্যই সততে সাম্প্রদায়িক পৰিচয়ৰ ৰাজনীতিক ঘনীভূত কৰি তোলে। দেখা যায় আত্মপৰিচয়ৰ দাবীসমূহ উপৰাষ্ট্রীয় অথবা আঞ্চলিক আৰু কেন্দ্রীয় চৰকাৰৰ দ্বাৰা কোনো এক নির্দিষ্ট সম্প্রদায়ৰ নিপীড়ন এই দাবীসমূহ এক আন্দোলনলৈ পর্যবসিত হোৱাৰ কাৰণ স্বৰূপ। আন পৰিস্থিতিত যেতিয়া ৰাজ্য চৰকাৰক লৈ বিদ্বেষ উদ্ভৱ হয়, ৰাজ্যৰ বিপক্ষেও সেই একে আন্দোলন গঢ়ি উঠে। গোলকীকৰণে সম্প্রতি বহুতো পৰিচয়ে কোঁহ মেলাত অনুঘটক যোগাইছে। যোগাযোগ আৰু যাতায়াতৰ উন্নতিয়ে স্থানীয়, উপ-আঞ্চলিক আৰু আঞ্চলিক সামাজিক আত্মপৰিচয়ৰ ধাৰণাত অভাৱনীয় পৰিৱর্তন সাধিছে। গোলকীকৰণে সিবোৰক বজাৰ আৰু আর্থিক ব্যৱস্থাৰ বিভিন্ন শক্তিসমূহৰ সৈতে পৰিচয় কৰাইছে যিয়ে পাছলৈ পৰিচয়ৰ বিভিন্নতা গঢ়ি উঠাত হাত উজান দিছে।

জনজাতীয় জনসাংখ্যিক গাঁথনিতো যোৱাটো শতিকাত বহুল পৰিৱর্তন ঘটিছে। পৰিৱর্তনৰ প্রক্রিয়াটোত কেতবোৰ জনজাতীয় সম্প্রদায়ে ইয়াৰ সাংস্কৃতিক বৈশিষ্ট্য বহুখিনি পৰিত্যাগ কৰিলে। মোটামুটিভাৱে প্রতি তিনিজনৰ ভিতৰত এজন জনজাতীয় লোকে তেওঁৰ স্বজনজাতীয় ভাষাটো বর্তমান ব্যৱহাৰ নকৰে। ই একপ্রকাৰে পৰিচয়ৰ সংকটৰ সংকেত সূচক। মধ্যবৃত্ত শ্রেণীটোৰ উত্থান আৰু খ্রীষ্টান গীর্জাঘৰ প্রতিষ্ঠা প্রাক-স্বাধীন কালত পৰিচয়ৰ সংকট গঢ় লোৱাৰ সময়ছোৱাৰ বিশিষ্ট কাৰক আছিল। প্রশাসনিক সুৰক্ষা আৰু খ্রীষ্টান ধর্ম ব্রিটিছৰ শাসনকালত উত্তৰ-পূব ভাৰতত গঢ়ি উঠা পৰিচয়সমূহৰ অনুঘটক স্বৰূপ আছিল। জনজাতীয় সম্প্রদায়সমূহৰ ঐতিহাসিক অভিজ্ঞতাই আন্তঃজনজাতিক সম্পর্কবোৰৰ বাবে তেওঁলোকৰ মাজত পৰিচয়ৰ ধাৰণাটো গঢ় লৈ উঠাত সহায় কৰিলে। ঔপনিৱেশিক কালছোৱাত উত্তৰ-পূর্বাঞ্চলে ব্রিটিছৰ 'divide and rule' শাসন সহিব লগাত পৰিল। উন্নয়নৰ স্তৰসমূহক লৈ তেওঁলোকে পাহাৰ অঞ্চলটোক দুটা ভাগত বিভক্তি কৰিলে ঃ

Excluded Areas আৰু Partially Excluded Areas ব্রিটিছসকলে জনজাতীয় লোকসকলক ভৈয়ামৰ লোকসকলৰ পৰা পৃথকে Excluded Area সমূহত ৰাখিব খুজিছিল আৰু ইয়াৰ নিহিত উদ্দেশ্য আছিল সংঘর্ষ ৰোধ কৰাটো। সেয়েহে আত্মপৰিচয়ৰ ৰাজনীতি উত্তৰ-পূব ভাৰতবর্ষত হৈ পৰিল আত্মপৰিচয়ৰ আন্দোলনৰ নামান্তৰ মাথোঁন। ইয়াৰ এটা উদাহৰণ আছিল নগা আন্দোলন। ইয়াৰ প্রধান উদ্দেশ্য আছিল সার্বভৌমত্ব। নগা আন্দোলনো নামান্তৰ মাথোঁন। ইয়াৰ এটা উদাহৰণ আছিল নগা আন্দোলন। ইয়াৰ প্রধান উদ্দেশ্য আছিল সার্বভৌমত্ব। নগা আন্দোলনক উত্তৰ-পূবৰ সকলো বিচ্ছিন্নতাবাদী আন্দোলনৰে মাতৃস্বৰূপ আখ্যা দিয়া হয়। ২.৭ মিলিয়ন লোকৰ বাসভূমি মণিপুৰ হৈছে তিনি প্রধান জনজাতিৰ থল ঃ কুকী, নগা আৰু মেইতেই। চাৰিখন উপত্যকা জিলাত সিঁচৰতি হৈ থকা মেইতেই সকলে যিদৰে আঞ্চলিক অখণ্ডতা দাবী কৰে, কুকী আৰু নগাসকলে পাহাৰ অঞ্চলত পৃথক প্রশাসনৰ পোষকতা কৰে। সেয়েহে উত্তৰ-পূবৰ আত্মপৰিচয় আন্দোলন বিভিন্ন জনগোষ্ঠীৰ ঐতিহাসিক কাৰকসমূহৰ ফলাফল।

১৫.৪ পৰিচয় ৰক্ষাৰ আন্দোলনৰ মূল বিষয়সমূহ

উত্তৰ-পূব ভাৰতৰ পৰিচয় ৰক্ষাৰ আন্দোলনে বহুকেইটা বিষয় সামৰি লয়। আমি জানোঁ যে এই অঞ্চলতো বহুকেইটা সম্প্রদায় আৰু জনগোষ্ঠীৰ বাসভূমি য'ত প্রতিটো গোষ্ঠীৰে বৈশিষ্ট্যসমূহ সুকীয়া প্রকৃতিৰ। ঔপনিৰেশিক শাসন আৰম্ভ হোৱাৰ লগে লগে এই বিষয়সমূহে নতুন মোৰ ল'বলৈ আৰম্ভ কৰে। উত্তৰ-পূবৰ আত্মপৰিচয় আন্দোলনৰ ৰাজনীতিৰ মুখ্য কাৰকসমূহ তলত আলোচনা কৰা হ'ল —

(১) বিচিত্র জাতিগত গোষ্ঠী ঃ ভাৰতবর্ষৰ উত্তৰ-পূব বহু প্রজন্ম ধৰি বিভিন্ন জাতিগত গোষ্ঠীৰ বাসভূমি যি নিজ নিজ ঐতিহাসিক আৰু গাঁথনিগত বৈশিষ্ট্যৰে সমৃদ্ধ। ফলস্বৰূপে এই গোষ্ঠীসমূহে নিজস্ব জাতিগত বৈশিষ্ট্যৰ সমৃদ্ধিৰ নিমিত্তে সংগ্রামত নামি পৰে আৰু ইয়াৰ ফলত আত্মপৰিচয় আন্দোলন গঢ় লৈ উঠে। প্রতিটো গোষ্ঠীয়ে আন গোষ্ঠীৰ পৰা নিজৰ ভিন্ন বিশিষ্টতা প্রতীয়মান কৰিব খোজে আৰু ইয়ে 'অন্য'ৰ ধাৰণা গঢ়ি তোলে।

(২) অর্থনৈতিক অনুন্নয়ন ঃ উত্তৰ-পূর্বাঞ্চল ভাৰতবর্ষৰ ভিতৰতে এখন অর্থনৈতিকভাৱে অনুন্নত ঠাই। অর্থনৈতিক অনুন্নয়ন আৰু অসমান উন্নয়নৰ মাত্রা উত্তৰ-পূবৰ জনজাতীয় গোষ্ঠীসমূহৰ পুনৰুত্থানৰ মূল কাৰক স্বৰূপ। এই অভিযোগ সততে অনা হয় যে মূলসুঁতিৰ ভাৰতবর্ষই উত্তৰ-পূবক প্রয়োজনীয় অর্থনৈতিক সম্পদৰ পৰা বঞ্চিত কৰিছে। কার্বি, ডিমাচা, কুঁকি, বড়ো, নগা, মিজো আদি জনগোষ্ঠী এই জাতীয় অর্থনৈতিক বঞ্চনাৰ বাবেই ৰাষ্ট্রীয় মূলসুঁতিৰ সৈতে সংঘর্ষত লিপ্ত হোৱা দেখা যায়। তেওঁলোকে এনেকি পৃথক স্বায়ত্তশাসিত ৰাষ্ট্রৰ দাবীও তুলি আহিছে।

(৩) সমতলৰ লোকসকলৰ প্রতি পাহাৰীয়া গোষ্ঠীৰ ধাৰণা ঃ পাহাৰীয়া জনজাতিসকলৰ মাজত এই ধাৰণাও বিৰাজমান যে কেৱল মূলসুঁতিৰ ভাৰতীয়ই নহয় বৰঞ্চ তেওঁলোকৰ ভ্রাতৃসম ভৈয়ামৰ লোকসকলেও তেওঁলোকক লৈ বঞ্চনাসূচক মনোভাৱ পোষণ কৰে। এনে ধাৰণাই ভাষিক-সাংস্কৃতিক ভিন্নতাৰ ভেটিত সংঘর্ষৰ সৃষ্টি কৰিবলৈ ল'লে আৰু ফলস্বৰূপে নগালেণ্ড, মিজোৰাম, মেঘালয় আদি পৃথক ৰাজ্য গঢ় লৈ উঠিল।

(৪) অসমৰ পাহাৰীয়া জনগোষ্ঠীৰ ওপৰত অসমীয়া ভাষা আৰোপ ঃ ১৯৬০ চনত অসমীয়া ভাষাটো অসমৰ চৰকাৰী ভাষা ৰূপে বলবৎ কৰা হয়। ই জনজাতীয় গোষ্ঠীসমূহৰ মাজত এক জাতিগত সচেতনতাৰ উদ্রেক কৰে। ই তেওঁলোকৰ মাজত নিজস্ব ভাষাটো হেৰুওৱাৰ ভীতিৰ সৃষ্টি কৰে। উদাহৰণ স্বৰূপে সম্মিলিত মিজো স্বাধীনতা সংঘই ৰাজ্যিক পুনৰ সংগৃহীত আয়োগত কিদৰে অসমীয়া ভাষাই বিভাজন আনিব পাৰে আৰু এটা প্রভাৱশালী গোষ্ঠীয়ে অনা-অসমীয়া গোষ্ঠীৰ ওপৰত ঔপনিৰেশিক নীতি আৰোপ কৰিব পাৰে সেয়া উল্লেখ

কৰি স্মাৰকপত্ৰ অৰ্পণ কৰিছিল। এই ভাষা আইনখনে কেইবাটাও সম্প্ৰদায়ক আঘাত হানিছিল। ই ১৯৬৩ চনত নগালেণ্ড অসমৰ পৰা বিভক্ত হৈ যোৱাৰো কাৰণ লৈ উঠিছিল। সেইদৰে মিজোৰাম, মেঘালয়, অৰুণাচল প্ৰদেশো নিজ নিজ ভাষিক পৰিচয় ৰক্ষাৰ নিমিত্তে বিভাজিত হৈ গৈছিল।

(৫) বিদেশী অনুপ্ৰৱেশ ঃ বিদেশীৰ উপস্থিতি নাইবা বিদেশীৰ আগমন উত্তৰ-পূব ভাৰতৰ আত্মপৰিচয় আন্দোলনৰ ৰাজনীতি গঢ় লৈ উঠাৰ এক মুখ্য কাৰক। ঔপনিৱেশক কালতে আৰম্ভ হোৱা এই প্ৰব্ৰজন এতিয়াও চলি থকা দেখা যায়। এই অনিয়ন্ত্ৰিত জনপ্ৰবাহ উত্তৰ-পূবৰ গণতান্ত্ৰিক গাঁথনিৰ অসমতা, অৰ্থনৈতিক চ্যুতি, ৰাজনৈতিক অশান্তি, নিয়োগ সমস্যা, সামাজিক-সাংস্কৃতিক তথা ভাষিক সমস্যাসমূহৰ ঘাই হেতু স্বৰূপ। ইয়াৰ ফলস্বৰূপে বিভিন্ন জনজাতীয় গোষ্ঠীসমূহ নিজৰ স্বকীয়তাক লৈ অধিক সচেতন হৈ পৰে আৰু পৰিচয়ৰ আন্দোলন গঢ় লয়।

(৬) শিক্ষা আৰু ভাৰতবৰ্ষৰ গণতান্ত্ৰিক নীতিৰ প্ৰসাৰ ঃ শিক্ষাই মানুহৰ নিজস্ব স্থিতি সম্পৰ্কে এক ধৰণৰ সচেতনতা গঢ়ি তুলিলে আৰু ইয়াৰ ফলতে গঢ়ি উঠিল আত্মপৰিচয় লৈ সজাগতা। মানুহে অনুভৱ কৰিবলৈ ধৰিলে যে তেওঁলোক অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আদি বিভিন্ন ক্ষেত্ৰত বঞ্চিত হৈ আহিছে। এই সচেতনতাই তেওঁলোকৰ সামাজিক-সাংস্কৃতিক আৰু ভাষিক পৰিচয় অক্ষুণ্ণ ৰাখিবৰ বাবে এক জাতিগত মানসিকতা গঢ়ি তুলিলে আৰু উত্তৰ-পূব ভাৰতত পৰিচয় আন্দোলনে পোঁখা মেলাত অৰিহণা যোগালে।

(৭) জনজাতীয় লোকৰ স্থানচ্যুতি ঃ জনজাতীয় লোকসকলৰ স্থানান্তৰণ উত্তৰ-পূবৰ ৰাজনীতিৰ এক জলন্ত প্ৰসংগ। ইয়ো উত্তৰ-পূব ভাৰতৰ আত্মপৰিচয় আন্দোলনৰ এক অনুঘটক। যেতিয়া জনজাতি অধ্যুষিত এলেকা এটাত কোনো উদ্যোগ স্থাপন কৰা হয় তেতিয়া তাৰ লোকসকলক সেই ঠাইৰ পৰা উচ্ছেদিত কৰা হয়। ই তেওঁলোকৰ বাবে এক অন্যায়ৰ ৰূপ লয়। ভূমি হৈছে তেওঁলোকৰ জীৱন ধাৰণৰ মুখ্য বাহক। জনজাতীয় লোকসকল প্ৰকৃতিৰ সৈতে নিবিড়ভাৱে জড়িত আৰু তেওঁলোকৰ ৰীতি-নীতি তথা প্ৰথাসমূহো প্ৰকৃতি নিৰ্ভৰ। স্বভূমিৰ পৰা স্থানচ্যুত হোৱা পৰিঘটনাই তেওঁলোকৰ সংবেদনশীলতাক আঘাত হানে আৰু ফলত একতাৰ মনোভাৱ আৰু পৰিচয়ৰ সচেতনতা গঢ়ি লৈ উঠে।

১৫.৫ পৰিচয় ৰক্ষাৰ আন্দোলনৰ পৰিণামসমূহ

পৰিচয় আন্দোলনৰ বহুতো তাৎপৰ্য মন কৰা যায়। উত্তৰ-পূব ভাৰত বিভিন্ন গোষ্ঠীগত সংঘৰ্ষ, চৰমপন্থা আৰু বিদ্ৰোহৰ উত্তপ্ত থলী সদৃশ। বিভিন্ন পৰিচিতি আন্দোলনৰ বাবেই এই অঞ্চলটোত কেইবাটাও চৰমপন্থী সংঘ গঢ় লৈ উঠা দেখা যায় যি ভাৰত ৰাষ্ট্ৰৰ অখণ্ডতা আৰু সাৰ্বভৌমত্বক ভাবুকি দিব খোজে। ইয়াৰ ভিতৰত অসমৰ সংযুক্ত মুক্তি বাহিনী (ULFA), বড়োলেণ্ডৰ ৰাষ্ট্ৰীয় গণতান্ত্ৰিক বাহিনী, নাগালিমৰ ৰাষ্ট্ৰীয় সমাজবাদী পৰিষদ, কুঁকি জাতীয় বাহিনী, গাৰো মুক্তি বাহিনী, বড়ো ৰাষ্ট্ৰীয় মুক্তি বাহিনী, ত্ৰিপুৰাৰ ৰাষ্ট্ৰীয় মুক্তি বাহিনী, Hmar People's Convention (Democratic), Zomi Revolutionary Army, All Tripura Tiger's of Arunachal, অৰুণাচল ৰাষ্ট্ৰীয় মুক্তি বাহিনী, United Liberation Tigers of Arunachal, অৰুণাচল প্ৰদেশৰ বিপ্লৱী বাহিনী আদি উল্লেখযোগ্য।

বিচ্ছিন্নতাবাদৰ পৰা সাৰ্বভৌমত্বলৈ প্ৰতিটো চৰমপন্থী গোটৰে সুকীয়া দাবী পৰিলক্ষিত হয়। গোষ্ঠীগত জাগৰণে জাতিগত ভিত্তিতো মানুহৰ অপসাৰণ ঘটায়। ই উত্তৰ-পূবৰ সম্প্ৰদায় সমূহৰ মাজত জাতিগত বিভেদ সৃষ্টি কৰে। উদাহৰণ স্বৰূপে অবৈধ প্ৰব্ৰজন আৰু অসমীয়া পৰিচয়ৰ সুৰক্ষাৰ বাবে হোৱা ১৯৭৯-৮৪ৰ অসম আন্দোলন, নগা পৰিচয়ৰ সংকটক লৈ গঢ়ি উঠা নগা আন্দোলন আৰু দুৰ্ভিক্ষৰ সময়ত কেন্দ্ৰ আৰু ৰাজ্যৰ উদাসীনতাই গঢ় দিয়া মিজো আন্দোলন। ভাৰতবৰ্ষই বিভিন্ন সম্প্ৰদায়ৰ সাংগঠনিক সুৰক্ষা নিশ্চিতিৰে উদাৰবাদী গণতন্ত্ৰ গ্ৰহণ কৰে। কিন্তু চৰমপন্থী গোটসমূহে এই সুৰক্ষাক ধনাত্মকভাৱে গ্ৰহণ কৰিব নোখোজে। এই প্ৰসংগতে

এটা কথা বিচাৰ কৰি চোৱা উচিত যে উদাৰবাদী গণতন্ত্ৰত এনে চৰমপন্থী চিন্তাধাৰা গঢ় লয় কেনেকৈ। জনজাতিগত অপসাৰণ প্ৰক্ৰিয়াই গোষ্ঠীগত জাগৰণ সৃষ্টি কৰে যি সমাজত সততে চৰমপন্থা আৰু হিংসাৰ জন্ম দিয়ে। বিভিন্ন দলসমূহে নিজৰ উদ্দেশ্যেত উপনিত হ'বৰ বাবে চৰমপন্থা হাতত লয় যি উদ্দেশ্য উদাৰবাদী গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে সাধন কৰিব পৰা নাযায়। ই বিভিন্ন সম্প্ৰদায়সমূহৰ মাজত থকা পৰিচয়ৰ সজাগতাৰে প্ৰভাৱ। ই কাৰ্যতঃ অভিজাত আৰু মধ্যবৃত্তসকলৰ আঞ্চলিক সচেতনতাৰ সৈতে সংযোজিত হয়। আন এটা প্ৰসংগ হৈছে প্ৰভাৱশালী সম্প্ৰদায়সমূহে ৰাজ্যৰ লগত মিলিত হৈ কেতবোৰ আন সম্প্ৰদায়ক সম্পদ, সংস্থা আৰু সুবিধাৰ পৰা বঞ্চিত কৰি এক বৰ্জনৰ ধাৰণা গঢ়ি তোলে। এনে পৰিপ্ৰেক্ষিতত ক্ষুদ্ৰ জনগোষ্ঠীয় দলসমূহে সম্পদ আৰু সুবিধা দাবী কৰিবলৈ প্ৰেৰিত হয়। প্ৰান্তীয়সমূহৰ এই দাবী আৰু ইয়াৰ চৰমপন্থী সংস্কৰণে ৰাজ্যৰ ৰাজনীতিত এক নতুন মাত্ৰাৰ সংযোগ ঘটায়। এই প্ৰসংগত, গণতান্ত্ৰিক ৰাজনীতিক জনগোষ্ঠীয় ৰাজনীতিয়ে আচ্ছন্ন কৰি ৰাখে। জনগোষ্ঠীয় সম্প্ৰদায়ৰ অভিজাতসকলে গোষ্ঠীগত ধাৰণাৰে মানুহৰ অপসাৰণ ঘটাই ইয়াৰ উদ্দেশ্য সাধন কৰিব খোজে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আত্মপৰিচয় বুলিলে কি বুজে?

.....

প্ৰশ্ন নং ২ ঃ সংস্কৃতি আৰু পৰিচয়ৰ সম্পৰ্কটো উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৩ ঃ উত্তৰ-পূব ভাৰত কোন কেইখন ৰাজ্যলৈ গঠিত?

.....

১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতবৰ্ষৰ উত্তৰ-পূব অঞ্চল অসংখ্য জনজাতীয় গোষ্ঠী আৰু সিবোৰৰ সুকীয়া সুকীয়া পৰিচয়েৰে চহকী। এই অঞ্চলটোত দুশতকৈও অধিক জনজাতি আৰু উপ-জনজাতি দেখিবলৈ পোৱা যায়।
- আঠখন ৰাজ্য অৰ্থাৎ অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিমক লৈ গঠিত এই অঞ্চলটো ভাৰতবৰ্ষৰ ভিতৰতে ৰাজনৈতিকভাৱে স্পন্দনপূৰ্ণ।
- উত্তৰ-পূবৰ জনসংখ্যাৰ চৰিত্ৰ বিভিন্নতাসূচক। ই অনেক জাতি, গোষ্ঠী, বৰ্ণ, ভাষা আৰু ধৰ্ম লৈ গঠিত। বিভিন্ন জনজাতিগত, ভাষিক আৰু ধৰ্মীয় দলসমূহে তেওঁলোকৰ পৃথক পৰিচয়ৰ দাবী তুলি আহিছে আৰু অঞ্চলটোত পৰিচয়, স্বায়ত্তশাসন আদিৰ নামত বিচ্ছিন্নতাবাদী আন্দোলন গঢ়ি তুলিছে।
- পৰিচয় সামঞ্জস্য আৰু পৃথকতাৰ ভিত্তিত সংজ্ঞায়িত হয়। সামঞ্জস্যতাই পৰিচয়ৰ স্ব (self) প্ৰস্থিতি বিচাৰ কৰে আৰু অসামঞ্জস্যতা বা পৃথকতাই অন্য (other) প্ৰস্থিতি বিচাৰ কৰে। এই ধাৰণাটোৱে সমাজত এটা গোষ্ঠীৰ পৰা আন এটা গোষ্ঠীৰ স্বকীয়তা সূচিত একে আৰু এক ধৰণৰ স্তৰবিন্যাস সম্ভৱ কৰি তোলে। আত্মপৰিচয় সম্ভৱ হৈ উঠিবলৈ স্থায়ী আৰু প্ৰাসংগিক চৰিত্ৰ নিৰ্ণিত হোৱাতো প্ৰয়োজনীয়।
- উত্তৰ-পূব ভাৰতৰ পৰিচয় ৰক্ষাৰ আন্দোলন এক উত্তৰ-ঔপনিৰেশিক সংঘটন। এই অঞ্চলৰ

সম্প্রদায়সমূহৰ মাজত নিজা পৰিচয় সাব্যস্ত কৰা প্রক্রিয়াটো ঔপনিৱেশিক কালতে পৰিলক্ষিত হৈছিল যদিও উত্তৰ ঔপনিৱেশিক পর্যায়ত ই এক জাগৰণৰ ৰূপ লয়।

- স্বৰাজোত্তৰ ভাৰতত আধুনিকীকৰণ আৰু উন্নয়ন আদি বিষয়সমূহে সমান্তৰালকৈ সাম্প্রদায়িক পৰিচয় আৰু সংঘর্ষৰ সৃষ্টি কৰিলে।
- দেখা যায়, পৰিচয়ৰ দাবীসমূহ উপৰাষ্ট্রীয় অথবা আঞ্চলিক আৰু কেন্দ্রীয় চৰকাৰৰ দ্বাৰা কোনো এক নির্দিষ্ট সম্প্রদায়ৰ নিপীড়ন এই দাবীসমূহ এক আন্দোলনলৈ পর্যবসিত হোৱাৰ কাৰণ স্বৰূপ।
- উন্নয়নৰ স্তৰসমূহক লৈ ব্রিটিছসকলে পাহাৰ অঞ্চলটো দুটা ভাগত বিভক্ত কৰিছিল ঃ Excluded Areas আৰু Partially Excluded Areas। তেওঁলোকে জনজাতীয় লোকসকলক ভৈয়ামৰ লোকসকলৰ পৰা পৃথকে Excluded Area সমূহত ৰাখিব খুজিছিল আৰু ইয়াৰ নিহিত উদ্দেশ্য আছিল সংঘর্ষ ৰোধ কৰাটো।
- সেয়েহে উত্তৰ-পূবৰ পৰিচয় জাগৰণ বিভিন্ন জনগোষ্ঠীৰ ঐতিহাসিক কাৰকসমূহৰে ফলাফল।
- ভাৰতবর্ষৰ উত্তৰ-পূব বহু প্রজন্ম ধৰি বিভিন্ন জাতিগত গোষ্ঠীৰ বাসভূমি যি নিজ নিজ ঐতিহাসিক আৰু গাঁথনিগত বৈশিষ্ট্যৰে সমৃদ্ধ।
- উত্তৰ-পূর্বাঞ্চল ভাৰতবর্ষৰ ভিতৰতে এখন অর্থনৈতিকভাৱে অনুন্নত ঠাই। অর্থনৈতিক অনুন্নয়ন আৰু অসমান উন্নয়নৰ মাত্রা উত্তৰ-পূবৰ জনজাতীয় গোষ্ঠীসমূহৰ পুনৰুত্থানৰ মূল কাৰক স্বৰূপ।
- পাহাৰীয়া জনজাতিসকলৰ মাজত এই ধাৰণাও বিৰাজমান যে কেৰল মূলসুঁতিৰ ভাৰতীয়ই নহয় তেওঁলোকৰ ভ্রাতৃসম ভৈয়ামৰ লোকসকলেও বঞ্চনাসূচক মনোভংগী পোষণ কৰে।
- ১৯৬০ চনত অসমীয়া ভাষাটো অসমৰ চৰকাৰী ভাষাৰূপে বলবৎ কৰা হয়। ই জনজাতীয় গোষ্ঠীসমূহৰ মাজত এক জাতিগত সচেতনতাৰ উদ্রেক কৰে।
- বিদেশীৰ উপস্থিতি নাইবা বিদেশীৰ আগমন উত্তৰ-পূব ভাৰতৰ পৰিচয় আন্দোলনৰ ৰাজনীতিৰ এক মুখ্য কাৰক।
- শিক্ষাই মানুহৰ নিজস্ব স্থিতি সম্পর্কে একৰণৰ সচেতনতা গঢ়ি তুলিলে আৰু ইয়াৰ ফলতে গঢ়ি উঠিল পৰিচয় লৈ সজাগতা।
- জনজাতীয় লোকসকলৰ স্থানান্তৰণ উত্তৰ-পূবৰ ৰাজনীতিৰ এক জলন্ত প্রসংগ। ইয়ো উত্তৰ-পূব ভাৰতৰ পৰিচয় আন্দোলনৰ এক অনুঘটক।
- বিভিন্ন পৰিচয় ৰক্ষাৰ আন্দোলনৰ বাবেই এই অঞ্চলটোত কেইবাটাও চৰমপন্থী সংঘ গঢ় লৈ উঠা দেখা যায় যি ভাৰতবর্ষৰ অখণ্ডতা আৰু সার্বভৌমত্বক ভাবুকি দিব খোজে।

১৫.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Misra, Udayon (2014), India's North-East : Identity, Movements, State and Civil Society. Oxford University Press. New Delhi.

১৫.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ আত্মপৰিচয় সামঞ্জস্য আৰু পৃথকতাৰ ভিত্তিত সংজ্ঞায়িত হয়। সামঞ্জস্যতাই পৰিচয়ৰ স্ব

(self) প্ৰস্থিতি বিচাৰ কৰে আৰু অসামঞ্জস্যতা বা পৃথকতাই অন্য (other) প্ৰস্থিতি বিচাৰ কৰে। এই ধাৰণাটোৱে সমাজত এটা গোষ্ঠীৰ পৰা আন এটা গোষ্ঠীৰ স্বকীয়তা সূচিত একে আৰু এক ধৰণৰ স্তৰবিন্যাস সম্ভৱ কৰি তোলে। পৰিচয় সম্ভৱ হৈ উঠিবলৈ স্থায়ী আৰু প্ৰাসংগিক চৰিত্ৰ নিৰ্ণিত হোৱাতো প্ৰয়োজনীয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃতিক সমঞ্জস্যতা আৰু পৃথকতা নিৰ্ণয়ৰ আটাইতকৈ প্ৰাসংগিক চৰিত্ৰ ৰূপে গণ্য কৰা হয়। পৰিচয় অৱশ্যে কোনো স্থায়ী, সহজাত অথবা নিৰ্ধাৰিত কাঠামো নহয়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ আঠখন ৰাজ্য অৰ্থাৎ অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিমক লৈ গঠিত উত্তৰ-পূৰ্বাঞ্চল ভাৰতবৰ্ষৰ ভিতৰতে ৰাজনৈতিকভাৱে এক স্পন্দনপূৰ্ণ অংশ।

১৫.৯ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন ঃ (উত্তৰ ১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ পৰিচয় ৰক্ষাৰ আন্দোলন মানে কি বুজে?

প্ৰশ্ন ২ ঃ উত্তৰ-পূবৰ বিভিন্ন পৰিচয় ৰক্ষাৰ আন্দোলনসমূহ কি কি?

ৰচনাধৰ্মী প্ৰশ্ন ঃ (উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ উত্তৰ-পূবৰ পৰিচয় ৰক্ষাৰ আন্দোলনৰ প্ৰসংগটো আলোচনা কৰক।

প্ৰশ্ন ২ ঃ উত্তৰ-পূব ভাৰতৰ পৰিচয় ৰক্ষাৰ আন্দোলনৰ তাৎপৰ্যসমূহ বৰ্ণনা কৰক।

*** ***** ***

প্রসঙ্গ পুথি

1. Agnihotri, I. and Vina Mazumdar. 1995. Changing Terms of Political Discourse: Women's Movement in India 1970s – 1990s. Economic and Political Weekly, 30(29): 1869 1879.
2. Altbach, Philip G. 1969. Turmoil and transition: higher education and student politics in India, Basic Books, University of Michigan
3. Ambedkar, B.R. 1987. Writings and Speeches, Volume 3, Bombay: Government of Maharashtra.
4. Anjaneyalu, Y. 2004. Introduction to Environmental Science. BS Publications, Hyderabad, A.P. India.
5. Bakhurst, D., & Shanker, S. (2001). Jerome Bruner: Language, Culture, Self. Sage Publication
6. Barpujari,H.K.(ed),Comprehensive History of Assam, Vol.I, Guwahati, 1990
7. Buechler, Steven. 2011. Understanding Social Movements: Theories from the Classical Era to the present. Paradigm Publishers.
8. Charsley, Simon. 2004. "Interpreting Untouchability: The Performance of Caste in Andhra Pradesh, South India," Asian Folklore Studies, Volume 63, No. 2, Pp. 267–290.
9. Chatterjee, P. 2001. "On Civil Society and Political Society in Postcolonial Democracies," in Sudipta Kaviraj and Sunil Khilnani (eds.) Civil Society:History and Possibilities, Cambridge, Cambridge Press, Pp. 165–178.
10. Cunningham, W.P., Cooper, T.H., Gorhani, E and Hepworth, M.T. 2001. Environmental Encyclopedia, Jaico Publ. House, Mumbai.
11. Desai: A.R. (ed.) Peasant Struggles-in India, Bombay, OUP, 1979
12. Dietrich, Gabriele. 1992. Reflections on the Women's Movement in India: Religion, Ecology, Development. New Delhi: Horizon India Books
13. Eder, K. (1985).The new social movements: Moral crusades, political pressure groups, or social movements? Social Research 52: 869-901
14. Gellner, David N. (ed.). 2009. Ethnic Activism and Civil Society in South Asia, New Delhi: Sage Publications.
15. Goodwin, J. (2001). No Other Way Out States and Revolutionary Movements. Cambridge University Press.
16. Guha, Amalendu, Planter Raj to Swaraj: Freedom Struggle and Electoral Politics in Assam: 1926-1947,New Delhi, ICHR, 1977

17. Guha, Ranajit, Elementary Aspects of Peasant Insurgency in Colonisl India, Delhi, OUP, 1983.
18. Hardtmann, Eva-Maria. 2009. The Dalit Movement in India: Local Practices, Global Connections, Delhi: Oxford University Press.
19. Kaul, S.N. and AshutoshGautam. 2002. Principles of Environmental Studies. Daya Publishing house, New Delhi.
20. Kothari S. (1989) The Human Rights Movement in India: Crisis and Challenges. In: Forsythe D.P. (eds) Human Rights and Development. International Political Economy Series. Palgrave Macmillan, London
21. Mazumdar, Vina. 1976. The Social Reform Movement in India: From Ranade to Nehru. In Indian Women from Purdah to Modernity. ed. B.R. Nanda: 41-66. New Delhi: Vikas.
22. Mazumdar, Vina. (ed.). 1979. Symbols of Power: Studies on the Political Status of Women in India. New Delhi: Allied Publishers.
23. Mazumdar, Vina and K. Sharma. 1979. Women's Studies: New Perceptions and Challenges. Economic and Political Weekly, 14 (3): 113-120.
24. Mazumdar, Vina. 2000. Political Ideology of the Women's Movement's Engagementwith Law. Occasional Paper 34. New Delhi: Centre for Women's DevelopmentStudies.
25. McAdam, D. (1982). Political Process and the Development of Black Insurgency, 1930-1970. Chicago: University of Chicago Press.
26. Melucci, A. (1988). Social movements and the democratization of everyday life, in J. Keane (ed.) Civil Society and the State. London: Verso: 245-60.
27. Misra, Udayon (2014), *India's North-East:Identity Movements, State and Civil society*, Oxford University Press, New Delhi.
28. Moore, E. C. (1913). The Liberal Movement and Missions. *The American Journal of Theology Vol. 17,* (No. 1), pp. 22-46
29. Niranjana, Seemanthini. 2000. Transitions and Reorientations: On the Women'sMovement in India. In Contemporary India- Transitions, ed. Peter de Souza. NewDelhi: Sage Publications.
30. Pathy, Jagannath, Tribal Peasantry: Dynamics of Development, New Delhi, Inter-India, 1984.
31. Rajagopalan, R. 2015. Environmental Studies: From Crisis to Cure, Oxford Rao, M.S.A.2002. Social Movements in India: Studies in peasant, Tribal and Women's Movement. Manohar Publishers and Distributors.

32. Rajimwale, A. 2001. History of student movement in India: Origins and development (1920-1947), New Delhi: Manak Publications.
33. Ray, A.K. 'Human Rights Movement in India: A Historical Perspective.' Economic and Political Weekly, August 9, 2003, p. 3411.
34. Rudolph, Lloyd I, Susanne Hoeber Rudolph and Karuna Ahmed. Student Politics and National Politics in India, Economic and Political Weekly, Vol. 6, No. 30/32, Special Number (Jul., 1971)
35. Shah, Ghanshyam. 2004. Social Movements n India: A Review of Literature. Sage Publication.
36. Singh, Kr. Suresh, Birsa Munda and His Movement, 1874-1901. A S Millenerian Movement in Chotanagpur, Calcutta, OUP, 1983
37. South Asia Human Rights Documentation Centre (SAHRDC), A Step in the Right Direction, Tata McGraw Hill, New Delhi, 2000, p. 78.
38. Srinivas, M.N., A.M. Shah and B.S. Bavaskar, 'Kothari's Illusion of Secular Upsurge', Times of India, Letter to Editor, October 17, 1990.
39. Srinivas, M.N., Caste in Modern India and Other Essays, London: Asia Publishing House, 1962.
40. Srinivas, M.N., Social Change in Modern India, Berkeley and Los Angeles: University of California Press, 1966.
41. Thakurta, Paranjoy Guha; Shankar Raghuraman (2004). A Time of Coalitions: Divided We Stand, Sage Publications: New Delhi
42. Thorat, Sukhadeo. 2009. Dalits in India: Search for a Common Destiny, New Delhi: Sage Publications.

KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY
Headquarter : Patgaon, Rani, Guwahati - 781017, Assam, India
City Office : NH 37, Resham Nagar, Khanapara, Guwahati-781022, Assam, India
Tel: 0361-2235642 (Rani Campus), 0361-2235971 (Khanapara Campus, City Office),
Fax: 0361-2235398
Website : www.kkhsou.in

Printed at : RR Graphics, Rajgarh Road, Bylane: 03, House No. 15, Guwahati-781003.